গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত
জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
দ্বাদশ বছৰ ■ সংখ্যা ৩৫৭ ■ গুৱাহাটী ■ শুকুৰবাৰ, ৫ আগষ্ট, ২০২২, ১৯ শাওণ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২
VOL. XII ISSUE NO. 357 Dainandin Barta ■ Guwahati, Friday ■ 5 August, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only





## হিমাতেই আৰু আশা...



২০০ মিটাৰ দৌৰ ২৩.৪২ ছেকেণ্ড


## ছেমি ফাইনেলত ধিং এক্সপ্ৰেছ হিমা

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৪ আগষ্ট ঃ** চলিত বাৰ্মিংহাম কমনৱেলথ গেমছৰ লন বলৰ পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত স্থান লাভ কৰাত ব্যৰ্থ হ'ল ভাৰতীয় দলৰ সদস্য অসম সন্তান মৃদুল বৰগোহাঁয়ে। উল্লেখ্য যে আজি মৃদুল ৰ'জ ডেভিছৰ বিৰুদ্ধে ১৩-২১ ৰ ব্যৱধানত পৰাস্ত হয়। ইয়াৰপূৰ্বে গ্ৰুপৰ দুয়োখন মেচত মৃদুলে জয়লাভ কৰিবলৈ সক্ষম ■ ৮ পৃষ্ঠাত

### লন বলৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত স্থান নাপালে মৃদুলে

## দীঘলীয়া আইনী যুঁজৰ পিছত পাকিস্তানত ১,২০০ বছৰ পুৰণি হিন্দু মন্দিৰ 'বেদখলমুক্ত'

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৪ আগষ্ট ঃ** পাকিস্তানত দীৰ্ঘ আইনী যুদ্ধৰ পিছত বেদখলমুক্ত কৰা হৈছে পাকিস্তানৰ লাহোৰৰ এটা হিন্দু মন্দিৰ। ১,২০০ বছৰ পুৰণি মন্দিৰটো বেদখলমুক্ত হোৱাৰ কথাই এতিয়া দেশখনত বাস কৰা হিন্দু লোকসকলক আনন্দিত কৰি তুলিছে। উল্লেখ্য, এটা খ্ৰীষ্টান পৰিয়ালে অবৈধভাৱে ১,২০০ বছৰ পুৰণি হিন্দু মন্দিৰটো দখল কৰি আছিল। এক দীঘলীয়া আইনী যুঁজৰ পিছত, মন্দিৰটো এভেকুই ট্ৰাষ্ট প্ৰপাৰ্টী ব'ৰ্ডে পুনৰুদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। এভেকুই ট্ৰাষ্ট প্ৰপাৰ্টী ব'ৰ্ড হৈছে পাকিস্তানত সংখ্যালঘুসকলৰ উপাসনাস্থলীৰ তত্ত্বাৱধানৰ দায়িত্বত থকা এক সংস্থা। সংস্থাটোৱে ১,২০০ বছৰ পুৰণি আইনী যুঁজত জয়ী হোৱাৰ দিছে যে ট্ৰাষ্টে এতিয়াৰে পৰা কৰিব। বাল্মীকি মন্দিৰ অঞ্চলৰ পাকিস্তানৰ মন্দিৰটো বেদখলমুক্ত কৰাৰ বাবে পিছতে পাকিস্তানৰ ন্যায়ালয়ে নিৰ্দেশ লাহোৰৰ মন্দিৰটো চোৱা-চিতা লাহোৰৰ বিখ্যাত আইনাবজাৰ আটাইতকৈ পুৰণি ■ ৮ পৃষ্ঠাত



বাৰ্মিংহাম ২০২২ কমনৱেলথ গেমছ
ভাৰত ঃ সোণ ৫, ৰূপ ৬, ব্ৰঞ্জ ৭ ঃ মুঠ ১৮



অধ্যাপক প্ৰহলাদ আৰ যোশী





## দুজন নতুন উপাচাৰ্যক শপতনামা প্ৰদান কৰালে ৰাজ্যপালে

### কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু প্ৰাচীন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে অধ্যাপক প্ৰহলাদ আৰ যোশী ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে অধ্যাপক জিতেন হাজৰিকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৪ আগষ্ট ঃ** কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু প্ৰাচীন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে অধ্যাপক প্ৰহলাদ আৰ যোশী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে অধ্যাপক জিতেন হাজৰিকাই শপতগ্ৰহণ কৰে আজি ৰাজভৱনৰ দৰবাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এক অনুষ্ঠান। ইয়াৰ পূৰ্বে উপায়ুক্ত তথা ৰাজ্যপালৰ সম্পাদক এছ এছ মীনাক্ষী সুন্দৰমে অনুষ্ঠানৰ কাৰ্যসূচী আৰম্ভ কৰাৰ বাবে ৰাজ্যপালৰ পৰা অনুমতি বিচাৰিছিল। অনুষ্ঠানত ■ ৮ পৃষ্ঠাত



## চাপৰত ৰঙামাটিৰ ক'লা বেহা

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাপৰ, ৪ আগষ্ট ঃ** ধুবুৰী জিলাৰ শালকোচা আঞ্চলিক বনাঞ্চলৰ অন্তৰ্গত শ্ৰীগ্ৰাম ৬ষ্ঠ খণ্ড ধীৰঘাটস্থিত ১৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ নিচেই কাষত অৱস্থিত পাহাৰসদৃশ ভূমিৰ পৰা চৰকাৰী ৰাজহ ফাঁকিৰে লালমাটি খনন কৰা পৰিলক্ষিত হৈছে। উক্ত ভূমি অগপৰ জ্যেষ্ঠ নেতা তথা বিলাসীপাৰা পূব ■ ৮ পৃষ্ঠাত

## অসম জেহাদীৰ ৰম্যভূমিত পৰিণত হৈছে ঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

# 'মানৱ বোমা' গঢ়াত ব্যস্ত

শান্তিপ্ৰিয় মুছলমান ৰাইজলৈ আহ্বান মুখ্যমন্ত্ৰী শৰ্মাৰ— সচেতন হওক, চকু দিব, খবৰ দিব



- ক'ভিডৰ সময়ত এবিটিয়ে কৰিছিল জেহাদীৰ কাৰ্যকলাপ বৃদ্ধি
- মছজিদৰ ইমাম আৰু মাদ্ৰাছাৰ শিক্ষকৰ ওপৰত কঠোৰ নজৰ ৰাখিম
- বৰপেটাত বিগত চাৰি মাৰ্চত আনছাৰ উল্লাহ বাংলা টীমৰ এটা গোটক উৎখাত— ছজনীয়া দলটোৱে মহম্মদ ছুমনক গ্ৰেপ্তাৰ, আটাইকেইটা বাংলাদেশী
- বিগত ১৪ এপ্ৰিলত দ্বিতীয়টো গোটক উৎখাত, গ্ৰেপ্তাৰ ৬
- বঙাইগাঁৱত ১৫ এপ্ৰিলত তৃতীয়টো গোট উৎখাত, গ্ৰেপ্তাৰ চাৰি
- ২৭ জুলাইত বৰপেটাত এটা গোটক উৎখাত, গ্ৰেপ্তাৰ ৯



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৪ আগষ্ট ঃ** দেশৰ লগতে অসমৰো বিভিন্ন প্ৰান্তত ইছলামিক মৌলবাদীয়ে ভয়ংকৰ কুটাঘাতৰ পৰিকল্পনা কৰাৰ কথা আৰক্ষীয়ে ফাদিল কৰাৰ পিছতে মৌলবাদীৰ বিৰুদ্ধে সক্ৰিয় হৈ পৰিছে অসম চৰকাৰ। অসমত মৌলবাদী কাৰ্যকলাপত জড়িত অথবা মৌলবাদীক সহায় কৰি অহাসকলক কোনো কাৰণতে ৰেহাই দিয়া নহ'ব বুলি আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পুনৰবাৰ দোহাৰে। লক্ষণীয় কথাটো হ'ল মৌলবাদীক সহায় কৰা লোক এজনে স্থাপন কৰা মছজিদো আজি বুলড'জাৰ লগাই ভাঙি দিয়া হয়। মৌলবাদীৰ টিঘিল্‌ঘিলনিৰ মাজতে জেহাদী প্ৰসংগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এখন সংবাদ মেল অনুষ্ঠিত কৰে। জনতা ভৱনত আয়োজিত সংবাদ মেলত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, 'আজি কিছুদিনৰ পৰা বৰপেটা আৰু মৰিগাঁও জিলাত জেহাদী, মৌলবাদীৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান চলাই আছে। আমাৰ তথ্যৰ ভিত্তিত বেলেগ ৰাজ্যই জেহাদীৰ গোট উৎখাত কৰিবলৈ সক্ষম হৈছে।' ১৯৯৯ত জেহাদীৰ ঘাটি উৎখাত কৰা হৈছিল অসমত। হৰকত-উল-মুজাহিদীনক উৎখাত কৰা হৈছিল। ২০০৩-০৪ত হৰকত-উল-ইছলামী, ২০১১ত জামাতুল মুজাহিদীন বাংলাদেশ, ২০১৮-২২ আনছাৰ উল্লাহ বাংলা টীম—AQIS উৎখাত কৰা ■ ৮ পৃষ্ঠাত

দেশৰ সকলো ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ পত্ৰ

## পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰক মহাবীৰ লাচিত বৰফুকনৰ বীৰ গাথা ঃ মুখ্যমন্ত্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৪ আগষ্ট ঃ** মহাবীৰ লাচিত বৰফুকনৰ মহাপৰাক্ৰম তথা শৰাইঘাটৰ যুদ্ধত মোগলৰ আগ্ৰাসনৰ বিৰুদ্ধে লাচিত বৰফুকনৰ নেতৃত্বত ঐতিহাসিক বিজয়ে অসমৰ ইতিহাসৰ এক গৌৰৱময় অধ্যায়ৰ ধাৰা বহন কৰিছে। ২০২২ চনটো মহাবীৰ লাচিতৰ জন্মজয়ন্তীৰ ৪০০ তম্ বৰ্ষ। ইতিহাসৰ এই স্বৰ্ণিল ■ ৮ পৃষ্ঠাত

## জেহাদীৰ ঘাটিত পৰিণত হোৱা মাদ্ৰাছা জমিউল হুদাত প্ৰশাসনৰ উচ্ছেদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ৪ আগষ্ট ঃ** ২৮ জুলাইত মৈৰাবাৰী থানাৰ অন্তৰ্গত চহৰীয়া গাঁৱত অৱস্থিত জমিউল হুদা নামৰ মাদ্ৰাছাখনৰ শিক্ষক মুস্তফা মুফতীক জেহাদী কাৰ্যকলাপৰ লগত জড়িত থকাৰ অপৰাধত মৰিগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ লগতে মাদ্ৰাছাখনো ছীল কৰিছিল। উল্লেখ যে বাংলাদেশৰ এটা অবৈধ কাৰ্যকলাপত জড়িত সংগঠনৰ লগত ধনৰ লেনদেনৰ তথ্য পোহৰলৈ অহাৰ পিছত মুফতী মুস্তফাক গ্ৰেপ্তাৰ কৰাৰ লগতে আটক ■ ৮ পৃষ্ঠাত



## মন্ত্ৰী পীযূষ হাজৰিকাই চালে যোৰহাটৰ দৃষ্টিহীন আৰু বধিৰ বিদ্যালয়

### প্ৰতিটো শ্ৰেণীকক্ষত সোমাই উপস্থিত প্ৰতিগৰাকী দিব্যাংগ শিক্ষাৰ্থীৰে আলাপ মন্ত্ৰী হাজৰিকাৰ ঃ ছাত্ৰ-ছাত্ৰীৰ সৈতে একেলগে আহাৰো গ্ৰহণ মন্ত্ৰীগৰাকীৰ ঃ ১০ দিনৰ ভিতৰত দিব্যাংগসকলৰ বাবে থকা ৰাজ্যখনৰ সকলো বিদ্যালয়ত উন্নত মানৰ আৰু একে ধৰণৰ খাদ্য প্ৰদানৰ ব্যৱস্থা কৰিবলৈ বিভাগক নিৰ্দেশ



**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ৪ আগষ্ট ঃ** অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই আজি যোৰহাট দৃষ্টিহীন বিদ্যালয় আৰু যোৰহাট বধিৰ বিদ্যালয় ভ্ৰমণ কৰি বিদ্যালয় দুখনৰ সামগ্ৰিক আন্তগাঁথনিৰ বুজ লোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। প্ৰথমতে, মন্ত্ৰীগৰাকীয়ে যোৰহাট দৃষ্টিহীন বিদ্যালয় ভ্ৰমণ কৰি ■ ৮ পৃষ্ঠাত

### বয়োজ্যেষ্ঠ নাগৰিকৰ বাবে ৰাষ্ট্ৰীয় হেল্পলাইনৰ আৰম্ভণি

## এল্ডাৰলাইন-১৪৫৬৭

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৪ আগষ্ট ঃ** ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ৰ অধীনত ৰাষ্ট্ৰীয় সামাজিক প্ৰতিৰক্ষা প্ৰতিষ্ঠানে আৰম্ভ কৰা বয়োজ্যেষ্ঠ নাগৰিকৰ বাবে ৰাষ্ট্ৰীয় হেল্পলাইন (Elderline-14567) কাৰ্যসূচী অসমতো ৰূপায়ণ কৰাৰ বাবে অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগে ব্যৱস্থা গ্ৰহণ ■ ৮ পৃষ্ঠাত

### গেছ ক্ৰেকাৰ প্ৰকল্পৰ উৎপাদিত কেঁচা মালৰ ভিত্তিত উদ্যোগ স্থাপনৰ সম্ভাৱনীয়তা পৰ্যালোচনা উদ্যোগ মন্ত্ৰী বিমল বড়াৰ

## আছে প্ৰচুৰ সম্ভাৱনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৪ আগষ্ট ঃ** অসম চুক্তিৰ আধাৰত ডিব্ৰুগড় জিলাৰ লেপেটকাটাত স্থাপন কৰা গেছ ক্ৰেকাৰ প্ৰকল্পৰ উৎপাদিত কেঁচামালৰ ভিত্তিত ৰাজ্যত ভটিয়নী উদ্যোগ স্থাপনৰ যিমান সম্ভাৱনা দেখা গৈছিল ২০১৬ চনত আনুষ্ঠানিকভাৱে মুকলিৰ পাছত পৰ্যাপ্ত উদ্যোগ স্থাপন নহ'ল। এই পৰিপ্ৰেক্ষিতত ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বৰ্তমানৰ ৰাজ্য চৰকাৰখনে এই গেছ ক্ৰেকাৰ প্ৰকল্পৰ পৰা উৎপাদিত সামগ্ৰীক কেঁচা ■ ৮ পৃষ্ঠাত





## চেঙাত চিকিৎসালয়লৈ সাঙীৰে কঢ়িয়াইছে ৰোগী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৪ আগষ্ট ঃ** দক্ষিণ বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ খোলাবান্ধাৰ চৰাঞ্চলত পোহৰলৈ আহিছে ৰাজ্যৰ স্বাস্থ্য বিভাগৰ নগ্ন ছবি। বিজ্ঞান প্ৰযুক্তিৰ দিনতো স্বাস্থ্য কেন্দ্ৰলৈ ৰোগী কঢ়িওৱাৰ বাবে নাই এম্বুলেঞ্চ। জৰুৰী অৱস্থাত ৰোগী চিকিৎসালয়লৈ নিয়াৰ বাবে চৰাঞ্চলৰ ৰাইজৰ বাবে ঠেলা, ঘোঁৰাৰ গাড়ী, সাঙী হৈ পৰিছে এম্বুলেন্স সেৱা। বিধায়ক আশ্ৰাফুল হুছেইনৰ সমষ্টিৰ বৃহত্তৰ খোলাবান্ধা চৰাঞ্চলত স্বাস্থ্য বিভাগৰ নাই এখনো এম্বুলেন্স। জানিব ■ ৮ পৃষ্ঠাত

## বৰপেটাত গ্ৰেপ্তাৰ দুই চাইবাৰ অপৰাধী



**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ৪ আগষ্ট ঃ** অপৰাধীৰ ৰৈম্যভূমিত পৰিণত হৈছে অসম। এইবাৰ চাইবাৰ অপৰাধীৰ গ্ৰাসত অসম। নিতৌ নতুন কৌশলৰে ধন লুটি নিছে চাইবাৰ অপৰাধীয়ে। শেহতীয়াভাৱে চাইবাৰ অপৰাধৰ বিৰুদ্ধে অভিযান চলাই বৃহৎ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে বৰপেটা আৰক্ষী। বৰপেটা আৰক্ষীৰ অভিযানত ■ ৮ পৃষ্ঠাত

## যুদ্ধই ৰুদ্ধ কৰিব নোৱাৰিলে প্ৰেমৰ বোৱঁতী নৈ



ইউক্ৰেইনৰ প্ৰেমিকা ভাৰতৰ ধৰমশালাত বিয়া পাতিলে ৰাছিয়াৰ প্ৰেমিকে

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৪ আগষ্ট ঃ** প্ৰেম বোৱঁতী নৈ। এই নৈক যুদ্ধই হওক বা আন কোনো কাৰকেই ৰুদ্ধ কৰিব নোৱাৰে। তাৰেই দৃষ্টান্ত দাঙি ধৰিলে থৈয়া-নথৈয়া ৰণত লিপ্ত হৈ থকা ৰাছিয়া আৰু ইউক্ৰেইনৰ প্ৰেমিক-প্ৰেমিকাই। ৰাছিয়াই ইউক্ৰেইন আক্ৰণ কৰাৰ তিনি মাহৰো বেছি হ'ল। যুদ্ধৰ বাবেই দুই বৈৰী দেশৰ প্ৰেমিক-প্ৰেমিকাই বিবাহপাশত আবদ্ধ হ'ব পৰা নাছিল। সেয়ে প্ৰেমক স্থায়ী ৰূপ দিবলৈ তেওঁলোক আহিল ভাৰতলৈ। ভাৰতৰ হিমাচল প্ৰদেশৰ ধৰমশালাত ৰাছিয়াৰ প্ৰেমিক ছেৰ্গেই নভিকভে ইউক্ৰেইনৰ প্ৰেমিকা ইলোনা ব্ৰামোকাক হিমাচল প্ৰদেশৰ দিব্যা আশ্ৰম খাৰোটাত আজি বিয়া কৰায়। ছেৰ্গেই নভিকভ আৰু ইলোনা ব্ৰামোকাই দুবছৰ ধৰি সম্পৰ্ক ৰক্ষা কৰি আহিছিল। ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত বৰ্তমান যুদ্ধ চলি থকা বাবেই তেওঁলোকে ধৰমশালাত বিবাহপাশত আবদ্ধ হোৱাৰ সিদ্ধান্ত লয়। সেইমৰ্মে তেওঁলোকে সনাতন ধৰ্মৰ ৰীতি-নীতি অনুসৰি বিবাহপাশত আবদ্ধ হয়। বিবাহ অনুষ্ঠানটোত উপস্থিত থকা স্থানীয় লোকসকলে সকলো ৰীতি-নীতি পালন কৰি তেওঁলোকৰ যুগ্ম জীৱনৰ পথ প্ৰশস্ত কৰি দিয়ে। উপস্থিত লোকসকলে ■ ৮ পৃষ্ঠাত

শিৱসাগৰত হৃদয়বিদাৰক ঘটনা

## পাৰিবাৰিক সংঘাতৰ বাবেই কীটনাশক দ্ৰব্য খাই নিজৰ লগতে হত্যা কৰিলে পুত্ৰক

### বাসগৃহৰ পৰা দুই কিলোমিটাৰ নিলগৰ ডিমৌ পথাৰত উদ্ধাৰ পিতা-পুত্ৰৰ মৃতদেহ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৪ আগষ্ট ঃ** যোৱানিশা শিৱসাগৰ নগৰৰ সমীপৰ বগীদ'ল ডিমৌকিনাৰত সংঘটিত এক আত্মহত্যাৰ ঘটনাই শিৱসাগৰ জিলাখনক জোকাৰি গৈছে। এজন পিতৃয়ে নিজে বিষাক্ত কীটনাশক দ্ৰব্য সেৱন কৰাৰ লগতে দুই ■ ৮ পৃষ্ঠাত

# বৰনৰ্দ্দী চুৰুচুৰীত জল জীৱন মিছনৰ ২টা পানী যোগান আঁচনি স্থানীয় পঞ্চায়তক হস্তান্তৰ অনুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৪ আগষ্ট ঃ** পশ্চিম নলবাৰী অঞ্চলৰ ধৰ্মপুৰ সমষ্টিৰ বৰনৰ্দ্দী চুৰুচুৰীত আজি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বেলশৰ সমমণ্ডল কাৰ্যালয়ৰ জৰিয়তে ৰূপায়িত জল জীৱন মিছনৰ দুটা নতুন পানী যোগান আঁচনি আনুষ্ঠানিকভাৱে স্থানীয় গাঁও পঞ্চায়তক অৰ্পণ কৰা হয়। এই উপলক্ষে কালি দিনৰ ১১ বজাত চুৰুচুৰীৰ ঐতিহ্যমণ্ডিত সংঘ 'মানৱ সেৱা সদন'ত ২৮নং বৰনৰ্দ্দী গাঁও পঞ্চায়তৰ সভাপতি মনোজ হাজৰিকাৰ পৌৰোহিত্যত অনুষ্ঠিত হয় এখন জল জীৱন মিছনৰ পানী যোগান আঁচনি হস্তান্তৰ সভা। যুৱ সমাজকৰ্মী দ্বিপন বৰ্মনে আঁত ধৰা অনুষ্ঠানত চুৰুচুৰী প্ৰথম খণ্ড আৰু চুৰুচুৰী দ্বিতীয় খণ্ড পানী যোগান দুটা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বেলশৰ সমমণ্ডলৰ কাৰ্যবাহী অভিযন্তা নামেশ্বৰ টায়ুডে আনুষ্ঠানিকভাৱে পঞ্চায়তখনক হস্তান্তৰ কৰে। কাৰ্যবাহী অভিযন্তা টায়ুডে তেওঁৰ ভাষণত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰতিটো ঘৰতে বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ কাৰণে ঘৰ ঘৰ নল শীৰ্ষক শ্লোগান উলিয়াই ৰাষ্ট্ৰীয় জল জীৱন মিছন নামৰ এক আঁচনি দেশৰ চুকে-কোণে ৰূপায়ণ কৰি আছে। প্ৰথমে চৰকাৰে বহু কোটি টকা খৰচ




কৰি এই আঁচনি জৰিয়তে দেশৰ প্ৰতিটো পৰিয়ালৰ ঘৰলৈ বিশুদ্ধ খোৱাপানীৰ নল নি দিছে। মানুহে বিনা খৰচত দিনটোত দুটা টিমত পৰিয়ালৰ প্ৰয়োজনীয় পানীখিনি পোৱাৰ ব্যৱস্থা কৰি দিছে চৰকাৰে। পিছত যিটো আঁচনিৰ পৰা পৰিয়ালসমূহে পানী পাই আছে সেই পৰিয়ালসমূহে প্ৰয়োজনত আঁচনিৰ মেৰামতি আদি কৰাৰো দায়িত্ব ল'ব লাগে। যিটো কাৰণত আঁচনি সদায় ভালে থাকিব পাৰে। আঁচনিখনৰ অধীনত থকা পানী সমিতিখনে আঁচনিখন চোৱা-চিটা কৰিব আৰু স্থানীয় গাঁও পঞ্চায়তখনেও সহযোগিতা আগবঢ়াব বুলি কয়। সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বেলশৰ উপ-সমমণ্ডল (টেকনিকেল) বিষয়া দুলু দত্ত লহকৰ, উপ-সমমণ্ডল বিষয়া মহিদুল হক, সহকাৰী অভিযন্তা ব্ৰজেন্দ্ৰ কুমাৰ তালুকদাৰ, শিক্ষক-সমাজকৰ্মী তৰুণ চন্দ্ৰ হাজৰিকাই জল জীৱন মিছনৰ ঘৰ ঘৰ নল আঁচনিৰ দ্বাৰা সকলো শ্ৰেণীৰ ৰাইজ উপকৃত হ'ব বুলি মত পোষণ কৰি ভাষণ প্ৰদান কৰে। পঞ্চায়তখনৰ সকলো সদস্য, সদস্যা, চুৰুচুৰীবাসী ৰাইজ, দুয়োটা আঁচনিৰ পানী সমিতিৰ বিষয়ববীয়া, সদস্যসকল উপস্থিত থকা সভাখনত ২৮নং বৰনৰ্দ্দী গাঁও পঞ্চায়তৰ সভাপতি মনোজ হাজৰিকাই ভাষণ প্ৰদান কৰি চুৰুচুৰী ১ম খণ্ডৰ আঁচনিখনৰ পৰা ২৯২টা পৰিয়ালে পানী যোগান নলৰে বিশুদ্ধ খোৱাপানী লাভ কৰিব আৰু চুৰুচুৰী ২য় খণ্ডৰ আঁচনিখনৰ পৰা ২১৮ নলৰ জৰিয়তে প্ৰতিটো পৰিয়ালে নিজ ঘৰৰ চৌহদতে বিশুদ্ধ খোৱাপানী লাভ কৰিব বুলি কয় আৰু এইবাৰ সৰ্বস্তৰৰ ৰাইজক স্বাধীনতা দিৱসৰ অমৃত মহোৎসৱৰ উপলক্ষে ভাৰত চৰকাৰে ঘোষণা কৰা ঘৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ ৰাইজক আহ্বান জনায়।

# টুপামাৰীত হৰ ঘৰ ত্ৰিৰংগা উৰুৱাৰ উদ্দেশ্যে সজাগতা সমদল

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাবেৰা, ৪ আগষ্ট ঃ** স্বাধীনতা দিৱস উদ্‌যাপনৰ বাবে ভাৰত চৰকাৰৰ নিৰ্দেশ মতে ঘৰে ঘৰে ত্ৰিৰংগা উৰুৱাৰ বাবে এলানি কাৰ্যসূচী গ্ৰহণ কৰিছে। ইতিমধ্যে জাতীয় পতাকাৰ বাবে বিভিন্ন অঞ্চলত পতাকা বিপণী কেন্দ্ৰ স্থাপন কৰা হৈছে। টুপামাৰী গ্ৰীন ভেলী মহিলা গ্ৰাম্য সংগঠনৰ উদ্যোগত হৰ ঘৰ ত্ৰিৰংগা অভিযানৰ প্ৰতি সঁহাৰি জনাই হাতে হাতে পতাকা লৈ ধুধুৱাৰে বিশাল সমদল উলিয়ায়। জানিব পৰা মতে টুপামাৰী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ পৰা টুপামাৰী বজাৰ হৈ টুপামাৰী আৰক্ষী চকীলৈ উলিয়াই এই সমদল। উক্ত সমদল কাৰ্যসূচীত নাছ, আশা কৰ্মী, ছুপাৰভাজাৰ, অংগনৱাড়ী কৰ্মী, আত্মসহায়ক গোটৰ কৰ্মীসকলেও এই সমদলত অংশগ্ৰহণ কৰি উচ্চৰমুখৰ কৰি তোলে অঞ্চলটো। টুপামাৰী গ্ৰীন ভেলী মহিলা সংগঠনৰ কৰ্মকৰ্তাসকলে জানিবলৈ দিয়া মতে টুপামাৰী বজাৰত এখন



পতাকা বিক্ৰী কেন্দ্ৰ মুকলি কৰিছে। সংগঠনটোৰ সদস্যসকলে নিজ হাতে তৈয়াৰ কৰা ত্ৰিৰংগা পতাকা টুপামাৰী বজাৰত থকা কেন্দ্ৰটোত উপলব্ধ হ'ব বুলি জানিবলৈ দিয়ে। ৰাইজক ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ ত্ৰিৰংগা পতাকা উত্তোলন কৰিবলৈ আহবান জনায়।

# মাজুলীত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ৪ আগষ্ট ঃ** ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশ মতে মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত ১৩ আগষ্টত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। ইফালে ১৩ জুলাইৰ পৰা হৈ থকা প্ৰাক্ ৰাষ্ট্ৰীয় লোক আদালত ১২ আগষ্টলৈ অনুষ্ঠিত হ'ব। যিসকলে বৰ্তমানেও প্ৰাক্ লোক আদালতত অংশগ্ৰহণ কৰা নাই তেওঁলোকক অতি সোনকালে প্ৰাক্ লোক আদালতত ভাগ ল'বলৈ আহ্বান জনাইছে। উক্ত লোক আদালতত বিভিন্ন আপোচযোগ্য ফৌজদাৰী গোচৰ, বিবাহজনিত গোচৰ, চেক বাউন্সৰ গোচৰ, যান-বাহন আইন ১৯৮৮ অধীনৰ গোচৰসমূহ নিষ্পত্তিৰ দিহা কৰিছে। ইয়াৰ উপৰি ঋণ আদায় সম্বন্ধীয়, বিজুলী বিল আদায় সম্বন্ধীয়, বি এছ এন এল ফোনৰ বিল আদায় সম্বন্ধীয় প্ৰাক মোকৰ্দ্দমা গোচৰসমূহো মীমাংসা কৰা হ'ব। ইতিমধ্যে মুখ্য ন্যায়িক দণ্ডাধীশ আৰু মহকুমা ন্যায়িক দণ্ডাধীশৰ জৰিয়তে মাজুলী আদালতত চলি থকা গোচৰসমূহ নিৰ্দিষ্ট বাদী-বিবাদীলৈ নটিচ প্ৰেৰণ কৰা হৈছে। নটিচপ্ৰাপ্ত বাদী-বিবাদীসকলে আদালতলৈ আহি প্ৰাক্ লোক আদালতত ভাগ লৈ নিজৰ গোচৰ মীমাংসা কৰিব পাৰিব। প্ৰাক্ লোক আদালতত মীমাংসা হোৱা গোচৰৰ বাদী-বিবাদী ১৩ আগষ্টত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় লোক আদালতত উপস্থিত থাকিব আৰু দুয়োপক্ষৰ সন্মতি লৈ গোচৰ চূড়ান্তৰূপে নিষ্পত্তি কৰা হ'ব। লগতে উক্ত আদালতৰ দ্বাৰা প্ৰাক্ মোকৰ্দমা গোচৰৰ গ্ৰাহকসকলকো নটিচৰ যোগেদি আহ্বান জনাইছে ওপৰত উল্লিখিত তাৰিখৰ ভিতৰত বেংক, বি এছ এন এল, এ পি ডি চি এলৰ শাখালৈ গৈ কৰ্তৃপক্ষৰ লগত মীমাংসাৰ আলোচনা কৰিব পাৰিব। কোনো বাদী-বিবাদী, গ্ৰাহকে যদি নটিচ গ্ৰহণ কৰা নাই তেন্তে ওপৰত উল্লেখ কৰা আদালতৰ গোচৰ আৰু প্ৰাক্ মোকৰ্দমা গোচৰৰ যদি নিষ্পত্তি কৰিব বিচাৰে তেনেহ'লে তলত উল্লিখিত ম'বাইল নম্বৰত অথবা মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ কাৰ্যালয়লৈ আহি যোগাযোগ কৰিব পাৰিব আৰু অনলাইন মাধ্যম হোৱাটছএপ, ভিডিঅ' কল আৰু গুগল মিট লিংক https://meet.google.com/rhf-rnta-wbw ব্যৱহাৰ কৰি গোচৰ নিষ্পত্তিৰ ব্যৱস্থা কৰিছে। লোক আদালতৰ জৰিয়তে নিষ্পত্তি হোৱা গোচৰসমূহৰ ক্ষেত্ৰত পৰৱৰ্তী পৰ্যায়ত কোনো ধৰণৰ আপিল আদিৰ ব্যৱস্থা নাই। সেয়ে আগন্তুক ৰাষ্ট্ৰীয় লোক আদালতত অংশগ্ৰহণ কৰি ন্যায় ব্যৱস্থাটো ত্বৰান্বিত কৰি তুলিবলৈ মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব সৰস্বতী জহৰী পাদুনে (এ জে এছ) সকলোৰে প্ৰতি আহবান জনাইছে। বিতং তথ্যৰ বাবে মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ ফ্ৰণ্ট অফিচ সমন্বয়কৰ ফোন নং ৭০০২৭১৭১৪৩ অথবা অফিচ ইমেইল আই ডি disamajuli@gmail.com ত যোগাযোগ কৰিবলৈ জনাইছে।

# হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি নগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত বৈঠকত মন্ত্ৰী পীযূষ হাজৰিকা



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৪ জুলাই ঃ** দেশৰ স্বাধীনতাৰ ৭৫ বছৰীয়া অমৃত মহোৎসৱৰ উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলোকে ঘৰে ঘৰে ত্ৰিৰংগা উৰুৱাবলৈ আহ্বান জনাইছে। ৰাষ্ট্ৰজুৰি অনুষ্ঠিত হ'বলগীয়া হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আজি নগাঁও জিলাৰ উপায়ুক্ত কাৰ্যালয়ত অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী তথা নগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী পীযূষ হাজৰিকাৰ উপস্থিতিত অনুষ্ঠিত হোৱা বৈঠকখনত অংশগ্ৰহণ কৰো। বৈঠকত মন্ত্ৰী পীযূষ হাজৰিকাই হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচীৰ সামগ্ৰিক প্ৰস্তুতি সম্পৰ্কত আলোচনা কৰাৰ লগতে উক্ত কাৰ্যসূচী সকলো দিশত সফল কৰি তুলিবলৈ সকলোকে আহ্বান জনায়। বৈঠকখনত বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী, শশীকান্ত দাসৰ লগতে নগৰ সমিতিৰ অধ্যক্ষসকল, নগাঁও জিলাৰ উপায়ুক্ত নৰেন্দ্ৰ দাস প্ৰমুখ্যে বিভিন্ন সংগঠনৰ জিলাৰ নেতৃত্ব, জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

# নাজিৰাৰ বিহুবৰ ঔগুৰিজানত ড্ৰাগ্‌ছসহ এজনক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৪ আগষ্ট ঃ** নাজিৰা মহকুমাৰ অন্তৰ্গত অসম-নাগালেণ্ড সীমান্তৱৰ্তী বিহুবৰ ঔগুৰিজানত আৰক্ষীয়ে অভিযান চলাই ড্ৰাগ্‌ছসহ এজন যুৱকক আটক কৰিবলৈ সক্ষম হয়। নাজিৰা আৰক্ষী চক্ৰ পৰিদৰ্শক দীপক বৰাৰ নেতৃত্বত ঔগুৰিজানত নিয়মীয়া তালাচী অভিযান চলাই থকা সময়ত ড্ৰাগ্‌ছসহ অহিদুৰ ইছলাম নামৰ যুৱকজনক আটক কৰে। সীমান্তৱৰ্তী বিহুবৰৰ অহিদুৰ ইছলামে জব্দকৃত ড্ৰাগ্‌ছখিনি নাগিনীমৰাৰ পৰা ক্ৰয় কৰি অনা বুলি আৰক্ষীৰ জেৰাত স্বীকাৰ কৰিছে। পৰিতাপৰ বিষয় যে, আৰক্ষীয়ে ড্ৰাগ্‌ছৰ বিৰুদ্ধে সঘনাই অভিযান চলাই বহু ড্ৰাগ্‌ছ মাফিয়াক আটক কৰি জে'ল হাজোতলৈ প্ৰেৰণ কৰে যদিও অতি কম দিনৰ ভিতৰতে জামিনত মুকলি হৈ আহি পুনৰ অধিক হাৰত ড্ৰাগ্‌ছ সৰবৰাহ কৰা পৰিলক্ষিত হয়।

# বৰপেটাৰ ভেল্লাত ড্ৰাগ্‌ছসহ যুৱক আৰু মহিলা আটক

## ড্ৰাগ্‌ছ সৰবৰাহত ব্যৱহৃত হৈছে মহিলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ৩ আগষ্ট ঃ** এগৰাকী মহিলাক লৈ এজন যুৱকে সৰবৰাহ কৰিছে ড্ৰাগ্‌ছ। বৰপেটাৰ ভেল্লাত আটক ড্ৰাগ্‌ছসহ যুৱক আৰু মহিলাগৰাকী। গুৱাহাটীৰ পৰা বৰপেটা অভিমুখে আহি থকা অৱস্থাত আটক হয় দুয়োজন। আটকাধীন যুৱকজন গুৱাহাটীৰ গাড়ীগাঁৱৰ মকবুল আলী (৩০)। যুৱকজনে এগৰাকী মহিলাক লগত লৈ এ আৰ-০২ বি-৪২২০ নম্বৰৰ চাৰিচকীয়া বাহনেৰে ড্ৰাগ্‌ছখিনি সৰবৰাহ কৰিছিল। গোপন সূত্ৰৰ পম খেদি আৰক্ষীয়ে ভেল্লাৰ দৰগাহপুৰ চ'কত আটক কৰে দুয়োজনক। আটকাধীন যুৱকজনৰ পৰা ১৪.৯৯ গ্ৰাম ড্ৰাগ্‌ছৰ টোপোলা আৰু ৬ গ্ৰামৰ এটা কণ্টেইনাৰ জব্দ কৰে বৰপেটা আৰক্ষীয়ে।

# প্ৰতীক্ষাৰ উদ্যোগত স্বাধীনতা দিৱসত ৫০০ জাতীয় পতাকা বিতৰণৰ প্ৰশংসনীয় পদক্ষেপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰূপহীহাট, ৪ আগষ্ট ঃ** দেশৰ অন্যান্য প্ৰান্তৰ লগতে নগাঁও জিলাতো ৭৬ সংখ্যক স্বাধীনতা দিৱস উৎসাহ-উদ্দীপনাৰে উদ্‌যাপনৰ বাবে নগাঁও জিলা প্ৰশাসনে ব্যাপক কাৰ্যসূচী হাতত লৈছে। কালি দুপৰীয়া ১ বজাত সোণাইপৰীয়া হেণ্ডিক্ৰাফ্ট প্ৰডিউচাৰ কোঃ লিঃ আৰু প্ৰতীক্ষা নামৰ বে-চৰকাৰী সংস্থাৰ কাৰ্যালয়ত যুটীয়া সভা অনুষ্ঠিত হয়। প্ৰতীক্ষাৰ সভাপতি আশ্বাদুল আলমৰ সভাপতিত্বত অনুষ্ঠিত সভাত স্বাধীনতা দিৱস উদ্‌যাপনৰ বিভিন্ন কাৰ্যসূচীৰ চূড়ান্ত ৰূপ দিয়া হয়। ভাৰত চৰকাৰে আজাদী কা অমৃত মহোৎসৱ কাৰ্যসূচীৰ অন্তৰ্গত হৰ ঘৰ ত্ৰিৰংগা নামেৰে যি কাৰ্যসূচী হাতত লৈ বিভিন্ন ঠাইত পতাকা বিপণী স্থাপন কৰা পৰিলক্ষিত হৈছে। তাৰ বাবে দুয়োটা সংগঠনে ভাৰত চৰকাৰৰ উক্ত কাৰ্যসূচীক ভূয়সী প্ৰশংসা কৰে। সেয়েহে আমাৰ এই দুইটা সংগঠনৰ তৰফৰ পৰা এই অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা কিছুমান মানুহৰ ঘৰতো ৫০০ জাতীয় পতাকাৰ যোগান ধৰাৰ সিদ্ধান্ত লোৱা হৈছে।

# তিলানা-বালামুগকুছিত জাপি শিল্প প্ৰদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৪ আগষ্ট ঃ** নলবাৰী জিলাৰ বাঁহজানীৰ জাপি শিল্প আৰু শিল্পীসকলৰ নানা সমস্যা, তৈয়াৰ কৰা কৌশল সন্দৰ্ভত কালি গুৱাহাটী মহানগৰৰ এটি দলে এটা প্ৰজেক্টৰ বাবে পৰিদৰ্শন কৰে। বিশিষ্ট সাংবাদিক ড° গীতালি শইকীয়া, বিশিষ্ট ব্যক্তি সঞ্জীৱ তামুলীৰ নেতৃত্বত অহা দলটোৱে স্থানীয় সাংবাদিক প্ৰাঞ্জল শৰ্মা, অৱসৰী শিক্ষক কুমুদ বেজবৰুৱা, যুৱ নেতা নয়নজ্যোতি কৌশিকৰ সৈতে এটি প্ৰজেক্টৰ বাবে বাঁহজানীৰ তিলানা, বালামুগকুছিৰ জাপি শিল্পীৰ কাৰু-কাৰ্য পৰিদৰ্শন কৰে। তিলানা নিৱাসী পূব নলবাৰী জাপি শিল্প উন্নয়ন সমিতিৰ সভাপতি বিজয় তামুলী, জাপি শিল্পী নৃপেন তামুলী, বালামুগকুছিৰ নৱমিলন আত্মসহায়ক গোটৰ সদস্য তথা জাপি শিল্পী জোনালী বৈশ্য, তাৰা বৈশ্য, দৈৱকী বৈশ্য, স্বৰ্ণমা বৈশ্য, মনো বৈশ্য, মীৰা বৈশ্য, মৃণালিণী বৈশ্য, মৰমী বৈশ্য,



অনিমা বৈশ্য, অনিতা বৈশ্য, অঞ্জলি বৈশ্য, সুমিত্ৰা বৈশ্যই তৈয়াৰ কৰি জাপি পৰিদৰ্শন কৰি দলটো অভিভূত হৈ পৰে। আনকি শিল্পীসকলে জাপি তৈয়াৰেৰে নিজৰ ঘৰখনকে ক্ষুদ্ৰ উদ্যোগ হিচাপে গঢ়ি তোলা দেখি প্ৰজেক্টৰ দলটোৱে প্ৰশংসা কৰে। উল্লেখ্য যে প্ৰজেক্টৰ দলটোক জাপি শিল্পীৰ গোটৰ মহিলাসকলে অসমীয়াৰ স্বাভিমান (সৰু বেজ আকৃতিৰ) জাপি একোটা উপহাৰ দি আদৰণি জনায়। ইফাল দলটোৱে হালোৱা জাপি ক্ৰয় কৰি নিয়ে।

# ৬-৭ আগষ্টত কামৰূপ মহোৎসৱৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ৪ আগষ্ট ঃ** সপ্তৰ্ষি ৰেলফেৰাৰ ছ'চাইটী, সংস্কৃতি গ্ৰুপ আৰু জনকল্যাণ ছ'চাইটী আৰু সাংস্কৃতিক বিদ্যালয়, অসমৰ উদ্যোগত ৬, ৭ আগষ্টত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ 'ৰংঘৰ বাকৰিত' উদ্‌যাপন কৰা হ'ব 'কামৰূপ মহোৎসৱ'। ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ কলা-সংস্কৃতি বিকাশ যোজনাৰ অধীনত সাংস্কৃতিক অনুষ্ঠান অনুমোদন আঁচনিৰ সাহায্যত অনুষ্ঠিত হ'ব এই অনুষ্ঠান। কাৰ্যসূচীৰ দুয়োটা দিনতে সন্ধিয়া ৫ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক সন্ধিয়াত অসমৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজ্যৰ বাহিৰৰ পৰা প্ৰায় ১৫০গৰাকীৰো অধিক শিল্পীয়ে অংশগ্ৰহণ কৰিব। গুজৰাটৰ শিল্পীসকলে সিদ্ধি ধামাল, ডাণ্ডিয়া আৰু গৰবা, হাৰিয়ানাৰ শিল্পীসকলে ফাগ আৰু ঘুমৰ, ঝাৰখণ্ডৰ শিল্পীসকলে সৰাইকেলা চৌ, আৰু অসমৰ শিল্পীসকলে বিহু নাচ, হামজাৰ নাচ আৰু দাহাল থুংগ্ৰী অনুষ্ঠান পৰিৱেশন কৰিব। ইতিমধ্যে আয়োজক মণ্ডলীয়ে শিল্পীসকলৰ যাতায়াত-পৰিবহণ ব্যৱস্থাকে আদি কৰি থকা-খোৱাৰ সু-ব্যৱস্থা নিশ্চিত কৰিছে। এই অনুষ্ঠানত মূলতঃ জাতীয় সাংস্কৃতিক সমগ্ৰ তথা জনজাতীয় সংস্কৃতিক বহুল প্ৰসাৰৰ প্ৰয়াস কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। কামৰূপ মহোৎসৱ সুকলমে সম্পূৰ্ণ কৰিবলৈ চেয়াৰপাৰ্চন আৰু আৰ্টিষ্টিক ডাইৰেক্টৰ স্বাগতা শৰ্মা, মুখ্য উপদেষ্টা কুমুদ নাথ, উপদেষ্টাদ্বয় কুলদীপ কুমাৰ জৈন আৰু শৈলেন বৰদলৈ, সভাপতি ৰক্তপ্ৰতিম নাথ, উপ-সভাপতি নাৰায়ণ বৰা, সাধাৰণ সম্পাদক কৌশিক হাজৰিকা, সাংস্কৃতিক সম্পাদক বাপুজী কোঁৱৰ, প্ৰচাৰ সম্পাদক মধু মাধৱ দাসক লৈ এখন একৈশজনীয়া সমিতি গঠন কৰিছে। উক্ত অনুষ্ঠানৰ সকলো কাৰ্যসূচীত ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি শ্ৰদ্ধাৰে কামনা কৰিছে উদ্যোক্তাসকলে।

**LOST**

I have lost one original Dolil vide bearing no..1230 dated 25-04-1997 in the name of lt.Mohibullah.
Ashique Elahi
S/0-Lt Mohibullah
Village-Shillongoni
P.o-Shillongoni
P.s-Sadar
Dist.-Nagaom(Assam)
Ph. -9957363944

**নাম সলনি**

মোৰ নাম Biseswar Das মোৰ পিতৃৰ নাম Praneswar Das. মই আদালতৰ জৰিয়তে এক শপত নামা যোগে মোৰ নামটো Praneswar Das ৰ পৰা Mohammad Ali কৰি ল'লো। আজিৰ পৰা মোৰ মাটি বাৰী আদিকে ধৰি সকলো নথিপত্ৰত মোৰ নতুন নাম Mohammad Ali ব্যৱহাৰ কৰিম।
ইতি
Mohammad Ali
S/O.- Praneswar Das.
Village- Domartola
P.O.- Radhamadhab hat
P.S.- Mankachar
District.- South Salmara mankachar (assam)

# বৰষ্ণৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক গিয়াছুদ্দিন আলীৰ বিদায় সম্বৰ্ধনা সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ৪ আগষ্ট ঃ** কামৰূপ জিলা শিক্ষা বিভাগৰ অধীনস্থ বৃহত্তৰ বৰষ্ণৈ অঞ্চলৰ শৈক্ষিক ক্ষেত্ৰৰ অগ্ৰণী শিক্ষানুষ্ঠান বৰষ্ণৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি অনুষ্ঠিত হৈ যায় এক বিদায় সম্বৰ্ধনা সভা। শিক্ষানুষ্ঠানখনত ১৯৯৩ চনৰ পৰা এগৰাকী বিষয় শিক্ষক হিচাপে মানৱ সম্পদ গঢ়া মহান বৃত্তিত কৰ্মৰত হৈ থাকি ২০২১ চনত অৱসৰী জীৱন গ্ৰহণ কৰা গিয়াছুদ্দিন আলীক আনুষ্ঠানিকভাৱে বিদায় জনোৱাৰ উদ্দেশ্যে অনুষ্ঠিত কৰে এই বিদায় সম্বৰ্ধনা সভা। সভাত পৌৰোহিত্য কৰে শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ আবু ছালেহ মহম্মদ ছালেহুদ্দিনে। সহকাৰী শিক্ষক মতিউৰ ৰহমানে আঁত ধৰা এই সম্বৰ্ধনা সভাত বিদায়ী বিষয় শিক্ষক গিয়াছুদ্দিন আলীয়ে ভাষণ প্ৰসংগত কয়— আজি এই সময়ত মোৰ মনটো বহুত বেয়া লাগিছে। কাৰণ বিদায় মানেই হ'ল কষ্ট, বিদায় মানেই হ'ল যন্ত্ৰণা, বিদায় মানেই হ'ল বিষাদৰ এক বোৱঁতী নৈ। আজি বিষাদৰ সুৰে মোৰ মনটো যেন কৰি তুলিছে অত্যন্ত ভাৰাক্ৰান্ত, আজি বৰকৈ মনত পৰিছে



সেই দিনটোলৈ, যিদিনা অৰ্থাৎ আজিৰ পৰা প্ৰায় আঠাইশ বছৰ পূৰ্বে যেতিয়া মই প্ৰথম এই বিদ্যালয়খনলৈ আহিছিলো। সিদিনা মনটো ইমান ভাল লগা নাছিল, কিন্তু আজিচোন এই বিদ্যালয়খন ত্যাগ কৰাৰ সময় সমাগত হোৱাত মনৰ ভিতৰত থকা কলিয়া ডাৱৰবোৰ দুচকুত অশ্ৰু হৈ নিগৰিব ধৰিছে। এনেদৰে ভাষণ ৰাখিয়ে তেওঁ আৱেগবিহ্বল হৈ পৰে আৰু সভাগৃহত এক নীৰৱতাৰ পৰিৱেশ গঢ় লৈ উঠে। শিক্ষানুষ্ঠানখনৰ পৰা পূৰ্বতে অৱসৰ গ্ৰহণ কৰা সহকাৰী শিক্ষক ক্ৰমে মফিজুদ্দিন আহমেদ, মহেশ্বৰ ডেকা, ছৈয়দ চমছেৰুদ্দিন আহমেদ আৰু চাহনুৰ আলীৰ উপস্থিতিত মতিউৰ ৰহমান, মুনিন্দ্ৰ ভৰালী আৰু মুছাহক চৌধুৰীয়ে বিদায় সভা উপলক্ষে শিক্ষানুষ্ঠানখনৰ অতীত ৰোমন্থন কৰে। শিক্ষানুষ্ঠানখনৰ শিক্ষক-কৰ্মচাৰী তথা প্ৰায় আঠ শতাধিক শিক্ষাৰ্থীৰ উপস্থিতিত এই সভাতে এখন ধৰ্মীয় গ্ৰন্থ, এখন পিতলৰ শৰাই, এটি ছাতি, কলম, নোটবুক আৰু ফুলাম গামোচাৰে বিদায়ী বিষয় শিক্ষক গিয়াছুদ্দিন আলীক বিপুলভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে।

# ভূত বাংলাত পৰিণত খাৰুপেটীয়া দুগ্ধ প্ৰকল্প কেন্দ্ৰ

## বহু বছৰ ধৰি গেটত ওলমি আছে তলা ঃ চৰণীয়া পথাৰত পৰিণত হৈছে দুগ্ধ প্ৰকল্প কেন্দ্ৰৰ চৌহদ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ৪ আগষ্ট ঃ** দৰঙৰ ধূলা থানাৰ অন্তৰ্গত নিজ খাৰুপেটীয়াস্থিত আৰ্মী কেম্পৰ সমীপৰ অসম চৰকাৰৰ দুগ্ধ প্ৰকল্প কেন্দ্ৰ বৰ্তমান ভূত বাংলাত পৰিণত হোৱা পৰিলক্ষিত হৈছে। অভিযোগ মতে, বহু বছৰ ধৰি দুগ্ধ প্ৰকল্পৰ গেটত ওলমি আছে তলা। কোটিটকীয়া প্ৰকল্পৰ যন্ত্ৰপাতি, সা-সামগ্ৰী নষ্ট হোৱাৰ দিশত। দুগ্ধ প্ৰকল্প কেন্দ্ৰ বন্ধ হৈ থকাত দুগ্ধ উৎপাদনকাৰীসকলে বহু সমস্যাৰ সন্মুখীন হৈ আহিছে। দুগ্ধ প্ৰকল্প কেন্দ্ৰ গৰু-ছাগলীৰ চৰণীয়া পথাৰ হিচাপে ব্যৱহাৰ হৈ আছে। যি সময়ত অধিক নামত গাখীৰ ক্ৰয় কৰিছে সেই সময়ত খাৰুপেটীয়া অঞ্চলৰ দুগ্ধ উৎপাদনকাৰীসকলে গাখীৰৰ বজাৰ মূল্যৰ পৰা বঞ্চিত হৈছে। কি কাৰণত এনেদৰে চৰকাৰী কাৰ্যালয়টো বন্ধ হৈ আছে সেয়া সম্প্ৰতি ৰহস্যৰ আৱৰ্তত। খাৰুপেটীয়া অঞ্চলৰ ৰাইজৰ সুবিধাৰ্থে দুগ্ধ প্ৰকল্প কেন্দ্ৰটো শীঘ্ৰে মুকলি কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষৰ লগতে অসম চৰকাৰৰ প্ৰতি দাবী জনাইছে দৰং জিলা আমছুৰ আমজাদ ফাৰুকী আৰু অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ দৰং জিলাৰ সভাপতি মফিদুল ইছলামে।

### সংবাদ মেলযোগে ঘোষণা পৰিচালনা সমিতিৰ

# ভাদৰ পালনামৰ বাবে ভক্তক আদৰিবলৈ সাজু মইনাপৰীয়া নামঘৰ


**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৪ আগষ্ট ঃ** পূব যোৰহাটৰ অন্যতম ধৰ্মানুষ্ঠান মহিমামণ্ডিত মইনাপৰীয়া নামঘৰত পবিত্ৰ ভাদমাহৰ মাহযোৱা পালনামৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে মইনাপৰীয়া নামঘৰ পৰিচালনা সমিতি তথা মইনাপৰীয়াবাসীয়ে। ১৯৫৫ চনৰ পৰা প্ৰতি বছৰে ৩১ শাওণৰ পৰা ৩১ ভাদলৈ অবিৰতভাৱে চলাই অহা এই পালনামৰ বাবে পূৰ্ব পৰম্পৰা অনুসৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱক আদৰিবলৈ সাজু হৈ উঠিছে নামঘৰ পৰিচালনা সমিতি। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ সুদৃশ্য তোৰণৰ পৰা আৰম্ভ কৰি সজাই-পৰাই তোলা হৈছে সমগ্ৰ নামঘৰ চৌহদ। এখন সংবাদ মেলযোগে আগন্তুক মাহজোৰা কাৰ্যসূচী সন্দৰ্ভত এই কথা সদৰী কৰে মইনাপৰীয়া নামঘৰ পৰিচালনা সমিতিয়ে। এই বৰ্ষৰ ১৭ আগষ্টৰ পুৱা ৭ বজাত পৰিৱেশ নিকাকৰণৰ পাছতে দহ বজাৰ পৰা নাম আৰম্ভ হ'ব। ভাদ মাহৰ প্ৰতিদিনেই তিনি প্ৰসংগ নাম অনুষ্ঠিত হোৱাৰ লগতে পালন কৰা হ'ব দুজনা গুৰুৰ তিথি আৰু শ্ৰীকৃষ্ণৰ জন্মাষ্টমীত। ৩০ ভাদৰ নিশা ৮ বজাৰ পৰা পালনাম আৰু ৩১ ভাদত বৰসবাহ তথা নিশালৈ 'প্ৰহ্লাদ চৰিত্ৰ' ভাওনাৰে মাহজোৰা কাৰ্যসূচীৰ সামৰণি পৰিব। এইবাৰ নামাচাৰ্য হিচাপে থাকিব ঐতিহাসিক পটিয়ৰী সত্ৰৰ নিতু গোস্বামী। আনহাতে, পবিত্ৰ মাহটোত সহযোগিতাৰ বাবে ইতিমধ্যে জিলা প্ৰশাসন, স্বাস্থ্য সেৱা আদিৰ লগত যোগাযোগ ৰাখিছে সমিতিয়ে। শৃংখলিত আতিথ্যৰ পৰিচয় থকা মইনাপৰীয়াবাসীয়ে প্ৰতি ঘৰেই দৰ্শনাৰ্থীৰ সেৱা কৰাৰ লগতে পৰিচালনা সমিতিয়ে নিয়োগ কৰিব যথেষ্টসংখ্যক স্বেচ্ছাসেৱক। গুৰুত্বপূৰ্ণ কথাটো হ'ল যে প্লাষ্টিক বৰ্জনৰ চৰকাৰী নিৰ্দেশনাক সন্মান জনাই এইবাৰ নামঘৰত প্ৰসাদ ল'বলৈ হাচতি বা অন্যান্য ব্যৱস্থা কৰিবলৈ ভক্তপ্ৰাণ ৰাইজৰ প্ৰতি বিনম্ৰ গোহাৰি জনাইছে পৰিচালনা সমাতিয়ে। মূল নামঘৰ চৌহদত প্ৰৱেশ কৰিবলৈ ধৰ্মীয় পোছাক পৰিধান কৰি আহিবলৈও আহ্বান জনাইছে উদ্যোক্তাসকলে। বিগত দুটা বছৰে ক'ভিড পৰিস্থিতিৰ পিছত এইবাৰ মইনাপৰীয়াত লক্ষাধিক ভক্তৰ উপস্থিতি আশা কৰা হৈছে। অসম দৰ্শন আঁচনিৰ জৰিয়তে অতিথিগৃহৰ কামো ইতিপূৰ্বে সম্পূৰ্ণ হৈ উঠিছে। মুঠতে জাতি ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে সকলো ভকত-বৈষ্ণৱক আদৰণি জনাইছে নামঘৰ পৰিচালনা সমিতিয়ে। সংবাদ মেলত পৰিচালনা সমিতিৰ সভাপতি হৰেন দত্ত, সম্পাদক শৰৎ নেওগ, কাৰ্যকৰী সদস্য মণি দত্ত, চন্দন নেওগ, নামঘৰীয়া যোগেন নেওগ প্ৰমুখ্যে বিষয়ববীয়াসকল উপস্থিত থাকে।

# বড়োলেণ্ড পৰিবাৰ ঝৰ্ণা জলৰ পৰা তিনিশটা পৰিয়ালক ৰাষ্ট্ৰীয় পতাকা বিতৰণৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাসুগাঁও, ৪ আগষ্ট ঃ** চিৰাং জিলাৰ বাসুগাঁও চহৰত ২০১৯ চনৰ ছেপ্টেম্বৰ মাহৰ পৰা 'ঝৰ্ণা জল' নামকৰণেৰে গুণমানযুক্ত খোৱাপানীৰ ফেক্টৰী খোলাই সেৱা আগবঢ়াই আহিছে। কম দিনৰ ভিতৰতে অঞ্চলটোত প্ৰভূত জনপ্ৰিয়তা লাভ কৰা বড়োলেণ্ড পৰিবাৰ ঝৰ্ণা জলৰ তৰফৰ পৰা আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি তথা অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ আহ্বানৰ প্ৰতি সন্মান জনাই আগন্তুক স্বাধীনতা দিৱসৰ প্ৰাকমুহূৰ্তত অৰ্থাৎ ১২ আগষ্টত দুখীয়া-নিছলা তিনিশটা পৰিয়ালৰ মাজত তিনিশখন ত্ৰিৰংগা পতাকা বিতৰণ কৰা হ'ব। বাসুগাঁও চহৰৰ নিকটৱৰ্তী ৰাজাছাৰাং, নেহালগাঁও, শাকাতি গাঁৱৰ উপৰি ফেক্টৰী এলেকাৰ শংকৰপাৰাতো ত্ৰিৰংগা পতাকাখন বিতৰণ কৰা হ'ব বুলি বড়োলেণ্ড পৰিবাৰ ঝৰ্ণা জলৰ মেনেজিং ডিৰেক্টৰ উত্তম সাহাই জানিবলৈ দি সকলোৰে সহায়-সহযোগ কামনা কৰে। তদুপৰি ১৫ আগষ্টৰ স্বাধীনতা দিৱসৰ দিনা ঝৰ্ণা জল ফেক্টৰী চৌহদৰ পৰা হাতে হাতে ত্ৰিৰংগা পতাকা লৈ বাসুগাঁও এলেকা পৰিভ্ৰমণ কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে।

## ৰাশিফলত আজিৰ দিনটো

**১৯ শাওণ, শুকুৰবাৰ, ৫ আগষ্ট, ১৪২৯ ভাস্কৰাব্দ**
**তিথি ঃ শুক্লা অষ্টমী, নক্ষত্ৰ ঃ স্বাতী**
**সূৰ্যোদয়- ৪-৫৩-১৮ সূৰ্যাস্ত- ৬-৩-৪২**



■ **মেষ** ঃ শত্ৰু ভয় ■ **বৃষ** ঃ বন্ধুৰ আগমন ■ **মিথুন** ঃ সাহিত্য সেৱা ■ **কৰ্কট** ঃ নতুন আঁচনি ■ **সিংহ** ঃ কৰ্মপ্ৰাপ্তি ■ **কন্যা** ঃ ছোৱালীৰ আনন্দ ■ **তুলা** ঃ প্ৰেমত শুভ ■ **বৃশ্চিক** ঃ কাৰ্যসিদ্ধি ■ **ধনু** ঃ হঠাৎ প্ৰাপ্তি ■ **মকৰ** ঃ সামাজিক প্ৰতিষ্ঠা ■ **কুম্ভ** ঃ সন্তান সুখ ■ **মীন** ঃ শিক্ষাৰ্থীৰ শুভ।

# গোলাঘাট পশ্চিম উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াৰ জৰিয়তে গ্ৰামোন্নয়ন মন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ৪ আগষ্ট ঃ** বোকাখাত বিধানসভা সমষ্টিৰ অন্তৰ্গত পঞ্চায়তসমূহৰ জৰিয়তে অলপতে প্ৰকাশ কৰা প্ৰধানমন্ত্ৰী আৱাস যোজনা গৃহৰ হিতাধিকাৰীৰ তালিকাসমূহৰ বিসংগতিক লৈ ৩ আগষ্টত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ বোকাখাত মহকুমা সমিতিৰ বিষয়ববীয়াই গোলাঘাট পশ্চিম উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াৰ জৰিয়তে বোকাখাত মহকুমাৰ মহকুমাধিপতি, গোলাঘাট জিলাৰ উপায়ুক্তৰ লগতে অসম চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰীলৈ ৪টা দফাসম্বলিত এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। শুদ্ধ ৰূপত হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰা, পুনৰ জিঅ' টেগ কৰা, ২০১৬-১৭ বৰ্ষত পি এম এ ৱাই গৃহ লাভ কৰা হিতাধিকাৰীসমূহৰ নাম প্ৰকাশিত তালিকাৰ পৰা কৰ্তন কৰা, বঞ্চিত দুখীয়া হিতাধিকাৰীৰ নাম অন্তৰ্ভুক্ত কৰা আদি বিষয়বোৰ উল্লেখ কৰে স্মাৰক-পত্ৰখনত।



# দৰঙৰ ফকিৰপাৰা গাঁও পঞ্চায়তত সভাপতিৰ অৰাজকতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ৪ আগষ্ট ঃ** ফকিৰপাৰা গাঁও পঞ্চায়তত চলিছে সভাপতিৰ অৰাজকতা। দৰঙৰ দলগাঁও শিয়ালমাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত ফকিৰপাৰা গাঁও পঞ্চায়তখনত নতুনকৈ নিৰ্মাণ কৰা হৈছে এখন কাৰ্যালয় গৃহ। অভিযোগ অনুসৰি, বিভাগীয় কৰ্তৃপক্ষৰ কোনো অনুমতি নোলোৱাকৈ নিজৰ মুনাফা আদায়ৰ বাবে পুৰণি কাৰ্যালয় গৃহৰ বাৰাণ্ডা ভাঙিলে গাঁও পঞ্চায়তৰ সভাপতি ছহিদুল ইছলামে। গাঁও পঞ্চায়তৰ সভাপতি ইছলামে নিজৰ খেয়াল খুচি মতে মজবুত পকী গৃহৰ বাৰাণ্ডা ভঙাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য, গাঁও পঞ্চায়ত কাৰ্যালয়ৰ বাৰাণ্ডা ভাঙি অৱশিষ্ট টিন-কাঠসমূহ গোপনে বিক্ৰী কৰাৰো অভিযোগ উত্থাপন হৈছে। সভাপতি ছহিদুল ইছলামৰ কৰ্ম-কাণ্ডৰ বিষয়ে দলগাঁও শিয়ালমাৰী খণ্ড উন্নয়ন বিষয়া আৰু দৰং জিলা পৰিষদৰ কাৰ্যবাহী বিষয়াৰ ওচৰত অভিযোগ দাখিল কৰে অসম সংখ্যালঘু সংগ্ৰাম পৰিষদে। সঠিক তদন্তৰ জৰিয়তে দোষী ব্যক্তিৰ বিৰুদ্ধে বিহীত ব্যৱস্থা ল'বলৈ দাবী জনাইছে সংগঠনটোৰ সভাপতি মফিদুল ইছলামে। বিভাগীয় কৰ্তৃপক্ষৰ কোনো ধৰণৰ অনুমতি নোলোৱাকৈ এখন চৰকাৰী কাৰ্যালয়ৰ বাৰাণ্ডা ভাঙি পেলোৱা কাৰ্যত জড়িত ব্যক্তিৰ বিৰুদ্ধে বিভাগীয় কৰ্তৃপক্ষই কেনে ব্যৱস্থা গ্ৰহণ কৰে সেয়া সময়ত লক্ষণীয় হ'ব।

দৈনন্দিন বাৰ্তা
জাতি, মাটি আৰু দেশৰ সেৱাত
৫ আগষ্ট, ২০২২ ■ শুকুৰবাৰ ■ ১৯ শাওণ, ১৯৪৪ শক


# ধুবুৰীত ১৫খন গাঁৱৰ পাৰ্কুপাইনৰ কামত দুৰ্নীতিৰ অভিযোগ

## জিলা উপায়ুক্তক লিখিত অভিযোগ দাখিল



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৪ আগষ্ট ঃ** ধুবুৰী জিলা আৰ টি আই কৰ্মী সন্থাৰ জিলা সম্পাদক জাহাংগীৰ আলমে জিলা উপায়ুক্তক দাখিল কৰা স্মৰক-পত্ৰত উল্লেখ কৰা মতে, ২২নং দক্ষিণ শালমাৰা সমষ্টিৰ অধীনৰ বীৰসিং জৰুৱা উন্নয়ন খণ্ডৰ অধীনত থকা গাঁও পঞ্চায়তৰ ২০২০-২১ এমজিএনৰেগা আঁচনিৰ আৰচিচি পাৰ্কুপাইনৰ কামবোৰ সম্পূৰ্ণ নকৰি সম্পূৰ্ণ বিল উঠাই লোৱাৰ প্ৰচেষ্টা চলাইছে বুলি অভিযোগ উত্থাপন কৰে আৰটিআই সন্থাৰ জিলা সম্পাদক জাহাংগীৰ আলমে। ২২নং দক্ষিণ শালমাৰা সমষ্টিৰ অধীনস্থ বিৰসিং জৰুৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত গাঁও পঞ্চায়তসমূহ এমজিএনৰেগা আঁচনিৰ অধীনত চৰকাৰে ১৯২খন পাৰ্কুপাইনৰ আবন্টন দিয়ে। কিন্তু বৰ পৰিতাপৰ বিষয় যে বীৰসিং জৰুৱা উন্নয়ন খণ্ডৰ উন্নয়ন বিষয়া আৰু আঞ্চলিক পঞ্চায়তৰ সভাপতি দুয়োজনৰ নেতৃত্বত লগতে গাঁও পঞ্চায়তৰ সভাপতি-সভানেত্ৰী, সচিবকসকল আঞ্চলিক সদস্য-সদস্যাসকল আৰু বিভাগীয় কৰ্তৃপক্ষৰ লগত গোগন বুজাবুজি কৰি চৰকাৰী ইষ্টিমেট মতে কাম নকৰি বিল উঠাই লোৱাৰ অভিসন্ধি চলাই আছে। উল্লেখ্য যে কোনো পঞ্জীয়ন থকা কাৰখানাত চিমেন্টৰ পোষ্ট তৈয়াৰ নকৰি কিছুমান দুৰ্নীতি কৰা প্ৰতিনিধিসকলে মিলি এষ্টিমেটৰ বহিৰ্ভূতভাৱে মহুৰিৰ চৰত পোষ্ট বনোৱা কাৰখানা খুলি ব্ৰহ্মপুত্ৰ নদীৰ বালি, নিম্নমানৰ ৰ'ড, চিমেন্ট ব্যৱহাৰ কৰি পোষ্টবিলাক তৈয়াৰ কৰিছে। উক্ত পোষ্টসমূহ কামৰ উপযোগী নহয় আৰু তাৰে নমুনাসমূহৰ প্ৰমাণ হিচাপে কেই কপিমান ফটো জিলা উপায়ুক্তক দিয়া স্মৰক-পত্ৰৰ লগত গাঁঠি দিয়ে অভিযোগকাৰী জাহাংগীৰ আলমে। উল্লেখ থাকে যে চতুৰ পঞ্চায়ত প্ৰতিনিধিসকল আৰু বিভাগীয় কৰ্তৃপক্ষই যোৱা বছৰত ২০-৩০টাকৈ পাৰ্কুপাইন পোষ্ট বহুৱাই আন আন বছৰৰ দৰে এই বেলিও বানপানী হৈ যোৱাৰ পিছত এতিয়া বানপানীয়ে পোষ্টসমূহ উঠাই লৈ যোৱা বুলি কৈ কাম নকৰাকৈ সম্পূৰ্ণ বিল উঠাই লোৱাৰ প্ৰচেষ্টা কৰি আছে। তদন্ত অবিহনে আৰু পোষ্টৰ কাম নকৰাকৈ বীৰসিং জৰুৱা উন্নয়ন খণ্ডৰ বিল যাতে আদায় নিদিয়ে তাৰ বাবে ধুবুৰী জিলা আৰটিআই সন্থাৰ সম্পাদক জাহাংগীৰ আলমে ধুবুৰী জিলাৰ উপায়ুক্তৰ ওচৰত এখন লিখিত অভিযোগ দাখিল কৰিছে।

# ছিপাঝাৰত পি এম কিষাণ আঁচনিৰ ই কে ৱাই চিৰ নামত ধন সংগ্ৰহৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ৪ আগষ্ট ঃ** দুৰ্নীতিমুক্ত অসম গঢ়াৰ স্বাৰ্থত চৰকাৰী বিভাগসমূহক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কঠোৰ সকীয়নি দিয়াৰ পিছতো একাংশ বিভাগৰ কৰ্মচাৰীয়ে মুখ্যমন্ত্ৰীগৰাকীৰ সেই সদিচ্ছাক অংগুষ্ঠ দেখুৱাই আহিছে। তেনে এক অভিযোগ অনুসৰি দৰং জিলাৰ পাথৰিঘাট কৃষি মহকুমা বিষয়াৰ কাৰ্যালয়ৰ জনৈক কৰ্মচাৰীৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত পি এম কিষাণ আঁচনিৰ ই কে ৱাই চি সংযুক্তৰ নামত ব্যাপক অনিয়ম সংঘটিত হৈছে। ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত হেটামতোলা গাঁৱৰ গাঁওপ্ৰধান আৰু পাথৰিঘাট কৃষি মহকুমা বিষয়াৰ কাৰ্যালয় অধীনৰ চহৰীয়া উপাধিৰ এগৰাকী কৰ্মচাৰীয়ে পি এম কিষাণ আঁচনিৰ ই কে ৱাই চিৰ নামত ধন সংগ্ৰহৰ অভিযোগ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে ৰাজ্য চৰকাৰৰ কৃষি বিভাগে পি এম কিষাণ আঁচনিৰ হিতাধিকাৰীসকলক ই কে ৱাই চি সমূহীয়া সেৱা কেন্দ্ৰত (চিএছচি) ১৫ টকা মাচুল দি এই সুবিধাসমূহ ল'বলৈ কৃষক ৰাইজৰ জ্ঞাতাৰ্থে আহ্বান জনাইছিল যদিও জিলা কৃষি বিভাগৰ নীৰৱতাৰ সুযোগ লৈ ই এতিয়া একাংশৰ বাবে সোণৰ কণী পৰা হাঁহলৈ ৰূপান্তৰিত হৈছে এই আঁচনি। কিয়নো অনলাইন ব্যৱসায় প্ৰতিষ্ঠান তথা মধ্যভোগীয়ে এশৰ পৰা দুশ টকা পৰ্যন্ত লৈ একাউন্টৰ সৈতে আধাৰ নম্বৰ সংলগ্ন কৰি আহিছে। উল্লেখ্য যে বৃহত্তৰ ছিপাঝাৰত পি এম কিষাণ আঁচনিৰ ধন একাংশ প্ৰকৃত কৃষকে বাৰম্বাৰ আবেদন জনোৱাৰ পিছতো পাবলৈ সক্ষম নহ'ল। যাৰ বাবে এতিয়া একাংশ মধ্যভোগীয়ে ধনৰ বিনিময়ত এই সকল কৃষকৰো তথ্যপাতি সংগ্ৰহ কৰিবলৈ তৎপৰ হৈ পৰিছে। তেনে পৰিপ্ৰেক্ষিতত দুখীয়া কৃষকৰ আটকীয়া ধনৰ ওপৰতো দালালৰ হাতোৱাক কেনেকৈ প্ৰতিহত কৰে সেয়া শূন্য সহনশীল নীতি আওৱাই থকা চৰকাৰখনৰ বাবে হৈ পৰিছে এক প্ৰত্যাহ্বান।

# বাক্সাৰ সুৱনখাটাত বনৰীয়া হাতীৰ আক্ৰমণত নিহত বৃদ্ধ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ৪ আগষ্ট ঃ** বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তত অব্যাহত আছে হাতী-মানুহৰ সংঘাত। বুধবাৰে পুনৰ বনৰীয়া হাতীৰ আক্ৰমণত মৃত্যুক সাবটি লয় এগৰাকী সত্তৰ বছৰীয়া বৃদ্ধই। জানিব পৰা মতে জিলাখনৰ বৰবৰী আৰক্ষী থানাৰ অন্তৰ্গত সুৱনখাটাৰ বীজগাঁৱৰ জ্ঞান বাহাদুৰ বস্নেট নামৰ বৃদ্ধজনে এগৰাকী যুৱকৰ সৈতে গৰু চৰাবলৈ গৈছিল সুৱনখাটা সংৰক্ষিত বনাঞ্চলত। তাতেই বনৰীয়া হাতীৰ মুখামুখি হোৱাত হাতীয়ে আক্ৰমণ কৰাত মৃত্যুক আঁকোৱালি লয় বৃদ্ধগৰাকীয়ে। ইফালে, কথমপি নিজৰ প্ৰাণ বচাই যুৱকজনে স্থানীয় মানাস-চৌকী ইক' ট্যু'ৰিজিম ছ'চাইটী আৰু এছ এছ বিক খবৰ দিয়ে। পিছত নিশা বন বিভাগ, স্বেচ্ছাসেৱী সংগঠন আৰু এছ এছ বিয়ে যৌথভাৱে অভিযান চলাই বনাঞ্চলৰ নিকটৱৰ্তী দিৰিং নদীৰ পাৰৰ পৰা মৃতদেহটো উদ্ধাৰ কৰে। উল্লেখ্য যে জিলাখনৰ উত্তৰ অঞ্চলত বনৰীয়া হাতীয়ে সন্ত্ৰাস চলাই দৈনিক নিদ্ৰা হৰণ কৰি আহিছে সীমান্তৱৰ্তী ৰাইজৰ।

# আহোম জনগোষ্ঠীক মুৰ্দাবাদ ধ্বনিৰ বিৰুদ্ধে শিৱসাগৰত আটাছুৰ প্ৰতিবাদ




**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৪ আগষ্ট ঃ** আহোম জাতি মুৰ্দাবাদ ধ্বনি দিয়া ঘটনাৰ উপযুক্ত তদন্ত দাবীত সদৌ টাই আহোম ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সমিতিয়ে আজি শিৱসাগৰ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত ২ ঘন্টীয়া অৱস্থান ধৰ্মঘটৰ কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে আঙুৰলতা ডেকাক গ্ৰেপ্তাৰ কৰক, আহোম জনগোষ্ঠীৰ ওপৰত বিৰূপ মন্তব্য কৰা ঘটনাৰ তৎকালীন তদন্ত কৰক, বিজেপি চৰকাৰ হায় হায় - শীৰ্ষক শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ইয়াৰ পাছতেই আটাছুৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি জয়ন্ত সন্দিকৈ, কাৰ্যকৰী সভাপতি পাৰ্থপ্ৰতিম গগৈ আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক প্ৰতীম শইকীয়াৰ এখন স্মাৰক-পত্ৰ শিৱসাগৰ জিলা উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। স্মাৰক-পত্ৰযোগে সংগঠনৰ নেতৃত্বই উল্লেখ কৰে যে কিছুদিনৰ পূৰ্বে বিজেপিৰ মহিলা মৰ্চাৰ সভানেত্ৰী আঙুৰলতা ডেকাৰ নেতৃত্বত বাহিৰ কৰা এক প্ৰতিবাদী কাৰ্যসূচীত কোনো কাৰণ নোহোৱাকৈ আহোম জাতি মুৰ্দাবাদ দিয়াৰ প্ৰতিবাদত আজি আহোম ৰাজপথলৈ ওলাই আহিছে। যি জাতিয়ে বৰ অসম গঢ়ি গ'ল, যি জাতিয়ে সম্প্ৰীতিৰ বান্ধোনৰ কথা সদায় কৈ জাতিটোক একত্ৰিত কৰি ৰাখিছে, তেনে জাতিয়ে অপমান কোনো কাৰণতে সহ্য নকৰে। এনে সাম্প্ৰদায়িক মন্তব্যৰ দ্বাৰা আমাৰ সাতামপুৰুষীয়া একতাৰ এনাজৰী ভাঙি থানবান কৰি দিয়াৰবাবে এক গভীৰ ষড়যন্ত্ৰ চলিছে। সেয়ে চৰকাৰে তৎকালে তদন্তকৰি প্ৰকৃত অভিযুক্তক চিনাক্ত কৰি কঠোৰ শাস্তি প্ৰদানৰ বাবে আটাছুৱে দাবী জনাইছে। চৰকাৰে এইক্ষেত্ৰত উপযুক্ত পদক্ষেপ গ্ৰহণ নকৰিলে আটাছুৱে জংগী গণ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সংগঠনটোৱে সকীয়াইদিয়ে।

NEMCARE
Group of Institutions
ESTD: 2017
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
❖ B Pharm ❖ BSc Nursing
❖ D Pharm ❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration
CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable

# চৰকাৰী ধন লুণ্ঠন-অনিয়ম, নৰ্থ-ইষ্টাৰ্ন চেণ্টাৰ ফৰ এডুকেচন নামৰ এনজিঅ'ৰ বৃদ্ধা আশ্ৰম বাতিল

## চৰজমিন তদন্ত কৰি গ্ৰেপ্তাৰৰ দাবী এনজিঅ'ৰ সচিবক সচেতন মহলৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মানকাচৰ, ৪ আগষ্ট ঃ** দক্ষিণ শালমাৰা-মানকাচাৰ জিলাৰ হাটশিঙিমাৰীত থকা জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ পৰা মাথোঁ ১ কিলো মিটাৰ দূৰত্বত থকা শান্তিপুৰ গাঁৱৰ প্ৰায়াত বিষয় শিক্ষক গফুৰ মোল্লাৰ এটি পুৰণি ঘৰত ধুবুৰীৰ বিদ্যাপাৰাত থকা নৰ্থ-ইষ্টাৰ্ন চেণ্টাৰ ফৰ এডুকেচন নামৰ এনজিঅ'ৰ সচিব সপিকুল ইছলাম মণ্ডলে ছিনিয়ৰ চিটিজেন অল্ড এইজ হোম অৰ্থাৎ বৃদ্ধা আশ্ৰমৰ বাবে ঘৰ ভাৰা লয়। বৰ পৰিতাপৰ বিষয় যে দুৰ্নীতিপৰায়ণ এনজিঅ'ৰ সচিব মণ্ডলে সৰু এখন ছাইন বোৰ্ড আঁৰি দি ভুৱা হিতাধিকাৰীৰ নামত ৫০ লাখ টকা আত্মসাৎ কৰাৰ বিৰুদ্ধে ২০২১ চনত জিলা উপায়ুক্তৰ কাৰ্যালয়ত লিখিত অভিযোগ দাখিল কৰে সচেতন ৰাইজ আৰু বিভিন্ন দল-সংগঠনে। কিন্তু অভিযোগ দিয়াৰ পিছতো প্ৰশাসনে তদন্ত কৰি এনজিঅ'ৰ সচিবৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা নাই বুলি জানিব পৰা গৈছে। ইপিনে, ভাৰত চৰকাৰৰ মিনিষ্ট্ৰী অৱ ছ'চিয়েল জাষ্টিচ এণ্ড এমপাৱাৰমেণ্ট বিভাগে অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ জৰিয়তে উক্ত এনজিঅ'ৰ শান্তিপুৰত থকা বৃদ্ধা আশ্ৰমৰ নামত বিত্তীয় বছৰ ২০১৮ চনত চিঠি নং ১৫-২(৮)২০১৮ ১৯ যSr.Ci তাৰিখ ১৬-৩-১৯ মৰ্মে ১৮ লাখ টকা, চিঠি নং ১৫-২-৮ Sr.Ci তাৰিখ ৬-৫-২০ মৰ্মে ১৮,৯০,২৩৪টকা আৰু ৮-৩-২০২১ চনত ১৮,৪৬,৩২৫ টকা আবণ্টন দিয়ে। কিন্তু সচিব সপিকুল ইছলাম মণ্ডলে কোনো কাম নকৰি একাংশ বিষয়া-কৰ্মচাৰীক মেনেজ কৰি সম্পূৰ্ণ টকা আত্মসাৎ কৰে। ৰাইজৰ ৰোষত পৰাৰ ভয়ত মণ্ডলে বিভাগীয় উৰ্দ্ধতম কৰ্তৃপক্ষক নজনাকৈ অৰ্থাৎ বিভাগৰ কোনো অনুমতি নোলোৱাকৈ বৃদ্ধা আশ্ৰমখন শান্তিপুৰৰ পৰা মানকাচৰৰ বাঘাপাৰাত এটা টিনৰ ঘৰ ভাৰা লৈ ছাইন ব'ৰ্ড আঁৰি দি কাৰ্যালয় চলায় দুজন অশিক্ষিত মানুহক দি। এনজিঅ'ৰ দুৰ্নীতিৰ বিৰুদ্ধে দিল্লীত থকা শাস্ত্ৰী ভৱনৰ মিনিষ্ট্ৰী অৱ ছ'চিয়েল জাষ্টিচ এমপাৱাৰমেণ্টৰ ছিনিয়ৰ চিটিজেন বিভাগৰ সঞ্চালক মহোদয়ে এনজিঅ'টোৰ অনিয়ম আৰু দুৰ্নীতিৰ অভিযোগত এনজিঅ'টোৰ বৃদ্ধাআশ্ৰমৰ আঁচনি বন্ধ কৰি দিয়ে চিঠি নং AG 1502-5-2022 Sr.Ci. E.O. No. 4782 মৰ্মে। ইয়াৰ উপৰিও উক্ত এনজিঅ'ৰ নামত হাটশিঙিমাৰীৰ কলেজৰ সন্মুখত লোকনিৰ্মাণ পথৰ কাষতে Rehabilitation center of Addicts (IRCS) ৰ নামত যোৱা ৪টা বছৰত ভাৰত চৰকাৰৰ বহু টকা লুণ্ঠনৰ অভিযোগ উত্থাপন হয়। গতিকে দক্ষিণ শালমাৰা-মানকাচাৰ জিলাৰ উপায়ুক্ত মহোদয়ে কেন্দ্ৰটো চৰজমিন তদন্ত কৰি তাত কি কি কাম চলি আছে তাৰ সম্পূৰ্ণ পৰিদৰ্শন কৰি বিহিত ব্যৱস্থা লোৱা দাবী জনোৱাৰ উপৰিও শান্তিপুৰত বৃদ্ধা আশ্ৰমৰ নামত ভাৰত চৰকাৰে আবণ্টন দিয়া ৫৫ লাখ টকা কি কি কামত খৰচ কৰিলে তাৰ সঠিক তদন্ত কৰি এনজিঅ'ৰ সচিবক গ্ৰেপ্তাৰ কৰাৰ দাবী জনায় সচেতন মহলে।

# বাদুলীপাৰত পুনৰ দুৰ্ঘটনা ঃ দণ্ডাধীশৰ নিৰ্দেশনালৈ কেৰেপ কৰা নাই এন এইচ আই ডি চি এলে

## ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত অবৈধ খনন

**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই, ৪ আগষ্ট ঃ** গোলাঘাট জিলাৰ দণ্ডাধীশ মৃগেশ নাৰায়ণ বৰুৱাই জিলাখনৰ নুমলীগড় তিনিআলিৰ পৰা দেৰগাঁৱলৈকে ৩৭নং ৰাষ্ট্ৰীয় ঘাই পথছোৱাৰ সমান্তৰালভাৱে অবৈধভাৱে খন্দা খালসমূহত অতি শীঘ্ৰে পুতি পেলাবলৈ নিৰ্দেশনা জাৰি কৰিছিল। যোৱা ৮ জুলাইত ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড (এনএইচআই ডি চি এল)লৈ GMJ.19/2021-22/DRSC/13 নম্বৰৰ এই নিৰ্দেশনাটো সংস্থাটোৰ যোৰহাটস্থিত কাৰ্যালয়ৰ প্ৰবন্ধকলৈ প্ৰেৰণ কৰা হৈছে। নিৰ্দেশনাটোত এই খননকাৰ্য সম্পূৰ্ণ বেআইনী আৰু জনসাধাৰণৰ নিৰাপত্তাৰ প্ৰতি ভাবুকিস্বৰূপ বুলি উল্লেখ কৰা হৈছে। উল্লেখ্য যে এনএইচআইডিচিএলৰ অধীনত ঘাইপথছোৱাৰ সম্প্ৰসাৰণৰ ঠিকা লাভ কৰা হিন্দুস্তান কনষ্ট্ৰাকচন কোম্পানী (এইচচিচি) নামৰ সংস্থাটোৱে ঘাইপথছোৱাৰ নিচেই কাষতে পথটোৰ সমান্তৰালভাৱে দুয়োকাষে নদীসদৃশ বৃহৎ বৃহৎ খাৰৈৰ সৃষ্টি কৰি সেই ঠাইৰ মাটি নি অন্য ঠাইত পথ নিৰ্মাণৰ কামত ব্যৱহাৰ কৰিলেগৈ। কোম্পানীটোৱে নিজৰ মুনাফাৰ বাবে এনেদৰে মাটি খান্দি লৈ যোৱাৰ ফলত বাৰিষাৰ দিনত খাৰৈসমূহ পানীৰে উপচি পৰিল আৰু পথছোৱাত দুৰ্ঘটনা হ'লেই গাড়ীসমূহ সেই খাৰৈসমূহত পৰি যাত্ৰীৰ জীৱনৰ প্ৰতি ভাবুকিস্বৰূপ হৈ উঠিছে। ইতিমধ্যে পথছোৱাত বহুকেইটা তদ্ৰূপ ঘটনা সংঘটিত হৈছে। যোৱা ১০ জুনত বিভিন্ন দল-সংগঠনৰ উদ্যোগত ৰাইজে বাদুলীপাৰত ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰাৰ ফলত প্ৰশাসনৰ লোকে এইচচিচিৰ বিষয়াক প্ৰতিবাদথলীলৈ মাতি নি খাৰৈসমূহ পুতিবলৈ নিৰ্দেশ দিয়ে। কিন্তু এটা মাহে কোম্পানীটোৱে এই ক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ নকৰাত অৱশেষত ৮ জুলাইত প্ৰশাসনে এনএইচআইডিচি এললৈ এই সংক্ৰান্তত নিৰ্দেশনা জাৰি কৰে। উল্লেখ্য যে এই নিৰ্দেশনাৰ প্ৰায় এটা মাহ উকলি যাবৰ হ'ল যদিও এন এইচ আই ডি চি এলে এই পৰ্যন্ত দণ্ডাধীশগৰাকীৰ নিৰ্দেশনাৰ প্ৰতি কোনো সঁহাৰি জনোৱা পৰিলক্ষিত হোৱা নাই। আনহাতে বাদুলিপাৰৰ দুৰ্ঘটনা সংঘটিত অঞ্চলটোত আজি দুমাহে এটা পথ বন্ধ কৰি থোৱাৰ ফলত একেটা পথেৰে দুয়ো দিশৰ যান-বাহন চলাচল কৰিব লগা হোৱাত অঞ্চলটোত পুনৰাই দুৰ্ঘটনা সংঘটিত হ'বলৈ লৈছে। কেইদিনমানৰ আগতে এগৰাকী মটৰচাইকেল আৰোহী নিহত হোৱাৰ স্থানতে আজি এএছ ০৩ এবি ১৭২৭ নম্বৰৰ এখন টাটা টিয়াগো গাড়ী দুৰ্ঘটনাত পতিত হৈ কাষৰ দ খাৰৈত সোমায়গৈ। ফলত দুই আৰোহী যোৰহাটৰ সুকন্যা দাস (২০) আৰু হৰিপ্ৰসাদ হাজৰিকা (৩০) আঘাতপ্ৰাপ্ত হৈ চিকিৎসাধীন হ'বলগীয়া হয়।




FORM NO. 14
[See Regulation 33(2)]
**OFFICE OF THE RECOVERY OFFICER- I/II**
**DEBTS RECOVERY TRIBUNAL, GUWAHATI**
Suwarna Bhawan, House No. 12, New Town Path,
Near Hanuman Mandir, G.S. Road, Ulubari, Guwahati- 781007 (Assam)

**DEMAND NOTICE**

Notice Under Sections 25 to 28 of the Recovery of Debts & Bankruptcy Act. 1993 and Rule 2 of Second Schedule to the Income Tax Act, 1961.

**RC / 276 / 2021**
**BANK OF BARODA**
-Versus-
**ARUN JYOTI SAIKIA**

To,
**(CD 1) ARUN JYOTI SAIKIA,**
Banmukh Chutia Gaon, P.O.- Jayrapur, Sivasagar- 785640.

This is to notify that as per the Recovery Certificate issued in pursuance of orders passed by the Presiding Officer, DEBTS RECOVERY TRIBUNAL, GUWAHATI in **OA/302/2020** an amount of **Rs. 38,93,471.22 (Rupees Thirty Eight Lakhs Ninety Three Thousands Four Hundred Seventy One and Paise Twenty Two Only)** along with pendentellite and future interest @13.25% w.e.f. **23-06-2020** till realization and costs of **Rs.1,08,299 (Rupees One Lakh Eight Thousand Two Hundred Ninety Nine Only)** has become due against you (Jointly and Severally / Fully / Limited).

| | | |
|---|---|---|
| (1) | Amount due as per the Recovery Certificate | Rs. 38,93,471.22 |
| (2) | Interest from 23.06.2020 to 30.12.2021 @ Rs. 13.25% | Rs. 7,84,427.78 |
| (3) | Costs | Rs. 1,08,299.00 |
| | TOTAL | Rs. 47,86,198.00 |

2. You are hereby directed to pay the above sum within 15 days of the publication of the notice, failing which the recovery shall be made in accordance with the Recovery of Debts Due to Banks and Financial Institutions Act, 1993 and Rules there under.
3. You are hereby ordered to declare on an affidavit the particulars of yours assets on or before the next date of hearing.
4. You are hereby ordered to appear before the undersigned on **01-12-2022** at 10:30 a.m. for further proceedings.
5. In addition to the sum aforesaid, you will also be liable to pay:
(a) Such interests as is payable for the period commencing immediately after this notice of the certificate / execution proceedings.
(b) All costs, charges and expenses incurred in respect of the service of this notice and warrants and other processes and all other proceedings taken for recovering the amount due.

**Given under my hand and the seal of the Tribunal, on this date: 29-07-2022**

RECOVERY OFFICER
DEBTS RECOVERY TRIBUNAL GUWAHATI

ইণ্ডিয়ন বেঁক Indian Bank ইলাহাবাদ ALLAHABAD

## এন. টি. ৰোড শাখা
হাতীপিলখানা, হিম্মতসিংকা পেট্ৰ'ল পাম্প
তেজপুৰ, জিলা- শোণিতপুৰ-৭৮৪০০১

## বাহনৰ নিলাম বিক্ৰী

তলত উল্লেখ কৰা বাহনৰ, বিত্তীয় সাহায্য দিয়া হৈছিল **ইণ্ডিয়ান বেংক (ই-এ বি), তেজপুৰ এন. টি. ৰোড শাখাৰ** দ্বাৰা আৰু জব্দ কৰা হৈছে সংশ্লিষ্ট ডিফল্ডাৰৰ পৰা, বৰ্তমান বিক্ৰীৰ বাবে সাজু কৰি ৰখা হৈছে।
যিসকল ব্যক্তিয়ে ওপৰত উল্লেখ কৰা বাহন ক্ৰয়ৰ বাবে আগ্ৰহী তেওঁলোকে যোগাযোগ কৰিব পাৰিব **শ্ৰী ৰাজু বৰা (মোবাইল নং ৯৮৭৪৪৪০৯৪৪)** সৈতে কায়িক পৰ্যবেক্ষন আৰু বাহনৰ আৰু নথি-পত্ৰৰ সবিশেষৰ বাবে।
আগ্ৰহীসকলে চৰ্তবিহীনভাৱে দাখিল কৰিব লাগিব প্ৰস্তাৱ পত্ৰ, লগতে ঘূৰাই পাব লগা/এডজাষ্টেবল পে অৰ্ডাৰ/ডিমাণ্ড ড্ৰাফ গুৱাহাটীত আদায় কৰিব পৰাকৈ ইণ্ডিয়ান বেংকৰ পক্ষত যাতে সুতবিহীন আমানত ধন (ইএমডি) তলত উল্লেখ কৰা হিচাপে বাহনৰ কাৰণে জমা দিব লাগিব বন্ধ খামত আৰু প্ৰাপ্তি হ'ব লাগিব নিম্ন স্বাক্ষৰকাৰীৰ হাতত অহা **১২-০৮-২০২২** ৰ **২.০০** বজাত বা তাৰ পূৰ্বে। বন্ধ কোটেশনসমূহ মুকলি কৰা হ'ব **১২-০৮-২০২২** তাৰিখৰ বিয়লি **৩.০০** বজাত নিলাম বিক্ৰীৰ স্থানত আগ্ৰহী নিবিদাকাৰীৰ উপস্থিতিত।
সফল নিবিদাকাৰীয়ে সম্পূৰ্ণ দাম জমা দিব লাগিব ৭ (সাত) কৰ্ম দিনৰ ভিতৰত কোটেশ্বন মুকলি কৰাৰ পৰা বা নিম্ন স্বাক্ষৰকাৰীয়ে বৃদ্ধি কৰা সময়ৰ যিকোনো দিনত। যদিহে ব্যৰ্থ হয়, তেনেহ'লে ই এম ডি বাজেয়াপ্ত কৰা হ'ব আৰু বাহন তৎক্ষণাত বিক্ৰী কৰা হ'ব।
বাহনসমূহ বিক্ৰী হ'ব 'যি ধৰণে আৰু য'ত আছে' ভিত্তিত আৰু বেংকে নিৰ্ধাৰণ কৰা সংৰক্ষিত স্থিৰ মূল্যৰ তলত বিক্ৰী কৰা নহ'ব। বিক্ৰী প্ৰমাণ পত্ৰ প্ৰদানৰ ক্ষেত্ৰত নিলামৰ অংশগ্ৰহণকাৰীৰ মূল্যৰ বিনিময়ত আদায় দিয়া হ'ব। লগতে যিকোনো আৱশ্যকীয় মাছুল, ব্যয়, য'ত যি ধৰণে আৱশ্যক হয় বাহন ক্ৰয় কৰিবলৈ, সকলোবোৰ বহন কৰিব লাগিব নিলামত অংশগ্ৰহণকাৰীয়ে ওপৰত উল্লেখ কৰা প্ৰস্তাৱিত মূল্যৰ উপৰিও। নিম্ন স্বাক্ষৰকাৰীৰ অধিকাৰ থাকিব যিকোনো ধৰণৰ প্ৰস্তাৱ গ্ৰহণ বা বাতিল কৰিবলৈ কোনোধৰণৰ আগতীয়া জাননী নিদিয়াকৈ।

| ক্ৰঃ নং | বেংক আৰু শাখাৰ নাম আৰু একাউণ্ট নং | বাহনৰ পঞ্জীয়ন নং | বাহনৰ বিৱৰণ | ক) সংৰক্ষিত মূল্য খ) ই এম ডি | শাখা প্ৰবন্ধকৰ নাম আৰু যোগাযোগ নং |
|---|---|---|---|---|---|
| ১ | ইণ্ডিয়ান বেংক (ই-এ বি) তেজপুৰ এন. টি. ৰোড শাখা একাউণ্ট নং ৫০২৩৭১০৫০৭১ | এ এছ ১২ এ চি ২১৬৬ | মডেলঃ অশোক লিলেণ্ড দোস্ত নিৰ্মাণ বৰ্ষঃ ২০১৪ | ক) ২৫,০০০.০০ খ) ২,৫০০.০০ | শ্ৰী ৰাজু বৰা মোবাইল নংঃ ৯৮৭৪৪৪০৯৪৪ |

তাৰিখ ঃ ০৪.০৮.২০২২
স্থান ঃ তেজপুৰ

কৰ্তৃত্বশীল বিষয়া
(ইণ্ডিয়ান বেংক)

FORM NO. 14
[See Regulation 33(2)]
**OFFICE OF THE RECOVERY OFFICER- I/II**
**DEBTS RECOVERY TRIBUNAL, GUWAHATI**
Suwarna Bhawan, House No. 12, New Town Path,
Near Hanuman Mandir, G.S. Road, Ulubari, Guwahati- 781007 (Assam)

**DEMAND NOTICE**

Notice Under Sections 25 to 28 of the Recovery of Debts & Bankruptcy Act. 1993 and Rule 2 of Second Schedule to the Income Tax Act, 1961.

**RC / 19 / 2022**
**BANK OF BARODA**
-Versus-
**SMT. BORNALI SONOWAL PHUKAN**

To,
**(CD 1) SMT. BORNALI SONOWAL PHUKAN**
W/o Babul Phukan, R/o Chakalibharia Gaon, P.O. and P.S. Tengakhat, District:- Dibrugarh, Assam- 786103.
**(CD 2) MR. BABUL PHUKAN**
S/o China Phukan, Resident of Chakalibharia Gaon P.O. and P.S. Tengakhat, Dibrugarh, Assam-786103.

This is to notify that as per the Recovery Certificate issued in pursuance of orders passed by the Presiding Officer, DEBTS RECOVERY TRIBUNAL, GUWAHATI in **OA/82/2021** an amount of **Rs. 21,71,358.14 (Rupees Twenty One Lakhs Seventy One Thousands Three Hundred Fifty Eight and Paise Ten Four Only)** along with pendentellite and future interest @12.15% w.e.f. **24-06-2021** till realization and costs of **Rs.76,134 (Rupees Seventy Six Thousands One Hundred Thirty Four Only)** has become due against you (Jointly and Severally / Fully / Limited).

| | | |
|---|---|---|
| (1) | Amount due as per the Recovery Certificate | Rs. 21,71,358.14 |
| (2) | Interest from 24.06.2021 to 02.08.2022 @ Rs.12.15% | Rs. 2,92,009.00 |
| (3) | Costs | Rs. 76,134.00 |
| | TOTAL | Rs. 25,39,501.14 |
| | Recovery (-) | Rs. 3,40,000.00 |
| | | Rs. 21,99,501,14 |

2. You are hereby directed to pay the above sum within 15 days of the receipts of the notice, failing which the recovery shall be made in accordance with the Recovery of Debts Due to Banks and Financial Institutions Act, 1993 and Rules there under.
3. You are hereby ordered to declare on an affidavit the particulars of yours assets on or before the next date of hearing.
4. You are hereby ordered to appear before the undersigned on **07-10-2022** at 10:30 a.m. for further proceedings.
5. In addition to the sum aforesaid, you will also be liable to pay:
(a) Such interests as is payable for the period commencing immediately after this notice of the certificate / execution proceedings.
(b) All costs, charges and expenses incurred in respect of the service of this notice and warrants and other processes and all other proceedings taken for recovering the amount due.

**Given under my hand and the seal of the Tribunal, on this date: 02-08-2022**

RECOVERY OFFICER
DEBTS RECOVERY TRIBUNAL GUWAHATI

## ইণ্ডিয়া কাৰ্বন লিমিটেড

পঞ্জীয়ন কাৰ্যালয় ঃ নুনমাটি, গুৱাহাটী-৭৮১০২০, অসম
চিআইএনং ঃ এল ২৩১০১ এএছ ১৯৬১ পিএলচি ০০১১৭৩
ফোন ঃ (০৩৩) ২২৪৮৭৮৫৬/৯; ফেক্স ঃ ৯১-৩৩-২২৩০-৭৫০৭
ই-মেইল ঃ icl@indiacarbonltd.com; ৱেবছাইট ঃ www.indiacarbonltd.com

**৩০ জুন ২০২২ত সমাপ্ত ত্ৰৈমাসিক আন-অডিটেড বিত্তীয় ফলাফলসমূহৰ বিৱৰণ**

লাখৰ হিচাপত

| ক্ৰ নং | বিষয়-বস্তু | ত্ৰৈমাসিক সমাপ্তি | | | বাৰ্ষিক সমাপ্তি |
|---|---|---|---|---|---|
| | | ৩০-০৬-২০২২ (আন-অডিটেড) | ৩১-০৩-২০২২ (অডিটেড) | ৩০-০৬-২০২১ (আন-অডিটেড) | ৩১-০৩-২০২২ (অডিটেড) |
| ১ | লেনদেনৰ পৰা মুঠ আয় | ১২৬০০.৩২ | ১১৪৮১.৪৩ | ৬৭৫৬.০৮ | ৪৫৬১২.৩৭ |
| ২ | উক্ত সময়ৰ মুঠ লাভ/(লোকচান) (কৰৰ পূৰ্বে, এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ) | ৯৫৯.৬২ | (১৯১.০০) | ২৪৯১.১৪ | ১১৬২৭.০৩ |
| ৩ | উক্ত সময়ৰ মুঠ লাভ/(লোকচান), (কৰৰ পূৰ্বে, পিছত এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ) | ৯৫৯.৬২ | (১৯১.০০) | ২৪৯১.১৪ | ১১৬২৭.০৩ |
| ৪ | উক্ত সময়ৰ মুঠ লাভ/(লোকচান), কৰৰ পিছত (পিছত এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ) | ৭৩১.৬০ | (৬৯৯.৭৩) | ১৮২০.৩৮ | ৮১৩৪.৮৩ |
| ৫ | উক্ত সময়ৰ মুঠ সামগ্ৰীক আয় (সামগ্ৰীক লাভ)/(লোকচান) উক্ত সময়ৰ (কৰৰ পিছত) আৰু অন্যান্য সামগ্ৰীক আয় (কৰৰ পিছত) | (১১৭৫.৩০) | (৬৩৪.৫৫) | ৩৪৮৯.৫৮ | ১০৩১৪.৬১ |
| ৬ | ইকুইটি শ্বেয়াৰ কেপিটেল | ২৬৫.০০ | ২৬৫.০০ | ২৬৫.০০ | ২৬৫.০০ |
| ৭ | প্ৰতিটো শ্বেয়াৰৰ পৰা আয় (১০ টকা মূল্যত/প্ৰতিটো) (নট এনুৱেলাইজড) | | | | |
| | বেছিক ঃ | ২৭.৬১ | (২৬.৪০) | ৬৮.৬৯ | ৩০৬.৯৭ |
| | ডাইলোটেড ঃ | ২৭.৬১ | (২৬.৪০) | ৬৮.৬৯ | ৩০৬.৯৭ |

**টোকা ঃ**

১) ছেবি (লিষ্টিং অব্লিগেছনছ এণ্ড ডিছক্লজাৰ ৰিকুৱায়াৰমেনছ) বিধি- ২০১৫ ৰ ভিত্তিত আৰু বিধি-৩৩ ৰ অধীনত ওপৰত উল্লেখ কৰা ৩০ জুন ২০২২ ত সমাপ্ত ত্ৰৈমাসিক বিত্তীয় ফলাফলসমূহ ষ্টক এক্সছেঞ্জত দাখিল কৰা ধৰণৰ। এইক্ষেত্ৰত ত্ৰৈমাসিক বিত্তীয় ফলাফলৰ সম্পূৰ্ণ তথ্য উপলব্ধ আছে ষ্টক এক্সছেঞ্জ লিঃৰ ৱেবছাইট www.cse-india.com আৰু কোম্পানীৰ ৱেবছাইট www.indiacarbonltd.com ত উপলব্ধ আছে।

১) উক্ত বিত্তীয় ফলাফলসমূহ অডিট কমিটীয়ে পুনৰীক্ষণ কৰাৰ পিছত কোম্পানীৰ সঞ্চালক মণ্ডলীৰ যোৱা ০৪ আগষ্ট, ২০২২ তাৰিখে অনুষ্ঠিত বৈঠকত অনুমোদন জনোৱা হৈছে।

৩) নিৰিখসমূহ পুনৰ সজোৱা আৰু পুনৰ গঠন কৰা হৈছে প্ৰয়োজন সাপেক্ষে।

মেচাৰ্ছ ইণ্ডিয়া কাৰ্বন লিঃৰ হৈ
স্বা/-(ৰাজেশ হিম্মতসিংকা)
*পৰিচালন সঞ্চালক*
ডিআইএন ঃ ০০৬৩২১৫৬

স্থান ঃ কলকাতা
তাৰিখ ঃ আগষ্ট ০৪, ২০২২

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা

সম্পাদকীয়

৫ আগষ্ট ■ ২০২২ ■ ১৯ শাওণ

# কৰ'না মহামাৰীৰ সংকট আৰু খাদ্য-সামগ্ৰীৰ বিক্ৰী কৰ বৃদ্ধি

কৰ'না মহামাৰীৰ পিছত ৰাজ্যবাসী অৰ্থ সংকটত ভুগিছে, কথাষাৰ কোনেও নুই কৰিব নোৱাৰে। ক'বলৈ গ'লে চৰকাৰখনো অৰ্থনৈতিক অৱস্থাত বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা কথাষাৰো কাৰো বুজিবলৈ বাকী নাই। কাৰণ চৰকাৰখনে এই অৰ্থনৈতিক ক্ষতি পূৰণ কৰিবলৈ বয়বস্তুৰ মূল্যত হোৱাহোৰে কৰ বহুৱাই ৰাজ্যবাসীৰ মূৰত যে ৰাম টাঙোন মাৰিছে এই কথা জলজল পটপটকৈ পৰিষ্কাৰ হৈছে। আজি কিছু দিনৰ পৰা অভাৱনীয়ভাৱে বাঢ়ি অহা বয়বস্তুৰ উৰ্দ্ধমুখী চৰা দামে প্ৰমাণ কৰিছে। চৰকাৰখনে ৰাজ্যখনৰ সকলো ধৰণৰ পেকেটত ভৰাই বিক্ৰী কৰা খাদ্য-সামগ্ৰীৰ ওপৰত জিএছটি লগোৱাৰ ফলত সকলো ধৰণৰ চাউল-আটাৰ দাম অভূতপূৰ্ব হাৰত বৃদ্ধি পাইছে। এনে পেকেটৰ বস্তুৰ ওপৰত প্ৰতি কিলোত চাৰি-পাঁচ টকাকৈ বৃদ্ধি পাইছে। কিছুমান চাউলৰ ক্ষেত্ৰত প্ৰতি জিলাত ১০ টকাকৈও বৃদ্ধি পাইছে। তথ্য অনুসৰি যোৱা দুটা মাহত অল ইণ্ডিয়া ৰাইচ এক্সপৰ্টাছ এছ'চিয়েচনৰ মতে প্ৰতি কিলোগ্ৰামত ২৫ টকাৰ পৰা ৩৫ টকালৈ বৃদ্ধি হৈছে। বজাৰত ৬০ টকাত বিক্ৰী হোৱা বাচমতি চাউলৰ দাম ৮০ টকা হৈছে। সেইদৰে ব্ৰ'কেন বাছমতি চাউল ৩০ৰ পৰা ৪০ টকাত বিক্ৰী হৈছে। অৱশ্যে তথ্য অনুসৰি বিদেশলৈ চাউল ৰপ্তানিৰ পৰিমাণ বৃদ্ধি পোৱাটো অযুক্তিকৰ। অৱশ্যে চৰকাৰে এই কথা সদৰী কৰা নাই। কিন্তু চৰকাৰে চাউলৰ পৰা আৰম্ভ কৰি ছাত্ৰ-ছাত্ৰীৰ পেঞ্চিললৈকে, অত্যাৱশ্যকীয় গাখীৰ, দৈ, পনিৰ আদি সকলো ধৰণৰ সামগ্ৰীৰ জি এছ টি লগাইছে বা বঢ়াইছে। ৰাজ্যৰ ২৫-৩০ শতাংশ অৰ্থনৈতিকভাৱে দুৰ্বল লোকৰ জীৱন অধিকতৰ দুৰ্বিষহ হৈ পৰাৰ লগতে তেওঁলোকৰ জীৱনলৈ হাহাকাৰ নামি আহিছে। আনকি মধ্য বিত্ত, নিম্ন শ্ৰেণীৰ বাবে দাম বৃদ্ধিৰ বোজা বহন কৰাটো সম্ভৱ নহয়। এনেবোৰ ক্ষতিকাৰক প্ৰভাৱৰ বাবেই তেওঁলোকৰ জীৱন জটিলতাৰ সন্মুখীন হৈছে। কাৰণ বহু লোক কৰ'নাৰ পিছৰ পৰাই উপাৰ্জনহীন হৈ পৰিছে। তেওঁলোকৰ আনকি নিত্য-নৈমিত্তিক ব্যৱহাৰ্য খাদ্য-বস্তু ক্ৰয় কৰাৰ ক্ষমতা নাইকিয়া হৈছে। অৱশ্যে সমগ্ৰ বিশ্বতে অৰ্থনৈতিক অৱস্থা অতি শোচনীয় হৈ পৰিছে যদিও আমাৰ কেন্দ্ৰীয় চৰকাৰে ভাৰতবাসীৰ ওপৰত তেনে ধৰণৰ আৰ্থিক সংকট সমস্যাৰ সৃষ্টি কৰিব নোৱাৰে। কিন্তু কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰসমূহে যি ধৰণে সকলো সামগ্ৰীতে অধিক হাৰত জিএছটি আৰোপ কৰি দেশবাসীৰ ওপৰত আৰ্থিক হেঁচা প্ৰয়োগ কৰিছে, তেনে অৱস্থাত নিত্য-ব্যৱহাৰ্য বস্তু আদি কিনিবলৈ অপাৰগ হৈ পৰিছে। ইতিমধ্যে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (আইএমএফৰ) মুৰব্বীগৰাকীয়ে মতপ্ৰকাশ কৰিছে- ক'ভিডৰ পাছতে মূল্যবৃদ্ধিৰ বাবে এতিয়া বিশ্বৰ কেইবা কোটিও লোক নতুনকৈ দৰিদ্ৰ হোৱাৰ সম্ভাৱনা অধিক। আমাৰ দৰে অনগ্ৰসৰ ৰাজ্যত দাম বৃদ্ধিৰ পৰিণতিত মুদ্ৰাস্ফীতি নোহোৱাৰ কাৰণ নাই। ইতিমধ্যে দেশত ১ ডলাৰৰ বিপৰীতে টকাৰ মূল্য ৮০ টকাৰ অধিক হৈছে। এনে পৰিস্থিতিত চৰকাৰে চৰকাৰী চাকৰিয়ালৰ দৰমহা বৃদ্ধি কৰিব ঠিকেই কিন্তু চৰকাৰী চাকৰি নকৰা সংখ্যাগৰিষ্ঠ সৰ্বসাধাৰণ লোকৰ অৱস্থা অৰ্থনৈতিকভাৱে অধিক দুৰ্বল হৈ পৰিব। বিশ্বৰ অন্য ৰাষ্ট্ৰত দেখা দিয়া পৰিস্থিতিৰ দৰে সময় থাকোতেই সাৱধান হোৱা উচিত। চৰকাৰে বিষয়টোত অধিক গুৰুত্ব দিলেহে মংগল হ'ব।

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

### ৬ আগষ্ট, বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস

বৃদ্ধাৱস্থাক অৱহেলা নকৰিব। 'জীয়াই থকাটো ডাঙৰ কথা নহয়, ডাঙৰ কথাটো হ'ল তুমি আঁতৰি যোৱাৰ পিছতো মানুহৰ মনত তোমাৰ কৰ্মৰাজি, আদৰ্শ জীপাল হৈ থকাটোহে। কাল বলুকাত খোজ ৰাখি থৈ যোৱা সম্ভৱ মাথোঁ সু-কৰ্মৰাজিৰ দ্বাৰাহে। - লিঅ' টলষ্টয়।'

মানুহ সেইদিনাহে বৃদ্ধ হয় যিদিনা মানুহে কৰ্ম কৰিবলৈ এৰে। সাধাৰণতে চৰকাৰীভাৱে ষাঠি বছৰতে পেন্সন প্ৰদান কৰি অব্যাহতি দিয়া হয় যদিও মানুহে নিজাশৈলীৰে কৰ্ম কৰি থাকে। আমি সৰুতে দেখিছিলো ককা-আইতাসকলে হাঁহি-ধেমালিৰে কৰিব পৰা কামবোৰ কৰি জীৱন পাৰ কৰিছিল। সেইদৰে চুবুৰীয়া, গাঁৱৰ সকলোৰে পৰামৰ্শদাতা আছিল। মোৰ দেউতা পুহিৰাম বৰাই ২০০০ চনত প্ৰাথমিক শিক্ষক পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। এসময়ত পশ্চিম ভেলেউগুৰি শিক্ষক কেন্দ্ৰৰ সম্পাদক, সভাপতিৰ দায়িত্ব পালন কৰা পুহিৰাম বৰা আজিও চিৰতৰুণ। ৮৩ বছৰীয়া দেউতাই এতিয়াও বাঁহ শিল্প কামত ব্যস্ত। বাঁহৰ পাচি-খৰাহী, জাপি, চকী, জাকৈ, খালৈ, বঁটা, শৰাই আদি সাজি থাকে।

আমি যিমানেই আওকাণ নকৰোঁ, বাৰ্ধক্য আমাৰ বাবেও আহিব। হয়তো আমাৰ ক্ষেত্ৰত সোনকালে আহিব। বৃদ্ধ অৱস্থাত আমাৰ বিকল্প কৰ্ম কি হ'ব আগতেই চিন্তা কৰিবৰ হ'ল। বাৰ্ধক্য কেতিয়াও বোজা নহয়। বহু মহান ব্যাক্তিয়ে অন্তিম সময়লৈকে নিজৰ কৰ্ম কৰি গৈছে। বুঢ়া মানে হতাশা নহয়, হাঁহি-ধেমালিৰ সময়। মাথোঁ সু-জীৱনশৈলীৰে নিজকে সজাব লাগিব। আজিকালি কোনো সন্তানে বৃদ্ধ-বৃদ্ধাক অৱহেলা কৰা দেখা যায়, যিটো গ্ৰহণযোগ্য নহয়।

**পৱন কুমাৰ বৰা**
*পুৰণিগুদাম, হাতীগাঁও, নগাঁও*
*ফোন ঃ ৮৬৩৮৯-২৪৬৭৭*

### ইংৰাজী মাধ্যম অসমীয়া মাধ্যম

ৰাজ্যিক কেবিনেটে শেহতীয়াকৈ ৰাজ্যৰ বিদ্যালয়সমূহত তৃতীয় শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে বিজ্ঞান আৰু গণিতৰ পাঠদান ইংৰাজী মাধ্যমত কৰা হ'ব বুলি গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সিদ্ধান্তক বিভিন্নজনে একেমুখে আদৰণি জনোৱাৰ পৰিৱৰ্তে আছু, সাহিত্য সভা আদি জাতীয় অনুষ্ঠানসমূহে ইয়াৰ বিৰোধিতা কৰা দেখা গৈছে। এই সিদ্ধান্তৰ সপক্ষে বা বিপক্ষে আমি ক'বলৈ বিচৰা নাই। কিন্তু এটা কথা ইয়াত উনুকিয়াব বিচাৰিছো। ইংৰাজী বা অসমীয়া যি মাধ্যমেই নহওক কিয়, কথাবোৰ প্ৰাৰম্ভিক শ্ৰেণীৰ পৰাই আৰম্ভ হ'লে ভাল। তেতিয়াহ'লে শিক্ষাৰ্থীসকলৰো বিষয়বোৰ আয়ত্ত কৰাত সহজ হ'ব। অৱশ্যে এয়া আমাৰ ব্যক্তিগত মতামতহে।

**ৰাতুল শৰ্মা**
*নগাঁও, হাতীমাৰা, দৰং*
*ফোন ঃ ৭০০২১-৭২৯১৮*

### লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

# হাইব্ৰীড শিক্ষা ব্যৱস্থাই মাতৃভাষা মাধ্যমলৈ বিপদ মাতিব নেকি?

## এই বিষয়ক লৈ বিতৰ্ক কিমান দিন চলিব

**মৃদুল কুমাৰ চাহু**

নতুন শিক্ষা নীতি কাৰ্যকৰী হোৱাৰ প্ৰাক্ক্ষণত শিক্ষা পদ্ধতিক লৈ চৰ্চা আৰম্ভ হৈছে। তৃতীয় শ্ৰেণীৰ পৰা বিজ্ঞান আৰু গণিত বিষয় দুটাক সম্পূৰ্ণৰূপে ইংৰাজী ভাষাত শিক্ষা গ্ৰহণ কৰিব লাগিব বুলি ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তক লৈ ৰাজ্যখনৰ বৌদ্ধিক মহলে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। শিক্ষা প্ৰদানৰ পদ্ধতিৰ আন্তঃগাঁথনি উন্নত নকৰাকৈ প্ৰাথমিক পৰ্যায়ৰ পৰা ইংৰাজী ভাষা বাধ্যতামূলকভাৱে জাপি দিবলৈ চেষ্টা কৰা কাৰ্যক কঠোৰ ভাষাৰে সমালোচনা কৰি সদৌ অসম ছাত্ৰ সন্থাই চৰকাৰে শিক্ষা ব্যৱস্থাত হাইব্ৰীড সিদ্ধান্ত লোৱা কাৰ্যত মাতৃভাষা মাধ্যমৰ বিদ্যালয়লৈ প্ৰবল প্ৰত্যাহ্বান আনিব বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ইফালে চৰকাৰে অসমৰ ছাত্ৰ-ছাত্ৰীক প্ৰাথমিক অৱস্থাৰ পৰাই সৰ্বভাৰতীয় পৰ্যায়ত ভাল ফলাফল দেখুৱাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰি ৰাজ্যৰ শিক্ষা ব্যৱস্থাত হাইব্ৰীড শিক্ষাৰ গুৰুত্ব প্ৰদান কৰিছে। সৰ্বভাৰতীয় পৰ্যায়ত ভাল দেখুৱাবলৈ বিজ্ঞান আৰু গণিত বিষয়ত ইংৰাজী ভাষাত জ্ঞান লোৱাটো নিতান্ত প্ৰয়োজন নেকি? মাতৃভাষা মাধ্যমত অধ্যয়ন কৰা বহু ব্যক্তিয়ে সৰ্বভাৰতীয় পৰ্যায়ত নিজৰ যোগ্যতা প্ৰমাণ কৰা এখন তালিকা বিশিষ্ট কবি জীৱন নৰহে সামাজিক মাধ্যমত প্ৰকাশ কৰিছিল। বিভিন্ন ক্ষেত্ৰত নিজৰ যোগ্যতাৰে জিলিকি থকা মহান ব্যক্তিসকলৰ শিক্ষাৰ মাধ্যম আছিল মাতৃভাষা। তেতিয়া মাতৃভাষাত অধ্যয়ন কৰি সৰ্বভাৰতীয় পৰ্যায়ত জিলিকি থকা ব্যক্তিসকলে সফলতাৰ জখলাত বগাই অসম আৰু অসমীয়া ভাষাক সন্মান জনাই সমগ্ৰ অসমীয়া জাতিক গৌৰৱান্বিত কৰা লোকসকলে গঢ় দিয়া ভেটিত থিয় হৈ আজিৰ নতুন প্ৰজন্মই আগবাঢ়িব নোৱৰাৰ কাৰণ কি ? এনে দিশবোৰ চৰকাৰে বিশ্লেষণ কৰিছেনে? অসমৰ বুকুত জন্মগ্ৰহণ কৰি অসমীয়া মাধ্যমৰ বিদ্যালয়ত অধ্যয়ন কৰি যিমানসংখ্যক ব্যক্তিয়ে সৰ্বভাৰতীয় পৰ্যায়ত জিলিকি আছে ইংৰাজী মাধ্যমত অধ্যয়ন কৰা কিমানসংখ্যক ব্যক্তিয়ে সৰ্বভাৰতীয় পৰ্যায়ত নিজৰ যোগ্যতাৰে অসম আৰু অসমীয়া জাতিলৈ গৌৰৱ কঢ়িয়াই আনিছে। আজিৰ দিনত মাত্ৰাধিক চৰ্চাৰ এই বিষয়টোক লৈ সচেতন ব্যক্তি, শিক্ষাবিদ, বুদ্ধিজীৱীয়ে নিজৰ নিজৰ মতামতৰ যোগেদি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি চৰকাৰৰ এই হঠকাৰী সিদ্ধান্তক বাতিল কৰিবলৈ আহ্বান জনাইছে। চৰকাৰ আকোৰ-গোঁজ। শিক্ষাত হাইব্ৰীড ব্যৱস্থা কাৰ্যকৰী হ'বই। অৱশ্যে চৰকাৰে বিদ্যালয়সমূহত দ্বৈত মাধ্যমত সমানে গুৰুত্ব প্ৰদানৰ বিষয়েও দোহাৰিছে। তৃতীয় শ্ৰেণীৰ পৰা বিজ্ঞান আৰু গণিত বিষয়টোক ইংৰাজী ভাষাত পাঠদানত গুৰুত্ব দিয়া মানে মাতৃভাষা মাধ্যমক অৱহেলা কৰা বুলি আজিয়েই কৈ দিব নোৱাৰি। অৱশ্যে চৰকাৰে দ্বৈত মাধ্যমত পাঠদান সমানে চলাই নিবলৈ হ'লে শিক্ষা পদ্ধতি সলনি কৰিব লাগিব। কাৰণ সাধাৰণ বৰ্ণমালাৰ জ্ঞান নথকাকৈ পঞ্চম তথা নৱম শ্ৰেণীত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীৰ সন্মুখত হঠাৎ বিজ্ঞান আৰু গণিতৰ পাঠদান ইংৰাজীত ল'বলৈ হ'লে ছাত্ৰ-ছাত্ৰীসকল বিবুদ্ধিত পৰিব আৰু পাঠদানৰ হেঁচা সহ্য কৰিব নোৱাৰি বহু ছাত্ৰ-ছাত্ৰী বিদ্যালয় এৰিব। পৰিৱেশ আৰু পৰিস্থিতিত তিষ্ঠি থাকিব নোৱাৰি বিদ্যালয় ত্যাগ কৰা সংখ্যা দেশত বৃদ্ধি পাইছে। হাইব্ৰীড ব্যৱস্থাই আৰু একাংশ ছাত্ৰ-ছাত্ৰীক বিদ্যালয় এৰিবলৈ উৎসাহিত কৰিব। চৰকাৰী বিদ্যালয়সমূহত অধ্যয়ন কৰা চাহ শ্ৰমিক সন্তান, সাধাৰণ কৃষকৰ দৰিদ্ৰ সন্তানসমূহ ইতিমধ্যে বিদ্যালয় ত্যাগ কৰি শিশু শ্ৰমিক তথা বনকৰা শ্ৰমিকৰূপে নিয়োজিত হৈছে। বিদ্যালয়ৰ প্ৰতি অনীহা প্ৰকাশ কৰি যিসকল ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয় এৰিলে সিহঁতক পুনৰ ঘূৰাই অনাত শিক্ষা বিভাগ কিমান সফল হ'ল। বিভাগীয় কাগজ-পত্ৰত ঘূৰাই অনাৰ তথ্য ঠিকেই আছে কিন্তু কাগজ-পত্ৰত নাম থকা ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয়ত আছেনে? বিদ্যালয়সমূহ পৰিদৰ্শন কৰিলেই প্ৰকৃত ছবিখন বহিঃপ্ৰকাশ ঘটিব। আমাৰ সন্দেহ হৈছে? চৰকাৰে শিক্ষা ব্যৱস্থাত হাইব্ৰীড পদ্ধতি ল'লে সাধাৰণ শ্ৰেণী পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকল চৰকাৰে ভবাৰ দৰে সফল হ'বনে? হাইব্ৰীড শিক্ষা পদ্ধতিয়ে দুখীয়া শ্ৰেণীতকৈ ধনীক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী মাত্ৰাধিক উপকৃত হোৱাৰ সম্ভাৱনা আছে। আমাৰ ধাৰণা শুদ্ধ নহ'বও পাৰে। কাৰণ আজি যিসকলে চৰকাৰৰ হাইব্ৰীড শিক্ষা পদ্ধতিক কঠোৰ সমালোচনা কৰি মাতৃভাষা মাধ্যমলৈ ভাবুকি আহিব বুলি দাবী কৰিছে তেওঁলোকৰ ভিতৰত কেইগৰাকীয়ে মাতৃভাষা মাধ্যমৰ চৰকাৰী বিদ্যালয়ত নিজৰ আত্মীয়ৰ সন্তানক পঢ়ুৱাইছে। সেই দিশটোকো চাব লাগিব। কোনগৰাকী মন্ত্ৰী-বিধায়ক, চৰকাৰী কৰ্মকাৰীয়ে নিজৰ সন্তানক চৰকাৰী মাধ্যমৰ বিদ্যালয়ত পঢ়ুৱাইছে। স্বয়ং চৰকাৰী বিদ্যালয়ত শিক্ষকতা কৰা তথা বিভাগটোৰ কৰ্মচাৰীসকলৰ কিমানজনে চৰকাৰী বিদ্যালয়ত নিজৰ সন্তানক পঢ়ুৱাইছে? চৰকাৰী মাধ্যমৰ বিদ্যালয়ত নিজৰ সন্তানক নপঢ়াই অথচ চৰকাৰী বিদ্যালয়ৰ দুৰৱস্থাৰ সম্পৰ্কত ৰাউচিজুৰি কান্দে। এনে তৰল মানসিকতাৰে চৰকাৰী বিদ্যালয় মাতৃভাষা মাধ্যমৰ বিদ্যালয়ৰ অস্তিত্ব কেনেকৈ ধৰি ৰাখিব। আজিৰ দিনটোত চৰকাৰৰ মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহক কোনখিনি ছাত্ৰ-ছাত্ৰীয়ে ধৰি ৰাখিছে চৰকাৰে পৰ্যবেক্ষণ কৰি শিক্ষাৰ পদ্ধতি সলনি কৰি পাঠদানৰ ব্যৱস্থা কৰিলেহে হাইব্ৰীড শিক্ষাই পূৰ্ণতা লাভ কৰিব। সম্পূৰ্ণ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ আৰ্হিৰে হাইব্ৰীড শিক্ষা পদ্ধতি সফল ৰূপায়ণ কৰিবলৈ হ'লে শিক্ষকৰ মাজত শ্ৰেণী বৈষম্যৰ সমস্যা দূৰ কৰিব লাগিব। কাৰণ ৰাজ্যত থকা ২৭ হাজাৰতকৈ অধিক টিউটৰসকলে বিদ্যালয়-মহাবিদ্যালয়ত নিয়োজিত হৈ আছে। যিহেতু তেওঁলোকৰ শিক্ষকৰ মৰ্যাদা নাই। আন শিক্ষকৰ দৰে টিউটৰসকলে পুৱাৰ পৰা বিয়লিকৈ পাঠদান কৰে কেৱল কেইটামান মাননিৰ বিনিময়ত। মাননি অনুসৰি টিউটৰসকলৰ বিদ্যালয়ত পাঠদানৰ সময় নিৰ্ধাৰণ কৰাটো প্ৰয়োজন। একেই শিক্ষা, এজনে লাভ কৰে বৃহৎ পৰিমাণৰ বেতন আৰু এজনে কৰে সামান্য পৰিমাণৰ মাননি। এনে বৈষম্যমূলক ব্যৱস্থাৰে এজন টিউটৰে সুস্থ মানসিকতাৰে পাঠদান কৰিব পাৰিবনে? তৎসত্বেও ছাত্ৰ-ছাত্ৰীৰ মুখলৈ চাই বিদ্যালয়সমূহত টিউটৰসকলে সেৱা মনোবৃত্তিৰে পাঠদান কৰি আহিছে। তাৰ মাজতে একাংশ শিক্ষক তথা শিক্ষা বিভাগৰ কৰ্মচাৰীয়ে টিউটৰসকলৰ খুঁত উলিয়াই ব্লেকমেইল কৰা পৰিলক্ষিত হয়।

যা হওক, হাইব্ৰীড শিক্ষা পদ্ধতিয়ে মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত পেলাবলগীয়া বিৰূপ প্ৰভাৱক লৈ ৰাজ্যখনৰ চিন্তাশীল ব্যক্তিসকলে নিজৰ মতামত প্ৰকাশ কৰিছে। এই সন্দৰ্ভত জাৰ্মানীত থাকি নিজৰ দক্ষতাৰে প্ৰৱাসী অসমীয়াৰূপে প্ৰতিষ্ঠা লাভ কৰা দীপজ্যোতি বৰা নামৰ ব্যক্তিগৰাকীয়ে সামাজিক মাধ্যমত অতি নিৰ্মোহভাৱে নিজৰ চিন্তাৰ ভাব প্ৰকাশ কৰিছে। তেওঁ আৰম্ভণীতে উল্লেখ কৰিছে জোৰ কৰি অসমীয়া মাধ্যমত পঢ়িবলৈ কৈ ভাষা ৰক্ষা কৰাৰ কথা ক'বলৈ যোৱাটোৰ পক্ষপাতি নহয়। আচলতে আমাৰ চিন্তাত এটা ডাঙৰ বিসংগতি আছে দুটা কথাৰ মাজত। Method of teaching আৰু Medium of chingত। আমি দুয়োটাকে একেই বুলি ভাবি আহিছো। নিজেই বিদেশত বিদেশী ভাষা শিকি কাম কৰি আছো। আন বহুতো মানুহ দেখিছো যিসকল পৃথিৱীৰ বিভিন্ন ঠাইত পৰা আহি হোটেলৰ সহায়কাৰী, মিস্ত্ৰীৰ পৰা বৈজ্ঞানিকলৈকে বিভিন্ন পৰ্যায়ত কাম কৰি আছে। আচলতে ভাষা এটা শিকিবলৈ তিনি বছৰ পৰ্যন্ত সময়। ছয় বছৰ স্কুলত পঢ়ি ইংৰাজী নজনাটো আমাৰ শিক্ষা পদ্ধতিৰ ভুল। এনে ভুল পদ্ধতিৰে প্ৰথম শ্ৰেণীৰ পৰা পঢ়ালেও সফল নহ'ব। ভুল পদ্ধতিৰে ইংৰাজী শিক্ষা আয়ত্ত কৰি শিক্ষকতা তথা চাকৰি কৰাসকলে ছাত্ৰ-ছাত্ৰীক একেই ভুল পদ্ধতিৰে শিক্ষা প্ৰদান কৰিলে ছাত্ৰ-ছাত্ৰীৰ ইংৰাজী শিক্ষাত জ্ঞান সম্ভৱ হ'বনে? জাৰ্মানীৰ প্ৰৱাসী অসমীয়া দীপজ্যোতি বৰাদেৱে সঠিক সময়ত সঠিক পৰামৰ্শ আগবঢ়াইছে।

প্ৰশ্ন হৈছে, পাণ দোকানী, কৃষকেও নিজৰ সন্তানক ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পঢ়াবলৈ লৈছে। তেনেদৰে চাহ শ্ৰমিক আৰু আন জনগোষ্ঠীৰ দৰিদ্ৰ পৰিয়ালেও ব্যক্তিগত ইংৰাজী মাধ্যমত পঢ়ুৱাইছে। এওঁলোকৰ চৰকাৰী মাতৃভাষা মাধ্যমৰ প্ৰতি বিৰাগভাব জাগিছে কিয়? মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহত তলা লাগিছে কিয়? বিষয়বোৰ চৰকাৰে পৰ্যবেক্ষণ কৰি অসমত হাইব্ৰীড শিক্ষা পদ্ধতিৰ সিদ্ধান্ত লৈছে নিশ্চয়।

# ডলাৰ আৰু ভাৰতীয় টকাৰ সম্বন্ধ

**■ মাণিক পাল**

সাম্প্ৰতিক সময়ত আমাৰ দেশত চলি থকা আটাইতকৈ চৰ্চিত অৰ্থনৈতিক বিষয়টো হ'ল ডলাৰৰ তুলনাত টকাৰ মূল্য হ্ৰাস। ইয়াক লৈ বিৰোধী দলসমূহে মোদী চৰকাৰক সমালোচনা কৰিছে। কিন্তু বিভিন্ন অৰ্থনৈতিক বিশেষজ্ঞসকলৰ মতে ভাৰতৰ বাবে ডাঙৰ সকাহ যে ভাৰতীয় টকাৰ মূল্য ডলাৰৰ তুলনাত সিমান হ্ৰাস হোৱা নাই যিমান বিশ্বৰ আন দেশবোৰৰ হৈছে। ৰাছিয়া আৰু আমেৰিকাৰ বাদে চীনৰ পৰা আৰম্ভ কৰি প্ৰায় সকলো দেশৰে টকাৰ মূল্য হ্ৰাস হৈছে। কিছুমান বিশেষজ্ঞৰ মতে এই বছৰত ভাৰতীয় টকাৰ মূল্য আন দেশবোৰৰ তুলনাত প্ৰায় ১৩ শতাংশ শক্তিশালীহে হৈছে। আচলতে টকাৰ মূল্য যিমান হ্ৰাস হৈছে তাৰ তুলনাত আমেৰিকান ডলাৰ অধিক শক্তিশালী হৈছে। ডলাৰৰ তুলনাত ভাৰতীয় টকাৰ মূল্য হ্ৰাস হৈ আজিৰ দিনত ১ ডলাৰে ৮০ টকাক পাৰ কৰিছে।

ডলাৰৰ তুলনাত টকাৰ মূল্য হ্ৰাস হোৱা মানে টকাৰ ক্ৰয় কৰা ক্ষমতা হ্ৰাস পোৱা। অৰ্থাৎ আগতে ৭০ টকা ১ ডলাৰৰ সমান আছিল আৰু এতিয়া সেই একে ১ ডলাৰৰ বাবে আপুনি ৮০ টকা প্ৰদান কৰিব লাগিব। আমি যেতিয়া দেশৰ ভিতৰতে কোনো বস্তু ক্ৰয় কৰোঁ তেন্তে সেই লেন-দেন ভাৰতীয় টকাত কৰোঁ, কিন্তু যেতিয়া ভাৰতবৰ্ষ এখন দেশ হিচাপে আন দেশৰ লগত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য বা লেন-দেন কৰে তেতিয়া সেই লেন-দেন বিদেশী মূদ্ৰাত হয়। বিদেশী মুদ্ৰা বুলি ক'লে আমি ডলাৰৰ কথাই ক'ব লাগিব কাৰণ ভাৰতে অধিকাংশ লেন-দেন ডলাৰতে কৰে। ডলাৰ আমেৰিকান মুদ্ৰা হয়। উদাহৰণস্বৰূপে — ভাৰতবৰ্ষই যিমান খাৰুৱা তেল বিদেশৰ পৰা আমদানি কৰে তাৰ মূল্য ভাৰতে ডলাৰতে পৰিশোধ কৰে। ধৰি লওক ভাৰতৰ ৭০ টকা ১ ডলাৰৰ সমান আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰতি বেৰেল খাৰুৱা তেলৰ মূল্য ১০ ডলাৰ হয় তেন্তে সেই এক বেৰেল খাৰুৱা তেলৰ বাবে ভাৰতক ৭০০ টকা পৰিশোধ কৰিব লাগিব। কিন্তু যদি টকাৰ মূল্য ডলাৰৰ তুলনাত কমি গৈ ৮০ টকা হয় তেন্তে সেই একে পৰিমাণৰ তেলৰ বাবে ভাৰতে ৮০০ টকা পৰিশোধ কৰিব লাগিব। অৰ্থাৎ তেলৰ দাম যদিও বৃদ্ধি পোৱা নাই টকাৰ মূল্য হ্ৰাস হোৱা বাবে ভাৰতক খাৰুৱা তেলৰ আমদানিৰ বাবে অধিক খৰচ কৰিবলগীয়া হ'ব। সহজ অৰ্থত ক'বলৈ গ'লে ডলাৰৰ তুলনাত ভাৰতীয় টকাৰ মূল্য হ্ৰাস পোৱা মানে ভাৰতৰ আমদানি বিল বৃদ্ধি পোৱা। ইয়াৰ ফলত বিদেশৰ পৰা আমদানি কৰা সামগ্ৰীৰ মূল্য বৃদ্ধি হ'ব। উদাহৰণস্বৰূপে আমি খাৰুৱা তেল, গাড়ী, ম'বাইল আদিৰ কথা ক'ব পাৰোঁ। ইংৰাজীত এই প্ৰক্ৰিয়াক 'কাৰেন্সি ডেপ্ৰিছিয়েশ্বন' বুলি কোৱা হয়। অৰ্থাৎ ডলাৰৰ তুলনাত যদি আন মুদ্ৰাৰ মূল্য হ্ৰাস হয় তেন্তে তাক সেই মুদ্ৰাৰ মূল্য হ্ৰাস আৰু দুৰ্বল হোৱা বুলি কয়।

ভাৰতীয় টকাৰ মূল্য হ্ৰাস হোৱাৰ বিভিন্ন কাৰণ আছে। সেই কাৰণবোৰ হ'ল—

১) মূল্যবৃদ্ধি- ভাৰতে যিবোৰ বস্তু বিদেশৰ পৰা আমদানি কৰে আন্তঃৰাষ্ট্ৰীয় বজাৰত সেই বস্তুবোৰৰ মূল্য বৃদ্ধি পাইছে। যাৰ ভিতৰত প্ৰধান হ'ল খাৰুৱা তেল। ভাৰতে নিজৰ প্ৰয়োজনীয় খাৰুৱা তেলৰ ৮০ক্ষ বিদেশৰ পৰা আমদানি কৰে। ইউক্ৰেইন আৰু ৰাছিয়াৰ যুদ্ধৰ ফলত খাৰুৱা তেলৰ মূল্য বৃদ্ধি পাইছে। যাৰ ফলত ভাৰতৰ আমদানিৰ ওপৰত খৰচ বৃদ্ধি পাইছে। যদি কোনো দেশৰ ৰপ্তানিতকৈ আমদানি খৰচ বেছি হয় তেন্তে দেশখনৰ 'কাৰেণ্ট একাউণ্ট ডেফিছিয়েট' বাঢ়ি যায়। উদাহৰণস্বৰূপে — ধৰি লওক ভাৰতে ২০০ টকাৰ সামগ্ৰী বিদেশৰ পৰা কিনিছে আৰু ১০০ টকাৰ সামগ্ৰী বিদেশত বিক্ৰী কৰিছে। ইয়াৰ ফলত যি ১০০ টকাৰ ব্যৱধান সৃষ্টি হৈছে ই হ'ল 'কাৰেন্ট একাউণ্ট ডেফিছিয়েট'। গতিকে ইয়াৰ ফলত ভাৰতৰ ক্ষতি হ'ব।

২) বিদেশী বিনিয়োগকাৰীৰ সংখ্যা হ্ৰাস — বিদেশী বিনিয়োগ যেতিয়া কমি যায় তেতিয়াও টকাৰ মূল্য হ্ৰাস হয়। এই বছৰতে বিদেশী বিনিয়োগকাৰীয়ে ভাৰতৰ সেয়াৰ বজাৰৰ পৰা ৩০ বিলিয়ন ডলাৰ অৰ্থাৎ ২.৪০ লাখ কোটি টকা প্ৰত্যাহাৰ কৰে। ইয়াৰ ফলত ভাৰতীয় টকাৰ মূল্য হ্ৰাস হয়।

৩) ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধ- এই যুদ্ধৰ ফলত বিশ্বৰ প্ৰায় সকলো দেশৰে টকাৰ মূল্য হ্ৰাস হৈছে কিন্তু আমেৰিকা আৰু ৰাছিয়াৰ মুদ্ৰা মূল্যবৃদ্ধি হৈছে। ৰাছিয়াৰ ৰুবেল ৩৪% লৈকে শক্তিশালী হৈছে। যি দুখন দেশৰ বাবে যুদ্ধ হ'ল তেওঁলোক আৰ্থিকভাৱে শক্তিশালী হ'ল কিন্তু মাজৰ পৰা যন্ত্ৰণাত পৰিছে আন দেশবোৰ। এই যুদ্ধৰ ফলত খাৰুৱা তেল, ঘেঁহু আদিৰ দাম বৃদ্ধি হৈছে। কাৰণ যুদ্ধৰ ফলত এই দেশবোৰৰ পৰা তেল আৰু ঘেঁহুৰ আমদানি কমি গৈছে। যাৰ ফলত যোগান কমি গৈছে আৰু চাহিদা বৃদ্ধি হৈছে। চাহিদা বৃদ্ধি হ'লে দাম বৃদ্ধি হ'বই।

৪) আমেৰিকাই নিজৰ দেশৰ মুদ্ৰাস্ফীতিক নিয়ন্ত্ৰণ কৰিবলৈ সুতৰ হাৰ বৃদ্ধি কৰিছে। এই বছৰতে আমেৰিকাত সুতৰ হাৰ ১ শতাংশ বৃদ্ধি হৈছে। ইয়াৰ ফলত ডলাৰ লাভৱান্বিত হৈছে আৰু আন মুদ্ৰাৰ মূল্য হ্ৰাস হৈছে।

৫) ইয়াৰ আন এটা কাৰণ হ'ল কৰ'না মহামাৰী। কাৰণ ইয়াৰ ফলত বিশ্বব্যাপী যোগান শৃংখল প্ৰভাৱিত হৈছিল।

ডলাৰৰ তুলনাত ভাৰতীয় টকাৰ মূল্য হ্ৰাস হোৱা এয়া প্ৰথম ঘটনা নহয়। আমি প্ৰায়ে ইয়াৰ মূল্য হ্ৰাস হোৱা দেখিবলৈ পাওঁ। ২০০৮ চনত ১ ডলাৰৰ মূল্য ৪৩ টকা আছিল, ২০১৪ চনত ই বৃদ্ধি হৈ ৬৪ টকাৰ সমান হয় আৰু এতিয়া ৮০ টকাৰ অধিক হৈছে। টকাৰ মূল্য হ্ৰাস হোৱাৰ ফলত হোৱা ক্ষতিবোৰ হ'ল—

ক) আমদানিত ভাৰতৰ খৰচ বৃদ্ধি হ'ব, বিদেশৰ পৰা অহা সামগ্ৰীৰ দাম বৃদ্ধি হ'ব, বিদেশত ফুৰিবলৈ যোৱা আৰু বিদেশত পঢ়িবলৈ যোৱা খৰচ বৃদ্ধি হ'ব।

খ) বিদেশৰ পৰা লোৱা ঋণৰ খৰচো বৃদ্ধি হ'ব।


গ) অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি হ'ব। কাৰণ ভাৰতে যি খাৰুৱা তেল বিদেশৰ পৰা আমদানি কৰে তাৰ দাম বৃদ্ধি হ'ব। ফলত পেট্ৰল, ডিজেলৰ দাম বৃদ্ধি হ'ব। লগে লগে অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম বৃদ্ধি হ'ব।

টকাৰ মূল্য ডলাৰৰ তুলনাত হ্ৰাস হ'লে কিছু লাভো হয়। যেনে — ভাৰত বা ভাৰতীয় কোম্পানীয়ে যিবোৰ বস্তু বিদেশত ৰপ্তানি কৰে সেইবোৰৰ বাবে অধিক ধন লাভ কৰিব, ভাৰতৰ যিসকল লোকে বিদেশৰ পৰা ভাৰতত বিদেশী মুদ্ৰা পঠাই তেওঁলোকৰ লাভ হ'ব।

সাম্প্ৰতিক সময়ত কেৱল যে ভাৰতীয় মুদ্ৰাৰ মূল্য ডলাৰৰ তুলনাত হ্ৰাস হৈছে তেনে নহয়। বিশ্বৰ আন আন দেশৰ মুদ্ৰা মূল্য ডলাৰৰ তুলনাত ভাৰততকৈ বেছি হ্ৰাস হৈছে। উদাহৰণস্বৰূপে— ভাৰতীয় টকাৰ মূল্য ডলাৰৰ তুলনাত ৭% হ্ৰাস হৈছে। কিন্তু জাপানৰ মুদ্ৰা য়েন ডলাৰৰ তুলনাত ১৯%, ইংলেণ্ডৰ পাউণ্ড ১৩.৪%, ইউৰোপৰ ইউৰো ১১.৩%, চীনৰ Yuan ৫.৭১% আৰু ছুইডেনৰ ক্ৰোনা ১০% হ্ৰাস পাইছে। মুঠতে আমি যদি ডলাৰৰ তুলনাত হ্ৰাস পাই থকা টকাৰ মূল্যৰ পৰা ৰক্ষা পাবলৈ বিচাৰোঁ তেন্তে তাৰ স্থায়ী সমাধান হ'ল আমি নিজে আত্মনিৰ্ভৰশীল হ'ব লাগিব আৰু আমদানিতকৈ ৰপ্তানিৰ পৰিমাণ বৃদ্ধি কৰিব লাগিব। বিশেষকৈ আমি খাৰুৱা তেলৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'ব লাগিব বা বিকল্প ব্যৱস্থাৰ কথা চিন্তা কৰিব লাগিব।

*ফোন ঃ ৮৬৩৮৯-৪৭২৯২*

# অতুলানন্দ গোস্বামী- এক স্মৰণ



**■ হৰেণ গগৈ**

অসমীয়া ভাষা-সাহিত্য জগতলৈ অপূৰণীয় অৱদান আগবঢ়াই থৈ যোৱা বিশিষ্ট সাহিত্যিকসকলৰ ভিতৰত অন্যতম হৈছে ২৬ জুলাইৰ পিছনিশা ৪.৪৫ বজাত গুৱাহাটী মেডিকেল কলেজ হাস্পতালত ৮৮ বছৰ বয়সত ইহসংসাৰ ত্যাগ কৰা বিশিষ্ট কথা সাহিত্যিক অতুলানন্দ গোস্বামী।

১৯৩৪ চনৰ ২২ জানুৱাৰীত যোৰহাটৰ ৰংদৈ ককিলা আধাৰ সত্ৰত জন্মগ্ৰহণ কৰা বিশিষ্ট সাহিত্যিক অতুলানন্দ গোস্বামীৰ পিতৃ আৰু মাতৃৰ নাম আছিল- নৰেন্দ্ৰ নাথ গোস্বামী আৰু কামনা দেৱী। ককিলা প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰি শিক্ষা জীৱনৰ পাতনি মেলা গোস্বামীয়ে ১৯৫২ চনত যোৰহাটৰ চৰকাৰী হাইস্কুলৰ পৰা সুখ্যাতিৰে প্ৰৱেশিকা উত্তীৰ্ণ হয়। ইয়াৰ পাছত যথাসময়ত আই এ চি পৰীক্ষা উত্তীৰ্ণ হৈ ১৯৫৬ চনত তেওঁ যোৰহাটৰ জগন্নাথ মহাবিদ্যালয়ৰ পৰা বিজ্ঞান শাখাত স্নাতক ডিগ্ৰী লাভ কৰে।

শিক্ষা জীৱন শেষ কৰাৰ পাছত কিছু দিন গোলাঘাটৰ এখন বিদ্যালয়ত শিক্ষকতা কৰাৰ পাছত ১৯৬১ চনত তেওঁ অসম চৰকাৰৰ বিক্ৰী কৰ বিভাগত চাকৰি কৰিবলৈ লয় আৰু এই বিভাগত এক সুদীৰ্ঘ সময় চাকৰি কৰি সময়ত সহকাৰী কৰ আয়ুক্ত হৈ ১৯৯১ চনত তেওঁ অৱসৰ গ্ৰহণ কৰে।

আনহাতে, স্কুলীয়া জীৱনৰে পৰা ভাষা-সাহিত্যৰ চৰ্চা কৰি অহা গোস্বামীয়ে কালক্ৰমত নিজস্ব চিন্তাধাৰাৰে বিভিন্ন ধৰণৰ পুথি ৰচনা কৰে। এই পুথিসমূহৰ ভিতৰত 'হামদৈ পুলৰ জোন', 'ৰাজপাট', 'পলাতক', 'আশ্ৰয়', 'চেনেহৰ জৰীৰ গাঁঠি', 'নামঘৰীয়া'। 'অতুলানন্দ গোস্বামীৰ স্ব-নিৰ্বাচিত গল্প-সংকলন', 'ককাইদেউ' আদিয়েই প্ৰধান। এই পুথিসমূহৰ প্ৰায়ভাগেই পঢ়ুৱৈ সমাজৰ অন্তৰ জয় কৰিব পাৰিছে। এইখিনিতে এটা কথা উল্লেখ কৰা ভাল যে তেওঁৰ দ্বাৰা ৰচিত প্ৰায়ভাগ গল্প তথা উপন্যাসতে গ্ৰাম্য জীৱনৰ চিত্ৰ যিদৰে প্ৰতিফলিত হৈছে, তাৰ বাবে তেওঁ সকলোৰে মাজত যিদৰে সমাদৰ লাভ কৰিছে, সেইদৰে 'নামঘৰীয়া' উপন্যাসখন দূৰদৰ্শন কেন্দ্ৰ, গুৱাহাটীৰ জৰিয়তে ধাৰাবাহিক ৰূপত সম্প্ৰচাৰ হোৱাৰ পাছতেই তেওঁ শ্ৰোতা মণ্ডলীৰ মাজত সমাদৰ লাভ কৰিছিল।

আনহাতে, ১৯৬৪ চনত গুৱাহাটীৰ ভৰলুমুখ নিবাসী ধীৰেন ৰাম ফুকনৰ সুযোগ্য কন্যা অনিমাৰ লগত বিবাহপাশত আবদ্ধ হোৱা গোস্বামীয়ে কালক্ৰমত দুগৰাকী সুযোগ্যা কন্যা আৰু এগৰাকী সুযোগ্য পুত্ৰৰ পিতৃ হয়। কিন্তু দুখৰ বিষয় ২০১৪ চনত তেওঁৰ পত্নী অনিমাই ইহ সংসাৰ ত্যাগ কৰে। সাহিত্য অকাদেমি আৰু ব্ৰহ্মপুত্ৰ উপত্যকা সাহিত্য বঁটাকে আদি কৰি বিভিন্ন সন্মানীয় বঁটা লাভ কৰোতা গোস্বামীয়ে নিজস্ব আচাৰ-ব্যৱহাৰৰ দ্বাৰা সকলোৰে আপোন হৈ পৰিছিল। আজি তেওঁৰ আদ্যশ্ৰাদ্ধৰ দিনা তেওঁৰ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

# বঁটাৰ বিলৈ

**কাজি শ্বাহাদত ইছলাম**

বঁটা শব্দটো সন্মানৰ বাহক হোৱাৰ কথা আছিল। সম্প্ৰতি কালত এই শব্দটোৱে যেন অসন্মানৰ প্ৰতীক হিচাপে কাম কৰি আছে। আচলতে চৰকাৰ অথবা কোনো প্ৰতিষ্ঠানৰ পক্ষৰ পৰা কাৰোবাক কেতিয়া বঁটা দিয়ে বা কিয় বঁটা দিয়ে সেয়া আমি সকলোৱে জানো। সমাজ বা দেশত কোনোবাই যদি বেলেগতকৈ বেলেগ অৰ্থাৎ ব্যতিক্ৰমী ধৰণৰ কিবা এটা কাৰ্য কৰে তাৰ সন্মানাৰ্থে কিম্বা উদ্‌গনি যোগাবলৈ বঁটা, স্মাৰক-পত্ৰ গামোচা, শ্বল, জাপি ইত্যাদি প্ৰদান কৰা হয়। মুঠতে দক্ষতাৰ ওপৰত ভিত্তি কৰি বিভিন্ন সময়ত বিভিন্নজনে অতীজৰে পৰা এইবোৰৰ দ্বাৰা সন্মানিত হৈ আহিছে।

এটা কথা মন কৰিবলগীয়া যে সন্মান (বঁটা) বিষয়টো স্বতঃস্ফূৰ্তে এটা পক্ষৰ পৰা অন্য এটা পক্ষলৈ যোৱা বস্তু। কিন্তু আজিৰ যুগত ঠিক ওলোটাহে হৈ আছে। আজিকালি প্ৰায়ে ছ'চিয়েল মিডিয়াত (বিশেষকৈ ফেচবুকত) বঁটা বিতৰ্কৰ বহুতো প'ষ্ট মাজে মাজেই পঢ়িব পাওঁ। কেতিয়াবা কেতিয়াবা বঁটা বিতৰ্কৰ এনেকুৱা কিছুমান ভিডিঅ' দেখিবলৈ পাওঁ, যিবিলাক দেখাৰ পিছত মাস্ক পিন্ধা অবিহনে বাহিৰলৈ ওলাই যাওঁতে বৰ লাজ লাগে। কিয়নো আমিও সমান্য লেখা-মেলা কৰোঁ কাৰণে চিনাকি মানুহবোৰে আমাক লৈ কেতিয়াবা গৰ্বিত হয়। কিবাকৈ বঁটা কেলেংকাৰিৰ বিষয়টো সিহঁতে গম পালে আমাৰ প্ৰতি থকা সিহঁতৰ বিশ্বাস-ভৰসা উঠি যাব। হয়, বঁটা আজিকালি ব্যৱসায়িক বিষয়বস্তু হৈ পৰিছে। কিছু মানুহে বঁটা প্ৰদান কাৰ্যটোক বৃত্তি হিচাপে লৈ লাখ লাখ টকা উপাৰ্জন কৰি আছে। বৰ আচৰিত লাগে তেতিয়া, যেতিয়া বঁটাৰ ব্যৱসায় কৰা ব্যক্তি এজনে বঁটা প্ৰথাৰ বিৰুদ্ধে সামাজিক মাধ্যমত তোলপাৰ লগায়।

কেইদিনমান আগতে ফেচবুকত এটা প'ষ্ট পাই হতভম্ব হৈ পৰিছিলোঁ। প'ষ্টটোত বঁটাৰ বাবে আৱেদন কৰিবলৈ অনুৰোধ জনাই এটা পোষ্টাৰ লগাইছে। সাহিত্য সম্বন্ধীয় বঁটা প্ৰদানৰ বাবে প'ষ্ট কৰা পোষ্টাৰখনত মোটা অংকৰ টকা জইন ফিচ হিচাপে লাগিব বুলি উল্লেখ কৰা পৰিলক্ষিত হ'ল। পোষ্টাৰখনৰ লগতে হীৰেন গোহাঁই ছাৰৰ ফটোসম্বলিত আৰু এখন পোষ্টাৰো দেখা পালোঁ য'ত কেইটামান বাক্যত কেইবাটাও বানানৰ বিসংগতি চকুত পৰিল। এতিয়া প্ৰশ্নটো হ'ল— বঁটাৰ বাবে জানো সকলোৱে আৱেদন কৰিব পাৰিব? নিশ্চয় পাৰিব... কাৰণ, বঁটা পাবলগীয়া প্ৰাৰ্থীৰ বাবে তাতে বৈশিষ্ট্যগত নিয়ম নাই। তাৰ মানে যদু, মদু, ৰহিম, কৰিম যিয়েই নহওক সকলোৱেই বঁটাৰ বাবে আৱেদন কৰিব পাৰিব। হয়তো কেতিয়াও সিহঁতে সাহিত্য চৰ্চা কৰিয়ে পোৱা নাই। দক্ষতা লৈ কোনো প্ৰশ্ন নাই, কাৰণ টকা যিহেতু পাঁচ হাজাৰ। এনে ধৰণৰ বঁটাত সন্মানৰ অস্তিত্ব তেতিয়ালৈকে থাকে যেতিয়ালৈকে টকা খৰচ কৰি ক্ৰয় কৰা নহয়। কিন্তু টকাৰ বিনিময়ত বঁটা ক্ৰয় কৰিলে সন্মানতো দূৰৰে কথা বঁটাটোও প্লাছটিক প্লাষ্টিকহে গোন্ধায়। প্ৰতিজন মানুহৰে পৰা যদি পাঁচ হাজাৰকৈ লোৱা হয় কেইটামান বঁটা, মানপত্ৰ আৰু গামোচাতনো কেই টকা খৰচ হ'ব, বাকী পইচা একত্ৰ কৰিলে এটা মোটা অংকৰ ধন জমা হয়। ঠিক এনেদৰেই এক প্ৰকাৰৰ দুষ্ট চক্ৰই ৰমৰমীয়া বেহাখন চলাই আহিছে। দৰাচলতে ইহঁতৰো দোষ নহয়, কাৰণ আমি যদি বঁটাবোৰ ক্ৰয় নকৰোঁ সিহঁতেনো আমাক কেনেকৈ বেচিব? আমিও সস্তীয়া জনপ্ৰিয়তাৰ বাবে বঁটা কিনাৰ প্ৰতিযোগিতাত পাগলৰ দৰে ব্যস্ত হৈ পৰোঁ। আমি কেতিয়াবা ভাবিছোঁনে দক্ষতা অবিহনে ক্ৰয় কৰা বঁটা গ্ৰহণ কৰি আমি কিমান দূৰ সুখী হ'ব পাৰিছোঁ? নিশ্চয় আমি দাপোণৰ সন্মুখত থিয় হ'লে বুকু ফিন্দাই নিজৰ মুখখনৰ ফালে চকু মেলি চাব নোৱাৰোঁ।

আৰু এটা সমস্যাৰ বিষয়েও কেতিয়াবা ফেচবুকত পঢ়িবলৈ পাওঁ। মানে সকলোৰে পৰা কবিতা সংগ্ৰহ কৰি কবিতা সংকলন প্ৰকাশ কৰাৰ নামত লোৱা আগধনৰ বিষয়টো। পুথি প্ৰকাশৰ নামত হাজাৰ হাজাৰ কবিৰ পৰা এশ-দুশকৈ টকা সংগ্ৰহ কৰি পিছলৈ পুথিখন প্ৰকাশ নকৰে। কিছুমানৰ বাবে এশ-দুশ টকা তেনেই সাধাৰণ কথা যদিও এই সাধাৰণ কথাখিনি অসাধাৰণ হৈ পৰে যেতিয়া হাজাৰ মানুহৰ পৰা সংগৃহীত টকাখিনি গোট খুওৱা হয়। মানে 'এটোপ এটোপ কৰি ডাৱৰৰ পানী পৰি ভৰি যায় বহল সাগৰ' কথাটো ঠিক তেনেকুৱাই হয়। পঞ্চাছজন মানুহৰ হাতৰ পৰা যদি এটা এটা ম'বাইল আনি একেলগ কৰা হয় তেন্তে এজন মানুহৰ কাৰণে সেয়া এটা বোজা হৈ পৰিব। আমি ভাবিব আৰু বুজিব লাগিব যে এয়া আমাৰ অসতৰ্কতাৰ ফল।

বঁটাপ্ৰাপক বহু কবি-সাহিত্যিকৰ মাজৰ আংশিক সাহিত্যিকৰ লিখনিৰ মাজত লক্ষ্য কৰিলে বানান আৰু ব্যাকৰণৰ ক্ষেত্ৰত বহুতো দুৰ্বলতা বিচাৰি পোৱা যায়। কিছুমানক আঙুলিয়াই দিলে সুখী হৈ ধন্যবাদ জনায় আৰু কিছুমানে সকলো দায় দোষ কি-ব'ৰ্ডৰ ওপৰত জাপি নিজে মুক্ত হৈ পৰে। বহুতকে দেখা পাইছোঁ ভুল বানান আঙুলিয়াই দিলে লাজ পায় (সেইবুলি ৰাজহুৱাভাৱে নহয় ইনবক্সতহে জনাই দিওঁ)। এয়া কিন্তু এক প্ৰকাৰৰ অহংকাৰ আৰু এই অহংকাৰে অইনক নহয় নিজকেহে ক্ষতি সাধন কৰে। আমি যিটো বস্তুক অত্যধিক গুৰুত্ব দিব লাগে সেইটো বস্তুক আওকাণ কৰি শ্বৰ্ট কাট মাৰিবলৈ অপচেষ্টা চলাওঁ। বঁটাই জানো কোনোবা লেখকক মূল্যাংকন কৰে সি ডাঙৰ নে সৰু? জীৱনত ওপৰলৈ উঠাৰ বাবে সাহস, অনুপ্ৰেৰণাৰ প্ৰয়োজন আছে। বঁটা-মানপত্ৰই আমাক সেই সাহস, অনুপ্ৰেৰণা দিয়ে। সেই বুলি অনুপ্ৰেৰণা কিনি লোৱাটো কদাপি উচিত নহয়। নিজৰ দক্ষতাৰ বলত পোৱা সন্মানৰ বিৰুদ্ধাচৰণ মই কাহানিও কৰা নাই আৰু নকৰোঁও।

আহক নিজকে উচ্চ খাপলৈ লৈ যোৱাৰ খাতিৰত বিজ্ঞজনৰ শৰণাপন্ন হওঁ, যাৰ ওচৰত গ'লে কিবা নহয় কিবা শিকিব পাৰিম বুলি ধাৰণা হয় তাক অনুকৰণ কৰোঁ। নজনা বিষয় জানিবলৈ প্ৰযত্ন কৰোঁ। আহক আমি বিজ্ঞজনক বেছি বেছি প্ৰশ্ন কৰোঁ শিকিবলৈ। বয়স যিমানেই হওক লাজ কৰিব নালাগে কাৰণ মানুহে মৃত্যুৰ আগলৈকে শিকিলেও বহু কিবা কিবি শিকিবলৈ বাকী ৰৈ যায়। নিজৰ পাৰদৰ্শিতাবোৰক বঁটামুখী নকৰি মান উন্নীতকৰণত জোৰ দিওঁ।

(বিঃ দ্ৰঃ- নিজৰ দক্ষতাৰে বঁটা পোৱাজনৰ প্ৰতি মোৰ কোনো আক্ষেপ নাই। গতিকে অনুগ্ৰহ কৰি ভুল নুবুজিব।)

*ফোন ঃ ৬০০২৫-৯৪৪৩০*

## বঙাইগাঁও ৰে'ল ষ্টেচনৰ প্লেটফৰ্মত নিৰ্মাণৰত শ্বেড খহি আহত ৮ শ্ৰমিক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৪ আগষ্ট ঃ** বঙাইগাঁও ৰে'ল ষ্টেচনৰ ২ নম্বৰ প্লেটফৰ্মত নিৰ্মাণৰত শ্বেড খহি পৰি মজদুৰ ৮জনকৈ শ্ৰমিক আহত হোৱাৰ ঘটনাক গৰিহণা দিছে উত্তৰ-পূৱ সীমান্ত ৰে'লৱে মজদুৰ ইউনিয়নে। উত্তৰ-পূৱ সীমান্ত ৰে'লৱে মজদুৰ ইউনিয়নৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক কল্লোল দেৱ শৰ্মাই সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ টোকাত অৱহেলাৰ বাবেই এই ঘটনাটো সংঘটিত হোৱা বুলি উল্লেখ কৰি ঘটনাটোক সংগঠনটোৱে গৰিহণা দিছে। লগতে ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্ত দাবী কৰিছে ইউনিয়নে। ঠিকাদাৰ আৰু অন্যান্য সংশ্লিষ্ট ব্যক্তিসকলে কৰা গুৰুতৰ অৱহেলাৰ বাবে তেওঁলোকৰ শাস্তিৰ দাবী কৰি মজদুৰ ইউনিয়নে ক্ষতিগ্ৰস্ত শ্ৰমিকসকলক ক্ষতিপূৰণৰ দাবী উত্থাপন কৰিছে। উল্লেখ্য, চুক্তিবদ্ধ শ্ৰম নিয়ন্ত্ৰণ আৰু বিলুপ্তি আইন ১৯৭০ আৰু মুখ্য নিয়োগকৰ্তা অনুসৰি (ভাৰতীয় ৰে'লৱে) আহত শ্ৰমিকসকলক যথাসম্ভৱ শীঘ্ৰে ক্ষতিপূৰণ প্ৰদানৰ ব্যৱস্থা কৰাৰ বাবেও অনুৰোধ জনাইছে। ভাৰতীয় ৰে'লৱেৰ স্বীকৃত এন এফ ৰে'লৱে মজদুৰ ইউনিয়নে বিষয়টো তদাৰক কৰাৰ লগতে কোনো প্ৰকাৰে পক্ষপাতিত্ব আৰু অৱহেলা কেতিয়াও হ'ব নিদিয়ে বুলিও বিবৃতিটোত উল্লেখ কৰিছে।



*নিৰ্মিয়মান স্বহীদ সৌৰৱণি স্মাৰক পৰিদৰ্শন কৃষি মন্ত্ৰী অতুল বৰাৰ, গুৱাহাটীত বুধবাৰে*

### বাণ থিয়েটাৰৰ নটসূৰ্য ফণী শৰ্মা সৌৰৱণী নাট সমাৰোহ

## গুৱাহাটীৰ নাট্য পীঠৰ প্ৰভাত গোস্বামী ৰচিত 'বাগ্ৰুকগীৰ বিষ্ণুপ্ৰসাদ' শীৰ্ষক নাটক মঞ্চায়ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৪ আগষ্ট ঃ** নটসূৰ্য ফণী শৰ্মাৰ ৫২সংখ্যক স্মৃতি দিৱসৰ লগত সংগতি ৰাখি বাণ থিয়েটাৰে পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা নটসূৰ্য ফণী শৰ্মা সৌৰৱণী নাট সমাৰোহত কালি নিশা মঞ্চস্থ হয় গুৱাহাটীৰ নাট্য বীথিকা নামৰ অপেছাদাৰী নাট্যদলটিৰে নিৰ্দেশিত তথা বিশিষ্ট নাট্যকাৰ প্ৰভাত গোস্বামী ৰচিত আৰু স্মিতা বৰ্মন পৰিচালিত নাটক 'বাগ্ৰুকগীৰ বিষ্ণুপ্ৰসাদ' শীৰ্ষক নাটক। উল্লেখ্য যে, বাক্য শব্দ বাগ্ৰুকগীৰ অৰ্থাৎ যোদ্ধা। এগৰাকী যোদ্ধা হিচাপে বিষ্ণুপ্ৰসাদ ৰাভাৰ পৰিচিতি দাঙি ধৰি নাট্যকাৰে ৰচনা কৰা জীৱনীমূলক নাটখনৰ মূল বিষ্ণুপ্ৰসাদ ৰাভাৰ চৰিত্ৰ ৰূপায়ণ কৰে অসম চলচ্চিত্ৰ উন্নয়ন নিগমৰ উপাধ্যক্ষ ডাঃ আলেখ্য বৰুৱাই। ইয়াচিনৰ বহমানৰ সংগীত, ডিম্পল দাসৰ পোহৰেৰে মঞ্চায়ন হোৱা এই বিশেষ নাটকখনত কৰ্ণকৌৰৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ চৰিত্ৰত কৌশিক ভৰদ্বাজ, নটসূৰ্য ফণী শৰ্মাৰ চৰিত্ৰত নবজ্যোতি কৌৰৰ, নবীন মেধিৰ চৰিত্ৰত অনিল হালৈ, লোকনাথ বৰুৱাৰ চৰিত্ৰত অপূৰ্ব গোস্বামী, বিষ্ণুপ্ৰসাদ ৰাভাৰ শিশু তথা প্ৰেয়সী নিৰুপমাৰ চৰিত্ৰত পপী মহন্ত, মোহিনী ৰাভাৰ চৰিত্ৰত ছায়াবি বড়ো, কনকলতা মেধিৰ চৰিত্ৰত প্ৰীমবোজ শইকীয়া, জগৎৰ চৰিত্ৰত দৰ্শন ভট্টাচাৰ্য, মিহিৰ সেনৰ চৰিত্ৰত সমৰ ভৰালী, নগেনৰ চৰিত্ৰত উদ্দীপ্ত বৰগোহাঁই, দাৰোগা কৌশিক কাশ্যপ, শিশু নিষ্ঠাজিতৰ লগতে নৃত্যাংশত অংশী আৰু দ্বিজেন বৰ্মনে অংশ লৈ নাটকখনৰ সফলতাত ইন্ধন যোগায়। নাটকৰ অন্তত নাট্যকাৰ, পৰিচালকৰ লগতে সকলো কুশীলৱকে বাণ থিয়েটাৰৰ পৰিয়ালৰ তৰফৰ পৰা একোখনকৈ গামোচাৰে সন্মান জনোৱা হয়। উল্লেখ্য যে, কালি দ্বিতীয় নিশা নাটকখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে তেজপুৰৰ শতৰৰ্ষ গৰকা সামাজিক অনুষ্ঠান অসমীয়া ক্লাবৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত জিলা আৰু সত্ৰ ন্যায়াধীশ অৰুণা দেৱীয়ে।

# সৰ্পদংশনত মৃত্যুৰে পাঁচ দিন যুঁজি হাৰ মানিলে সাংবাদিক অসীমজ্যোতি বৰাই

### মৰঙি-নুমলীগড়ত শোকৰ বন্যা

**দৈনন্দিন বাৰ্তা সেৱা, ৪ জুলাই ঃ** ৩০ জুলাইত সৰ্পদংশনৰ বলি হোৱা নুমলীগড়ৰ সাংবাদিক অসীমজ্যোতি বৰাই (৩৬) পাঁচ দিনে মৃত্যুৰ স'তে যুঁজ দি অৱশেষত বুধবাৰে মৃত্যুৰ আগত হাৰ মানিলে। নুমলীগড়ৰ তেলগৰমৰ পৰা 'দৈনিক জনমভূমি' কাকতত সংবাদ পৰিৱেশনেৰে বিগত দহ বছৰে ৰাইজৰ সেৱাত নিজকে উছৰ্গা কৰা অসীমজ্যোতি বৰাই কালি বিয়লি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে ৩০ জুলাই পুৱা প্ৰায় পাঁচ বজাত বাহিৰলৈ ওলাওঁতেই তেওঁক বিষাক্ত সাপে দংশন কৰিছিল। লগে লগে পৰিয়ালৰ লোকে তেওঁক সমীপৰে নুমলীগড় শোধনাগাৰৰ বিবেকানন্দ কেন্দ্ৰ চিকিৎসালয়ত ভৰ্তি কৰে। চিকিৎসালয় পোৱাৰ কিছু সময়ৰ পাছতে তেওঁ সংজ্ঞা হেৰুৱাই পেলাইছিল আৰু আইচিইউত ৰাখি চিকিৎসকসকলে চিকিৎসা অব্যাহত ৰাখিছিল। উপলব্ধ সকলো চিকিৎসা প্ৰদানৰ লগতে চিকিৎসালয় কৰ্তৃপক্ষ আৰু মৰঙি প্ৰেছ ক্লাবৰ সম্পাদক প্ৰিয়ংদীপ কাকতিয়ে সৰ্প বিশেষজ্ঞ হিচাপে বিশেষ খ্যাতি অৰ্জা ডিমৌ চিকিৎসা কেন্দ্ৰৰ চিকিৎসক সুৰজিৎ গিৰিক এনআৰএলৰ বিবেকানন্দ কেন্দ্ৰ চিকিৎসালয়লৈ আনি বিশেষ চিকিৎসাৰ ব্যৱস্থা কৰে। তথাপি অসীমজ্যোতি বৰাৰ অপৰিৱৰ্তিত স্বাস্থ্যৰ কোনো উন্নতি নঘটাত কালি তেওঁক লৈ যোৱা হৈছিল গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ। অৱশেষত সকলো প্ৰচেষ্টাক বিফল কৰি আজি অসীমজ্যোতি বৰাই চিকিৎসালয়তে শেষ নিশ্বাস ত্যাগ কৰে। অতি সৰবৰহী, সৰল, সদা-হাস্যমুখৰ যুৱ সাংবাদিকজনৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে মৰঙি আৰু নুমলীগড়ত গভীৰ শোকৰ ছাঁ পৰিছে। মৰঙি প্ৰেছ ক্লাবৰ সাংগঠনিক সম্পাদক অসীমজ্যোতি বৰাৰ মৃত্যুত মূক হৈ পৰিছে ক্লাবৰ সকলো সদস্য। মন কৰিব লগা যে মৰঙি প্ৰেছ ক্লাবৰ সম্পাদক প্ৰিয়ংদীপ কাকতিৰ হাতত ধৰিয়েই সাংবাদিকতাৰ জগতত খোজ পেলাইছিল অসীমজ্যোতি বৰাই। সংবাদ সেৱাৰ যোগেদিয়েই ৰাইজৰ সেৱাত ব্ৰতী অসীমজ্যোতি বৰা অঞ্চলটোৰ সকলো সাংস্কৃতিক, ক্ৰীড়া আৰু সাহিত্য ক্ষেত্ৰৰ সংগঠনসমূহৰ স'তে নিজকে জড়িত কৰি অঞ্চলটোক আগবঢ়াই নিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। বৰাৰ মৃত্যুত সদৌ অসম ছাত্ৰ সন্থাৰ মৰঙি আঞ্চলিক সমিতি, গোৰ্খা ছাত্ৰ সন্থা, আটছা, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ মৰঙি শাখা, অসম সাহিত্য সভাৰ মৰঙি, দৈগ্ৰোং, কালিয়নী আৰু নুমলীগড় শাখা, অসম নেপালী সাহিত্য সভাৰ গোলাঘাট জিলা সমিতি ধৰি অনেক দল-সংগঠনে শোক প্ৰকাশ কৰিছে। ৩৬ বছৰীয়া অসীমজ্যোতি বৰাই মৃত্যুৰ সময়ত তিনিবছৰীয়া এটি কন্যা সন্তানসহ পত্নী, দুজন ভ্ৰাতৃ-বৌ, পিতৃৰ লগতে অলেখ গুণমুগ্ধক ইহসংসাৰত এৰি থৈ গৈছে। প্ৰয়াত অসীমজ্যোতি বৰাৰ অন্ত্যেষ্টিক্ৰিয়া কাইলৈ সম্পন্ন কৰা হ'ব। তাৰ পূৰ্বে অসীমজ্যোতি বৰাৰ নশ্বৰ দেহৰ প্ৰতি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ এক কাৰ্যসূচী লৈছে বুলি মৰঙি প্ৰেছ ক্লাবৰ সভাপতি আৰু সম্পাদকে জনাইছে।

## নুমলীগড়ৰ সাংবাদিক অসীমজ্যোতি বৰাৰ অকাল মৃত্যুত শোক

**দৈনন্দিন বাৰ্তা সেৱা, ৪ জুলাই ঃ** নুমলীগড়ৰ সাংবাদিক অসীমজোতি বৰাৰ অকাল মৃত্যুত অসম বাৰ্তাজীৱী সংঘই গভীৰ শোক প্ৰকাশ কৰিছো। সংবাদ পৰিৱেশনৰে ৰাইজৰ সেৱাত নিজকে উছৰ্গা কৰা বৰাই চিকিৎসাধীন অৱস্থাতে গুৱাহাটীৰ চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। সৰ্প দৰ্শনত মৃত্যু হোৱা যুৱ সাংবাদিক বৰা অকল সংবাদ সেৱাৰ সৈতে জড়িতই নহয়, অঞ্চলটোৰ সাহিত্য, সাংস্কৃতিক, ক্ৰীড়াৰ ক্ষেত্ৰতো জড়িত আছিল। বৰাৰ মৃত্যুত অসমে এজন ভাল সাংবাদিকে হেৰুৱালে বুলি অসম বাৰ্তাজীৱী সংঘই অনুভৱ কৰিছোঁ। তেওঁৰ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।



*ধেমাজিৰ পথাৰত খাদ্যৰ সন্ধানত এজাক পোহনীয়া ম'হ*

## ৭ আগষ্টত স্বাধীনতাৰ ৭৫ বছৰত শ্ৰমজীৱী ৰাইজৰ অৱস্থা শীৰ্ষক বিশেষ আলোচনা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৪ আগষ্ট ঃ** জইণ্ট কাউন্সিল অৱ ট্ৰেড ইউনিয়নছ (JCTU)ৰ উদ্যোগত অহা ৭ আগষ্ট দেওবাৰে গুৱাহাটীৰ জিলা পুথিভৰালত এখন বিশেষ আলোচনা সভা অনুষ্ঠিত হ'ব। 'স্বাধীনতাৰ ৭৫ বছৰত শ্ৰমজীৱী ৰাইজৰ অৱস্থা' বিষয়ত হ'ব লগা আলোচনা সভাত সংযুক্ত কিষাণ মৰ্চাৰ অন্যতম নেতা অশোক ধাৱালে আৰু চি আই টি ইউৰ উপসভাপতি শতঞ্জীৱ দাসে আলোচনা আগবঢ়াব। কেন্দ্ৰৰ বিজেপি চৰকাৰে 'আজাদী কী অমৃত মহোৎসৱ' পালন কৰি থকা সময়ত শ্ৰমজীৱী ৰাইজৰ মাজত উদয় হোৱা প্ৰশ্নটো হ'ল আজাদীৰ অমৃত আজি কোনে খাই আছে? দেশৰ কোটি কোটি শ্ৰমজীৱী ৰাইজ অথবা সৰ্বসাধাৰণ ৰাইজে আজাদীৰ ফল ভোগ কৰিবলৈ পাইছে নে? যিখিনি অধিকাৰ পাইছিল তাকো আজি বিজেপি চৰকাৰে খৰ্ব কৰি আছে। ৰাজহুৱা সম্পদবোৰ পানীৰ দামত পুঁজিপতিৰ ওচৰত বিক্ৰী কৰি সংবিধান প্ৰদত্ত কল্যাণকামী ৰাষ্ট্ৰ ধাৰণাকে সলনি কৰি দিব ধৰিছে এই চৰকাৰে। ৭ আগষ্টৰ আলোচনা সভাত এনেবোৰ প্ৰশ্নৰে উত্তৰ বিচৰা হ'ব। এই আলোচনা সৰ্বতোপ্ৰকাৰে সফল কৰি তুলিবলৈ অসমৰ সৰ্বস্তৰৰ শ্ৰমজীৱী ৰাইজ তথা গণতান্ত্ৰিক ব্যক্তিসকলৰ প্ৰতি চি আই টি ইউ অসম ৰাজ্যিক কমিটিয়ে আহ্বান জনাইছে। ৰাজ্যিক সাধাৰণ সম্পাদক তপন শৰ্মাই ৭ আগষ্টৰ আলোচনা সভালৈ নলবাৰী, বাক্সা, তামুলপুৰ, বৰপেটা, বঙাইগাঁও, কোকৰাঝাৰ, গোৱালপাৰা, কামৰূপ, দক্ষিণ কামৰূপ, কামৰূপ মহানগৰ, নগাঁও, হোজাই আৰু দৰং জিলাৰ চি আই টি ইউৰ সদস্যসকলক আহিবলৈ আহ্বান জনাইছে।

## তেজপুৰৰ মাদ্ৰাছাৰ পৰা নিখোঁজ দুই কণমানি ছাত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৪ আগষ্ট ঃ** তেজপুৰ শালনীবাৰী আৰক্ষী চকীৰ অন্তৰ্গত শ'লমৰাস্থিত হায়াতুল উলুম মাদ্ৰাছাত অধ্যয়নৰত দুগৰাকীকৈ ছাত্ৰ নিখোজ হোৱা ঘটনাই অঞ্চলজুৰি ব্যাপক চাঞ্চল্য সৃষ্টি কৰিছে। উল্লেখ্য যে, উক্ত ধৰ্মীয় শিক্ষানুষ্ঠান তথা মাদ্ৰাছাত বিগত তিনি বছৰ ধৰি অধ্যয়নৰত আছিল ১৩ আৰু ১৪ বছৰীয়া দুগৰাকী। যোৱা সোমবাৰে পুৱাৰ ভাগত ছাত্ৰদ্বয় নিখোজ হয় মাদ্ৰাছাখনৰ পৰা। মাদ্ৰাছা কৰ্তৃপক্ষৰ পৰা এই নিৰুদ্দেশৰ বাৰ্তা লাভ কৰাৰ পিছত দুৰ্ভগীয়া পৰিয়ালদুটিয়ে বিভিন্ন স্থানত বিচাৰ খোচাৰ কৰিও কোনো সন্ধান লাভ নকৰাৰ পিছত আৰক্ষীক ঘটনা সন্দৰ্ভত এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে এজাহাৰৰ ভিত্তিত তদন্ত অব্যাহত ৰাকিছে যদিও এই পৰ্যন্ত কোনো শুংসূত্ৰ উলিয়াবলৈ সক্ষম হোৱা নাই।

### অসম গ্ৰামীণ বিকাশ বেংকৰ দ্বাৰকুছি শাখাত বৃহৎ জালিয়তি

## ভুৱা চহীৰে ১,৫০,০০০ টকা হৰলুকী

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৪ আগষ্ট ঃ** তামুলপুৰ জিলাৰ দ্বাৰকুছিস্থ অসম গ্ৰামীণ বিকাশ বেংকত সংঘটিত হৈছে এক বৃহৎ জালিয়াতি। ভুৱা চহীৰে দুষ্ট চক্ৰই সৰকালে ১,৫০,০০০ টকা। বেংক কৰ্মচাৰীও জড়িত থকাৰ অভিযোগ ভুক্তভুগী মহিলাৰ। অভিযোগ মতে অসম গ্ৰামীণ বিকাশ বেংকৰ দ্বাৰকুছি শাখাত অলপতে 'মৰমী জেএলজি' নামৰ আত্মসহায়ক গোটৰ সভানেত্ৰী ফুলেচা বেগমৰ ভুৱা চহীৰে অসম গ্ৰামীণ বেংকৰ দ্বাৰকুছি শাখাত মৰমী জেএলজি আত্মসহায়ক গোটৰ চাৰিগৰাকী সদস্যই অসম চৰকাৰৰ পৰা ঋণ হিচাপে লাভ কৰা ১,৫০,০০০ টকা কৌশলেৰে সৰকাই নিয়ে। এই কথা সভানেত্ৰী ফুলেচা বেগমে গম পোৱাত বেংকৰ শাখালৈ যায় যদিও বেংক কৰ্তৃপক্ষই কথাটো সম্পূৰ্ণ নুই কৰে। ফলত উপায়ান্তৰ হৈ ফুলেচা বেগমে ন্যায় বিচাৰি আজি তামুলপুৰ থানত এখন এজাহাৰ দাখিল কৰে। তামুলপুৰ জিলা এবিএমছুৱে এই ঘটনাৰ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শীঘ্ৰে উচিত তদন্ত কৰিবলৈ আহ্বান জনায়।

# লখিমপুৰত ৫৮৮ যোৰা দম্পতীয়ে অগ্নিক সাক্ষী কৰি ল'লে যুগ্ম-জীৱনৰ শপত



**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ৪ আগষ্ট ঃ** এখন নহয় দুখন নহয়, কালি লখিমপুৰত একেলগে সম্পন্ন হ'ল ৫৮৮ জোৰা দম্পতীৰ সমূহীয়া বিবাহ। সেয়ে কালি পুৱাৰে পৰা উদুলি-মুদুলি হৈ পৰিল লখিমপুৰ চহৰৰ ত্যাগ ক্ষেত্ৰৰ বাকৰি। হোম-যজ্ঞ আৰু বিধি পাঠৰ ধ্বনিত মুখৰিত হ'ল ত্যাগ ক্ষেত্ৰৰ সমূহীয়া বিবাহস্থলী। এযোৰা দোযোৰা নহয় ত্যাগ ক্ষেত্ৰৰ বিবাহস্থলীত ৰভাৰ তলত বহিল একেলগে ৫৮৮যোৰা দৰা-কইনা। লখিমপুৰ জিলা বিবাহ সংস্কাৰ সমিতিৰ উদ্যোগত আৰু উত্তৰাখণ্ডৰ Hans Foundation ৰ সহযোগত আজি ত্যাগ ক্ষেত্ৰৰ বাকৰিত অনুষ্ঠিত হ'ল এই সামূহিক বিবাহ। জিলাখনৰ ভিন্ন প্ৰান্তৰ অসামাজিকভাৱে বিবাহপাশত আবদ্ধ দুখীয়া-দৰিদ্ৰ দম্পতীয়ে ধৰ্মীয় ৰীতি-নীতিৰে বান্ধ খালে আনুষ্ঠানিক বিবাহত আৰু পালে সামাজিক স্বীকৃতি। প্ৰায় 20 বছৰ বয়সৰ পৰা 60 বছৰ বয়স পৰ্যন্ত দৰা বহিল এই বিবাহত। বৈদিক আৰু বিধিপাঠ এই দুয়োটা পদ্ধতিৰেই চলিল বিবাহৰ কাম। ইয়াৰ মাজতে চকলং পদ্ধতিৰেও ৮ জোৰা দম্পতীয়ে ল'লে যুগ্ম জীৱনৰ শপত। হোমযজ্ঞ, বিধিপাঠৰ জৰিয়তে চলা বিবাহস্থলীত পুৰোহিতৰ মন্ত্ৰ উচ্চাৰণৰ সমানে সমানে জাউৰীয়ে জাউৰীয়ে শুনা গ'ল বিয়ানাম। আয়তীৰ উৰুলি, বিয়ানামৰ ধ্বনিত মুখৰ হ'ল ত্যাগ ক্ষেত্ৰৰ বাকৰি। ইয়াৰ সমান্তৰালকৈ চলিল বিহুও। একেদৰে ৰভাতলীত ভাতেৰে চলিল অভ্যৰ্থনাও। মুঠতে কালিৰ দিনটোত ৰজন-জনাই থাকিল ত্যাগ ক্ষেত্ৰৰ বাকৰি। একেদৰে সামাজিকভাৱে বিবাহপাশত আবদ্ধ এই দৰা-কইনা প্ৰতিযোৰাক প্ৰদান কৰা হয় আইনী বিবাহৰ মানপত্ৰও। বিবাহত বহা প্ৰতিযোৰা দৰা-কইনাক আয়োজক সমিতিৰ তৰফৰ পৰা বিবাহ অনুষ্ঠানটোত প্ৰয়োজন হোৱা প্ৰতিটো সামগ্ৰী প্ৰদান কৰাৰ লগতে আন কেতবোৰ সামগ্ৰীও দিয়া হয় উপহাৰ হিচাপে। লখিমপুৰ জিলা বিবাহ সংস্কাৰ সমিতিয়ে আয়োজন কৰা এই বিবাহ অনুষ্ঠানৰ সম্পূৰ্ণ খৰচ বহন কৰিছে Hans Foundation ৰ স্বামী ভোলেজী মহাৰাজ আৰু মাতা মংগলাৰাজে। আজি বিবাহ অনুষ্ঠানৰ সমান্তৰালকৈ ত্যাগক্ষেত্ৰত অনুষ্ঠিত বিবাহৰ শুভাৰম্ভণী অনুষ্ঠানত হংস ফাউণ্ডেচনৰ বিষয়ববীয়াৰ লগতে সত্ৰাধিকাৰ, উপায়ুক্ত, আৰক্ষী অধীক্ষক আদি উপস্থিত থাকে। বিবাহ অনুষ্ঠানত ২গৰাকী মুখ্য পুৰোহিতৰ লগতে ১৫গৰাকী পুৰোহিতে অংশগ্ৰহণ কৰে।

### এন ডি এফ বিৰ তিনিটা গোটৰ সমস্যা সন্দৰ্ভত মানাহ ৰাষ্ট্ৰীয় উদ্যানত বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৰ বিশেষ বৈঠক

# বড়ো জনগোষ্ঠীৰ অস্তিত্ব ৰক্ষাৰ কাম-কাজ আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ৪ আগষ্ট ঃ** 'বড়ো জনগোষ্ঠীৰ অস্তিত্ব ৰক্ষাৰ কাম-কাজ আৰম্ভ হৈছে। পৃথক বড়োলেণ্ডৰ দাবীত কৰা আন্দোলনৰ যিসকলে উদগনি যোগাই আছে সেইসকলে ১৯৯৩ আৰু ২০০৩ত চুক্তি কৰিছিল, সেইসকলে পৃথক বড়োলেণ্ডৰ নামত নতুন প্ৰজন্মক উত্তপ্ত কৰিবলৈ লোৱাটো চিন্তনীয় বিষয়।'— এই মন্তব্য বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ। কালি মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাঁশবাৰী বনাঞ্চলৰ অসম পৰ্যটন বিভাগৰ অতিথিশালাত উপস্থিত হৈ বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে এইদৰে কয়। উল্লেখ্য যে কালি প্ৰাক্তন এনডিএফবিৰ তিনিটা গোটৰ বিভিন্ন সমস্যা সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ বৈঠকত ভাগ লয় বিটিআৰপ্ৰধান প্ৰমোদ বড়োৱে। সংবাদ মাধ্যমৰে হোৱা সাক্ষাৎকাৰত প্ৰমোদ বড়োৱে এনডিএফবিৰ তিনিটা গোটৰ সদস্যসকলৰ গোচৰ প্ৰত্যাহাৰ কৰাৰ লগতে প্ৰাক্তন এনডিএফবিসকলৰ বিভিন্ন সমস্যা সন্দৰ্ভত আলোচনা কৰা বুলি জানিবলৈ দি শান্তি চুক্তিৰ দফাসমূহ কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত আলোচনা কৰা বুলিও জানিবলৈ দিয়াৰ লগতে কয়— এন ডি এফ বিৰ তিনিওটা গোটে শান্তি চুক্তিৰ জৰিয়তে কালি নিজ গৃহতেই আছে। ইয়াৰ ভিতৰত একাংশৰ গোচৰ প্ৰত্যাহাৰ হোৱা নাই আৰু একাংশৰ সৰু-সুৰা বিভিন্ন সমস্যা আছে এইবোৰৰ ওপৰত কালি বৈঠকত আলোচনা কৰিছো। যিহেতু দীঘলীয়া এটা সংগ্ৰামৰ মাজেৰে শান্তি চুক্তি হ'ল। শান্তি চুক্তিৰ দফাবোৰ কেনেদৰে কাৰ্যকৰী কৰা হৈছে এইবোৰ অৱগত কৰা হৈছে। তদুপৰি অহা ২০ আগষ্টত পুনৰ এক বৈঠকৰ জৰিয়তে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা জানিবলৈ দিয়ে। বিটিআৰপ্ৰধান প্ৰমোদ বড়োৱে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ৰাজহ বৃদ্ধি সন্দৰ্ভত দীৰ্ঘদিন ধৰি চলি থকা আন্দোলনৰ ওপৰত বিটিআৰৰ কাৰ্যবাহী সদস্য আৰু চিএইচডিক (পৰিষদৰ বিভাগীয় মুৰব্বী) দায়িত্ব অৰ্পণ কৰা বুলি উল্লেখ কৰি আন্দোলনকাৰী সংগঠনৰ বহুকেইটা দাবী গুৰুত্বপূৰ্ণ বুলি মন্তব্য প্ৰদান কৰি মানাহ এতিয়াহে ঠন ধৰি উঠিছে। এতিয়াহে মানাহত পৰ্যটক বৃদ্ধি পাব ধৰিছে। মানাহৰ জীৱ-জন্তুৰ সংখ্যা বৃদ্ধি পাব ধৰিছে । মানাহৰ সৌন্দৰ্য বাঢ়ি আহিছে। এইবোৰ লাহে লাহে উন্নয়ন কৰিব লাগিব বুলি মন্তব্য কৰে। বিটিআৰপ্ৰধান প্ৰমোদ বড়োক শেহতীয়াকৈ পৃথক বড়োলেণ্ডৰ দাবী তুলি আন্দোলন ঘোষণা কৰা সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত কয়— পৃথক বড়োলেণ্ডৰ দাবীত কৰা আন্দোলনৰ যিসকলে উদগনি যোগাই আছে সেইসকলে ১৯৯৩ আৰু ২০০৩ত চুক্তি কৰিছিল, সেইসকলে পৃথক বড়োলেণ্ডৰ নামত নতুন প্ৰজন্মক উত্তপ্ত কৰিবলৈ লোৱাটো চিন্তনীয় বিষয়। তেখেতসকলে কি এজেণ্ডা লৈ কাম কৰিব বিচাৰিছে মই বুজি পোৱা নাই। সকলোৰে লগত আলোচনাত বহিলে হয়তো গম পোৱা যাব বুলি উল্লেখ কৰি মানাহ ৰাষ্ট্ৰীয় উদ্যান সংযোগী ভৱানীপুৰৰ পৰা নতুবা বৰপেটাৰোডৰ পৰা যিকোনো এটা পথ বাইলেন কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অৱগত কৰা বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

### মাণিকপুৰৰ ২নং বাঁশবাৰীত ভয়াৱহ খহনীয়া অব্যাহত

## খহনীয়াত ক্ষতিগ্ৰস্ত লোকসকল আশ্ৰয় গ্ৰহণ কৰা বজাৰ গৃহ নৈৰ বুকুত

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ৪ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ২নং বাঁশবাৰীত আই নৈৰ ভয়াৱহ খহনীয়া অব্যাহত আছে। বানপানী কমি যোৱাৰ পিছত অব্যাহত আছে ভয়াৱহ খহনীয়া। খহনীয়াৰ ফলত এটাৰ পিছত এটাকৈ বাসগৃহ নৈত বিলীন হৈছে। বাঁশবাৰী বজাৰত আশ্ৰয় গ্ৰহণ কৰা বজাৰগৃহৰ লগতে কেইবাটাও ব্যৱসায়ী প্ৰতিষ্ঠান নৈৰ বুকুত বিলীন হৈছে । আই আৰু মানাহ নৈৰ দূৰত্ব মাত্ৰ ৩০০ মিটাৰ। এইদৰে খহনীয়া অব্যাহত থাকিলে দুই-চাৰি দিনৰ ভিতৰতে দুই নদী একেলগ হ'ব। খহনীয়াৰ সমান্তৰালকৈ উল্টা খুন্দাৰ ফলত শতাধিক কৃষিভূমি নষ্ট হৈ পৰিছে। আই নৈৰ খহনীয়াৰ ফলত শংকিত হৈ পৰিছে নৈপৰীয়া ৰাইজ। উল্লেখ্য যে যোৱা দুমাহ আগতো ভয়াৱহভাৱে খহনীয়াৰ ফলত ২নং বাঁশবাৰীৰ প্ৰায় তিনি শতাধিক পৰিয়ালৰ লগতে অনুষ্ঠান-প্ৰতিষ্ঠান নৈৰ বুকুত বিলীন হৈছে। খহনীয়া প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে নৈপৰীয়া ৰাইজে।

# তেজপুৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে শোণিতপুৰ জিলা দিৱস পালন

### মুকলি সভাত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ক বক্তৃতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৪ আগষ্ট ঃ** উত্তৰ পাৰৰ সাহিত্য-সংস্কৃতিৰ কেন্দ্ৰস্বৰূপ তেজপুৰত কালি শোণিতপুৰৰ সমল আৰু ইতিহাসক লৈ নষ্টালজিক হৈ পৰিল জিলাবাসী। অজস্ৰজনে স্মৰণ কৰিলে জিলাখনৰ প্ৰাক্‌ঐতিহাসিক কালৰে পৰা বৰ্তমানলৈ গৌৰৱান্বিত কৰা বিভিন্ন বিষয়ক লৈ। উল্লেখ্য যে ১৯৮৩ চনৰ ৩ আগষ্টত দৰং জিলাৰ পৰা বিভক্ত হৈ শোণিতপুৰ জিলা হিচাপে পৃথক জিলা হিচাপে আত্মপ্ৰকাশ কৰিছিল। এই স্মৰণীয় দিনটোৰ লগত সংগতি ৰাখি কালি শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে 'শোণিতপুৰ জিলা দিৱস-২০২২' উদ্‌যাপন কৰা হয়। কালিৰ এই দিনজোৰা কাৰ্যসূচী তেজপুৰৰ নেহৰু ময়দানত পুৱা ৬ বজাত আয়োজিত চাইকেল ৰেলী জিলা সত্ৰ ন্যায়াধীশ চন্দ্ৰ ভূষণ গগৈৰ দ্বাৰা শুভাৰম্ভ কৰা হয়। ইয়াৰ পিছতেহ কলিয়াভোমোৰা সেতুৰ সমীপত জিলা প্ৰশাসনৰ বিষয়ববীয়ৰ উপস্থিতিত গছপুলি ৰোপণ কাৰ্যসূচী সম্পন্ন কৰা হয়। আনহাতে, এই জিলা দিৱস উপলক্ষে নেহৰু ময়দান প্ৰাংগণত আয়োজিত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ প্ৰদৰ্শনীৰ দ্বাৰ ফিতা কাটি উন্মোচন কৰে শোণিতপুৰ জিলা পৰিষদৰ সভানেত্ৰী ডলী চুৰিনে। ইয়াৰ পিছতেই সশস্ত্ৰ সীমা বলৰ দুটাকৈ বেণ্ড দলে আকৰ্ষণীয়কৈ বেণ্ড প্ৰদৰ্শন কৰি সকলোকে মুগ্ধ কৰে। পংকজ বৰুৱাই আঁত ধৰা কাৰ্যসূচীৰ মাজতে জিলা দিৱস উপলক্ষে শোণিতপুৰ জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ তত্ত্বাৱধানত ছাত্ৰ-ছাত্ৰীৰ মাজত পূৰ্বতে আয়োজিত চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক শোণিতপুৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক প্ৰভাত দাসৰ জৰিয়তে মানপত্ৰ আৰু ট্ৰফি এনেদৰে প্ৰদান কৰে ক্ৰমে বিধায়ক পৃথ্বিৰাজ ৰাভা, উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, শোণিতপুৰ জিলা পৰিষদৰ সভানেত্ৰী ডলী চুৰিণ, মুখ্য কাৰ্যবাহী বিষয়া কৰবী শইকীয়া কৰণ আৰু উপায়ুক্তগৰাকীৰ সহধৰ্মিণীয়ে। ইয়াৰ পিছতেই বিয়লি বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয় চৌহদত 'কৃতজ্ঞতা' আঁচনিৰ অধীনত পেন্সন সেৱা কেন্দ্ৰৰ উদ্বোধন কৰে শোণিতপুৰৰ অভিভাৱক মন্ত্ৰী পীযূষ হাজৰিকাই। উদ্বোধনী ভাষণত মন্ত্ৰী হাজৰিকাই এই পেন্সন সেৱা কেন্দ্ৰৰ জৰিয়তে পেন্সনাৰসকল উপকৃত হ'ব বুলি মন্তব্য কৰাৰ লগতে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা একাংশ অভিলাসী আঁচনিৰ সন্দৰ্ভতো বক্তব্য আগবঢ়ায়। বিয়লি নেহৰু ময়দানত আয়োজিত মুকলি সভাত উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই আদৰণী ভাষণ প্ৰদান কৰে। ইয়াৰ পিছতেই 'শোণিতপুৰ সাহিত্য সংস্কৃতিৰ ৰূপৰেখা' বিষয়ত বক্তব্য আগবঢ়াই অৱসৰপ্ৰাপ্ত অধ্যাপক পূৰ্ণেশ্বৰ নাথে। এই মুকলি সভাতে 'তেজপুৰৰ পকী' শীৰ্ষক অসমীয়া, ইংৰাজী আৰু হিন্দী ভাষাত প্ৰকাশিত গ্ৰন্থ উন্মোচন কৰে বিশিষ্ট সাংবাদিক তথা ৰাজ্যিক তথ্য আয়ুক্ত ড° সমুদ্ৰগুপ্ত কাশ্যপ আৰু সাহিত্য অকাদেমি বঁটাপ্ৰাপক বিশিষ্ট লেখক ছবিলাল উপাধ্যায়ে। ইয়াৰ পিছতেই ড° কাশ্যপে 'শোণিতপুৰৰ ঐতিহ্য আলোচনা কৰাৰ গুৰুত্ব' শীৰ্ষক বিষয়ত বক্তব্য প্ৰদান কৰি তেজপুৰ তথা শোণিতপুৰৰ অনেক সমৃদ্ধিশালী ঐতিহ্যৰ বিষয়ে এতিয়াও বহুতেই অৱগত নহয়, গতিকে এইবোৰ বিষয়ক লৈ বহুল আলোচনা আৰু প্ৰচাৰ-প্ৰসাৰৰ প্ৰয়োজনীয়তা আছে বুলি কয়। এই সভাত নটসূৰ্য ফণী শৰ্মাৰ সান্নিধ্য লাভ কৰা প্ৰবীণ শিল্পী ৯৩ বছৰীয়া অতুল শৰ্মাক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আনহাতে, তেজপুৰৰ প্ৰতীক চিহ্নৰ আনুষ্ঠানিকভাৱে মুকলি কৰে মন্ত্ৰী পীযূষ হাজৰিকাই। তেওঁ ভাষণ প্ৰসংগত আজিৰ তাৰিখত আটাইতকৈ মূল্যৱান বস্তুটোৱেই সময় বুলি কৈ তেজপুৰৰ মানুহ সু-সংস্কৃতিৱান বুলি মন্তব্য কৰে। তেওঁ লগতে শোণিতপুৰবাসীয়ে স্বচ্ছতাৰ ক্ষেত্ৰত সচেতনতা অৱলম্বন কৰি সভ্য আৰু সংস্কৃতিৱান লোকৰ পৰিচয় দাঙি ধৰিছে বুলিও কয়। ইফালে ড° তপতী বৰুৱা কাশ্যপে 'কবিতাৰে ভ্ৰমণ বৃত্তান্ত' সন্দৰ্ভত বক্তব্য প্ৰদান কৰি ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ 'মোৰ লক্ষ্যস্থান তেজপুৰ' কবিতাৰ উদ্ধৃতিৰে দেশ-বিদেশৰ কাব্য সাহিত্যত কিদৰে একোখন ঠাইৰ মনোৰম বৰ্ণনা প্ৰকাশ পাইছে তাকেই সাৱলীলভাৱে বৰ্ণনা কৰে। মঞ্জীল গগৈয়ে ভায়লিনত জ্যোতি সংগীত আৰু জ্যোতি ভাৰতীৰ শিল্পীসককলে সমৱেত সংগীত পৰিৱেশন কৰা মুকলি সভাখনৰ আঁত ধৰে জিতেন কুমাৰ দাসে। এই সভাত তেজপুৰৰ বিধায়ক তথা বিশিষ্ট শিল্পী পৃথ্বিৰাজ ৰাভাই 'জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, ফণী শৰ্মা আৰু শোণিতপুৰ' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি এই তিনি মনীষীৰ দেশ আৰু জাতিৰ প্ৰতি থকা দায়ৱদ্ধতাৰ লগতে সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত আগবঢ়োৱা অনবদ্য বৰঙণিৰ বিষয়ে আলোকপাত কৰে। আনহাতে, বৰছলাৰ বিধায়ক গণেশ কুমাৰ লিম্বু উপস্থিত থকা এই মুকলি সভাত মন্ত্ৰী অশোক সিংহলে 'ভাৰতৰ স্বাধীনতা আন্দোলনত বৃহত্তৰ ঢেকীয়াজুলি অঞ্চলৰ অৱদান' শীৰ্ষক বিষয়ত বক্তব্য প্ৰদান কৰি '৪২ৰ গণ আন্দোলনত ব্ৰিটিছ ইউনিয়ন জেক নমাই কিদৰে সাহসী গঞা ৰাইজে জাতীয় পতাকা উত্তোলন কৰাৰ কাহিনীয়ে আজিও আমাক গৌৰৱান্বিত কৰে বুলি মন্তব্য কৰে। চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাই 'শোণিতপুৰ জিলাৰ ক্ৰম বিৱৰ্তনত ন-দুৱাৰ, চাৰিদুৱাৰ আৰু ছয়দুৱাৰ অঞ্চলৰ ভূমিকা' শীৰ্ষক বিষয়ত বক্তব্য প্ৰদান কৰাৰ লগতে ৰঙাপৰাৰ বিধায়ক কৃষ্ণ কমল তাঁতীয়ে 'শোণিতপুৰ জিলাৰ বৰ্ণাঢ্যতাত চাহ জনগোষ্ঠীয় প্ৰভাৱ' বিষয়ত বক্তব্য আগবঢ়ায়। ইয়াৰ পিছত সন্ধিয়া অনুষ্ঠিত হয় বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান।

**কামৰূপ মহানগৰ জিলাৰ নাগৰিকৰ পৰা বীৰ লাচিত বৰফুকনৰ বিষয়ত লেখাৰ আহ্বান**

বীৰ লাচিত বৰফুকনৰ ৪০০ তম জন্ম বাৰ্ষিকী উপলক্ষে কামৰূপ মহানগৰ জিলা প্ৰশাসনে জিলাখনৰ ছাত্ৰ-ছাত্ৰী তথা নাগৰিকৰ পৰা বীৰগৰাকীৰ বিষয়ত লেখাৰ আহ্বান জনাইছে।

১) লেখাসমূহ ১০০ ৰ পৰা ১০০০ টা শব্দৰ ভিতৰত হ'ব লাগিব।
২) লেখাসমূহ 'এ ফ'ৰ' কাগজত পৰিষ্কাৰ হাতৰ আখৰেৰে লিখা বা টাইপ কৰা হ'ব লাগিব।
৩) লেখাসমূহ কামৰূপ মহানগৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ত নজৰৎ শাখাত জমা দিব পাৰে বা dc-kamrupm@nic.in ত ই মেইল কৰিব পাৰে।
৪) নিৰ্বাচিত লেখাসমূহ ৰাজ্যিক পৰ্যায়লৈ পঠোৱাৰ উপৰি জিলা প্ৰশাসনৰ কাৰ্যালয়ৰ ৱেবচাইট বা ফেচবুক পৃষ্ঠাত আপল'ড কৰা হ'ব আৰু শ্ৰেষ্ঠ লেখকসকলক অহা বীৰ লাচিত বৰফুকনৰ ৪০০ তম জন্ম বাৰ্ষিকীত আনুষ্ঠানিকভাৱে সন্মান জনোৱা হ'ব।
৫) লেখা পঠোৱাৰ অন্তিম তাৰিখ ২০ আগষ্ট, ২০২২।

অতিৰিক্ত উপায়ুক্ত
কামৰূপ মহানগৰ জিলা
গুৱাহাটী

Janasanyog /D/9760/22

## নলবাৰীত অংগুষ্ঠ গ্ৰাহক সুৰক্ষা আইনক

# ডগাৰ পৰিৱৰ্তে শিলেৰে চলি আছে জোখ-মাখ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৪ আগষ্ট ঃ** গ্ৰাহক সুৰক্ষা আইনক অংগুষ্ঠ প্ৰদৰ্শন কৰি ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে নলবাৰীতো এচাম ব্যৱসায়ীয়ে গ্ৰাহক-ৰাইজক শোষণ কৰি অহাৰ অভিযোগ উঠিছে। জিলাখনৰ গ্ৰামাঞ্চলৰ কথাটো বাদেই, খোদ জিলা চহৰৰ গৰিষ্ঠসংখ্যক গেলামাল তথা খাদ্য-সামগ্ৰীৰ ব্যৱসায়ীয়ে নিজৰ মতে বিভিন্ন সামগ্ৰীৰ দামৰ তাৰতম্য ঘটাই গ্ৰাহকক মাধমাৰ শোধাই আহিছে। অভিযোগ অনুসৰি, এনে ব্যৱসায়ীসকলে নিজৰ দোকান-ব্যৱসায়িক প্ৰতিষ্ঠানত খাদ্য-সামগ্ৰীৰ মূল্য ফলক অতি চতুৰালিৰে ব্যৱহাৰ নকৰি নিজ ইচ্ছামতে চাউল, দালি, মিঠাতেল, আটা, চেনি, আলু, পিঁয়াজ আদি খাদ্য- সামগ্ৰীৰ দাম বঢ়াই লয়। প্ৰায়বিধ এনে অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম লক্ষণীয়ভাৱে ইখন দোকানৰ লগত আনখন দোকানৰ মিল নাই। কোনোবাখন দোকানত যদি (কিলোগ্ৰামে প্ৰতি) এটকা-দুটকা বেছি, আন কোনাবাত আকৌ পঞ্চাশ পইচা- এটকা কম। জানিব পৰা মতে, ১৯৮৬ চনত কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা গ্ৰাহক সুৰক্ষা আইন মতে, খাদ্য-সামগ্ৰীৰ বিশুদ্ধতাৰ গুণাগুণৰ নিৰিখ, ম্যাদ উকলাৰ সময় আৰু সামগ্ৰীৰ মূল্য বিতংকৈ লিখি গ্ৰাহকে দেখা পোৱাকৈ দোকানৰ সন্মুখত আৰি থ'ব লাগে, যাতে সহজে সামগ্ৰী ক্ৰয় কৰিব পাৰে। কিন্তু নলবাৰীৰ সৰহভাগ দোকানীয়ে সেই নিয়ম মানি চলা নাই। এই ক্ষেত্ৰত জিলা প্ৰশাসন আৰু গ্ৰাহক-পৰিক্ৰমা বিভাগৰো কোনো কাণসাৰ নাই বুলি অভিযোগ উঠিছে। ইপিনে জিলাখনত অকল অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰ দোকানেই নহয়, মাছ-মাংসৰ একাংশ দোকানে গ্ৰাহকক মাধমাৰ শোধাই আহিছে। মাছ-মাংসৰ এচাম খুচুৰা চতুৰ বেপাৰীয়ে জোখ-মাখত দগাৰ পৰিৱৰ্তে ইটাৰ টুকুৰা, শিল ব্যৱহাৰ কৰি ব্যৱসায় কৰি আহিছে। ইয়াক কেন্দ্ৰ কৰি বহু সময়ত গ্ৰাহক আৰু বিক্ৰেতা-বেপাৰীৰ মাজত কাজিয়াৰ সৃষ্টি হৈ আহিছে। জোখ-মাখৰ শুদ্ধতা পৰীক্ষা কৰাৰ ক্ষেত্ৰত জিলাখনত চৰকাৰী জোখ-মাখ বিভাগ এটা আছে যদিও এনে অনিয়মৰ ক্ষেত্ৰত বিভাগটোৱে দায়িত্ব পালনত হেমাহি কৰাৰো অভিযোগ উত্থাপিত হৈছে।




## নগৰবেৰাত মহিলা সংগঠনৰ সজাগতা শোভাযাত্ৰা

# হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী সফল কৰাৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ, সেৱা, নগৰবেৰা, ৪ আগষ্ট ঃ** দেশে স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে পালন কৰা আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি আজি 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী সফল কৰাৰ বাবে দেশৰ অন্যান্য প্ৰান্তৰ লগতে কামৰূপ জিলাৰ বকো সমষ্টিৰ নগৰবেৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত মহিলা আত্মসহায়ক গোটসমূহে ব্যাপক তৎপৰতা গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰে কৰা পৰিকল্পনা অনুসৰি ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ প্ৰতিটো বাসগৃহ আৰু কাৰ্যালয়ত যাতে জাতীয় পতাকা উৰুওৱা হয় সেই বিষয়ে সজাগ কৰিবলৈ নগৰবেৰা পঞ্চায়তৰ দহটা মহিলা গ্ৰাম্য সংগঠনৰ উদ্যোগত মহিলাসকলে হাতে হাতে ত্ৰিৰংগা লৈ নগৰবেৰা বজাৰৰ পৰা ছমৰীয়া উন্নয়ন খণ্ডৰ কাৰ্যালয়লৈ সজাগতা শোভাযাত্ৰা উলিয়ায়। শোভাযাত্ৰা কাৰ্যসূচীত অংশগ্ৰহণ কৰা মহিলাসকলে আজাদী কা অমৃত মহোৎসৱ, ঘৰে ঘৰে পতাকা উত্তোলন কৰক আদি ধ্বনিৰে অঞ্চলটোৰ পৰিৱেশ মুখৰ কৰি তোলে। কাৰ্যসূচীত পঞ্চায়তৰ দহটা মহিলা গ্ৰাম্য সংগঠনৰ সভানেত্ৰী-সম্পাদিকা আৰু সদস্যাসহ শতাধিক মহিলাই অংশগ্ৰহণ কৰে।

# খুমটাইৰ চিনাতলীস্থিত জৱাহৰ নৱোদয় বিদ্যালয়ৰ ছাত্ৰ উজ্জ্বল দাসৰ ৯ দিনে নাই কোনোধৰণৰ শুংসূত্ৰ

## প্ৰতিবাদৰ হুংকাৰ অনুসূচিত যুৱ-ছাত্ৰ পৰিষদৰ

**দৈনন্দিন বাৰ্তাৰ, সেৱা, খুমটাই, ৪ আগষ্ট ঃ** গোলাঘাট জিলাৰ খুমটাইৰ চিনাতলীস্থিত জৱাহৰ নৱোদয় বিদ্যালয়ৰ এজন ছাত্ৰ নিৰুদ্দেশ হোৱাৰ ৯ দিন পাৰ হৈ যোৱাৰ পিছতো কোনোধৰণৰ শুংসূত্ৰ নোলোৱাত এতিয়া বিমোৰত পৰিয়ালৰ লোক। উল্লেখ্য ২৭ জুলাইৰ পৰা নবোদয় বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ উজ্জ্বল দাস নিৰুদ্দেশ হৈ থকাত এতিয়া চিন্তিত কৰিছে পৰিয়ালৰ লোকৰ লগতে সৰ্বসাধাৰণ লোকক। ঘটনাৰ সন্দৰ্ভত বৰপথাৰ বিলগাঁৱৰ নিৱাসী তথা নিৰুদ্দেশ হৈ থকা উজ্জ্বলৰ পৰিয়ালৰ লোকে ঢেকীয়াল আৰক্ষী চকীত এজাহাৰ দাখিল কৰে যদিও বৰ্তমানলৈকে আৰক্ষীয়ে কোনোধৰণৰ সদুত্তৰ লাভ কৰিবলৈ সক্ষম হোৱা নাই। উজ্জ্বলৰ মাতৃৰ অভিযোগ পূৰ্বতেও বিদ্যালয়খনৰ জ্যেষ্ঠ ছাত্ৰৰ ৰেগিঙৰ বলি হৈছিল উজ্জ্বল। কিন্তু এই বিষয়ে বিদ্যালয়খনক অৱগত কৰাৰ পিছতো কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। এতিয়া নিজ পুত্ৰক বিচাৰি নাপাই দুখত ভাগি পৰিছে উজ্জ্বলৰ মাতৃ। সোমবাৰে এই বিষয়ত বিদ্যালয়খনৰ অধ্যক্ষৰ লগত মিলিত হয় উজ্জ্বলৰ পৰিয়ালৰ লোকৰ লগতে অনুসূচিত যুৱ ছাত্ৰ পৰিষদৰ গোলাঘাট জিলা সমিতিৰ বিষয়ববীয়া। সংগঠনটোৰ দাবী— ২৪ ঘণ্টাৰ ভিতৰত যদি আৰক্ষী প্ৰশাসনৰ লগতে বিদ্যালয়ৰ কৰ্তৃপক্ষই কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰে তেতিয়া জংগী আন্দোলনৰ দৰে কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ বাধ্য হ'ব। উল্লেখ্য, বিদ্যালয়খনত ৰেগিঙৰ বাবেই অথবা এনে কোনোধৰণৰ আতিশয্যৰ বলি হৈ চৰম পন্থা লোৱাৰ আশংকা কৰিছে পৰিয়ালৰ লোকৰ লগতে সকলোৱে। এতিয়া প্ৰশ্ন হয় জৱাহৰ নৱোদয় বিদ্যালয়ৰ দৰে এখন বিদ্যালয়ৰ পৰা ৯ দিনে এজন ছাত্ৰ নিৰুদ্দেশ হৈ থকাৰ বিষয়টোৱে প্ৰশাসনৰ লগতে বিদ্যালয় কৰ্তৃপক্ষৰ দুৰ্বলতাটো প্ৰকাশ পাইছে।

# ১০ আগষ্টত মাজুলী জিলা আছু আৰু কমলাবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ অভিনন্দন অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ৪ আগষ্ট ঃ** মাজুলী জিলা ছাত্ৰ সন্থাৰ উদ্যোগত ২০২২ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে ৬ আগষ্টত যি অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হৈছিল উক্ত অনুষ্ঠানটি বিশেষ কাৰণবশতঃ সেই তাৰিখৰ পৰিৱৰ্তে ১০ আগষ্টত অনুষ্ঠিত কৰা হ'ব বুলি জিলা ছাত্ৰ সন্থাৰ সভাপতি অজিত হাজৰিকা আৰু সাধাৰণ সম্পাদক বিতোপন শৰ্মাই জানিবলৈ দিছে। সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষা কোষৰ দাতা সদস্য পৰিয়ালবৰ্গৰ ওচৰত সভাখন পিছুৱাৰ ক্ষেত্ৰত জিলা ছাত্ৰ সন্থাই ক্ষমা বিচাৰিছে। ১০ আগষ্টৰ দিনৰ ১১ বজাৰ পৰা মাজুলী মিলন সংঘ, কমলাবাৰীত সভাখন অনুষ্ঠিত হ'ব বুলি জানিবলৈ দিছে জিলা ছাত্ৰ সন্থাই। লগতে মধ্য মাজুলী কমলাবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ অভিনন্দন অনুষ্ঠানো সেইদিনটোতে অনুষ্ঠিত হ'ব বুলি জানিবলৈ দিছে।

# নগৰ গাঁৱত গায়ন-বায়ন কৰ্মশালাৰ সামৰণি



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ৪ আগষ্ট ঃ** মাজুলী জিলাৰ সদৰ গড়মূৰৰ নিকটৱৰ্তী নগৰ গাঁৱত জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ অনুপম সৃষ্টি গায়ন-বায়নৰ মাহজোৰা প্ৰশিক্ষণৰ যোৱা ৩১ জুলাইত সামৰণি পৰে। প্ৰশিক্ষণ কাৰ্যসূচীৰ সামৰণিৰ দিনটোত নামঘৰত এক অনুষ্ঠানৰ আয়োজন কৰা হয়। মাহজোৰা প্ৰশিক্ষণ কাৰ্যসূচীত অধ্যাপক নাৰায়ণ ভৰালীয়ে গাঁৱৰ কণ কণ শিশুসকলক গায়ন-বায়নৰ প্ৰশিক্ষণ প্ৰদান কৰাৰ লগতে অধ্যাপক ভৰালী আৰু সুদীপ্ত ভৰালীৰ তত্বাৱধানত গাঁৱৰ দুগৰাকী শিশুৱে সূত্ৰধাৰ নৃত্যৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। সামৰণী অনুষ্ঠানত প্ৰশিক্ষণপ্ৰাপ্ত দলটোৱে গায়ন-বায়ন প্ৰদৰ্শনৰ লগতে সূত্ৰধাৰ নৃত্য প্ৰদৰ্শন কৰে। সামৰণী অনুষ্ঠানত মুখ্য অতিথি ৰূপে উপস্থিত থাকি শ্ৰীশ্ৰী গড়মূৰ সৰু সত্ৰৰ সত্ৰাধিকাৰ হৰিদেৱ গোস্বামীয়ে শিশুসকলক আশীৰ্বাদ প্ৰদানৰ লগতে গাঁওবাসীৰ উদ্যোগৰ শলাগ লয়। সত্ৰাধিকাৰগৰাকীয়ে অধ্যাপকগৰাকীৰ নেতৃত্বত গাঁওখনত এখন সংগীত বিদ্যালয় খোলাৰো পোষকতা কৰে। অনুষ্ঠানত উপস্থিত থকা গোলাপ বৰুৱাই গুৰুজনাৰ অনুপম সৃষ্টিৰাজিৰ প্ৰচাৰ-প্ৰসাৰত গুৰুত্ব দিবলৈ গাঁওবাসীক আহ্বান জনায়। গাঁও পৰিচালনা সমিতিৰ সম্পাদক বিজয় দাসে আঁত ধৰা অনুষ্ঠানত গাঁৱৰ পুৰুষ-মহিলা সমন্বিতে সকলোৱে অংশগ্ৰহণ কৰে।

# নিৰ্বাচন আয়োগৰ ঘোষণা ঃ ১৭ বছৰতে ভোটাৰৰ বাবে আবেদন কৰিব পাৰিব, আধাৰ কাৰ্ড সংলগ্ন বাধ্যতামূলক

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ৪ আগষ্ট ঃ** ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱনৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতবৰ্ষৰ নিৰ্বাচনী আয়োগে ভোটাৰৰ বয়স ১৭ বছৰ নিৰ্ধাৰণ কৰিছে। যি সকল যুৱক-যুৱতীৰ আগন্তুক ২০২৩ চনৰ ১ জানুৱাৰীত ১৮ বছৰ পূৰ্ণ হ'ব তেওঁলোকে অনলাইযোগে আবেদন কৰিব পাৰিব। পূৰ্বতে উক্ত বয়স ১৮ আছিল যদিও সম্প্ৰতি এটা বছৰ হ্ৰাস কৰিছে। যিহেতু ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰা সময়ত ভাৰতীয় নাগৰিক হিচাপে পৰিচয়-পত্ৰ বিশেষকৈ বিদেশত অতি আৱশ্যক হয়, সেয়ে নিৰ্বাচন আয়োগে এই গুৰুত্বপূৰ্ণ আৰু সুদূৰপ্ৰসাৰী সিদ্ধান্ত গ্ৰহণ কৰা বুলি বক্তব্য ৰাখে সমল শিক্ষক জয়কান্ত ডেকাই। জালুকবাৰী সমষ্টিৰ শুৱালকুছি উন্নয়ন খণ্ড এলেকাৰ পূব, পশ্চিম, মধ্য শুৱালকুছি, বংশৰ আৰু গন্ধমৌ পঞ্চায়ত এলেকাৰ বিএলঅ'সকলৰ ভৃংগেশ্বৰ হাইস্কুলত অনুষ্ঠিত এখন কৰ্মশালাত এইদৰে বক্তব্য ৰাখি ডেকাই আৰু কয় যে ইতিমধ্যে ভাৰতৰ লগতে অসমতো হাজাৰ হাজাৰ অচিনাক্ত লোকৰ ভোট বিভিন্ন কাৰণত অন্তৰ্ভুক্ত হৈ আছে। এনেকি বহুতে নীতিবহিৰ্ভূতভাৱে ভোটাৰ তালিকাত দুই ঠাইতো নাম অন্তৰ্ভুক্ত কৰিছে। এনেবোৰ সমস্যা নাইকিয়া কৰাৰ বাবে নিৰ্বাচনী আয়োগে বহু চিন্তা-চৰ্চা কৰি প্ৰত্যেক ভোটাৰে আধাৰ কাৰ্ড সংলগ্ন কৰাটো বাধ্যতামূলক বুলি দোহাৰে। শতাধিক বিএলঅ' উপস্থিত থকা উক্ত প্ৰশিক্ষণত এআৰঅ' ক্ৰমে— শুৱালকুছি উন্নয়ন খণ্ড বিষয়া অৰ্চনা দাস আৰু গৌতম বৈশ্যই বিএলঅ'সকলৰ কষ্টৰ কথা স্বীকাৰ কৰাৰ লগতে বছৰেকীয়া মাননি বৃদ্ধি কৰাৰ পোষকতা কৰে। আনহাতে নামমাত্ৰ মাননি পোৱা অংগনৱাড়ী কৰ্মী, বিএলঅ'সকলে নিজৰ কষ্টোপাৰ্জিত ধনেৰে ক্ৰয় কৰা এণ্ড্ৰয়ড ম'বাইল আৰু ইন্টাৰনেটৰ খৰচ বহন কৰি নিৰ্বাচনী কাম কৰাৰ ক্ষেত্ৰত অসন্তুষ্টি প্ৰকাশ কৰি সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰে। মনকৰিবলগীয়া এই যে বিএলঅ'সকলে দায়িত্বশীল নিৰ্বাচনী কামৰ বিনিময়ত মাহিলি মাননি লাভ কৰে ৫৮৩ টকাকৈ বছৰত ৭ হাজাৰ। সাম্প্ৰতিক সময়ত সামগ্ৰীয়েই নহয়, যাতায়াতৰ মূল্যবৃদ্ধিয়ে জুৰুলা কৰাৰ সময়ত বিয়াগোম নিৰ্বাচন বিষয়া কিম্বা আয়োগে কণা হাঁহক পতান দিয়াতকৈও বিএলঅ'ৰ মাননি নিম্নগামী দিয়া বুলি তেওঁলোকে অভিযোগ তোলে। কাৰণ পাহাৰ-ভৈয়াম একাকাৰ কৰি নিৰ্বাচনৰ কামত ঘৰে ঘৰে কাম কৰে। বিপৰীতে নিজৰ ম'বাইল, নেটৰ খৰচ বহন কৰাৰ পিছতো সামান্য মাননিৰে কাম কৰাত অপাৰগতা প্ৰকাশ কৰিছে। এনেকি নিৰ্বাচনৰ দিনা সকলোৱে অলপ হ'লেও খৰচৰ বাবদ টকা পোৱাৰ বিপৰীতে বিএলঅ'সকলে গাঁঠিৰ ধন ভাঙি চাহ খাই ভোট কেন্দ্ৰত উপস্থিত থাকিব লাগে। এনে ক্ষেত্ৰত নিৰ্বাচন বিভাগে বিএলঅ'সকলৰ জ্বলন্ত সমস্যাসমূহ সমাধানৰ বাবে ৰাজ্যিক নিৰ্বাচনী বিষয়াৰ ওচৰত সভাৰ জৰিয়তে দাবী উত্থাপন কৰিছে।

# নিশা জাঁজী নদীত বালিৰ চোৰাং খনন আৰক্ষীৰ দ্বাৰা ৰক্ষণাৱেক্ষণ চোৰ চক্ৰক

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৪ আগষ্ট ঃ** যি সময়ত দেশৰ ভাগি পৰা ৰাজকোষ সবল কৰিবলৈ সাধাৰণ জনতাৰ ওপৰত কৰৰ গধুৰ বোজা জাপি দিয়া হৈছে, চৰকাৰৰ হিতাধিকাৰীৰ যোগ্যতা হেৰুৱাই আত্মনিৰ্ভৰশীলভাৱে চলি থকা পৰিয়ালে কৰ-কাতলৰ বোজাত ত্ৰাহি-মধুসূদন দেখিছে, তেনে সময়তে আৰক্ষী বাহিনী আৰু দেশৰ সম্পদ লুণ্ঠনকাৰী এক হৈ ৰাজ্যৰ বিভিন্ন সম্পদ এফালৰ পৰা হৰলুকী কৰি গৈছে। ৰাজ্যৰ আন আন ঠাইত চলি থকা এনে বহু লুণ্ঠনৰ মাজতে পোহৰলৈ আহিছে যোৰহাট জিলাত চলি থকা বনজ সম্পদ লুণ্ঠনৰ ঘটনা। জিলাখনৰ পূব সীমান্তৰ জাঁজী নদীত দীৰ্ঘদিন ধৰি বালি মাফিয়া চক্ৰই নিশা নিশা অবৈধভাৱে বালি আৰু ইয়াৰ মথাউৰিৰ কাষলৈকে পাৰ কাটি সন্ত্ৰাস চলাই থকাৰ অভিযোগ পুৰণি নহয়। নিশা নিশা অবাধে বালি উঠাই দূৰলৈ সৰবৰাহ কৰাৰ ফলত নদীখনৰ বহু ঠাইত মথাউৰি বিধ্বস্ত হৈ পৰাৰ বিষয়েও টীয়ক আৰক্ষী আৰু যোৰহাট বন সংমণ্ডলত ৰাইজে অভিযোগ দি আহিছিল। কিন্তু বন বিভাগ, টীয়ক আৰক্ষী আৰু ভগামুখ আৰক্ষী থানা মিলিত হৈ এই লুণ্ঠনকাৰী চক্ৰৰে মিতিৰালি কৰাৰ ফলত অঞ্চলটোত সাধাৰণ জীৱন বিঘ্নিত হৈ পৰাৰ লগতে দৈনিক অবাধ হাৰত বনজ সম্পদ লুণ্ঠন হ'বলৈ ধৰিছে। কালি নিশা বনাই অঞ্চলত জাঁজী নদীৰ বালি লুণ্ঠন চলাই থকাৰ খবৰ স্থানীয় লোকে টীয়ক আৰক্ষীক জনায় যদিও আৰক্ষীয়ে লুণ্ঠনকাৰীক দুগুণে উৎসাহ দি আজি মুকলি কৰি দিয়াৰ অভিযোগ উঠিছে। কালিৰ ঘটনা অনুসৰি বনাইঘাটৰ নামনি অংশত নিশা বালি তুলি থকা দুখন ট্ৰিপাৰৰ চাবি উপস্থিত আৰক্ষীৰ দলে জব্দ কৰি আনে। স্থানীয় অভিযোগকাৰী লোকে জনোৱা মতে চাবি জব্দ কৰাৰ সময়ত এখন ট্ৰিপাৰত বালি ভৰ্তি হৈ আছিল আৰু আনখনত উঠাই থকা হৈছিল। তেনে সময়ত আৰক্ষী উপস্থিত হোৱাৰ উমান পাই আন্ধাৰৰ আঁৰত লুণ্ঠকাৰীহঁত লুকাই দিছিল। কিন্তু আশ্চৰ্যকৰ কথা কালি চাবি জব্দ কৰি আজি ওভোতাই দিয়া ঘটনাই ৰহস্যৰ সৃষ্টি কৰিছে।


# স্বাধীনতা দিৱসৰ প্ৰাক্‌ক্ষণত সমাজসেৱী ঋষি লহকৰৰ আদৰণীয় পদক্ষেপ




**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ৪ আগষ্ট ঃ** ৰঙিয়াৰ আৰিমত্ত বিদ্যাপীঠ এলপি বিদ্যালয়ত দেশৰ ৭৫সংখ্যক স্বাধীনতা দিৱস আৰু আজাদী কা অমৃত মহোৎসৱ উপলক্ষে উদ্‌যাপন হ'বলগীয়া ঘৰে ঘৰে জাতীয় পতাকা কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি বিদ্যালয়খনৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষকসকলক একোখনকৈ ৰাষ্ট্ৰীয় পতাকা বিতৰণ কৰি অহা ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ ঘৰত উৰাবলৈ অনুৰোধ জনায় সমাজসেৱী ঋষি লহকৰে। বিদ্যালয়খনৰে এজন প্ৰাক্তন ছাত্ৰ তথা এজন সমাজসেৱী হিচাপে তেওঁৰ এই দায়িত্ব বুলি জনায়। পঞ্চাশগৰাকী ছাত্ৰ-ছাত্ৰীক ব্যক্তিগতভাৱে পতাকা বিতৰণৰ অন্তত স্বাধীনতা দিৱসৰ তাৎপৰ্য আৰু আজাদী কা অমৃত মহোৎসৱৰ বিষয়ে বিদ্যাৰ্থীসকলক অৱগত কৰে। সমাজসেৱী লহকৰে আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যৎ, শিশুসকলে দেশৰ স্বাধীনতাৰ বিষয়ে তথা মহান স্বাধীনতা সংগ্ৰামীসকলৰ বিষয়ে আৰু ৰাষ্ট্ৰীয় পতাকাখনৰ বিষয়ে জনাটো অতিকৈ দৰকাৰ বুলিও দোহাৰে। উক্ত কাৰ্যসূচীত বিদ্যালয়খনৰ প্ৰধান শিক্ষক দীনেশ লহকৰৰ লগতে বিদ্যালয়খনৰ সহকাৰী শিক্ষকসকলো উপস্থিত থাকে।

# অৱসৰপ্ৰাপ্ত শিক্ষক-খেলুৱৈ অমৃত চন্দ্ৰ নাথৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভক্তৰডোবা, পাকাবেতবাৰী, ৪ আগষ্ট ঃ** বৰপেটা জিলাৰ সৰুক্ষেত্ৰী মৌজাৰ অন্তৰ্গত গহিয়া গাঁও নিৱাসী, অৱসৰী শিক্ষক তথা খেলুৱৈ অমৃত চন্দ্ৰ নাথৰ যোৱানিশা মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৯ বছৰ। ১৯৩৫ চনত সৰুক্ষেত্ৰী মৌজাৰ অন্তৰ্গত গহিয়া গাঁৱত জন্মগ্ৰহণ কৰা নাথে গহিয়া প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱন আৰম্ভ কৰি পৰৱৰ্তী সময়ত সৰুক্ষেত্ৰী হাইস্কুল, প্ৰাগজ্যোতিষ কলেজত শিক্ষা গ্ৰহণ কৰিছিল। ১৯৬২ চনত গহিয়া মজলীয়া বিদ্যালয়ত শিক্ষকতাৰে চাকৰি জীৱন আৰম্ভ কৰি ১৯৯৬ চনত গহিয়া হাইস্কুলৰ পৰা অৱসৰ গ্ৰহণ কৰে। এসময়ত সুদক্ষ ফুটবল খেলুৱৈ হিচাপে বিশেষভাৱে সমাদৃত নাথে পৰৱৰ্তী সময়ত ফুটবল ৰেফাৰী হিচাপেও সুখ্যাতি অৰ্জন কৰিছিল। পূব বৰপেটাৰ ভিতৰতে অন্যতম গহিয়াৰ শ্ৰীশ্ৰী শ্যামাকালী পূজাৰ প্ৰতিষ্ঠাতা নাথ জীৱিত কালত অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই পুত্ৰ আৰু দুগৰাকী কন্যাৰ লগতে বহু গুণমুগ্ধক ইহ সংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত গহিয়া গাঁও উন্নয়ন সমিতি, গহিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।



# চামতাত নলবাৰী জিলা তৰণী সন্থাৰ অধিৱেশনৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৪ আগষ্ট ঃ** নলবাৰী জিলা তৰণী সন্থাৰ দ্বি-বাৰ্ষিক অধিৱেশনখন অহা ৭ আগষ্টত পশ্চিম নলবাৰী ৰাজহ চক্ৰ, চামতাৰ তৰণী সন্থাৰ কাৰ্যালয়ত অনুষ্ঠিত কৰাৰ আয়োজন কৰা হৈছে। নলবাৰী জিলা তৰণী সন্থাৰ সম্পাদক প্ৰদীপ মহন্ত আৰু অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি কৈলাস ডেকাই আজি এক বিবৃতিযোগে এই কথা জানিব দিছে। প্ৰেছ বিবৃতিটোত জিলা সন্থাৰ চামতা অধিৱেশনৰ সকলো কাৰ্যসূচীত সন্থাৰ অন্তৰ্গত জিলাখনৰ সকলো তৰণীক উপস্থিত থাকিবলৈও অনুৰোধ জনাইছে।

# নলবাৰীৰ ১৩৬নং বেটেলিয়ন চিআৰপিএফ বাহিনীৰ উদ্যোগত আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি ত্ৰিৰংগা যাত্ৰা কাৰ্যসূচী



**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ৪ আগষ্ট ঃ** দেশৰ ৭৫সংখ্যক স্বাধীনতা দিৱস উপলক্ষে বিভিন্ন চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে পালন কৰা পৰিলক্ষিত হৈছে আজাদী কা অমৃত মহোৎসৱ। সেই মৰ্মে বৃহস্পতি বাৰে নলবাৰীৰ জাপাৰকুছিস্থিত ১৩৬নং বেটেলিয়ন, চিআৰপিএফ বাহিনীৰ উদ্যোগত পালন কৰা হয় আজাদী কা অমৃত মহোৎসৱৰ উপলক্ষে 'হৰ ঘৰ ত্ৰিৰংগা যাত্ৰা' শীৰ্ষক কাৰ্যসূচীত। নলবাৰীৰ জাপাৰকুছিৰ চিআৰপিএফ বাহিনীৰ ছাউনীৰ পৰা নলবাৰী চহৰৰ মাজেৰে এই 'হৰ ঘৰ ত্ৰিৰংগা' যাত্ৰা কৰা হয়। ১৩৬নং বেটেলিয়ন চিআৰপিএফ বাহিনীৰ কমাণ্ডেণ্ট অজিত সাংৱানৰ নেতৃত্বত অনুষ্ঠিত এই ত্ৰিৰংগা যাত্ৰা আনুষ্ঠানিকভাৱে শুভাৰম্ভণি কৰে সহঃ অধিনায়ক চি বি তিৱাৰীয়ে। আনহাতে, এই ত্ৰিৰংগা যাত্ৰাত বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰাৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে। উক্ত কাৰ্যসূচীত ১৩৬নং বেটেলিয়ন চিআৰপিএফ বাহিনীৰ ভালেকেইগৰাকী বিষয়ববীয়া, জোৱানসকলৰ লগতে ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

**PRESS NOTE**

**3rd August 2022**
**Udalguri**

In terms of the direction of National Legal Services Authority, the 3rd National Lok - Adalat of 2022 is being organised by District Legal Services Authority, Udalguri on 13th August 2022 in the court premises of District Judiciary, Udalguri.

Pre —Litigation matters have been taken up for the settlement by various institutions, like SBI, Indian Bank ,Gramin Bank, Union Bank, Uco Bank, APDCL, BSNL etc.

Court Pending Cases have also been taken up from different Courts of the District for settlement. The taken up cases are like MACT cases, NI cases, Matrimonial cases, Civil Cases as well as Criminal Compoundable case including Motor Vehicle challan cases & Bakijai cases etc.

The District Legal Services Authority has requested all the stake-holders and litigations to participate in the National Lok-Adalat for amicable settlement of their disputes.

Secretary,
District Legal, Service Authority
Udalguri

Janasanyog /D/9871/ 22

## প্ৰজন্মক অধ্যয়নমুখী কৰাৰ অভিনৱ প্ৰয়াস

# নতুন বলাইত আলোকসন্ধানীৰ গ্ৰন্থ বীক্ষণ প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ৪ আগষ্ট ঃ** বৰ্তমান সময়ত নৱপ্ৰজন্মৰ গ্ৰন্থ অধ্যয়নৰ প্ৰতি আগ্ৰহ কমি অহা বুলি সৰ্বত্ৰ চৰ্চা চলিছে। এই অৱস্থাৰ কাৰণ সঠিকভাৱে নিৰ্ণয় কৰিব নোৱাৰাটো এক সমস্যাৰূপে থিয় দিছে। একাংশ লোকে সম্প্ৰতি অতি সহজলভ্য হৈ পৰা ম'বাইল ফোনকে নৱপ্ৰজন্মৰ গ্ৰন্থ অধ্যয়নৰ প্ৰতি বিৰাগ জন্মাৰ কাৰক বুলি মত পোষণ কৰিছে যদিও এইটো একমাত্ৰ কাৰক নহ'বও পাৰে। সি যি কি নহওক, গ্ৰন্থ অধ্যয়নৰ প্ৰতি আগ্ৰহী কৰি তুলিবৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাৰ চিন্তা যে অতি গুৰুত্বপূৰ্ণ, সেয়া নিৰ্ঘাত সত্য। এই ক্ষেত্ৰত খুব কমসংখ্যক ব্যক্তি, অনুষ্ঠান, সংগঠনে সীমিত সা সুবিধাৰ মাজতে কিছু ব্যৱস্থা কৰিছে যদিও সেয়া যথেষ্ট নহয়। বিষয়ৰ গুৰুত্বলৈ চাই সেই সম্পৰ্কে অধিক চিন্তা-চৰ্চা বাঞ্ছনীয়। নৱপ্ৰজন্মক গ্ৰন্থ অধ্যয়নৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লগতে একো-একোটা অঞ্চলত সুস্থ বৌদ্ধিক পৰিৱেশ গঠনৰ লক্ষ্য আগত ৰাখি যিবোৰ অনুষ্ঠান- সংগঠনে বিভিন্ন কাৰ্যসূচী ৰূপায়িত কৰি আছে, তাৰ ভিতৰত ডিব্ৰুগড় বৃহত্তৰ বলাই অঞ্চলৰ বৌদ্ধিক স্বেচ্ছাসেৱী সংগঠন আলোকসন্ধানী অধ্যয়ন চক্ৰই গ্ৰহণ কৰা ব্যৱস্থাও অন্যতম। অঞ্চলটোৰ বৌদ্ধিক পৰিৱেশৰ উত্তৰণৰ লক্ষ্য আগত ৰাখি ১৯৯১ চনতে স্থাপন কৰা আলোকসন্ধানী অধ্যয়ন চক্ৰৰ উদ্যোগত বিগত বৰ্ষৰ ৫ ডিচেম্বৰৰ পৰা এক বিশেষ কাৰ্যসূচীৰ যোগেদি প্ৰজন্মক গ্ৰন্থ অধ্যয়নৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ প্ৰয়াস কৰা হৈছে। আলোকসন্ধানীৰ সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰি থকা অৱস্থাতে ২০২০ খ্ৰীষ্টাব্দৰ পাঁচ ডিচেম্বৰত অকাল আৰু আকস্মিক বিয়োগ ঘটা বৃহত্তৰ বলাই অঞ্চলৰ জনপ্ৰিয় যুৱ সমাজকৰ্মী তপন হাজৰিকাৰ প্ৰথম মৃত্যু বাৰ্ষিকীৰ (৫ ডিচেম্বৰ, ২০২১) দিনাই আলোকসন্ধানীৰ উদ্যোগত তপন হাজৰিকা সোঁৱৰণী গ্ৰন্থবীক্ষণ প্ৰতিযোগিতা শীৰ্ষক এক বিশেষ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই প্ৰতিযোগিতাত নৱম শ্ৰেণীৰ পৰা উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষপৰ্যন্ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক অংশগ্ৰহণ কৰিবলৈ সুবিধা দিয়া হৈছে। চলিত বৰ্ষৰ অক্টোবৰ মাহলৈকে মুঠ পাঁচোটা খেপত প্ৰতিযোগিতা চলি আছে। নতুন বলাইস্থিত প্ৰদীপ পুথিভঁৰালৰ গ্ৰন্থৰাজি এই প্ৰতিযোগিতাত ব্যৱহাৰ কৰা হৈছে। প্ৰতিটো খেপৰ বাবে নিৰ্ধাৰণ কৰা নিৰ্দিষ্ট তাৰিখত প্ৰতিযোগীসকল প্ৰদীপ পুথিভঁৰালৰ পঢ়ুৱৈ কক্ষত সমবেত হয় আৰু প্ৰতিগৰাকী প্ৰতিযোগীকে লটাৰীযোগে নিৰ্বাচন কৰি গ্ৰন্থ বীক্ষণ কৰিবলৈ একোখনকৈ গ্ৰন্থ দিয়া হয়। প্ৰতিযোগীয়ে সেই গ্ৰন্থখন খৰচি মাৰি অধ্যয়ন কৰি গ্ৰন্থখনৰ বিষয়ে এটি সমালোচনামূলক টোকা লিখি নিৰ্দিষ্ট তাৰিখৰ ভিতৰত উদ্যোক্তাসকলক জমা দিয়ে। এই টোকাসমূহৰ মূল্যায়নৰ ভিত্তিত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান প্ৰাপকসকলক পুৰস্কৃত কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰিও পাঁচোটা খেপৰ অন্তত প্ৰতিযোগীসকলে প্ৰতিটো খেপত লাভ কৰা নম্বৰ যোগ কৰি সামগ্ৰিক মূল্যায়নৰ ভিত্তিত প্ৰথম তিনিটা স্থানপ্ৰাপকসকলক বছৰটোৰ শ্ৰেষ্ঠ, দ্বিতীয় শ্ৰেষ্ঠ আৰু তৃতীয় শ্ৰেষ্ঠ পঢ়ুৱৈ ৰূপে স্বীকৃতি প্ৰদান কৰি বিশেষ বঁটা প্ৰদান কৰা হ'ব। গ্ৰন্থ বীক্ষণ প্ৰতিযোগিতাৰ প্ৰতিযোগীসকলক গ্ৰন্থ সমালোচনা সম্পৰ্কে সম্যক ধাৰণা দিয়াৰ উদ্দেশ্যে যোৱা ১২ডিচেম্বৰ, ২০২১ত এক কৰ্মশালা অনুষ্ঠিত কৰা হয়। কোটোহা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, সাহিত্যসেৱী তুলাৰাম সোণোৱাল আৰু দমন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰসন্ন দিহিঙীয়াই সমল ব্যক্তিৰূপে এই কৰ্মশালাত উপস্থিত থাকি প্ৰতিযোগীসকলক গ্ৰন্থ সমালোচনা সম্পৰ্কে আভাস দিয়ে। বিগত বৰ্ষৰ পাঁচ প্ৰথম খেপৰ গ্ৰন্থ বিতৰণ কৰা হয়। এতিয়ালৈকে মুঠ পাঁচোটা খেপৰ গ্ৰন্থ বিতৰণ কৰা হয়। ইয়াৰে প্ৰথম আৰু দ্বিতীয় খেপৰ ফলাফল ঘোষণা কৰি যোৱা ১ মে'ত আলোকসন্ধানীৰ উদ্যোগত অনুষ্ঠিত মদন চন্দ্ৰ বৰুৱা সোঁৱৰণী বক্তৃতানুষ্ঠানতে বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। চলিত বৰ্ষৰ আগষ্ট মাহৰ শেষ সপ্তাহত তৃতীয়, চতুৰ্থ আৰু পঞ্চম খেপৰ প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰি বিজয়ীসকলক পুৰস্কৃত কৰা হ'ব। সামগ্ৰিক মূল্যায়নৰ ভিত্তিত বছৰটোৰ শ্ৰেষ্ঠ পঢ়ুৱৈৰ বঁটা অহা অক্টোবৰ মাহত অনুষ্ঠিতব্য আলোকসন্ধানীৰ পঞ্চদশ শাৰদীয় গ্ৰন্থমেলাতে বিজয়ীসকলক বিশেষ বঁটা প্ৰদান কৰা হ'ব। শাৰদীয় গ্ৰন্থমেলা, ২০২২ৰ পৰা শাৰদীয় গ্ৰন্থমেলা, ২০২৩লৈ দ্বিতীয় বাৰ্ষিক তপন হাজৰিকা সোঁৱৰণী গ্ৰন্থবীক্ষণ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ দিহা কৰা হৈছে। নতুন প্ৰজন্মৰ অধ্যয়নৰ প্ৰতি অনীহা লাঘৱ কৰাৰ উদ্দেশ্যে আগত ৰাখি প্ৰদীপ পুথিভঁৰাল পৰিয়ালৰ সহযোগত আলোকসন্ধানীৰ উদ্যোগত আয়োজিত এই প্ৰতিযোগিতাৰ প্ৰতিটো খেপত গড় হিচাপত ২৫গৰাকী নৱপ্ৰজন্মৰ প্ৰতিযোগীয়ে যোগদান কৰিছে। নৱপ্ৰজন্মক অধ্যয়নমুখী কৰি তোলাৰ উদ্দেশ্যে আয়োজন কৰা এই কাৰ্যসূচী এতিয়ালৈকে পৰীক্ষামূলক অৱস্থাত আছে যদিও গ্ৰন্থ বীক্ষণৰ অবিৰত যাত্ৰাই অদূৰ ভৱিষ্যতে বৃহত্তৰ বলাই অঞ্চলৰ বৌদ্ধিক পৰিৱেশৰ উত্তৰণৰ ক্ষেত্ৰত বৰঙনি যোগাব পাৰিব বুলি উদ্যোক্তাসকল আশাবাদী। এই প্ৰতিযোগিতাৰ কাৰ্যসূচী সুকলমে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা প্ৰদীপ পুথিভঁৰালগ্ধ প্ৰমুখ্যে সকলো অনুষ্ঠান, সংগঠন তথা সচেতন ব্যক্তিসকলৰ প্ৰতি আলোকসন্ধানীৰ সভাপতি আৰু সম্পাদক যথাক্ৰমে গকুল চন্দ্ৰ খাউন্দ আৰু গৌৰৱ শইকীয়াই ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছে।

## অসমৰ যশস্বী অভিনেতা অৰুণ নাথৰ সৈতে এক অন্তৰংগ আলাপ

# জীৱনটো এবাৰেই আহে



অসমীয়া চলচ্চিত্ৰ, মঞ্চ, ভিচিডি আৰু ভ্ৰাম্যমাণ থিয়েটাৰ আদিত বলিষ্ঠ অভিনয় কৰা জনপ্ৰিয় অভিনেতা অৰুণ নাথৰ সৈতে হোৱা এক অন্তৰংগ আলাপৰ সম্পাদিত ৰূপ পাঠকৰ বাবে আগবঢ়োৱা হ'ল—

১) অসমৰ অভিনয় জগতলৈ আপোনাৰ প্ৰৱেশ কেনেকৈ ঘটিল?

**অৰুণ নাথ ঃ** ব'হাগৰ দুপৰীয়া ছবিৰ জৰিয়তে মই অসমীয়া ছবি জগতত প্ৰৱেশ কৰোঁ। পৰিচালনা জনচ মহলীয়াৰ।

২) অসমৰ অভিনয় জগতলৈ আহোঁতে আপোনাৰ পিতৃ-মাতৃৰ অৰিহণা নিশ্চয় যথেষ্ট আছে। আপোনাৰ পিতৃ-মাতৃৰ বিষয়ে অলপ কওকচোন?

**অৰুণ নাথ ঃ** মই প্ৰথমে নাটক কৰোঁতে মা-দেউতা জীয়াই আছিল। মা- দেউতাই নাটকত অভিনয় কৰোঁতে বেয়া পোৱা নাছিল। কিন্তু ছবিত অভিনয় কৰাৰ সময়ত মোৰ মা-দেউতা ঢুকাল। মোৰ দেউতাৰ নাম স্বৰ্গীয় হোমেশ্বৰ নাথ আৰু মাৰ নাম স্বৰ্গীয় প্ৰতিমা দেৱী।

৩) সম্প্ৰতি নতুন প্ৰজন্মৰ কোনবোৰ কথাই আপোনাক চিন্তিত কৰে?

**অৰুণ নাথ ঃ** নতুন প্ৰজন্মই বৰ্তমান সমাজ ব্যৱস্থাৰ লগত খাপ খুৱাবলৈ নিজকে সজাই তুলিছে। আজিকালি বহুতেই অভিযোগ কৰে যে নতুন প্ৰজন্মই অধ্যয়ন কমকৈ কৰে। আগতে আমি লাইব্ৰেৰীত কাৰ্ড বনাই লৈ লাইব্ৰেৰীত কিতাপ অধ্যয়ন কৰিছিলোঁ। আজিকালি সেইটো কমি গৈছে। নতুন প্ৰজন্মই ম'বাইলত বেছিকৈ মনোনিৱেশ কৰাৰ বাবে সাহিত্য-সংস্কৃতিটো কমি গৈছে। এইটো এটা চিন্তনীয় বিষয়।

৪) আপোনাৰ অসাধাৰণ অভিনয় প্ৰতিভাৰ বাদে সাহিত্য, সংগীত বা অন্য কোনো বিষয়ত ৰুচি আছে নেকি?

**অৰুণ নাথ ঃ** অভিনয়ৰ বাদে মই সৰুৰে পৰা পেইটিং কৰি ভাল পাওঁ। তাৰ বাদে মই দুই-এখন একাংকিকা আৰু পূৰ্ণাংগ নাটক লিখিছোঁ।

৫) অকল শিক্ষা আৰু সংস্কৃতিয়েই এটা জাতিৰ উত্তৰণৰ একমাত্ৰ পথ বুলি ভাবে নেকি?

**অৰুণ নাথ ঃ** শিক্ষা আৰু সংস্কৃতি লাগিবই। মানুহৰ মানসিক উত্তৰণৰ ক্ষেত্ৰত শিক্ষা আৰু সংস্কৃতিৰ আৱশ্যক। আমি যিখিনি উন্নত দেশৰ কথা কওঁ জাপান, জাৰ্মানী সেই উন্নত দেশসমূহত স্কুলীয়া শিক্ষা, কাৰিকৰী শিক্ষা, সংস্কৃতি এই দিশসমূহত যথেষ্ট আগবাঢ়ি আছে। শিক্ষা আৰু সংস্কৃতিৰ দ্বাৰা এটা জাতিক চিহ্নিত কৰিব পৰা ক্ষমতা থাকে।

৬) প্ৰত্যেক অভিনেতাৰ এক নিজস্ব অভিনয় ষ্টাইল থাকে। আপোনাৰ অভিনয়ত আপুনি কোনটো ষ্টাইল লক্ষ্য কৰে?

**অৰুণ নাথ ঃ** নিজৰ এটা ষ্টাইল বুলি ক'ব লাগিলে এটা বেলেগ কথা। যিটো চৰিত্ৰই বিচাৰে মই তেনেকৈ অভিনয় কৰিবলৈ চেষ্টা কৰোঁ।

৭) মঞ্চ আৰু কথাছবি জগতৰ ভিতৰত কোনটো মাধ্যম আপোনাৰ অধিক প্ৰিয়?

**অৰুণ নাথ ঃ** প্ৰথম প্ৰেম মোৰ মঞ্চ। মঞ্চত ডেৰ-দুঘণ্টাৰ ভিতৰত দৰ্শকৰ উৎসাহ-উদ্দীপনাৰ মাজত যিটো আমেজ পোৱা যায় সেইটো কথাছবিত নিৰস আৰু কিছুমান কঠিন কাৰ্যৰ মাজেৰে অভিনয় সম্পাদন কৰিব লগা হয়। এজন অভিনেতাই কথাছবিত নিজকে ১০০ শতাংশ দাবীদাৰ বুলি ক'ব নোৱাৰে। কিন্তু মঞ্চত নিজৰ ১০০ শতাংশ অভিনয়ৰ প্ৰচেষ্টা নিজৰ বুলি এজন অভিনেতাই ক'ব পাৰে।





৮) ভ্ৰাম্যমাণ থিয়েটাৰলৈ কেতিয়া গৈছিল আৰু কিয় গৈছিল?

**অৰুণ নাথ ঃ** মই ১৯৭৩ চনত দৰং কলেজৰ পৰা বিএছচি পাছ কৰি ১৯৭৪-৭৫ চনত ৰূপকোঁৱৰ থিয়েটাৰত অভিনয় কৰোঁ আৰু তাৰ পিছত আৰাধনা থিয়েটাৰত অভিনয় কৰোঁ। নাটকৰ প্ৰতি মোৰ এক আজন্ম আকৰ্ষণ আছিল সেইবাবে ভ্ৰাম্যমান থিয়েটাৰত অভিনয় কৰিবলৈ গৈছিলোঁ।

৯) অভিনেতা নোহোৱা হ'লে কোনটো পেছা বৃত্তি হিচাপে ল'লেহেঁতেন?

ঃ মই ছবি আঁকি ভাল পাওঁ। অভিনেতা নহ'লে হয়তো শিল্পকৰ্মত জড়িত থাকিলোঁহেঁতেন।

১০) আপোনাক কোনবোৰ কথাই খং তোলে?

**অৰুণ নাথ ঃ** যিটো কথা মই শুদ্ধ বুলি ভাবোঁ সেইটো কোনোবাই ভুলকৈ প্ৰদৰ্শন কৰিলে মোৰ খং উঠে।

১১) আপোনাৰ প্ৰিয় খাদ্য?

**অৰুণ নাথ ঃ** আমিষ খাদ্য খাই ভাল পাওঁ।

১২) আপোনাৰ প্ৰিয় ৰং?

**অৰুণ নাথ ঃ** সেউজীয়া।

১৩) আপোনাৰ পত্নী তথা পাৰিবাৰিক জীৱনৰ বিষয়ে অলপ কওকচোন? আপোনাৰ অভিনয় জীৱনত পত্নীয়ে কেনেকৈ উৎসাহ যোগায়?

**অৰুণ নাথ ঃ** মোৰ পত্নীৰ নাম কৃষ্ণা দাস। তেওঁ সৰুতে ছবি আঁকিছিল। পিছত শকুন্তলা, প্ৰতিধ্বনি, চিকমিক বিজুলী আদি ছবিত অভিনয় কৰিছিল। অভিনয় কৰাত তেওঁ মোক উৎসাহ-উদ্দীপনা যোগায়।

১৪) আপোনাৰ আদৰ্শ ব্যক্তি?

**অৰুণ নাথ ঃ** মোৰ আদৰ্শ ব্যক্তি অভিনেতা দেৱানন্দ। মই বোম্বেত গৈ তেখেতক লগো কৰিছোঁ।

১৫) জীৱন সম্পৰ্কে আপোনাৰ অভিমত?

**অৰুণ নাথ ঃ** জীৱনটো এবাৰেই আহে। জীৱনত যিখিনি সময় পোৱা যায় সেই সময়খিনি ভালদৰে ব্যৱহাৰ কৰিব লাগে। যেতিয়া আলস্যভাবে একো নোহোৱাকৈ জীৱনটো পাৰ হৈ যায় তাতকৈ জীৱনৰ দুৰ্ভাগ্য একো নাই। ভালদৰে জীৱনটো উপভোগ কৰিব লাগে।

*সাক্ষাৎকাৰ—*
*কুলদীপ শইকীয়া*

# ২ ছেপ্টেম্বৰত চিত্ৰগৃহলৈ নতুন অসমীয়া চলচ্চিত্ৰ

## জনকনন্দিনী




'নিজী প্ৰডাকচন'ৰ বেনাৰত নিৰ্মিত বহু প্ৰত্যাশিত অসমীয়া চলচ্চিত্ৰ 'জনকনন্দিনী' অহা ২ ছেপ্টেম্বৰত চিত্ৰগৃহলৈ আহিব। ৰিংকু দাসে প্ৰযোজনা কৰা ছবিখনৰ পৰিচালক কুঞ্জলতা গগৈ দাস। মুখ্য সহকাৰী পৰিচালক অৰিন্দম কাশ্যপ। অসমৰ লোককৃষ্টি তথা সংস্কৃতিক একপ্ৰকাৰে বেপাৰত পৰিণত কৰি কেনেদৰে একাংশ লোকে সাতামপুৰুষীয়া কলা-সংস্কৃতিক বিকৃত কৰিছে তাৰেই আলমত নিৰ্মাণ কৰা হৈছে 'জনকনন্দিনী'। কুঞ্জলতা গগৈ দাসৰ পৰিকল্পনা আৰু কাহিনীৰ আলমত ছবিখনিৰ চিত্ৰনাট্য আৰু সংলাপ ৰচনা কৰিছে বিষ্ণুজ্যোতি সন্দিকৈ, অৰিন্দম কাশ্যপ আৰু অমিতাভ বৰাই। সংগীত পৰিচালক নন্দ বেনাৰ্জী। সংগীত ব্যৱস্থাপনা অনুপ শৰ্মাৰ। নৃত্যপ্ৰধান ছবিখনিৰ নৃত্য পৰিচালক নৃত্যাচাৰ্য পদ্মশ্ৰী বঁটাপ্ৰাপ্ত যতীন গোস্বামী। সাজসজ্জা কুঞ্জলতা গগৈ দাসৰ। ৰূপসজ্জা ভূমিকা তালুকদাৰৰ। মূলতঃ মাজুলী আৰু গুৱাহাটীৰ আশে-পাশে দৃশ্যগ্ৰহণ কৰা 'জনকনন্দিনী'ৰ চিনেমাট'গ্ৰাফাৰ পাপু ডেকা। সঞ্জীৱ তালুকদাৰে সম্পাদনা কৰা ছবিখনিৰ ডি আই কালাৰিষ্ট মুম্বাইৰ সুজিত বৰা। ভিএফএ' কৰিছে ধৰ্মেন্দ্ৰ দাসে। মি' এণ্ড মাষ্টাৰ কৰিছে মুম্বাইৰ জ্যোতি চেতিয়াই। অপূৰ্বজ্যোতি ভূঞা, প্ৰতিমা দাসে ৰচনা কৰা 'জনকনন্দিনী'ৰ গীতসমূহত কণ্ঠদান কৰিছে জুবিন গাৰ্গ, অংগৰাগ মহন্ত, জুবলী বৰুৱা, মধুস্মিতা ভট্টাচাৰ্য আৰু সত্যসন্ধ্যাই। ছবিখনিৰ বিভিন্ন চৰিত্ৰত অভিনয় কৰিছে ক্ৰমে— গুঞ্জন ভৰদ্বাজ, নন্দিনী কাশ্যপ, অৰুণ নাথ, মাধুৰিমা চৌধুৰী, ৰূপম বৰুৱা, ৰঞ্জীৱলাল বৰুৱা, সীমাশ্ৰী বৰা, পংকজ পূজাৰী (সদ্যপ্ৰয়াত), অপৰ্ণা দত্ত চৌধুৰী, নীলাক্ষী শইকীয়া, মুন বৰকটকী, বৰিশ দত্ত, গৌৰাং বৰদলৈ, গৌতম বৰুৱা, ৰঞ্জিত ভূএগ আদি। উল্লেখ্য যে বৃহস্পতিবাৰে গুৱাহাটী প্ৰেছ ক্লাবত এক সংবাদমেল সম্বোধন কৰি ছবিখনিৰ মুক্তিৰ দিন আনুষ্ঠানিকভাৱে ঘোষণা কৰে 'জনকনন্দিনী'ৰ প্ৰযোজকগোষ্ঠীয়ে।




## অভিনেত্ৰী অনিন্দিতা ৰুদ্ৰজ বৰাৰে অন্তৰংগ আলাপ

# ভাল হোৱা বুলি কোৱাত উৎসাহিত হৈ পৰিছিলোঁ





১) অসমৰ অভিনয় জগতলৈ আপোনাৰ কেনেকৈ প্ৰৱেশ ঘটিল ?

উত্তৰ ঃ অসমৰ অভিনয় জগতলৈ প্ৰৱেশ কৰাৰ প্ৰবল ইচ্ছাশক্তিয়ে সৰু থাকোঁতেই মনত পোখা মেলিছিল বুলি ক'লেও ভুল কোৱা নহ'ব। বুজা হোৱাৰ পৰা আমাৰ ঘৰখনতে সেই পৰিৱেশে গঢ় লৈ উঠা দেখা পাইছিলোঁ। আমাৰ দেউতা হেমচন্দ্ৰ বৰা এগৰাকী অভিনেতা আৰু নাট পৰিচালনাত খ্যাতিসম্পন্ন ব্যক্তি। তেখেতে পৰিচালনা কৰা 'ৰেড্ ছিগনেল', 'দেখহ-শুনহ' আদি নাটকসমূহ আমাৰ ঘৰৰ ওচৰৰে কালি মন্দিৰৰ মঞ্চত মঞ্চস্থ কৰোঁতে আমাক সদায় চাবলৈ লৈ গৈছিল। নাট্যকাৰ, পৰিচালক, অভিনেতা বিচিত্ৰ নাৰায়ণ কলিতাদেৱক (খুৰা) দেউতাৰ লগতে সদায় লগ পাইছিলোঁ। মই চতুৰ্থ শ্ৰেণীত পঢ়ি থাকোঁতেই বিচিত্ৰ খুৰাৰ পৰিচালনাত 'ইতিহাসৰ সকীয়নি' নামৰ নাটকখনত অভিনয়ৰ সুযোগ পাইছিলোঁ। সকলোৱে ভাল হোৱা বুলি কোৱাত উৎসাহিত হৈ পৰিছিলোঁ।

২) অভিনয় জগতলৈ আহোঁতে আপোনাৰ বিশেষ ব্যক্তিৰ অৰিহণাৰ বিষয়ে জনাবলৈ চেষ্টা কৰিবনে ?

উত্তৰ ঃ ১৯৯৬ চনত দেউতাৰ পৰিচালনাত জিতেন খুৰা (জিতেন শৰ্মা)ৰ কাহিনীৰে 'প্ৰভাতী সূৰুয' নামৰ এখন তেৰটা খণ্ডৰ দূৰদৰ্শনৰ ধাৰাবাহিকত অভিনয়ৰ সুযোগ পাইছিলোঁ। চৰিত্ৰটো আছিল নায়কৰ ভনীয়েকৰ। নায়ক আছিল বিক্ৰম হাজৰিকা। অভিনয়ৰ বহল জগতখনত সেয়ে প্ৰথমটো খোজ। ইয়াতেই দেউতাৰ উপৰি তেখেতৰ সহকাৰী বিদ্যুৎ চক্ৰৱৰ্তী খুৰাৰ পৰা অভিনয়ৰ আদিপাঠখিনিৰ সম্যক জ্ঞান লাভ কৰিবলৈ সক্ষম হৈছিলোঁ।



৩) আপোনাৰ অভিনয় জগতত আদৰ্শ পুৰুষ বুলিবলৈ কোনগৰাকী বিশিষ্ট অভিনেতা বা অভিনেত্ৰীৰ বিষয়ে ক'ব?

উত্তৰ ঃ অসমীয়া চিনেমা বুলি ক'বলৈ গ'লে মোৰ প্ৰিয় বহুতো। তাৰ ভিতৰত শ্ৰদ্ধাৰ বিজু ফুকন, মৃদুলা বৰুৱা, প্ৰস্তুতি পৰাশৰ আৰু বৰষাৰাণী বিষয়াৰ অভিনয় মোৰ ভাল লাগে। হিন্দী চিনেমাত আমীৰ খানৰ অভিনয় মোৰ প্ৰিয়।

৪) আপোনাৰ অসাধাৰণ অভিনয় প্ৰতিভাৰ বাদে অন্য ৰুচি আছে নেকি? যেনে সাহিত্য, সংগীত আদি অন্য বিষয়ত। যদি আছে জনাবলৈ চেষ্টা কৰিবচোন।

উত্তৰ ঃ নৃত্য-গীত আৰু সাহিত্য চৰ্চা কৰি ভাল পাওঁ। লিখোঁ যদিও কেতিয়াও কিতাপ আকাৰে প্ৰস্তুত কৰা নাই।

৫) প্ৰত্যেক অভিনেতা বা অভিনেত্ৰীৰ এক নিজস্ব প্ৰতিভা থাকে। আপুনি দৰ্শকৰ কাৰণে কোনটো প্ৰতিভা প্ৰদৰ্শন কৰি ভাল পায়?

উত্তৰ ঃ চৰিত্ৰ অনুযায়ী আমি দৰ্শকৰ কাৰণে অভিনয় কৰি ভাল পাওঁ।

৬) মঞ্চ আৰু চলচ্চিত্ৰ জগতৰ ভিতৰত আপোনাৰ কোনটো অধিক প্ৰিয় ?

উত্তৰ ঃ মোৰ দুইটা মাধ্যমেই প্ৰিয়। কেৱল প্ৰকাশভংগীৰ পাৰ্থক্যৰ বিষয়ে জানিলে দুয়োটা মঞ্চতে মঞ্চস্থ কৰিবলৈ সক্ষম হ'ম। কাৰণ মই অভিনয় ভাল পাওঁ।

৭) অকল শিক্ষা আৰু সংস্কৃতিয়েই এটা জাতিৰ উত্তৰণৰ একমাত্ৰ পথ বুলি ভাবেনে?

উত্তৰ ঃ নাভাবোঁ। কিয়নো শিক্ষা আৰু সংস্কৃতিৰ লগতে জাতিটোৰ জাতীয় চৰিত্ৰও অক্ষুণ্ণ ৰাখিব লাগিব। সেয়ে আমি সকলোৱে জাতিটোক ভাল পাবলৈ শিকিব লাগিব। তেতিয়াহে জাতিটোৰ উত্তৰণ আশা কৰিব পাৰোঁ।

৮) সম্প্ৰতি নৱপ্ৰজন্মৰ কোনবোৰ কথাই আপোনাক চিন্তিত কৰে?

উত্তৰ ঃ চিন্তা লাগে যেতিয়া সামাজিক মাধ্যমৰ অপব্যৱহাৰ দেখা পাওঁ। সামাজিক মাধ্যমৰ জৰিয়তে আজি নৱ প্ৰজন্মই বিশ্বায়নৰ অফুৰন্ত সা-সুবিধাসমূহৰ বিষয়ে জানিব পাৰিছে। জ্ঞান লাভ কৰিব পাৰিছে। কিন্তু ইয়াৰ অপব্যৱহাৰ সঁচাকৈয়ে চিন্তাৰ বিষয় হৈ পৰিছে।

৯) আপুনি এগৰাকী অভিনেত্ৰী হিচাপে সম্প্ৰতি নৱ প্ৰজন্মলৈ বিশেষ বাৰ্তা প্ৰেৰণ কৰিব বিচাৰিব নে ?

উত্তৰ ঃ একাগ্ৰ সাধনা আৰু কঠোৰ পৰিশ্ৰমৰ কোনো গত্যন্তৰ নাই। সেয়ে নতুন প্ৰজন্মৰ সকলো শিল্পীলৈ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ।

১০) আমি জ্ঞাত হোৱাত আপোনাৰ এখন ব্যক্তিগত সংগীত বিদ্যালয় আছে। আপোনাৰ বিদ্যালয়ত কণ কণ শিশুৰ উপৰিও অন্য কোনোবা লোকক প্ৰশিক্ষণ দিয়া হয় নেকি তথা বহু ব্যস্ততাৰ মাজতো আপুনি এই বিদ্যালয়খন কেনেদৰে পৰিচালনা কৰিছে?


উত্তৰ ঃ আমাৰ বিদ্যালয়খনত কেৱল কণ কণ মইনাসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছে। কাৰণ মই শিশুসকলৰ লগত সময় পাৰ কৰি ভাল পাওঁ। সেয়ে তেওঁলোকৰ বাবে বহু ব্যস্ততাৰ মাজতো সময় উলিয়াই প্ৰশিক্ষণ দিবলৈ চেষ্টা কৰিছোঁ।

১১) আপোনাৰ জীৱন সম্পৰ্কে আপোনাৰ অভিমত?

উত্তৰ ঃ মই এগৰাকী যোগাত্মক চিন্তা-চৰ্চাৰ প্ৰবক্তা হিচাপে কাম কৰোঁ। সেই কাৰণে বৰ্তমান অনলাইন মাধ্যমেৰে এই প্ৰক্ৰিয়াৰে অসমৰ বিভিন্ন ঠাইৰ লোকক পাঠদান কৰি আহিছোঁ। সেয়েহে মোৰ জীৱনৰ যাত্ৰা পথটোও সাকাৰাত্মক দৃষ্টিভংগীৰে চাবলৈ অথবা সজাই তুলিবলৈ অহৰহ চেষ্টা কৰিছোঁ। আপোনালোকৰ শুভ কামনা তথা শুভেচ্ছা সদায়ে কামনা কৰোঁ।

*সাক্ষাৎ গ্ৰহণ—*
*ভাস্কৰজ্যোতি কুটুম*

# এজাক শিশু-কিশোৰৰ সাৱলীল অভিনয়ে মুহিলে জামুগুৰিবাসীক



অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত আৰু জামুগুৰিহাটৰ 'আখৰা'ৰ সৌজন্যত জামুগুৰিহাটত এমহীয়া শিশুনাট কৰ্মশালাৰ সামৰণি পৰে যোৱা ২৮ জুলাইৰ সন্ধিয়া দুখনকৈ শিশুনাট জোনাকী মন আৰু তেজীমলাৰ সফল মঞ্চায়নৰ জৰিয়তে। বিগত ১৯৯২ চনতে জামুগুৰিহাটৰ কেইগৰাকীমান স্বনামধন্য নাট্যকৰ্মীৰ প্ৰয়াসত জন্মলাভ কৰা 'আখৰা' নাট্যগোষ্ঠীয়ে জন্মলগ্নৰে পৰা প্ৰতিবছৰে বিভিন্ন নাট কৰ্মশালা আৰু নাট প্ৰযোজনাৰে অসমৰ নাট্যক্ষেত্ৰত এক বলিষ্ঠ খোজ দি অহাৰ লগতে বিগত তিনিটা দশকৰ নাট্যপৰিক্ৰমাত আখৰাই বৃহত্তৰ জামুগুৰিহাট অঞ্চলটোৰ পৰা চামে চামে বহুসংখ্যক মাত্ৰাবিশিষ্ট নাট্যকৰ্মী, অভিনেতা-অভিনেত্ৰীৰ সৃষ্টি কৰি আহিছে। অসমৰ নাট্যক্ষেত্ৰৰ এগৰাকী স্বনামধন্য পুৰোধা, নাট্যকাৰ, পৰিচালক, কবি ৰফিকুল হোছেইনৰ মুখ্য পৰিচালনাত ইতিপূৰ্বে 'ধোঁৱা', 'দৈৱকী', 'ঈশ্বৰ আৰু এজন চোৰ', 'দ্ৰৌপদীৰ পৰিয়াল', 'অমৰত্বৰ সপোন' 'তন্দুৰী চিকেন', 'উজীৰ মঙলা' আদি ভালেসংখ্যক নাট প্ৰযোজনাৰে আখৰাই অসমৰ নাট্যক্ষেত্ৰত সুকীয়া চিনাকি দাঙি ধৰিবলৈ সক্ষম হৈছে। ৰূপালী জয়ন্তী বৰ্ষৰ এই শুভলগনত এইবেলি আখৰাই অঞ্চলটোৰ উঠি অহা চামৰ অৰ্ধশতাধিক শিশু-কিশোৰক গ্ৰীষ্মবন্ধৰ বিগত এমাহ নাটকৰ আদিপাঠ প্ৰদান কৰি পৰিৱেশন কৰালে দুখন মঞ্চসফল শিশুনাট। জামুগুৰিহাটৰ বাপুজী ভৱন প্ৰেক্ষাগৃহত মঞ্চায়ন কৰা নাট্যসন্ধ্যাটিত প্ৰেক্ষাগৃহপূৰ্ণ দৰ্শকৰ সন্মুখত চাৰি বছৰৰ পৰা চৈধ্য-পোন্ধৰ বছৰীয়া এই কণ কণ শিশুসকলৰ যি সাৱলীল অভিনয়, সেয়া সঁচাই প্ৰশংসনীয়। সমাজৰ ভৱিষ্যৎ কৰ্ণধাৰস্বৰূপ শিশুসকলক চালুকীয়া অৱস্থাৰ পৰাই কলা-সংস্কৃতিৰ ক্ষেত্ৰখনত বিশেষকৈ নাট্যকলা সম্পৰ্কে সিহঁতক যথাযথভাৱে শিকাই-বুজাই নাটদুখন সুন্দৰভাৱে মঞ্চায়ন কৰাৰ ক্ষেত্ৰত পৰিচালক, সুদক্ষ অভিনেতা, নাট্যকৰ্মী ৰঞ্জন কুমাৰ দাসে নিশ্চিতভাৱে সফলতা দাবী কৰিব পাৰে।

নাট্যকাৰ ননী মজুমদাৰৰ শিশুনাট 'জোনাকী মন'ত প্ৰতিফলিত হৈছে প্ৰকৃতিৰ ওপৰত কৰা মানুহৰ অত্যাচাৰ তথা প্ৰকৃতি সুৰক্ষাৰ প্ৰতি দায়বদ্ধতা। বিজ্ঞান প্ৰযুক্তিৰ দ্ৰুত উন্নতিৰ ফলত কিদৰে আকাশৰ জোন, বেলি, তৰাবোৰ শংকিত হৈ পৰিছে, ইয়াৰ সমান্তৰালকৈ মানুহে কিদৰে প্ৰকৃতিক বিভিন্নধৰণে অত্যাচাৰ কৰি প্ৰকৃতি, গছ-গছনি, জীৱ-জন্তু, চৰাই-চিৰিকতিলৈ অশনি সংকেত মাতি আনিছে সেয়াই নাটখনৰ বিভিন্ন চৰিত্ৰৰ অভিনয়ৰ মাজেদি প্ৰকাশিত হৈ উঠিছে। নাটখনৰ অভিনয় সম্পন্ন হৈছে ১২টি চৰিত্ৰৰ মাধ্যমৰে। নাটখনৰ অভিনয় শিল্পীসকল হৈছে— ১নং তৰা- কল্পান্ত দাস, ২নং তৰা- জ্যোতিৰাদিত্য ভূঞা, ৩নং তৰা- হিমাংশু দাস, জোন- দৃষ্টিদিশা দাস, সূৰ্য - অণুৰঞ্জন শৰ্মা, প্ৰকৃতি- অভিলাষা বৰা, গছ - কুণাল নিৰোলা, ১নং মেঘ - লোহিতাক্ষ্য ভৰদ্বাজ, ২নং মেঘ-গীতাৰ্থ শইকীয়া, ৩নং মেঘ অন্তৰীপ বৰুৱা, জোনাকী পৰুৱা- জিজ্ঞাসপ্ৰতিম কলিতা আৰু শহা- কুনালজিৎ বৰঠাকুৰ। আটাইকেইটি শিশুৱেই নিজৰ নিজৰ চৰিত্ৰসমূহ উপস্থাপন কৰাত সফল হৈছে। সংলাপ প্ৰক্ষেপণ আটাইৰে সাৱলীল হৈছে।

নাট্যসন্ধ্যাটিৰ আনখন নাট সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ অমৰ সৃষ্টি 'তেজীমলা'ৰ নাট্যৰূপ। তেজীমলা অসমীয়া জনজীৱনত দকৈ সাঁচ বহা এটা নজহা-নপমা সাধুকথা। তেজীমলাৰ দুখৰ কাহিনী প্ৰতিগৰাকী অসমীয়াৰ অন্তৰত আজিও মচিব নোৱাৰাকৈ শিপাই আছে। পৰিচালকে নিজস্ব পৰিচালকীয় শৈলীৰে সাধুকথাৰ ৰূপতে নাটখন মঞ্চলৈ আনিছে। পাহৰণিৰ অটল গহ্বৰত হেৰাই যোৱা 'ককা আৰু নাতিল'ৰা একেলগে বহি/সাজিছে বালিঘৰ দুয়ো হাঁহি হাঁহি'— এই কালজয়ী কবিতা ফাঁকিৰ আলমতেই যেন ককা-আইতাকক আৱৰি ধৰি নাতি-নাতিনীহঁতে ককাক-আইতাকৰ মুখেৰে সাধুকথা শুনাৰ যি পৰম্পৰা আছিল, সেই পৰম্পৰাক নাটকখনত উপস্থাপন আৰু সূত্ৰ ধৰাৰ মাধ্যম কৰি আগবঢ়াই নিয়াত নাটকখন অধিক মনোমোহা কৰি তুলিলে। যথাৰ্থতে পৰিচালকৰ এই চিন্তাধাৰাই নাটকখনত অভিনয় কৰা আজিৰ প্ৰজন্মৰ শিশুসকলক আৰু দৰ্শকৰ আসনত বহা

### 'তেজীমলা'আৰু 'জোনাকী মন'ৰ সফল মঞ্চায়ন

শিশুসকলকো এটা সময়ত আমাৰ গ্ৰাম্য জীৱনৰ সমাজ ব্যৱস্থাত ককাক-আইতাকে সাধুকথা কোৱাৰ মাজেদি কেনেকৈ নাতি-নাতিনীসকলক নীতিশিক্ষা প্ৰদান কৰিছিল, তাৰে এক বাস্তৱ শিক্ষা প্ৰদান কৰাত সফলকাম হৈছে বুলি ক'ব পাৰি। তদুপৰি সাউদৰ ঘৰ, ঢেঁকী, জৰাগছ, লাউগছ আদি বোৰকো চৰিত্ৰ হিচাপে অভিনয় শিল্পীসকলকৰ দ্বাৰাই উপস্থাপন কৰোৱাই নাটকখনক অন্য এক মাত্ৰা প্ৰদান কৰিলে। তেজীমলা নাটখনৰ অভিনয় সম্পন্ন হৈছে ১৮টি বিশেষ চৰিত্ৰৰ মাধ্যমেৰে। মুখ্য চৰিত্ৰ 'তেজীমলা' চৰিত্ৰটিত আকাংক্ষাদৃষ্টি ভূঞা আৰু মাহীমাকৰ চৰিত্ৰটিত কুঁৱলী দাসে সাৱলীল অভিনয়ৰে দৰ্শকৰ প্ৰশংসা বুটলিবলৈ সক্ষম হোৱাৰ লগতে ভৱিষ্যতৰ প্ৰতিশ্ৰুতি বহন কৰিছে বুলি ক'ব পাৰি। সাউদৰ চৰিত্ৰত ব্লেজ বৰা, সখীৰ চৰিত্ৰত - শৰন্যা সাগৰ হাজৰিকা আৰু আইতাৰ চৰিত্ৰত যাচিকা বৰা সফল হৈছে। মগনীয়াৰ চৰিত্ৰটিত— লীনা দাস, গৰখীয়াৰ চৰিত্ৰত ক্ৰমে— নীহাৰজ্যোতি বৰদলৈ, বৰ্ণম বৰা, ভাস্কৰজ্যোতি বৰুৱা, তনভিৰ কিশোৰ বৰাই সুন্দৰ অভিনয় কৰিছে। অন্যান্য পাৰ্শ্ব চৰিত্ৰসমূহত ক্ৰমে নাতি-নাতিনীৰ চৰিত্ৰত-আদ্ৰিকা শইকীয়া, মনদীপ বৰুৱা, শিৱাঙ্গম দাস, ঈপ্সিতা ওজা, প্ৰিয়াংকু কলিতা, নন্দিতা দাস আৰু মনশ্ৰীতা কাশ্যপ বৰুৱা, নাৰৱীয়া- লহৰজ্যোতি ভূঞা, লাওগছ - দিশা বৰা, জৰাগছ-অভিলাষা বৰা আৰু ৰিক্ষিতা দেৱী, ঢেঁকী-নীহাৰজ্যোতি বৰদলৈ আৰু ভাস্কৰজ্যোতি বৰুৱাই পৰিচালকৰ প্ৰতিটো নিৰ্দেশ পালন কৰি নিজস্ব প্ৰতিভাৰে নাটকখন সফল হোৱাত অৰিহণা যোগালে। দুয়োখন নাটকৰে সংগীত সজ্জাত অভিজিৎ বৰা, পোহৰ আৰু শব্দত প্ৰাঞ্জল বৰ্মন, ৰূপসজ্জাৰ দায়িত্বত আছিল জ্যোতিপ্ৰসাদ শইকীয়া, নয়ন কাকতি, মনজ্যোতি হাজৰিকা, পল্লৱিতা হাজৰিকা, ৰীতা শইকীয়া আৰু পাপৰি বৰুৱা। শেষত আশা কৰিছোঁ সুদক্ষ অভিনেতা, পৰিচালক ৰঞ্জন কুমাৰ দাসে আহি থকা দিনবোৰত নিজস্ব পৰিচালকীয় দক্ষতাৰে আৰু অধিক সুন্দৰ আৰু সফল নাট উপহাৰেৰে অসমৰ নাটকৰ ক্ষেত্ৰখনত উজলি উঠক আৰু ৰূপালী জয়ন্তীৰ আলোকৰে উদ্ভাসিত 'আখৰা'য়ো বিগত দিনসমূহৰ লেখিয়াকৈ অনাগত দিনবোৰতো আৰু অধিক সফল নাট্য প্ৰযোজনাৰে অসমৰ নাট্য পৰিমণ্ডলটিক সমৃদ্ধ কৰি তোলক।

■ *হিমাংশু ৰঞ্জন ভূঞা*

# শিৱসাগৰত নগাঁৱৰ 'ৰংগালয়'ৰ শিল্পী দলৰ দ্বাৰা মঞ্চস্থ হ'ল 'মাউখ'



ঐতিহ্যমণ্ডিত শিৱসাগৰৰ অন্যতম সামাজিক- সাংস্কৃতিক অনুষ্ঠান 'নাট্যপীঠ'ৰ ২৯ জুলাইৰ পৰা ৩১ জুলাইলৈ ৰূপালী জয়ন্তী বৰ্ষৰ বৰ্ষজোৰা কাৰ্যসূচীৰ সামৰণী অনুষ্ঠান অনুষ্ঠিত হয়। ৩১ জুলাইৰ সন্ধিয়া নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰি বিশিষ্ট শিল্পী মাখন বৰাই কয় যে অসমৰ নাট্য আন্দোলনটোক আগুৱাই নিয়াৰ ক্ষেত্ৰত আন আন অনুষ্ঠানৰ দৰে নাট্যপীঠেও অহৰহ চেষ্টা অব্যাহত ৰাখিছে। অমৰজ্যোতি মহন্তই আঁত ধৰা এই অনুষ্ঠানত নাট্যপীঠৰ বৰ্ণিল যাত্ৰাৰ ইতিহাস সম্পৰ্কে আলোকপাত কৰে নাট্যপীঠৰ অধ্যক্ষ প্ৰশান্ত শৰ্মাই। সামৰণী অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল নগাঁৱৰ অন্যতম অগ্ৰণী সাংস্কৃতিক গোষ্ঠী 'ৰংগালয়'ৰ দ্বাৰা নাট প্ৰদৰ্শন। বিশিষ্ট নাট্যকাৰ মৃণাল কুমাৰ বৰাৰ ৰচনা আৰু পৰিচালনাৰে সেইদিনা মঞ্চস্থ কৰা 'মাউখ' নামৰ নাটখনিয়ে উপস্থিত নাট্যপ্ৰেমীসকলক মন্ত্ৰমুগ্ধ কৰি তোলে। অঞ্জল বৰাই 'ডাঙৰীয়া', কিনকিন মহন্তই 'আই', অশোক নেওগে 'ডাঙৰ বোপা', বিশ্বজিৎ বৰাই 'মাজু বোপা', আকাশদীপ মুদৈয়ে 'সৰু বোপা', নেত্ৰকমল বৰাই 'সৰুপোনা', দীপু শইকীয়াই 'বুদ্ধিৰাম' আৰু চয়নিকা বৰাই 'মায়া' চৰিত্ৰত কৰা বলিষ্ঠ অভিনয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। উল্লেখ্য যে পুৰণিগুদাম হালোৱা গাঁৱৰ 'ৰংগালয়' নাট্যগোষ্ঠীয়ে অসমৰ উপৰি বহিঃ ৰাজ্যতো নাট প্ৰদৰ্শনেৰে সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। নাট্যানুষ্ঠানৰ পূৰ্বে নটসূৰ্য ফণী শৰ্মাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলিৰে শ্ৰদ্ধা জ্ঞাপন কৰে নাট্যকাৰ জ্যোতিনাৰায়ণ দাস, সত্ৰাধিকাৰ লীলাকান্ত মহন্ত আৰু ড° নিৰুপমা মহন্তই।



# দক্ষিণ যোৰহাটত বয়োবৃদ্ধা হেমদা শইকীয়াই জিনিলে বাঘচোং সুন্দৰী খিতাপ

## প্ৰথম পৃষ্ঠাৰ পৰা—

## পাৰিবাৰিক সংঘাতৰ বাবেই

নাবালক পুত্ৰকো কীটনাশক দ্ৰৱ সেৱন কৰোৱাৰ দৰে অভাৱনীয় ঘটনা সংঘটিত হৈছে। ঘটনাস্থলীত পিতৃৰ লগতে এজন পুত্ৰৰ মৃত্যু হয় যদিও আনজন পুত্ৰক সংকটজনক অৱস্থাত আৰক্ষীয়ে স্থানীয় ৰাইজৰ সহযোগত উদ্ধাৰ কৰি চিকিৎসালয়ত ভৰ্তি কৰে। ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা এই ভয়ংকৰ ঘটনাত মৃত্যু হোৱা ব্যক্তি কেইগৰাকী হ'ল মৃদুল সন্দিকৈ (৪৫) আৰু তেওঁৰ সৰু পুত্ৰ পিণ্টু সন্দিকৈ (৭)। আনহাতে, ঘটনাস্থলীৰ পৰা অতি সংকতজনক অৱস্থাত উদ্ধাৰ কৰি ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা আনজন পুত্ৰ হৈছে মিণ্টু (১০) সন্দিকৈ। মিণ্টু সন্দিকৈ নিহত মৃদুল সন্দিকৈৰ জ্যেষ্ঠ পুত্ৰ আৰু নিহত পিণ্টু সন্দিকৈ কনিষ্ঠ পুত্ৰ। প্ৰাপ্ত বাতৰি মতে যোৱানিশা প্ৰায় বাৰ মান বজাত সংঘটিত হৈছে এই ভয়ংকৰ ঘটনা। প্ৰাপ্ত তথ্য অনুসৰি ডিমৌকিনাৰ গাঁও নিৱাসী দিন হাজিৰা কৰা শ্ৰমিক মৃদুল সন্দিকৈয়ে আজিৰ পৰা ১৮ বছৰৰ পূৰ্বে বিবাহপাশত আবদ্ধ হৈছিল। দুই পুত্ৰ সন্তান আৰু এগৰাকী কন্যা সন্তানৰ সৈতে সুখেৰে অতিবাহিত হৈছিল যদিওঁ আৰ্থিক দীনতাৰ বাবেই প্ৰায়েই মৃদুল সন্দিকৈৰ সৈতে পত্নীৰ সংঘাত সৃষ্টি হৈছিল। বৰ্তমানলৈকে কোনো এখন চৰকাৰৰ তৰফৰ পৰা আগবঢ়োৱা এখনো চৰকাৰী আঁচনিয়ে স্পৰ্শ কৰিব নোৱৰা মৃদুল সন্দিকৈৰ পৰিয়ালটোৱে ঘোচ দিব নোৱৰাৰ বাবেই লাভ কৰা নাছিল চৰকাৰী গৃহ। প্ৰতিদিনেই হাজিৰা কাম নোপোৱাৰ বাবেই দৰিদ্ৰতাই চেপি ধৰা পৰিয়ালটোত দুৰ্ভিক্ষই দেখা দিয়াৰ লগতে ইয়াৰ আলমতেই সৃষ্টি হোৱা পাৰিবাৰিক সংঘাতে চূড়ান্ত পৰ্যায় পাইছিল। যাৰ পৰিপ্ৰেক্ষিতত পোন্ধৰ দিনৰ পূৰ্বে মৃদুল সন্দিকৈৰ পত্নীয়ে পুত্ৰদ্বয় আৰু স্বামীক ডিমৌকিনাৰৰ বাস গৃহত এৰি কন্যা সন্তানটিক লগত লৈ মাতৃগৃহলৈ গুচি গৈছিল। ইফালে দুই পুত্ৰক লগত লৈ চৰম হতাশাত ভোগা মৃদুলে কালি পত্নীলৈ অন্তিমবাৰৰ বাবে ক্ষমা বিচাৰি ঘৰলৈ ঘূৰি আহিবলৈ কাতৰ আহ্বান জনাইছিল। কিন্তু নিয়মিত স্বামীৰ পৰা শাৰীৰিক যন্ত্ৰণা ভোগ কৰি অহা পত্নীয়ে ঘৰলৈ উভতি নহাৰ দোষতেই দুই পুত্ৰক হত্যা আৰু নিজেওঁ আত্মহত্যাৰ পথ বাছি লোৱাৰ বাবে দিনৰ ভাগৰ পৰাই পৰিকল্পনা কৰিছিল বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। আনহাতে, কালি নিশা দুই পুত্ৰক ঘৰৰ পৰা উলিয়াই কণী খাম বুলি নিকটৱৰ্তী ডিমৌ পথাৰৰ দিশে লৈ গৈছিল। আৰক্ষীৰ শীৰ্ষ সূত্ৰই জানিবলৈ দিয়া মতে পূৰ্বৰে পৰা পকেটত লৈ যোৱা ফুৰাডন নামৰ কীটনাশক দ্ৰব্যবিধ বইল কণীত সানি দি পুত্ৰদ্বয়ক খাবলৈ দিয়াৰ লগতে নিজেওঁ খাইছিল। ইয়াৰ পিছতেই তিনিওগৰাকীয়ে চট্ফটাই সেই স্থানত বাগৰি পৰে। ইফালে একাংশ স্থানীয় লোকে এই কথা জানিব পাৰি জয়সাগৰ আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে ততালিকে ঘটনাস্থলীত উপস্থিত হৈ তিনিওকে উদ্ধাৰ কৰে যদিও দুজনৰ ইতিমধ্যে মৃত্যু ঘটিছিল। আৰক্ষীয়ে সংকটজনক অৱস্থাত পৰি ৰোৱা বৰ পুত্ৰ মিণ্টু সন্দিকৈক শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও অৱস্থা অধিক সংকটজনক হৈ পৰাত ডিব্ৰুগড়লৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰে। ঘটনাস্থলীত উদ্ধাৰ হোৱা পিতা-পুত্ৰৰ মৃতদেহ নিশাই মৰণোত্তৰ পৰীক্ষাৰ বাবে শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। আজি দিনৰ ভাগত মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পিছত পৰিয়াল আৰু গাঁওবাসীক চমজাই দিয়ে মৃতদেহ। শেহতীয়া বাতৰি মতে ডিব্ৰুগড়ত চিকিৎসাধীন বৰ পুত্ৰ মিণ্টুৰ অৱস্থা সংকটমুক্ত বুলি আৰক্ষীৰ সূত্ৰই জনাইছে। আনহাতে, আৰক্ষীয়ে দিনৰ ভাগত নিহত মৃদুল সন্দিকৈৰ পত্নীৰ ভাষ্য সংগ্ৰহ কৰে। আৰক্ষীৰ সন্মুখত দিয়া ভাষ্যত পত্নীগৰাকীয়ে নিয়মিত অভাৱগ্ৰস্ততাৰ বাবে সৃষ্টি হোৱা সংঘাত আৰু স্বামীৰ অত্যাচাৰৰ বাবেই ঘৰ এৰি যোৱাৰ কথা স্বীকাৰ কৰিছে। স্মৰ্তব্য যে এটা মাহৰ পূৰ্বে এনেবোৰ পাৰিবাৰিক সংঘাতৰ বাবেই নিহত মৃদুলে ডিমৌ নদীত জঁপিয়াই আত্মহননৰ চেষ্টা চলাইছিল যদিও গাঁওবাসীৰ তৎপৰতাৰ বাবেই সেইবাৰলৈ প্ৰাণ ৰক্ষা পৰিছিল। আনহাতে, মৃদুল সন্দিকৈয়ে লিখি যোৱা এক আত্মহত্যাৰ টোকাও আৰক্ষীয়ে লাভ কৰিছে। উক্ত টোকাত পত্নীৰ লগত হোৱা কাজিয়া, পত্নীৰ অবৈধ সম্পৰ্ক আদিৰ কথা উল্লেখ কৰি পত্নীয়ে মৰি যাবলৈ কোৱাৰ বাবে এনে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা বুলি উল্লেখ কৰি গৈছে মৃদুল সন্দিকৈয়ে। উক্ত টোকাত সন্দিকৈৰ পত্নীয়ে মৃদুলক তেওঁৰ ঘৰৰ মানুহে মাৰি পেলাব বুলিও ভাবুকি দিয়াৰ কথা উল্লেখ কৰিছে। আৰক্ষীয়ে সমগ্ৰ ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে।

## ছেমি ফাইনেলত ধিং এক্সপ্ৰেছ

হৈছিল। প্ৰথম মেচত মৃদুল মুখামুখি হয় ফ্লেংকলেণ্ড আইছলেণ্ডৰ ক্ৰিছ ল'কিৰ। মেচখনত মৃদুলে ২১-৫ৰে ব্যৱধানত জয়লাভ কৰে। ইফালে, দিনটোৰ পুৰুষৰ একক শাখাৰ দ্বিতীয়খন মেচত মৃদুলে ২১-১৯ ৰ ব্যৱধানত পৰাস্ত কৰে স্কটলেণ্ডৰ ইয়ান মেকলানক। উল্লেখ্য যে ভাৰতৰ মহিলা দলে ঐতিহাসিক সোণ লাভ কৰাৰ পাছত এতিয়া ভাৰতীয় লন বলৰ প্ৰতিগৰাকী সদস্যৰ আত্মবিশ্বাস তুংগত। মুঠ ১০ টা পদক ইভেণ্টৰ মেচ হ'বলগা লন বলত ভাৰতে আৰু অঘটন ঘটাব পাৰে। ইফালে, আজি মহিলাৰ ২০০ মিটাৰ দৌৰত অসমৰ ধিং এক্সপ্ৰেছ হিমা দাসে ২৩.৪২ ছেকেণ্ডত ৰেছ পূৰ্ণ কৰি ১৬জনৰ লগতে ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

## এল্ডাৰলাইন-১৪৫৬৭

কৰিছে। এই কাৰ্যসূচীৰ সফল ৰূপায়নৰ ক্ষেত্ৰত তথ্যসমূহ আহৰণৰ বাবে এম/এচ অলংকিত এছাইনমেণ্ট লিমিটেডক দায়িত্ব অৰ্পন কৰিছে। এই সংস্থাটোৱে সমাজ কল্যাণ বিভাগ আৰু জিলা প্ৰশাসনৰ হৈ কাম কৰিব। উল্লেখযোগ্য যে, বয়োজেষ্ঠ নাগৰিকৰ বাবে ৰাষ্ট্ৰীয় সহায়ৰ অধীনত বয়োজেষ্ঠসকলৰ বাবে বৃদ্ধাশ্ৰম, স্বাস্থ্য সেৱা, শাৰিৰীক কাৰ্যকলাপ, ফিজিঅ'থেৰাপী, ডে'কেয়াৰ সেৱা, যত্নমূলক সেৱা ইত্যাদি সেৱাসমূহ প্ৰদান কৰা হ'ব। লগতে, আইন সম্পৰ্কীয়, তত্বাৱধান আৰু বৃদ্ধ পেঞ্চন সম্পৰ্কীয় সেৱা লাভৰ বাবে প্ৰয়োজনীয় নেতৃত্ব গ্ৰহণ কৰিব। বৃদ্ধাৱস্থাত সন্মুখীন হোৱা জীৱনৰ সমস্যা, আত্মীয়ৰ সৈতে সম্পৰ্ক ৰক্ষা, অকলশৰীয়া অনুভৱ তথা মানসিক উত্তৰণৰ দিশতো সেৱা উপলব্ধ হ'ব। ইয়াৰ বাবে হেল্পলাইন নম্বৰ-১৪৫৬৭ মুকলি কৰি দিয়া হৈছে আৰু জিলা প্ৰশাসন, আৰক্ষী বিভাগ, স্বাস্থ্য বিভাগ, মহকুমা প্ৰশাসন, জিলা পৰিষদ, পৌৰ নিগম, জিলা আইন সম্পৰ্কীয় সেৱা প্ৰাধিকৰণ আৰু চক্ৰ বিষয়াই এই হেল্পলাইনৰ জৰিয়তে বয়োজেষ্ঠ নাগৰিকৰ প্ৰয়োজন সম্পৰ্কে জানিবলৈ সক্ষম হ'ব।

## মন্ত্ৰী পীযূষ হাজৰিকাই চালে

বিদ্যালয়খনৰ প্ৰতিটো শ্ৰেণীকক্ষত প্ৰৱেশ কৰে আৰু ছাত্ৰ ছাত্ৰীসকলৰ লগতে শিক্ষকসকলৰ লগতো মত বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে বিদ্যালয়খনত আজি উপস্থিত থকা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ সৈতে আন্তৰিকতাৰে মত বিনিময় কৰাৰ লগতে তেওঁলোকে গ্ৰহণ কৰি থকা পাঠ্যক্ৰম পদ্ধতিৰ প্ৰত্যক্ষ বুজ লয়। ছাত্ৰ-ছাত্ৰীসকলৰ পৰা তেওঁলোকে সন্মুখীন হৈ থকা সমস্যাৰ বিষয়ে বুজ লৈ মন্ত্ৰী হাজৰকাই এই সমস্যাসমূহ শীঘ্ৰে সমাধান কৰাৰ আশ্বাস দিয়ে। দুগৰাকীমান ছাত্ৰ-ছাত্ৰীয়ে তবলা, কী ব'ৰ্ড, খোল আদি বাদ্যযন্ত্ৰৰ প্ৰয়োজনৰ কথা কোৱাত মন্ত্ৰীগৰাকীয়ে ব্যক্তিগত পৰ্যায়ত এই বাদ্যযন্ত্ৰ ক্ৰয় কৰাৰ ব্যৱস্থা কৰে । আনহাতে, ছাত্ৰ-ছাত্ৰীৰ আৱাসত প্ৰদান কৰা খাদ্য সামগ্ৰীৰ গুণগত মান উন্নত কৰাৰ বাবে মন্ত্ৰীগৰাকীয়ে উপস্থিত বিভাগৰ সঞ্চালকক নিৰ্দেশনা প্ৰদান কৰি সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ অধীনত চলি থকা ৰাজ্যখনৰ সকলো বিদ্যালয়ত একে ধৰণৰ খাদ্য প্ৰদান কৰাৰ ব্যৱস্থা ল'বলৈ কয়। বিদ্যালয়খনত বহুকেইটা পদ খালী হৈ থকাৰ কথা জানিব পাৰি এইক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈও মন্ত্ৰীগৰাকীয়ে বিভাগক নিৰ্দেশ দিয়ে । আনহাতে, সময়ে সময়ে উপায়ুক্তক বিদ্যালয়খন পৰিদৰ্শন কৰি পৰিচ্ছন্নতা বৰ্তাই ৰখাতো সুনিশ্চিত কৰিবলৈও মন্ত্ৰীগৰাকীয়ে উপায়ুক্তক নিৰ্দেশ দিয়ে। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ আৱাসগৃহ পৰিদৰ্শন কৰি মন্ত্ৰী হাজৰিকাই অপৰিচ্ছন্ন পৰিৱেশ শীঘ্ৰে উন্নত কৰিবলৈ বিদ্যালয় প্ৰশাসনক নিৰ্দেশ দিয়ে। পাছত মন্ত্ৰীগৰাকীয়ে যোৰহাট বধিৰ বিদ্যালয় পৰিদৰ্শন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰাৰ প্ৰয়াস কৰে। বিদ্যালয়খনত শিক্ষকৰ অভাৱ থকাৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে মন্ত্ৰীগৰাকীয়ে বিভাগীয় বিষয়াক নিৰ্দেশ দিয়ে। বিদ্যালয়খনৰ আন্তগাঁথনিৰ বুজ লৈ মন্ত্ৰীগৰাকীয়ে খাদ্যৰ মান বুজ লোৱাৰ উদ্দেশ্যে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে একেলগে দুপৰীয়াৰ আহাৰো গ্ৰহণ কৰে। বিদ্যালয় দুখন পৰিদৰ্শন কৰাৰ পাছত স্থানীয় সাংবাদিকৰে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ দায়িত্ব লোৱাৰ পাছত আজি তেওঁ দিব্যাংগসকলৰ বাবে থকা যোৰহাটৰ এই বিদ্যালয় দুখন চাবলৈ আহিছে আৰু আন্তগাঁথনিৰ বুজ লৈছে । ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে সমাজৰ দিব্যাংগসকলৰ বাবে সম্ভৱপৰ সকলো কাম কৰিব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে দিব্যাংগসকলৰ বাবে আমি সকলোৱে কৰিব লগাখিনি কৰা উচিত। আনহাতে, সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ অধীনত ৰাজ্যখনত চলি থকা সকলো দিব্যাংগ বিদ্যালয়ত উন্নত মানৰ একে ধৰণৰ খাদ্য প্ৰদান কৰাৰ বিষয়ে আগন্তুক ১০ দিনৰ ভিতৰত প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ বিভাগৰ সঞ্চালকক নিৰ্দেশ দিয়া বুলিও মন্ত্ৰীগৰাকীয়ে সাংবাদিকক অৱগত কৰে। মন্ত্ৰী হাজৰিকাৰ আজিৰ পৰিদৰ্শন কালত মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, প্ৰাক্তন বিধায়ক হেমন্ত কলিতা, উপায়ুক্ত অশোক কুমাৰ বৰ্মন, সামাজিক ন্যায় আৰু সবলীকৰণৰ সঞ্চালক কিশোৰ ঠাকুৰীয়াৰ লগতে বিভাগীয় বিষয়াসকলে সংগ দিয়ে।

## 'মানৰ বোমা' গঢ়াত ব্যস্ত

হৈছে অসমত। এমাহত পাঁচটা গোট আনছাৰ উল্লাহ বাংলা টীমক উৎখাত কৰিছে অসম আৰক্ষীয়ে। বৰপেটাত বিগত চাৰি মাৰ্চত আনছাৰ উল্লাহ বাংলা টীমৰ এটা গোটক উৎখাত কৰা হৈছিল। মহম্মদ ছুমনক গ্ৰেপ্তাৰ কৰা হৈছিল ছুৱালীয়া দলটোৰ সৈতে। আটাইকেইজনে বাংলাদেশী। এতিয়া নিয়াই গোচৰটো সৈতে। বঙাইগাঁৱত বিগত ১৫ এপ্ৰিলত তৃতীয়টো গোট উৎখাত কৰা হয়। চাৰিজনক গ্ৰেপ্তাৰ কৰা হয়। ২৭ জুলাইত বৰপেটাত আন এটা গোটক উৎখাত কৰে, ৯জনক গ্ৰেপ্তাৰ কৰে। সংবাদমেলত এই তথ্য সদৰী কৰে মুখ্যমন্ত্ৰীয়ে। মৰিগাঁৱৰ গোটটো অতি গুৰুত্বপূৰ্ণ বুলি মহম্মদ কৰি মুখ্যমন্ত্ৰীয়ে কয়, এবিটি গোটটো একিউআইএছৰ সৈতে জড়িত। আমি মৌলবাদী বা জেহাদীৰ ঘাটিৰ সন্দৰ্ভত তথ্য পাইছোঁ, মুছলমানৰ পৰাই আহিছে। সকলো মুছলমান সমান নহয়। মছজিদত স্থানীয় ইমাম নহ'লে বাহিৰৰ ইমামক শুশ্ৰূষা নকৰিব। বাহিৰৰ ইমাম আহিলে স্থানীয় আৰক্ষীক খবৰ দিবলৈ আহ্বান জনায় ড° শৰ্মাই। মাদ্ৰাছাত কি পঢ়াই থকা হৈছে সেয়া স্থানীয় ৰাইজক খবৰ ৰাখিবলৈও আহ্বান জনায় মুখ্যমন্ত্ৰীয়ে। সাধাৰণ মুছলমান ৰাইজক মুখ্যমন্ত্ৰীৰ আহ্বান, বাহিৰৰ মানুহ আপোনালোকৰ অঞ্চললৈ আহিলে খবৰ দিয়ক স্থানীয় আৰক্ষীক। 'কোভিডৰ সময়ত এবিটিৰ জেহাদীৰ কাৰ্যকলাপ বৃদ্ধি কৰিছিল। যি সময়ত আমি কোভিড প্ৰতিহত কৰাত ব্যস্ত আছিলোঁ। অসম মৌলবাদীৰ হট বেল্টলৈ পৰিবৰ্তিত হৈছে। জেহাদীয়ে বৃহৎসংখ্যক লোকক একত্ৰিত কৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ চেষ্টা কৰে। বাকী উগ্ৰপন্থীয়ে যেনেকৈ ১৫ আগষ্টত গোটা ফুটাই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰে।' —ক'লে মুখ্যমন্ত্ৰীগৰাকীয়ে। শান্তিপ্ৰিয় মুছলমান ৰাইজক এই মৌলবাদী শক্তিক উৎখাত কৰিবলৈ সহায় কৰিবলৈ আহ্বান জনায় মুখ্যমন্ত্ৰীয়ে। তেওঁ কয়, এতিয়াৰ পৰা আমি মাদ্ৰাছাৰ শিক্ষাৰ ওপৰত কঠোৰ নজৰ ৰাখিম। অসমত কমি মাদ্ৰাছা ৮০০, হাফিজী মাদ্ৰাছা ৫০০ আৰু কোনো মাদ্ৰাছা আছে ২০০। তেওঁ জেহাদীক দেখা দিয়া নহ'ব বুলিও সকীয়াই দিয়ে।

## দীঘলীয়া আইনী যুঁজৰ পিছত

হিন্দু মন্দিৰসমূহৰ ভিতৰৰে এটা। পাকিস্তান এভেকুই ট্ৰাষ্ট প্ৰপাৰ্টী ব'ৰ্ডে যোৱা মাহত আদালতৰ নিৰ্দেশত স্থানীয় খ্ৰীষ্টান পৰিয়ালৰ পৰা মন্দিৰটো পুনৰুদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। লাক্ষ্মীয় কথাটো হ'ল, লাহোৰৰ বিখ্যাত কৃষ্ণ মন্দিৰৰ উপৰি বাল্মীকি মন্দিৰত সংখ্যালঘু হিন্দুসকলে প্ৰায় দুটা দশক আগলৈকে পূজা-পাৰ্বণ পালন কৰিব পৰা নাছিল। আনহাতে, যোৱা দুটা দশক ধৰি পাকিস্তানৰ হিন্দু লোকসকলে এই মন্দিৰত উপাসনা কৰিব পৰা নাই। জানিব পৰা মতে বিশ বছৰ আগতে বাল্মীকি মন্দিৰটো এটা স্থানীয় খ্ৰীষ্টান পৰিয়ালে দখল কৰি লৈছিল। তেওঁলোকে নিজকে ধৰ্মান্তৰিত হিন্দু বুলি দাবী কৰিছিল। দীৰ্ঘদিন ধৰি পৰিয়ালটোৱে কেৱল 'বাল্মীকি' জাতিৰ হিন্দুসকলক মন্দিৰত প্ৰৱেশ কৰিবলৈ আৰু পূজা কৰিবলৈ অনুমতি দি আহিছিল। স্বাভাৱিকতে চহৰখনৰ সংখ্যালঘু হিন্দুসকল এই কথাত অসন্তুষ্ট হৈ পৰিছিল। এভেকুই ট্ৰাষ্ট প্ৰপাৰ্টী ব'ৰ্ডে এই সন্দৰ্ভত এটা গোচৰ ৰুজু কৰাৰ পিছতে ঘটনা ক্ৰমে অন্য মোৰ লয়। গোচৰটো সন্দৰ্ভত ৰায়দান কৰি আদালতে নিৰ্দেশ দিছে যে এতিয়াৰে পৰা মন্দিৰটোৰ চোৱা-চিতা ন্যাসৰ সদস্যসকলে কৰিব। মন্দিৰত কোনে উপাসনা কৰিব পাৰিব বা নোৱাৰিব সেই ক্ষেত্ৰত খ্ৰীষ্টান পৰিয়ালটোৱে হস্তক্ষেপ কৰিব নোৱাৰিব। এভেকুইট্ৰাষ্ট প্ৰপাৰ্টী ব'ৰ্ডৰ মুখপাত্ৰ আমিৰ হাছমীয়ে কয় যে মন্দিৰটো পুনৰুদ্ধাৰ কৰাৰ পিছতে সংখ্যালঘু হিন্দু লোকসকল আনন্দিত হৈছে। আগন্তুক দিনত প্ৰাচীন মন্দিৰটোৰ ভগ্ন অংশটো মেৰামতি কৰা হ'ব বুলিও তেওঁ কয়। তেওঁ লগতে কয় যেট্ৰাষ্টে মন্দিৰটো সুচাৰুৰূপে চলাবলৈ একাধিক পৰিকল্পনা কৰিছে। ইফালে বেদখলমুক্ত হোৱাৰ পিছত কালি বাল্মীকি মন্দিৰত শ শ হিন্দু লোক সমবেত হয়। মন্দিৰটোত কেইবাজনো শিখ আৰু খ্ৰীষ্টান ধৰ্মগুৰুকো দেখিবলৈ পোৱা যায়। আজিও বিপুলসংখ্যক হিন্দু লোকে মন্দিৰটোত উপাসনা কৰে। মন্দিৰটোত সকলোৱে খোৱা-বোৱা কৰাৰ বাবে লংগাৰৰ ব্যৱস্থা কৰা হৈছে। উল্লেখ্য, ভাৰতত ৰাম মন্দিৰ-বাবৰি মছজিদক লৈ সৃষ্টি হোৱা উত্তেজনাৰ সময়ত লাহোৰৰ বাল্মীকি মন্দিৰটোৰ এটা অংশ দুৰ্বৃত্তই ভাঙি পেলাইছিল। এতিয়া মুছলমান লোকৰ প্ৰচেষ্টাতেই মন্দিৰটো বেদখলমুক্ত কৰা হৈছে।

## বৰপেটাত গ্ৰেপ্তাৰ দুই চাইবাৰ

উৎখাত হৈছে বহিঃৰাজ্যৰ পৰা নিয়ন্ত্ৰিত বৃহৎ চাইবাৰ অপৰাধী চক্ৰ। চাইবাৰ অপৰাধৰ সৈতে জড়িত দুই যুৱকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে বৰপেটা আৰক্ষী। বৰপেটা আৰক্ষীয়ে ভলুকাবাৰী গাঁৱৰ পৰা গ্ৰেপ্তাৰ কৰে ফৰিদ আব্দুলা আৰু জিয়াউৰ ৰহমান নামৰ দুই যুৱকক। ধৃত দুই যুৱকৰ ঘৰ বৰপেটা জিলাৰ কয়াকুছিত। দুই যুৱকৰ স্বীকাৰোক্তিত পোহৰলৈ আহিছে চাইবাৰ অপৰাধ জগতৰ কেতবোৰ বিস্ফোৰক তথ্য। বৰপেটা সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰঞ্জন দলেই সংবাদ মাধ্যমক জনোৱা মতে পিছপৰা গাঁৱৰ একাংশ দুখীয়া-নিছলা আৰু অশিক্ষিত লোকৰ এ টি এম কাৰ্ড ভাৰাত লৈছিল ধৃত দুই যুৱক ফৰিদ আব্দুলা আৰু জিয়াউৰ ৰহমানে। পোন্ধৰশ টকাৰ বিনিময়ত অৰ্ধ শতাধিক লোকৰ পৰা ভাৰাত লোৱা এ টি এম কাৰ্ডসমূহ আছিল ফেডাৰেল বেংকৰ । ভাৰাত লোৱা এ টি এম কাৰ্ডসমূহ পশ্চিমবংগৰ আলিপুৰ দুৱাৰৰ এটি চাইবাৰ অপৰাধী চক্ৰৰ হাতত জমা দিছিল দুই যুৱকে । বহিঃৰাজ্যৰ চাইবাৰ অপৰাধী চক্ৰটোৱে বিভিন্ন লোকৰ একাউণ্টৰ ধন ভাৰাত লোৱা এ টি এম কাৰ্ডসমূহৰ বিপৰীতে থকা একাউণ্ট নম্বৰসমূহলৈ প্ৰেৰণ কৰিছিল । পৰৱৰ্তী সময়ত ভাৰাত লোৱা এ টি এম কাৰ্ডসমূহৰ একাউণ্ট নম্বৰৰ বিপৰীতে জমা হোৱা ধনৰাশি এ টি এমৰ জৰিয়তে সৰকাই লৈছিল চাইবাৰ অপৰাধী চক্ৰটোৱে। বেংকত থকা গ্ৰাহকৰ সাঁচতীয়া ধন এনে ধৰণৰ অভিনৱ কৌশল আৰু পৰিকল্পনাৰে সৰকাই নিয়াৰ ঘটনা ৰাজ্যখনৰ ভিতৰত এয়াই প্ৰথম বুলি দাবী কৰিছে বৰপেটা আৰক্ষীয়ে। ঘটনা সন্দৰ্ভত বৰপেটা আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

## চাপৰত ৰঙামাটিৰ ক'লা বেহা

সমষ্টিৰ প্ৰাক্তন বিধায়ক প্ৰশান্ত কুমাৰ বৰুৱাৰ বুলি জানিব পৰা গৈছে। পট্টা মাটি ডোখৰৰ পৰা বছৰি তিনি হাজাৰ চি এম মাটি খননৰ অনুমতি লাভ কৰিছে বন বিভাগৰ ফালৰ পৰা। কিন্তু বছৰি ৩০০০ হাজাৰ চি এমৰ মাটিৰ কৰ আদায় দি এমাহৰ ভিতৰতে পঞ্চাচ হাজাৰৰো অধিক চি এম মাটি খনন কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ধুবুৰী জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে। উল্লেখ্য, ৰাষ্ট্ৰীয় ঘাইপথৰ মাটিও হেষ্ট-নেষ্ট কৰাৰ অভিযোগ। ইপিনে দেখিও নেদেখাৰ ভাও জোৰা বন বিভাগৰ বিৰুদ্ধে সৰৱ হয় ধুবুৰী জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি। এক সপ্তাহৰ ভিতৰত উক্ত বিষয়ত ধুবুৰী জিলা উপায়ুক্তক উচিত তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায় অন্যথা সংগঠনটোৱে গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি জানিবলৈ দিয়ে।

## যুদ্ধই ৰুদ্ধ কৰিব নোৱাৰিলে

পৰম্পৰাগত হিমাচলী লোকগীতত নৃত্যও কৰিছিল। অতিথিসকলক কাংৰি ধামত আপ্যায়নো কৰা হয়। ইউক্ৰেইনৰ যুৱতীগৰাকীৰ পৰিয়ালৰ বিশেষ কোনো লোক অৱশ্যে যুদ্ধৰ বাবেই বিবাহ অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰিলে। তথাপি তেওঁলোকৰ মনত কোনো দুখ নাই। তেওঁলোকৰ এটাই প্ৰাৰ্থনা—যুদ্ধ বন্ধ হওক, মানুহে পুনৰ শান্তিৰে, সমিল-মিলেৰে বাস কৰক। দুই নৱ-দম্পতীক আজি হিয়া উজাৰী আশীৰ্বাদ দিয়ে ভাৰতৰ লোকসকলে।

## আছে প্ৰচুৰ সম্ভাৱনা

মাল হিচাপে ব্যৱহাৰ কৰি স্থানীয়ভাৱে কেনেদৰে উদ্যোগ স্থাপন কৰি উদ্যোগীকৰণৰ লগতে ৰাজ্যত নিয়োগৰ সুবিধা বৃদ্ধি কৰিব পাৰি, তাৰে চিন্তা-চৰ্চা কৰিছে। এই উদ্দেশ্যে কাইলৈ লেপেটকাটাত গেছ ক্ৰেকাৰ চৌহদত যাক আমি ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ্ছ এণ্ড পলিমাৰ লিমিটেড (বিচিপিএল) হিচাপে জানো ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান দপ্তৰৰ মন্ত্ৰী বিমল বড়াৰ অধ্যক্ষতাত এখনি পৰ্যালোচনা বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত আই আই টি, গুৱাহাটী, চিপেট আদিৰ বিশেষজ্ঞই এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক নিষিদ্ধ হোৱাৰ পাছত বিকল্প প্ৰযুক্তিৰ সন্দৰ্ভত আলোচনা আগবঢ়াব। চৰকাৰী পৃষ্ঠাপোষকতা আগবঢ়োৱা আঁচনিসমূহৰ সফল ৰূপায়ণেৰে উদ্যোগ স্থাপনৰ ক্ষেত্ৰত বেংকৰ ভূমিকা, প্ৰধানমন্ত্ৰীৰ নিয়োগ সৃষ্টি কাৰ্যসূচী (পি এম ই জি পি)ৰ অগ্ৰগতি তথা এই ক্ষেত্ৰত জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰসমূহৰ ভূমিকা আদিৰ ওপৰত এই বৈঠকত পৰ্যালোচনা কৰা হ'ব। উল্লেখ্য যে এই গেছ ক্ৰেকাৰ প্ৰকল্পৰ ৭০শতাংশ অংশীদাৰীত্ব আছে গেইল ইণ্ডিয়া লিমিটেডৰ হাতত। একেদৰে অসম চৰকাৰ, নুমলীগড় ৰিফাইনেৰী লিমিটেড আৰু অইল ইণ্ডিয়া লিমিটেড আৰু অইল ইণ্ডিয়া লিমিটেড প্ৰত্যেকৰে হাতত আছে ১০ শতাংশকৈ অংশীদাৰিত্ব। বছৰি দুই লাখ ৮০ হাজাৰ মেট্ৰিকটন উৎপাদনক্ষম উদ্যোগটোৰ মাত্ৰ ১৫ৰ পৰা ২০ শতাংশ কেঁচামালহে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত ব্যৱহাৰ হয়। বাকী ৮০ শতাংশই দেশৰ অন্যান্য ৰাজ্যলৈ যায়। মূলতঃ গেছ ক্ৰেকাৰ প্ৰকল্পটিত উৎপাদিত লিনিয়াৰ ল' ডেনছিটি পলি ইথিলিন, হাই ডেনছিটিপলি ইথিলিন আৰু পলি প্ৰপিলিনৰ পৰা যিকোনো প্লাষ্টিকৰ সামগ্ৰী তৈয়াৰ কৰিব পাৰি। এই কেঁচা মাল ব্যৱহাৰ কৰি উদ্যোগ স্থাপনৰ বাবে অসম উদ্যোগিক উন্নয়ন নিগমৰ অধীনত তিনিচুকীয়াৰ গেলা পুখুৰীত এখন প্লাষ্টিক পাৰ্ক নিৰ্মাণ কৰা হৈছিল যদিও ইয়াৰ অগ্ৰগতিও আশানুৰূপ হোৱা নাই। সেয়েহে উদ্যোগ মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিয়েই বিমল বৰাই গেছ ক্ৰেকাৰ প্ৰকল্পৰ কেঁচা মাল ব্যৱহাৰ কৰি ৰাজ্যত উদ্যোগ স্থাপনৰ সম্ভাৱনীয়তাসমূহ কাৰ্যকৰী কৰাৰ বাবে এই উদ্যোগ গ্ৰহণ কৰিছে।

# দুটা বছৰে স্থায়ী অধ্যক্ষ অবিহনে পৰিচালিত হৈছে বানমুখ হায়াৰ ছেকেণ্ডাৰী স্কুল

### স্থলাভিষিক্তক অধ্যক্ষ নিযুক্তিক লৈ শিৱসাগৰত বৌদ্ধিক মহলৰ মাজত প্ৰতিক্ৰিয়া

### জ্যেষ্ঠতাৰ ভিত্তিৰ বিপৰীতে কনিষ্ঠ সহকাৰী শিক্ষকক অধ্যক্ষৰ দায়িত্ব অৰ্পণ শিক্ষা বিভাগৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৪ আগষ্ট ঃ** ৰাজ্য চৰকাৰৰ শিক্ষা সঞ্চালকৰ কাৰ্যালয়ৰ তৰফৰ পৰা এগৰাকী সহকাৰী তথা কনিষ্ঠ শিক্ষয়িত্ৰীক এখন হায়াৰ ছেকেণ্ডৰী স্কুলৰ অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰাক লৈ শেহতীয়াকৈ শিৱসাগৰ জিলাখনৰ বৌদ্ধিক মহলৰ মাজত সৃষ্টি হৈছে প্ৰতিক্ৰিয়াৰ। এগৰাকী সহকাৰী তথা কনিষ্ঠ শিক্ষয়িত্ৰীক অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰাৰ ক্ষেত্ৰত শিৱসাগৰ জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰো বিশেষ ভূমিকা থকা বিষয়টো ক্ৰমান্বয় পোহৰলৈ আহিছে। আমাৰ হাতত থকা তথ্য অনুসৰি শিৱসাগৰ জিলা বিদ্যালয়সমূহৰ তদানীন্তন পৰিদৰ্শকগৰাকীৰ দ্বাৰা সংশ্লিষ্ট হায়াৰ ছেকেণ্ডৰী স্কুলখনৰ হৈ জ্যেষ্ঠতাৰ ভিত্তিত ৰাজ্যিক শিক্ষা সঞ্চালকৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰা প্ৰতিবেদন ভিত্তিত উক্ত হায়াৰ ছেকেণ্ডৰী স্কুলখনত এগৰাকী সহকাৰী শিক্ষয়িত্ৰীয়ে বিদায়ী অধ্যক্ষৰ স্থলাভিষিক্ত অধ্যক্ষ হিচাপে নিযুক্তি লাভ কৰিবলৈ সক্ষম হৈছিল। জ্যেষ্ঠ শিক্ষকক অতিক্ৰম কৰি কেনেদৰে এগৰাকী সহকাৰী শিক্ষয়িত্ৰীয়ে এখন হায়াৰ ছেকেণ্ডৰী স্কুলৰ অধ্যক্ষৰ দায়িত্ব লাভ কৰিবলৈ সক্ষম হ'ল সেয়াও এক প্ৰশ্নৰ বিষয়। উল্লেখ্য, শিৱসাগৰ জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ অন্তৰ্গত বানমুখ হায়াৰ ছেকেণ্ডৰী স্কুলৰ অধ্যক্ষ দিলীপ গগৈয়ে চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল বিগত ৩০ জুন ২০২২ তাৰিখে। দিলীপ গগৈয়ে অৱসৰ গ্ৰহণ কৰাৰ পিছত উক্ত অধ্যক্ষৰ পদত সাক্ষাৎকাৰ অনুষ্ঠিত হ'ব লাগিছিল। কিন্তু সাক্ষাৎকাৰ বিভাগীয়ভাৱে অনুষ্ঠিত নহ'ল। শিৱসাগৰ জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ পৰা জানিব পৰা মতে অধ্যক্ষৰ পদটো সম্পূৰ্ণ অস্থায়ী। অস্থায়ী পদ হোৱাৰ বাবেই পদটোৰ বাবে কোনো সাক্ষাৎকাৰ অনুষ্ঠিত নহ'ল। জ্যেষ্ঠতাৰ ভিত্তিত দিলীপ গগৈৰ স্থলাভিত্তিত সহকাৰী শিক্ষয়িত্ৰী পুণ্যৱতী টায়ে মিলিক শিক্ষা সঞ্চালকৰ কাৰ্যালয়ে হায়াৰ ছেকেণ্ডৰী স্কুলখনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰিছে। উল্লেখ্য, বৰ্তমান স্কুলখনত ভাৰপ্ৰাপ্ত অধ্যক্ষ পুণ্যৱতী টায়ে মিলিৰ লগতে হেমাঞ্জলি গগৈ, গজেন্দ্ৰ নাথ দত্ত, পৱন কুমাৰ বৰপাত্ৰ, অজিত মহন, মণ্টুমণি বৰুৱা আৰু পদ্মী পাংগিং টায়ে জ্যেষ্ঠতাৰ ভিত্তিত শিক্ষকতা কৰি আছে। এইসকল শিক্ষক-শিক্ষয়িত্ৰীৰ ভিতৰত হেমাঞ্জলি গগৈয়ে ১৫ ডিচেম্বৰ ১৯৯৩ চন, গজেন্দ্ৰ নাথ দত্তই ২৪ নৱেম্বৰ ১৯৮৯ চন, পৱন কুমাৰ বৰপাত্ৰই ৪ অক্টোবৰ ১৯৯৩ চন, অজিত মহনেও ৪ অক্টোবৰ ১৯৯৩ চন, মণ্টুমণি বৰুৱাই ১৮ অক্টোবৰ ১৯৯৫ চন আৰু পদ্মী পাংগিং টায়ে ১৭ মাৰ্চ ১৯৯২ চনত শিক্ষক হিচাপে চাকৰিত যোগদান কৰিছিল। এইসকল শিক্ষক-শিক্ষয়িত্ৰীৰ ভিতৰত এম এ আৰু বি এড ডিগ্ৰীধাৰীও আছে। তথাপি জ্যেষ্ঠতাৰ ভিত্তিত শিক্ষা সঞ্চালকৰ কাৰ্যালয়ৰ তৰফৰ পৰা নিযুক্তি দিয়াৰ বিপৰীতে কনিষ্ঠ শিক্ষকক কি ৰহস্যগত কাৰণত নিযুক্তি প্ৰদান কৰিলে ইয়াক লৈও প্ৰশ্ন উত্থাপন হৈছে। আনহাতে, শিৱসাগৰ জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি বানমুখ হায়াৰ ছেকেণ্ডৰী স্কুলৰ অধ্যক্ষৰ পদটো সম্পূৰ্ণ অস্থায়ী। পদটো অস্থায়ী হোৱাৰ হেতুকে উক্ত পদৰ বাবে সাক্ষাৎকাৰ গ্ৰহণ কৰা হোৱা নাই। কিন্তু প্ৰাক্তন অধ্যক্ষ দিলীপ গগৈয়ে অৱসৰ গ্ৰহণ কৰা আজি দুটা বছৰ অতিক্ৰম কৰিলে যদিও ৰাজ্যৰ শিক্ষা সঞ্চালকৰ কাৰ্যালয়ে বানমুখ হায়াৰ ছেকেণ্ডৰী স্কুলত এগৰাকী স্থায়ী আৰু জ্যেষ্ঠ শিক্ষকক অধ্যক্ষ হিচাপে নিযুক্তি দিব নোৱৰা বিষয়টোৱে যথেষ্ট তাৎপৰ্য বহন কৰিছে।

## চামগুৰিৰ বাজিয়াগাঁৱত ড্ৰাগ্‌ছসহ এজনক আটক

**দৈনন্দিন বাৰ্তা সেৱা, চামগুৰি, ৪ আগষ্ট ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত বাজিয়াগাঁও অঞ্চলৰ স্থানীয় একাংশ লোকে আজি ড্ৰাগ্‌ছসহ এজন লোকক আটক কৰি আৰক্ষীৰ হাতত চমজাই দিয়ে। জানিব পৰা মতে চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত বাজিয়াগাঁও অঞ্চলত গঠন হোৱা ড্ৰাগ্‌ছ নিৰ্মূল সমিতিয়ে আজি পুৱাৰ পৰা ড্ৰাগ্‌ছৰ বিৰুদ্ধে অঞ্চলটোত অভিযান চলায়। পৰৱৰ্তী সময়ত স্থানীয় ৰাইজৰ সহযোগত উক্ত ড্ৰাগ্‌ছ নিৰ্মূল সমিতিয়ে বাজিয়াগাঁও অঞ্চলত ড্ৰাগ্‌ছ বিক্ৰী কৰিবলৈ অহা অৱস্থাত ৰূপহীহাটৰ জীউমাৰীৰ কাজল উদ্দিন (২৫) নামৰ ড্ৰাগ্‌ছ পেডলাৰজনক আটক কৰাৰ লগতে দুটাকৈ ড্ৰাগ্‌ছভৰ্তি চাবোনৰ বাকচ জব্দ কৰিবলৈ সক্ষম হয়। পৰৱৰ্তী সময়ত বাজিয়াগাঁও ড্ৰাগ্‌ছ নিৰ্মূল সমিতিয়ে জব্দ কৰা উক্ত ড্ৰাগ্‌ছখিনিৰ লগতে ড্ৰাগ্‌ছ পেডলাৰজনক চামগুৰি আৰক্ষীৰ হাতত গতাই দিয়ে। উক্ত ড্ৰাগ্‌ছ পেডলাৰজনে দীৰ্ঘদিন ধৰি চামগুৰিকে ধৰি বিভিন্ন অঞ্চলত ড্ৰাগ্‌ছৰ ব্যৱসায় চলাই আহিছিল বুলি স্থানীয় একাংশ লোকৰ লগতে আৰক্ষীয়ে জানিবলৈ দিয়ে। ড্ৰাগ্‌ছ নিৰ্মূল সমিতিয়ে আটক কৰি আৰক্ষীৰ হাতত গতাই দিয়া উক্ত ড্ৰাগ্‌ছ পেডলাৰজনক আৰু অধিক তথ্যৰ বাবে আৰক্ষীয়ে চামগুৰি আৰক্ষী থানাত জেৰা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

## আঙুৰলতা ডেকাৰ বিৰুদ্ধে মৰাণত ৭টাকৈ সংগঠনৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ৪ আগষ্ট ঃ** ৰাজ্যিক মহিলা মৰ্চাৰ সভানেত্ৰী তথা প্ৰাক্তন বিধায়িকা আঙুৰলতা ডেকাৰ নেতৃত্বত ২৮ জুলাই তাৰিখে ওলোৱা প্ৰতিবাদী সমদলত আহোম জাতি মুৰ্দাবাদ শ্ল'গান দিয়াক লৈ আজি মৰাণত ৭টাকৈ জাতীয় সংগঠনে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। তাই আহোম যুৱ পৰিষদ অসমৰ ( টাইপা) উদ্যোগত সদৌ অসম আহোম সভা, আহোম জাতীয় গণ মঞ্চ, তাই আহোম জাতীয় পৰিষদ, আহোম সেনা, আহোম জাতীয় মহাসভা আৰু মহন দেওধাই বাইলুং সন্মিলনৰ সহযোগত আজি মৰাণৰ মাজমজিয়াত বিভিন্ন শ্ল'গানেৰে প্ৰতিবাদ সাব্যস্ত কৰে। এই প্ৰতিবাদস্থলীৰ পৰাই আহোম জাতিক অপমান কৰা বিজেপি মহিলা মৰ্চাৰ নেত্ৰী আঙুৰলতা ডেকাক আইনগত শাস্তি দিবলৈ দাবী জনায়। চৰকাৰে অতি সোনকালে যদি আঙুৰলতাক আইনগত শাস্তি নিবিহে তেন্তে অনাগত দিনত ইয়াতকৈ অধিক জংগী আন্দোলৰ কাৰ্যসূচী হাতত ল'ব বুলি হুংকাৰ দিয়ে।

## দুজন নতুন উপাচাৰ্যক

অন্যান্যসকলৰ লগতে অসমৰ ফাৰ্ষ্ট লেডী প্ৰেম মুখী, শিক্ষামন্ত্ৰী ড° ৰণোজ পেগু, অসম চৰকাৰৰ শিক্ষা উপদেষ্টা অধ্যাপক ননী গোপাল মহন্ত, উপদেষ্টা চেন্সেলৰৰ সচিবালয় অধ্যাপক এম কে চৌধুৰী, আয়ুক্ত আৰু সম্পাদক জি এ ডি, উচ্চ শিক্ষা এম বিভিন্ন বিশ্ববিদ্যালয়ৰ মণিভান্ন উপাচাৰ্য, উচ্চ শিক্ষা সচিব ড° দীপক মজুমদাৰ আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল।

## জেহাদীৰ ঘাটিত পৰিণত

কৰিছিল সাতজনকৈ লোকক। আজি পুৱাই মৰিগাঁও জিলা আৰক্ষী অধীক্ষক অপৰ্ণা নটৰাজনৰ উপস্থিতিত মৰিগাঁও আৰক্ষীয়ে মাদ্ৰাছাখনত বুলড'জাৰ লগাই উচ্ছেদ কৰে। আৰক্ষী অধীক্ষকগৰাকীয়ে জানিবলৈ দিয়া অনুসৰি মুস্তফা মুফতীৰ মোবাইল ফোন পৰীক্ষা কৰি তাৰ লগত জড়িতসকলকো আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে। অসমৰ ভিন্ন প্ৰান্ততো মুফতী মুস্তফাৰ লিংক থকাৰ সন্দেহ প্ৰকাশ কৰিছে আৰক্ষী অধীক্ষকগৰাকীয়ে।

## চেঙাত চিকিৎসালয়লৈ

পৰা মতে খোলাবান্ধা চৰৰ পৰা নগৰবেৰা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ প্ৰায় ১০ কিঃ মিঃ বাট এখন তক্তা, তিনিডাল বাঁহ আৰু এখন বিছনা চাদৰেৰে সাঙী বনাই ৰোগীক নিবলগীয়া হৈছে। প্ৰসূতি, গৰ্ভৱতীসকলক জৰুৰী অৱস্থাত স্বাস্থ্য কেন্দ্ৰলৈ লৈ যাওঁতে যাতায়াতৰ অসুবিধা বাবে যমৰ-যাতনাত ভুগিবলগীয়া হৈছে চৰাঞ্চলবাসীয়ে। শীঘ্ৰে চেঙা সমষ্টিৰ বৃহত্তৰ খোলাবান্ধাৰ চৰাঞ্চলত এম্বুলেঞ্চ সেৱাৰ লগতে যাতায়াতৰ সুবিধাৰ বাবে ৰাস্তা-ঘাটসমূহ সুচল কৰি তোলাৰ দাবী জনাইছে ৰাইজে।

## পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰক

অধ্যায়ৰ বিষয়ে দেশবাসীক অধিক সজাগ-সচেতন কৰাৰ আহ্বানেৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সকলো ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ এক পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰখনত মুখ্যমন্ত্ৰী ড° শৰ্মাই দেশৰ বিভিন্ন ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকলক মহাবীৰ লাচিতৰ শৌৰ্য-বীৰ্য, স্বদেশপ্ৰেম তথা অসমৰ ইতিহাসৰ এই গৌৰৱময় অধ্যায়ৰ বিষয়ে অৱগত কৰাৰ স্বাৰ্থত বিভিন্ন ৰাজ্যৰ বিদ্যালয়-মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত লাচিত বৰফুকনৰ এই গৌৰৱ গাঁথা সন্নিৱিষ্ট কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে অনুৰোধ জনাইছে। উল্লেখ্য যে ১৬৭১ চনৰ শৰাইঘাটৰ যুদ্ধত লাচিত বৰফুকনে অসুস্থ দেহাৰেও সন্মুখৰ পৰা নেতৃত্ব দি মোগলৰ বিশাল বাহিনীক পৰাভূত কৰিছিল। মহাবীৰ লাচিতৰ এনে অতুলনীয় বিক্ৰম আৰু নেতৃত্বৰ বাবেই মোগলৰ আগ্ৰাসনৰ পৰা উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি, পৰিচয় আৰু স্বকীয়তা অক্ষুণ্ণ থাকিল। মুখ্যমন্ত্ৰীয়ে পত্ৰখনত কয় যে মহাবীৰ লাচিতৰ এই দেশপ্ৰেম আৰু জন্মভূমিৰ প্ৰতি আত্মোৎসৰ্গৰ মনোভাৱ দেশৰ নৱ প্ৰজন্মক উদ্বুদ্ধ কৰাৰ বাবে এক অনন্য অনুপ্ৰেৰণাৰ উৎস। কিন্তু দেশৰ অন্যান্য অংশত আন বীৰসকলৰ তুলনাত লাচিত বৰফুকনৰ বিষয়ে জনসাধাৰণ তুলনামূলকভাৱে কমকৈ অৱগত। এনে প্ৰেক্ষাপটত লাচিত বৰফুকনৰ ৪০০ তম্ জন্মজয়ন্তীৰ সৈতে সংগতি ৰাখি তেওঁৰ বিষয়ে দেশবাসীক বিতংভাৱে অৱগত কৰাৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই অন্যান্য ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলক অনুৰোধ জনাইছে। বিদ্যালয়-মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত মহাবীৰ লাচিত বৰফুকনৰ বীৰ গাঁথাৰ অন্তৰ্ভুক্তিৰ এনে পদক্ষেপৰ জৰিয়তে দেশৰ অন্যান্য ৰাজ্যসমূহে নৱ প্ৰজন্মক দেশপ্ৰেমৰ ভাৱনাৰে অনুপ্ৰাণিত কৰাৰ লগতে তেওঁলোকক উৎসৰ্গিত মনোভাৱেৰে দেশসেৱাত ব্ৰতী হ'বলৈ অনুপ্ৰেৰণা যোগাব বুলি ড° শৰ্মাই আশা প্ৰকাশ কৰে।

## প্ৰাক্তন শ্ৰমমন্ত্ৰী দিলেশ্বৰ তাঁতীৰ শেষকৃত্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ৪ আগষ্ট ঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত কালি মৃত্যু ঘটাৰ পিছত প্ৰাক্তন শ্ৰমমন্ত্ৰী দিলেশ্বৰ তাঁতীৰ নশ্বৰদেহ আজি পুৱা ইয়াৰ ওচৰৰ বৰহাপজানৰ কেছেৰুগুৰি গাঁৱৰ ঘৰলৈ লৈ অহা হয়। আজি আবেলি বহু গুণমুগ্ধৰ উপস্থিতিত কেছেৰুগুৰি গাঁৱৰ শ্মশানঘাটত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। মুখাগ্নি কৰে একমাত্ৰ পুত্ৰ ৰাহুলে। শেষকৃত্যত অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় সভাপতি পৱন সিং ঘাটোৱাৰ আৰু সাধাৰণ সম্পাদক তথা ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালা, ডুমডুমাৰ প্ৰাক্তন বিধায়ক দুৰ্গা ভূমিজ, ডিগবৈ সমষ্টিৰ বিধায়ক সুৰেন ফুকন, আটছা আৰু আছাৰ তিনিচুকীয়া জিলা সমিতি, বৰহাপজান শাখা সাহিত্য সভা, বৰহাপজানৰ স্থানীয় সংস্থা-সংগঠন আদিৰ কৰ্মকৰ্তাসকলে যোগদান কৰে। আজি পুৱা তেওঁৰ নশ্বৰদেহ তেওঁলোকৰ কেছেৰুগুৰিৰ ঘৰ আহি পোৱাৰ লগে লগে তাত ৰৈ থকা বহু সংস্থা-সংগঠন আৰু লোকে শেষ শ্ৰদ্ধা নিবেদন কৰে। তাৰ পিছতে এখন স্বৰ্গৰথত নশ্বৰদেহ ডুমডুমালৈ লৈ অহা হয়। প্ৰথমতে ডুমডুমাৰ নেহৰু ৰোডত থকা অসম চাহ মজদুৰ সংঘ ডুমডুমা শাখা কাৰ্যালয়ৰ সমুখলৈ লৈ অহাত তাতে অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় সমিতিৰ হৈ সভাপতি পৱন সিং ঘাটোৱাৰ আৰু সাধাৰণ সম্পাদক ৰূপেশ গোৱালাই তেওঁৰ মৃতদেহ সংঘৰ পতাকাৰে আবৃত কৰি সন্মান প্ৰদৰ্শন কৰে। তাতে সংঘৰ শাখাৰ পৰা পদাধিকাৰসকলে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে চুবুৰীয়া চাহ বাগিচাসমূহৰ পৰা অহা অগণন চাহ শ্ৰমিকে তেওঁলোকৰ প্ৰিয় নেতাজনলৈ শেষবাৰৰ বাবে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তাৰ পিছতে মৃতদেহ ডুমডুমাৰ উদৰোডত থকা কংগ্ৰেছ ভৱনলৈ লৈ যোৱা হয়। তাতে কাকপথাৰ ব্লক কংগ্ৰেছৰ কৰ্মকৰ্তাসকলৰ লগতে প্ৰাক্তন বিধায়ক দুৰ্গা ভূমিজেও শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ডুমডুমাৰ গান্ধী মূৰ্তিৰ ওচৰত আয়োজিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অৰ্পণৰ স্থানলৈ মৃতদেহ লৈ অহা হয়। তাত প্ৰথমে ডুমডুমা পৌৰ সভাৰ হৈ পৌৰপতি কান্তা ভট্টাচাৰ্য, ডুমডুমা চেম্বাৰ্ছ অৱ কমাৰ্চৰ সভাপতি কিষণলাল পাৰিক, তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি অৰ্জুন বৰুৱা, তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সভাপতি অনুজ কলিতা, ডুমডুমা প্ৰেছ ক্লাবৰ সম্পাদক মনোজ বৰুৱা, ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° আব্দুল কাদিৰ, অসম চাহ মজদুৰ সংঘৰ সভাপতি পৱন সিং ঘাটোৱাৰ, ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালা, অনাম, ডুমডুমা নাট্য মন্দিৰ সমিতি, ডুমডুমা জাতীয় বিদ্যালয়, লটাছ একাডেমী ছিনিয়ৰ ছেকেণ্ডৰী স্কুল, ডুমডুমা শাখা সাহিত্য সভা, ডুমডুমা মাৰোৱাৰী সন্মিলন, অনাম, ডুমডুমা নামঘৰ, ভোজপুৰী যুৱ-ছাত্ৰ পৰিষদ, মাৰোৱাৰী পঞ্চায়তী ভৱন, ডুমডুমা জ্যেষ্ঠ নাগৰিক মঞ্চ আদিয়ে নশ্বৰদেহত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ৰাজহুৱা অনুষ্ঠানটোৰ পৰিচালক অৰ্জুন বৰুৱাই ৰাইজৰ সমুখত দিলেশ্বৰ তাঁতীৰ কৰ্মৰাজিৰ চমু খতিয়ান দাঙি ধৰা সময়ত কয় যে তেওঁ অতি নিষ্ঠা আৰু সততাৰে জীৱন নিৰ্বাহ কৰিছিল। তেওঁ পাঁচ বছৰ কাল অসমৰ শ্ৰম আৰু নিয়োগ মন্ত্ৰী আৰু সুদীৰ্ঘ ২৮ বছৰ কাল ডুমডুমাৰ বিধায়ক আছিল যদিও বৰ্তমানে বৰহাপজানৰ কেছেৰুগুৰিত থকা তেওঁলোকৰ মাটিখিনি কিনা, ঘৰ নিৰ্মাণ কৰা আদি বিষয়ত তেওঁ এটা ফুটাকড়িও আগবঢ়াবলৈ সমৰ্থ নহ'ল। সেই মাটি-ঘৰ তেওঁৰ সহযোগীসকলে বৰঙণি সংগ্ৰহ কৰি ব্যৱস্থা কৰি দিছিল। গতিকে, তেওঁ কিমান সৎ আৰু নিষ্ঠাৱান আছিল সেই কথাই প্ৰমাণ কৰে বুলি ৰাইজক জানিবলৈ দিয়ে। উল্লেখ্য, মৃতকৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি আজি পুৱাৰ পৰা দিনৰ ১২ বজালৈ ডুমডুমা চেম্বাৰ্ছ অৱ কমাৰ্চৰ অনুৰোধ মৰ্মে ডুমডুমা চহৰৰ সমূহ দোকান-পোহাৰ ব্যৱসায়ীসকলে স্বেচ্ছাই বন্ধ কৰি ৰাখে।

## ৯খন নকল নাওসহ তেৰ টুকুৰা নকল সোণ উদ্ধাৰ

### ৬ গ্ৰাম হেৰ'ইন জব্দ ঃ মহিলাসহ গ্ৰেপ্তাৰ দুজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৪ আগষ্ট ঃ** নগাঁও আৰক্ষীয়ে কালি নিশা এক অভিযান চলাই নগাঁও চহৰৰ নিকটৱৰ্তী কাতিমাৰী চলচলিৰ পৰা ৰহিমা খাতুন নামৰ এজনী ড্ৰাগ্‌ছ সৰবৰাহকাৰীক গাঁওৰক্ষী বাহিনীৰ মহিলা সদস্যসকলৰ সহযোগত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ৰহিমাৰ পৰা ২৯টা ড্ৰাগ্‌ছ ভৰ্তি কণ্টেইনাৰ জব্দ কৰাৰ লগতে ৰহিমাৰ স্বীকাৰোক্তিৰ ভিত্তিত একেখন গাঁৱৰে আব্দুল জব্বৰৰ ঘৰৰ পৰা ৯ খন নকল সোণৰ নাওসহ ১৩ টুকুৰা নকল সোণৰ বিস্কুট উদ্ধাৰ কৰে। আৰক্ষীয়ে আব্দুল জব্বৰকো গ্ৰেপ্তাৰ কৰে। পিছত কেইবাটাও ধাৰাত এটা গোচৰ ৰজু কৰি ধৃত আব্দুল জব্বৰ আৰু ৰহিমা খাতুনক আজি আদালতলৈ প্ৰেৰণ কৰে। স্থানীয় সচেতন ৰাইজে আৰক্ষী আৰু গাঁওৰক্ষী বাহিনীৰ কৰ্মৰাজিক ভূয়সী প্ৰশংসা কৰিছে।

## মেৰাপানীৰ মক্ৰং চিংফুৰাত গাহৰিৰ অস্বাভাৱিক মৃত্যু ঃ চিন্তিত গাহৰিপালক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ৪ আগষ্ট ঃ** গোলাঘাট জিলাৰ মেৰাপানী মক্ৰঙৰ ১নং চিংফুৰা গাঁৱত পুনৰ আফ্ৰিকান ছোৱাইন ফিভাৰত আক্ৰান্ত হৈ বহু গাহৰিৰ মৃত্যু ঘটাৰ তথ্য পোহৰলৈ আহিছে । প্ৰাপ্ত তথ্য মতে, আজি পুৱা কেইবাটাও গাহৰি ছোৱাইন ফিভাৰত মৃত্যু হয় । গাঁওখনত ছোৱাইন ফিভাৰত আক্ৰান্ত হৈ গাহৰিৰ অস্বাভাৱিক মৃত্যু হোৱাত চিন্তিত হৈ পৰিছে গাহৰি পালকসকল। এতিয়ালৈকে গাঁওখনত প্ৰায় ১০ৰো অধিক গাহৰি মৃত্যু হোৱাৰ লগতে বহু গাহৰি এই ৰোগত আক্ৰান্ত হৈ থকা বুলি গাঁওবাসীয়ে জানিবলৈ দিছে। এই মৃত গাহৰিসমূহ এক নিৰ্দিষ্ট স্থানত পুতি থোৱা বুলি গাহৰি পালকসকলে জানিবলৈ দিয়ে। উল্লেখ্য যে আজি কিছুদিনৰ আগত আঠখেলীয়াৰ বৰকছাৰিতো ১০০ৰো অধিক গাহৰি এই ৰোগত আক্ৰান্ত হৈ মৃত্যু হৈছিল। তাৰ পাছতেই গোলাঘাট জিলা প্ৰশাসনে ২২ জুলাইৰ পৰা ২২ আগষ্টলৈকে সম্পূৰ্ণৰূপে গাহৰি মাংস আৰু গাহৰি বিক্ৰীৰ নিষেধাজ্ঞা জাৰি কৰে যদিও মেৰাপানী মহকুমাৰ বিভিন্ন স্থানত বৰ্তমানো গাহৰি মাংসৰ মুকলি বজাৰ চলি থকাৰ তথ্য পোহৰলৈ আহিছে। এইক্ষেত্ৰত জিলা প্ৰশাসনে যিদৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল সেয়া পৰিলক্ষিত হোৱা নাই । আনহাতে, জিলা পশুপালন বিভাগেও ছোৱাইন ফিভাৰ প্ৰতিৰোধৰ কোনো ব্যৱস্থা নোলোৱা বুলি ৰাইজে অভিযোগ তুলিছে।

### কোন হ'ব শিৱসেনাৰ নতুন গৰাকী

# ৮ আগষ্টত উচ্চতম ন্যায়ালয়ে ল'ব সিদ্ধান্ত

**নতুন দিল্লী, ৪ আগষ্ট ঃ** উদ্ধৱ থাকৰে নে একনাথ সিন্দে হ'ব শিৱসেনা দলৰ নতুন অধিকাৰী। অহা ৮ আগষ্ট তাৰিখে দেশৰ উচ্চতম ন্যায়ালয়ে নিজৰ সিদ্ধান্ত সদৰী কৰাৰ সম্ভাৱনা আছে। ইয়াৰ পূৰ্বে দুইটা পক্ষই নিজৰ দাবীৰ সমৰ্থনত থকা নথিপত্ৰসমূহ দাখিল কৰিবলৈ কোৱা হৈছে। উল্লেখ্য যে যোৱা ৩০ জুন তাৰিখে মহাৰাষ্ট্ৰত নতুন মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিছে একনাথ সিন্দেই। ইয়াৰ কেইদিনমানৰ পূৰ্বে উক্ত পদৰ পৰা অব্যাহতি লৈছিল উদ্ধৱ থাকৰেই। একেটা দলৰে মুখ্যমন্ত্ৰী হ'লেও চৰকাৰৰ মজিয়াত সংগী সলনি হ'ল দুয়োগৰাকী নেতাৰ। একনাথ সিন্দেৰ সংগী হ'ল বিজেপি আৰু উদ্ধৱ থাকৰেৰ সংগী আছিল কংগ্ৰেছ আৰু এন চি পি দল। বিধানসভাত সংখ্যাগৰিষ্ঠতা প্ৰমাণৰ পিছত একনাথ সিন্দে এতিয়া দলটোৰ কৰ্তৃত্ব বিচাৰি ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে। ন্যায়ালয়ে তিনিজনীয়া বিচাৰপীঠৰ জৰিয়তে নিৰ্বাচন আয়োগলৈ নিজৰ সিদ্ধান্ত জনাবলৈ নিৰ্দেশনা জাৰি কৰিছে। উল্লেখ্য যে অহা সোমবাৰে অৰ্থাৎ আঠ আগষ্ট তাৰিখে সৰ্বোচ্চ ন্যায়ালয়ে নিজৰ সিদ্ধান্ত সদৰী কৰিব। মুখ্যমন্ত্ৰী একনাথ সিন্দে শিবিৰে দাবী কৰিছে যে যিহেতু তেওঁলোকে সংখ্যাগৰিষ্ঠতাসহ চৰকাৰ গঠন কৰিছে গতিকে দলটোৰ সৰ্বময়কৰ্তা হিচাপে এই শিবিৰৰ হাতলৈ কৰ্তৃত্ব হস্তান্তৰ হ'ব লাগে। বৃহস্পতিবাৰে এই বিষয়ে শুনানি আছিল আৰু মুখ্য ন্যায়াধীশ এন ভি ৰামান্নাই তিনিজনীয়া বিচাৰপীঠৰ মুৰব্বী হিচাপে শুনানি প্ৰক্ৰিয়া আৰম্ভ কৰে। সিন্দে গোটৰ হৈ ন্যায়ালয়ত প্ৰতিনিধিত্ব কৰিছিল জ্যেষ্ঠ অধিবক্তা হৰিশ ছালভীয়ে। ইফালে উদ্ধৱ থাকৰেৰ গোটটোৱে ন্যায়ালয়ত অৱগত কৰে যে যিহেতু বিদ্ৰোহী বিধায়কসকলক বিধানসভাৰ সদস্য পদ খাৰিজৰ বাবে তেওঁলোকে অধ্যক্ষৰ ওচৰত লিখিতভাৱে দাবী জনাই থৈছে, গতিকে এই বিষয়টো চূড়ান্ত নোহোৱালৈকে ন্যায়ালয়ে শিৱসেনাৰ উত্তৰাধিকীৰা প্ৰসংগত সিদ্ধান্ত ল'ব



নালাগে। একনাথ শিবিৰে কয় যে তেওঁলোকে প্ৰকৃত শিৱসেনাৰ উত্তৰাধিকাৰী। কিয়নো তেওঁলোকৰ হাতত ৩৯ জন দলীয় বিধায়ক আছে। অন্যটো গোটৰ হাতত কেৱল ১৫ জনহে বিধায়ক আছে। গতিকে ১৫ জন বিধায়ক থকা গোটটোৱে কেতিয়াও ৩৯জন বিধায়ক থকা গোটটোক প্ৰত্যাহ্বান জনাব নোৱাৰে। এনেকৈয়ে ন্যায়ালয়ৰ মজিয়াত এতিয়া থাকৰে আৰু সিন্দেৰ মাজত ৰাজনৈতিক উত্তৰাধিকাৰীৰ বাবে চলিছে চূড়ান্ত প্ৰতিযোগিতা। ইয়াৰ ফলাফল অহা ৮ আগষ্ট তাৰিথে স্পষ্ট ৰূপত প্ৰকাশ কৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।



*হৰ ঘৰ ত্ৰিৰংগা-ঘৰ ঘৰ ত্ৰিৰংগা। দেশৰ স্বাধীনতাৰ হীৰক জয়ন্তী উপলক্ষে জাতীয় পতাকাসহ একাংশ ছেলিব্ৰেটীয়ে ফটো আৰু ভিডিঅ' আপলোড কৰিছে সামাজিক মাধ্যমত*

# টাইৱানত চীনৰ ব্যাপক সমৰসজ্জা

## অন্য এক মহাযুদ্ধৰ আশংকাত উদ্বিগ্ন বিশ্ববাসী, যুদ্ধ বিমান আৰু জাহাজেৰে চৌদিশে আগুৰিছে টাইৱানৰ ভূখণ্ডত

**বেইজিং, ৪ আগষ্ট ঃ** আমেৰিকা যুক্তৰাষ্ট্ৰৰ হাউচ স্পীকাৰ নেন্সি পেলোচিৰ ভ্ৰমণৰ পিছৰে পৰা টাইৱানত চীন আৰু আমেৰিকাৰ পাৰস্পৰিক শক্তি পৰীক্ষাৰ স্থলী হৈ পৰা দেখা গৈছে। বৃহস্পতিবাৰে চীনৰ জেট যুদ্ধ বিমানে টাইৱানৰ আকাশ মাৰ্গৰ পৰা আক্ৰমণ কৰা বুলি প্ৰকাশ পাইছে। একেদৰে টাইৱানৰ চৌদিশে চীনৰ বৃহৎ বৃহৎ যুদ্ধ জাহাজে ব্যাপক সমৰসজ্জা গঢ়ি তুলিছে বুলিও আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত চৰ্চিত হৈছে। যিকোনো মূল্যৰ বিনিময়ত চীনৰ বৃহত্তৰ ভূখণ্ডৰ অধীনত স্ব-শাসিত অঞ্চল হিচাপে স্বীকৃতি দিয়া টাইৱানৰ সৈতে আমেৰিকাৰ বন্ধুত্ব আৰু অধিক হলিগলি ছিন্ন কৰিবলৈ চীন কৰ্তৃপক্ষ বদ্ধপৰিকৰ হোৱা বুলিব পাৰি। উল্লেখ্য যে টাইৱানৰ ২০ কিলোমিটাৰ দূৰত্বৰ ভিতৰত এতিয়া চীনৰ যুদ্ধ বিমানে আক্ৰমণৰ আখৰা অব্যাহত ৰাখিছে। চীনৰ মিছাইল বিস্ফোৰণ ঘটোৱা হৈছে টাইৱানৰ পুব প্ৰান্তৰত। এই সম্পৰ্কত পুৰ্বোত্তৰ টাইৱানৰ প্ৰতিৰক্ষা বিভাগৰ জ্যেষ্ঠ মুখপাত্ৰ কৰ্ণেল চি য়ি-এ এক লিখিত বাৰ্তাৰ জৰিয়তে এই বিষয়টো স্পষ্ট কৰিছে। ইফালে টাইৱান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে যে চীনৰ সেনা আৰু সমৰসজ্জাই ইতিমধ্যে টাইৱানৰ আকাশমাৰ্গ আগুৰি ধৰিছে। প্ৰণিধানযোগ্য এয়ে যে টাইৱান প্ৰসংগত বেইজিঙৰ ব্যাপক সকিয়নী আৰু সাৱধানবাণী অস্বীকাৰ কৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংসদৰ অধ্যক্ষই বীৰদৰ্পে দেশখন ভ্ৰমণ কৰি গৈছিল। মূলতঃ এই ভ্ৰমণে চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিঙৰ প্ৰতি প্ৰচণ্ড অপমান আৰু অৱহেলা কৰা বুলিও আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত চৰ্চিত হৈছে। গতিকে আমেৰিকাৰ সৈতে কুটনৈতিক সম্পৰ্ক গঢ়ি তোলা টাইৱানৰ বিৰুদ্ধে এশিকনি দিবলৈ চীন কৰ্তৃপক্ষ সাজু হৈ উঠিছে। ইয়াৰ পূৰ্বে ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত চলা যুদ্ধৰ সময়ত টাইৱানৰ প্ৰতি দৃষ্টি ৰাখি চীন কৰ্তৃপক্ষই ৰাছিয়াক সমৰ্থন জনাই আহিছিল। এইবাৰ টাইৱান প্ৰসংগত নিশ্চিতভাৱে চীনে ৰাছিয়াৰ পৰা সমৰ্থন লাভ কৰিব বুলি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত আলোচনা আৰম্ভ হোৱা দেখা গৈছে।

# দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ ইউ ইউ ললিত

**নতুন দিল্লী, ৪ আগষ্ট ঃ** দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ পদত অধিষ্ঠিত হ'ব উচ্চতম ন্যায়ালয়ৰ বৰ্তমানৰ দ্বিতীয় স্থানত থকা জ্যেষ্ঠ ন্যায়াধীশ উদয় ইউ ললিত। বৰ্তমানৰ মুখ্য ন্যায়াধীশ এন ভি ৰামানাই অহা ২৬ আগষ্ট তাৰিখে অৱসৰ গ্ৰহণ কৰিব। আজি অৰ্থাৎ বৃহস্পতিবাৰে ন্যায়াধীশ ৰামানাই তেওঁৰ উত্তৰসুৰী হিচাপে অনুমোদন জনাইছে ন্যায়াধীশ ললিতৰ নাম। অৱশ্যে অহা ৮ নৱেম্বৰ তাৰিখে ন্যায়াধীশ ললিতে অৱসৰ ল'ব আৰু ইয়াৰ পৰৱৰ্তী পৰ্যায়ত দেশৰ ৫০ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে দায়িত্ব গ্ৰহণ কৰিব ডি ৱাই চন্দ্ৰচুৰে। উল্লেখ্য যে কেন্দ্ৰীয় আইন মন্ত্ৰী কিৰেণ ৰিজিজুৱে এক পত্ৰৰ জৰিয়তে মুখ্য ন্যায়াধীশ ৰামানালৈ তেওঁৰ উত্তৰসুৰী অনুমোদনৰ বাবে আহ্বান জনাইছিল। আজি পুৱাৰ ভাগতে ৰামানাই উদয় ললিতৰ নাম চূড়ান্ত কৰি কেন্দ্ৰীয় চৰকাৰে আইন আৰু ন্যায় মন্ত্ৰালয়লৈ প্ৰেৰণ কৰে। যদিহে এই অনুমোদন অনুসৰি চৰকাৰে উদয় ললিতক পৰৱৰ্তী মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়ে, তেনেহ'লে তেওঁ হ'ব দেশৰ দ্বিতীয়গৰাকী মুখ্য ন্যায়াধীশ, যিয়ে উচ্চতম ন্যায়ালয়ৰ বাৰ কাউন্সিলৰ পৰা মুখ্য ন্যায়াধীশ পদত অধিষ্ঠিত হ'বলৈ সক্ষম হৈছে। প্ৰথমগৰাকী এনেদৰে অধিষ্ঠিত হোৱা ন্যায়াধীশ আছিল এছ এন চিক্ৰী। ন্যায়াধীশ চিক্ৰীয়ে ১৯৭১ চনৰ জানুৱাৰী মাহত ১৩ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে অধিষ্ঠিত হৈছিল। উল্লেখ্য যে ২০১৪ চনৰ ১৩ আগষ্ট তাৰিখে ন্যায়াধীশ উদয় ইউ ললিতক উচ্চতম ন্যায়ালয়ত ন্যায়াধীশ পদত নিযুক্তি দিয়া হৈছিল। তেওঁৰ পিতৃ ইউ আৰ ললিত আছিল একেখন ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা আৰু দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ। উল্লেখ্য যে সাংবিধানিক বিচাৰপীঠৰ অন্যতম বিশেষজ্ঞ আৰু অভিজ্ঞ ন্যায়াধীশ হিচাপে উদয় ইউ ললিতৰ বিশেষ দখল আছে। আনকি তিনি তালাক প্ৰথা অ-সাংবিধানিক বুলি অভিহিত কৰি সেই প্ৰথা নিষিদ্ধ কৰাৰ নিৰ্দেশনা দিছিল এইজন



ন্যায়াধীশে। গতিকে দেশজুৰি তিনি তালাক প্ৰথা নিষিদ্ধ কৰি ব্যাপক চৰ্চা আৰু সমাদৰ লাভ কৰিবলৈ সক্ষম হোৱা ন্যায়াধীশ উদয় ইউ ললিতৰ নাম বৰ্তমানৰ মুখ্য ন্যায়াধীশে অনুমোদন জনাইছে পৰৱৰ্তী মুখ্য ন্যায়াধীশ পদত অধিষ্ঠিত কৰাৰব কাৰণে।




*হাৰিয়ানাৰ কংগ্ৰেছ ত্যাগী প্ৰাক্তন মন্ত্ৰী আৰু বিধায়ক কুলদীপ বিষ্ণয়ে বৃহস্পতিবাৰে যোগদান কৰিছে বিজেপি দলত— লগে লগে কয় যে নৰেন্দ্ৰ মোদী হ'ল দেশৰ সৰ্বশ্ৰেষ্ঠ প্ৰধানমন্ত্ৰী*

# স্বদেশ দৰ্শন আঁচনিৰ বাবে নতুনকৈ ৭৬ প্ৰকল্প কেন্দ্ৰই অনুমোদন জনালে ৫,৩৯৯ কোটি টকা

**নতুন দিল্লী, ৪ আগষ্ট ঃ** কেন্দ্ৰীয় পৰ্যটন বিভাগৰ মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে বৃহস্পতিবাৰে ৰাজ্যসভাত কয় যে কেন্দ্ৰীয় চৰকাৰে ইতিপূৰ্বে গ্ৰহণ কৰা স্বদেশ দৰ্শন আঁচনিৰ বাবে মুঠ ৭৬টা প্ৰকল্প ৰূপায়ণৰ পদক্ষেপ লৈছে। ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাইছে ৫৩৯৯.১৫ টকা। এই ধনৰাশি পৰ্যটন খণ্ডৰ বিকাশ আৰু আন্তঃগাথনি উন্নয়নৰ বাবে ব্যয় কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে ৰাজ্যসভাত কয় যে ইতিপূৰ্বে গ্ৰহণ কৰা ৭৬টা অনুমোদিত প্ৰকল্পৰ ৫০টা প্ৰকল্প প্ৰায় সম্পূৰ্ণ কৰা হৈছে। দেশৰ পৰ্যটন ক্ষেত্ৰৰ বিকাশ সাধন কৰা আৰু ইতিপূৰ্বে প্ৰাকৃতিক পৰিৱেশত থকা নতুন নতুন পৰ্যটন খণ্ডৰ উন্নয়নৰ বাবে এই পুঁজি ব্যৱহাৰ কৰা হৈছে। স্বদেশ দৰ্শনৰ জৰিয়তে নিজৰ দেশৰ ভিতৰতে থকা বহু অজানা আৰু মহত্বপূৰ্ণ অঞ্চল ৰাইজৰ দৃষ্টিগোচৰ কৰিব লাগে। কিয়নো এনে বহু ঐতিহ্যপূৰ্ণ অঞ্চল দৃষ্টিগোচৰ নোহোৱাকৈ থাকি গৈছে বুলি কেন্দ্ৰীয় চৰকাৰে অনুভৱ কৰিছে। ইতিমধ্যে এই আঁচনিৰ অধীনত দেশৰ সকলোবোৰ ৰাজ্যৰ অনাবিষ্কৃত হৈ থকা ঐতিহ্যপূৰ্ণ স্থানসমূহৰ বিকাশত গুৰুত্ব আৰোপ কৰা হৈছে। স্বদেশ দৰ্শনৰ দ্বিতীয় পৰ্যায়ৰ আঁচনিও কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিবলৈ সাজু হোৱা বুলি ৰাজ্যসভাৰ মজিয়াত কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰীয়ে সদৰী কৰিছে। কেৱল এখন বা দুখন ৰাজ্যই নহয়, দেশৰ ২৮ খন পূৰ্ণাংগ ৰাজ্যৰ লগতে কেন্দ্ৰীয় শাসিত প্ৰদেশসমূহতো এই আঁচনিৰ জৰিয়তে পৰ্যটন খণ্ডৰ বিকাশ আৰু আন্তঃগাথনিৰ উন্নয়নৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ বিষয়টো সদনৰ মজিয়াত স্পষ্ট কৰি দিয়া হৈছে। গতিকে সকলো ৰাজ্যই স্বদেশ দৰ্শন আঁচনিৰ জৰিয়তে উপকৃত হোৱাৰ সুযোগ আছে বুলিও ব্যক্ত কৰা হৈছে।

### নেচনেল হেৰাল্ড গোচৰে অতিষ্ঠ কৰিছে কংগ্ৰেছক

# ছোনিয়া-ৰাহুলৰ স্বীকাৰোক্তি পুনৰ পৰীক্ষা এনফ'ৰ্চমেণ্টৰ

**নতুন দিল্লী, ৪ আগষ্ট ঃ** নেচনেল হেৰাল্ড সম্পৰ্কত এনফোৰ্চমেণ্টৰ সন্মুখত ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীয়ে কি কি তথ্য সদৰী কৰিছিল। কংগ্ৰেছৰ এই দুই শীৰ্ষ নেতৃত্বই ব্যক্ত কৰিছিল নেকি আপত্তিজনক বিষয়। এতিয়া এনফোৰ্চমেণ্টে বাৰে বাৰে পৰীক্ষা কৰি আছে তেওঁলোকৰ স্বীকাৰোক্তিসমূহ। উল্লেখ্য যে নেচনেল হেৰাল্ডৰ সা-সম্পদৰ বিষয়ত কৰ ফাকি আৰু চৰকাৰৰ পুঁজি অপব্যৱহাৰৰ অভিযোগ উত্থাপন কৰি ২০১৩ চনতে বিজেপি নেতা সুব্ৰমণিয়ম স্বামীয়ে এটা ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ ৰুজু কৰিছিল। সম্প্ৰতি এই গোচৰে এক ভয়ংকৰ ৰূপ ধাৰণ কৰিছে এনফোৰ্চমেণ্টৰ দ্বাৰা তদন্তৰ জৰিয়তে। হাৱালাৰ মাধ্যমেৰে ধনৰ লেনদেন হৈছিল নেকি, এই বিষয়টোৱে এতিয়া মহা অস্বস্তিত পেলাইছে কংগ্ৰেছৰ নেতা আৰু কৰ্মীক। কিয়নো চৰকাৰক কৰ ফাকি দি প্ৰকৃততে নেচনেল হেৰাল্ড গোষ্ঠীয়ে বিদেশলৈ অবৈধভাৱে ধনৰ সৰবৰাহ কৰা বুলি অভিযোগ উত্থাপিত হৈছে। আনহাতে তদন্তকাৰী এনফোৰ্চমেণ্ট বিভাগে ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীৰ মতামত আৰু তেওঁলোকে প্ৰদৰ্শন কৰা নথিপত্ৰত সন্তুষ্ট হোৱা নাই বুলি প্ৰকাশ পাইছে। গতিকে তেওঁলোকৰ নথি-পত্ৰৰ জৰিয়তেই অধিক তথ্য উদ্ধাৰৰ বাবে তদন্তকাৰী সংস্থাটো তৎপৰ হৈ পৰিছে। তদন্তৰ এই সময়ছোৱাত বহুতো আপত্তিজনক নথিপত্ৰ দৃষ্টিগোচৰ হোৱা বুলি প্ৰকাশ পাইছে। বিশেষকৈ মুম্বাই আৰু কলকাতাৰ পৰা হাৱালাৰ জৰিয়তে ধনৰ সৰবৰাহ কৰাৰ সন্দেহ ঘনীভূত হৈছে। এসময়ত পণ্ডিত জৱাহৰলাল নেহৰুৰ জৰিয়তে স্থাপন কৰা নেচনেল হেৰাল্ড কাকত গোষ্ঠীৰ পৰিচালনাৰ দায়িত্বত আছিল ইয়ং ইণ্ডিয়া নামৰ এটা বেচৰকাৰী সংস্থা। পিছৰ পৰ্যায়ত এছ'চিয়েটেড জাৰ্নেল নামৰ অন্য এক সংস্থাক কাকত গোষ্ঠীৰ পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। ইয়াৰ জৰিয়তে কাকতগোষ্ঠীৰ মজুত থকা ধন আৰু সম্পদৰ সৰবৰাহ




হৈছিল নেকি সেই বিষয়ে অধিক অনুসন্ধানত ব্ৰতী হৈছে এনফোৰ্চমেণ্ট বিভাগ। ইতিমধ্যে বুধবাৰৰ পৰা এনফোৰ্চমেণ্টৰ জৰিয়তে নেচনেল হেৰাল্ড গোষ্ঠীৰ কাৰ্যালয় ছীল কৰি দিয়া বুলি প্ৰকাশ পাইছে। অনুসন্ধানকাৰী সংস্থাৰ অনুমতি অবিহনে ছীল কৰা কাৰ্যালয় কোনো কাৰণত খুলিব নোৱাৰিব বুলি স্পষ্ট কৰি দিয়া হৈছে। কাৰ্যালয়ৰ চৌদিশে ব্যাপক ৰূপত নিৰাপত্তাৰক্ষী মোটায়েন কৰা পৰিলক্ষিত হৈছে। ফলত ছোনিয়া গান্ধী বা ৰাহুল গান্ধীৰ কাৰণেই নহয়, নেচনেল হেৰাল্ডৰ বিষয়টো এতিয়া দেশৰ সকলো কংগ্ৰেছীৰ কাৰণে মূৰৰ কামোৰণি হৈ পৰা বুলিব পাৰি।

### সঞ্জয় ৰাউতৰ পত্নীক এনফ'ৰ্চমেণ্টৰ চমন

# ভূমি কেলেংকাৰিত নাম সাঙোৰ খাইছে গ্ৰেপ্তাৰ হোৱা সাংসদ পত্নীৰ

**মুম্বাই, ৪ আগষ্ট ঃ** এনফোৰ্চমেণ্টৰ হাতত গ্ৰেপ্তাৰবৰণ কৰা মহাৰাষ্ট্ৰৰ শিৱসেনা দলৰ সাংসদ সঞ্জয় ৰাউতৰ পত্নী বৰষা ৰাউতক তলব কৰিছে বিভাগটোৱে। পাত্ৰ চাৱল নামৰ স্থানত সংঘটিত হোৱা ভূমি কেলেংকাৰীত সাংসদ সঞ্জয়ৰ লগতে তেওঁৰ পত্নীৰ নাম সাঙোৰ খাই পৰিছে। উল্লেখ্য যে যোৱা দেওবাৰে মাজনিশা বিত্তীয় অনিয়ম আৰু ধনৰ অবৈধ সৰবৰাহৰ অভিযোগত সাংসদ সঞ্জয় ৰাউতক গ্ৰেপ্তাৰ কৰিছিল। বৃহস্পতিবাৰে সাংসদ সঞ্জয়ৰ এনফোৰ্চমেণ্টৰ জিম্মাৰ ম্যাদ আঠ আগষ্টলৈকে বৃদ্ধি কৰিছে। ন্যায়ালয়ত তদন্তকাৰী সংস্থাটোৱে কয় যে তেওঁলোকৰ তদন্ত সঠিক গতিত আগবাঢ়িছে আৰু অধিক তথ্য লাভ কৰিবলৈ সক্ষম হৈছে। এনফোৰ্চমেণ্টৰ জিম্মাত থকা সময়ছোৱাতে তদন্তকাৰী বিষয়াই ব্যক্ত কৰিছে যে ধনৰ অবৈধ সৰবৰাহ প্ৰতিৰোধ আইনৰ অধীনত সঞ্জয় ৰাউতৰ কাম-কাজ শাস্তিযোগ্য অপৰাধ হিচাপে গণ্য হ'বৰ যোগ্য। ইফালে চলিত বৰ্ষৰ জানুৱাৰী মাহতে এনফোৰ্চমেণ্ট বিভাগে বৰ্ষা ৰাউতক চমন কৰিছিল। পি এম চি বেংক কেলেংকাৰীত নাম সাঙোৰ খাইছিল সাংসদ পত্নীৰ। মুঠ ৫৫ লাখ টকা লেনদেন হৈছিল সাংসদ পত্নীৰ বেংকৰ জৰিয়তে। এই ধনৰাশি ক'ৰ পৰা আহিছিল সেই বিষয়ে তদন্তকাৰী সংস্থাটোৱে বৰ্তমানলৈকে সন্দেহমুক্ত হোৱা নাই বুলি প্ৰকাশ কৰিছে। গতিকে পুনৰবাৰ সাংসদ পত্নী বৰষাক চমন জাৰি কৰা বুলি প্ৰকাশ পাইছে। উল্লেখ্য যে মুম্বাইৰ নিকটৱৰ্তী অঞ্চলত ব্যাপক পৰিমাণে ভূ-সম্পদ আহৰণ কৰা গোচৰত সঞ্জয় ৰাউতৰ নাম সাঙোৰ খাই পৰিছে। পাত্ৰ চাৱল নামেৰে পৰিচিত এই ভূমি কেলেংকাৰীত ১০৩৪ কোটি টকা অনিয়ম সংঘটিত হোৱা বুলি তদন্তকাৰী সংস্থাটোৱে আঙুলিয়াই দিছে। গতিকে অবৈধ ধনৰ লেনদেন প্ৰতিৰোধ আইন চমুকৈ পি এম এল এ আইনৰ ধাৰা-১৯ আৰু উপধাৰা ১ অনুসৰি সাংসদজনক এনফোৰ্চমেণ্টৰ দ্বাৰা গ্ৰেপ্তাৰ কৰা হৈছে বুলি ন্যায়ালয়ৰ মজিয়াত বৃহস্পতিবাৰে তদন্তকাৰী সংস্থাটোৱে স্পষ্ট কৰি দিছে। লগতে তদন্তৰ ক্ষেত্ৰত অধিক তথ্য আহৰণৰ বাবে জিম্মাৰ ম্যাদ অহা আঠ আগষ্ট পৰ্যন্ত বৃদ্ধি কৰাৰ অনুমোদন জনাইছে বিশেষ আদালতে।



# মোদী-অমিত শ্বাহৰ ভাবুকিত সেও হোৱাৰ প্ৰশ্নই নাহে

## *নেচনেল হেৰাল্ড প্ৰসংগত ৰাহুল গান্ধীৰ সকীয়নি*

**নতুন দিল্লী, ৪ আগষ্ট ঃ** বিৰোধীৰ কণ্ঠ ৰুদ্ধ কৰিবলৈ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নেচনেল হেৰাল্ডৰ জৰিয়তে ভাবুকি প্ৰদান কৰিব খুজিছে। কিন্তু এনে ভাবুকিৰ প্ৰতি কেৰেপ নকৰে কংগ্ৰেছৰ কোনো সদস্যই। যদিহে এই ভাবুকিৰ জৰিয়তে বিৰোধীৰ শক্তি ক্ষয় কৰাৰ পৰিকল্পনা কৰিছে তেনেহ'লে তেওঁলোকৰ প্ৰচেষ্টা ব্যৰ্থ হ'ব বুলি সকিয়নী প্ৰদান কৰিছে কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীয়ে। উল্লেখ্য যে নেচনেল হেৰাল্ডৰ বিষয়ত ৰাহুল গান্ধীক পাচ দিন জেৰা কৰা হৈছিল। পঞ্চাশ ঘণ্টাতকৈ অধিক সময় এনফোৰ্চমেণ্টৰ জেৰাৰ সন্মুখীন হৈছিল সাংসদজন। আনহাতে ছোনিয়া গান্ধীক তিনিদিন জেৰা কৰা হৈছিল। ইয়াৰ পিছত এনফোৰ্চমেণ্ট বিভাগে নেচনেল হেৰাল্ডৰ তথ্য বিচাৰি একেদিনাই দিল্লীৰ বাৰটা স্থানত অনুসন্ধান আৰু তালাচী চলাইছিল। এই তালাচীৰ পিছত বুধবাৰে বিয়লিৰ পৰা হেৰাল্ডৰ মুখ্য কাৰ্যালয় তলাবদ্ধ কৰি দিছিল এনফোৰ্চমেণ্টে। এই বিষয়টো ব্যাখ্যা কৰিবলৈ গৈ ৰাহুল গান্ধীয়ে কয় যে প্ৰকৃততে মোদী আৰু অমিত শ্বাহে নেচনেল হেৰাল্ডৰ জৰিয়তে ভাবুকি দিব খুজিছে। তেওঁলোকৰ ধাৰণা যে নেচনেল হেৰাল্ডৰ নাম লৈ হেচা আৰোপ কৰিলে কংগ্ৰেছ নেতৃত্ব মৌন হৈ যাব। গতিকে গণতন্ত্ৰৰ নামত ইয়াৰ সংস্থাসমূহ অপব্যৱহাৰ কৰি তেওঁলোকে বিৰোধীৰ কণ্ঠ ৰুদ্ধ কৰিবলৈ উঠিপৰি লাগিছে। কিন্তু কংগ্ৰেছে নিজৰ স্থানত এতিয়াও অটল হৈ আছে আৰু ভৱিষ্যতেও নিজৰ স্থিতি বৰ্তাই ৰাখিব। তেওঁলোকে যি ইচ্ছা তাকে কৰিব পাৰে বুলি ব্যক্ত কৰি ৰাহুল গান্ধীয়ে কয় যে কংগ্ৰেছে দেশৰ গণতন্ত্ৰৰ সুৰক্ষাৰ বাবে ৰখা সংগ্ৰাম স্তব্ধ কৰাৰ প্ৰশ্নই নাহে। উল্লেখ্য যে যোৱা জুন মাহতে ৰাহুল গান্ধীক জেৰা কৰা হৈছিল। অসুস্থতাৰ বাবে ছোনিয়া গান্ধীক জুলাই মাহত জেৰা কৰিছিল। ইয়ং ইণ্ডিয়া প্ৰাইভেট লিমিটেডৰ জৰিয়তে পৰিচালিত হৈ অহা নেচনেল হেৰাল্ড কাকত গোষ্ঠীৰ কৰ্তৃত্ব এছ'চিয়েটেড জাৰ্নেল লিমিটেডৰ হাতলৈ যোৱা কাৰ্য বৈধ নে অবৈধ সেই বিষয়টো পৰীক্ষা কৰি থকা হৈছে। বিজেপিয়ে ইয়াৰ মাজতে অভিযোগ কৰিছে যে কংগ্ৰেছে দেশৰ গণতন্ত্ৰৰ নামত গান্ধী পৰিয়ালৰ সম্পত্তি সুৰক্ষাৰ বাবে ব্যস্ত হৈ পৰিছে। এনেকৈয়ে নেচনেল হেৰাল্ডৰ প্ৰসংগত দেশত এতিয়া ৰাজনৈতিক বাতাবৰণ উত্তপ্ত হৈ পৰা পৰিলক্ষিত হৈছে। অৱশ্যে এনফোৰ্চমেণ্ট বিভাগে চলোৱা অনুসন্ধানৰ শেষত উচ্চতম ন্যায়ালয়ে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব। গতিকে অনুসন্ধানকাৰী সংস্থাৰ তথ্য শুদ্ধ নে প্ৰৰোচনামূলক সেই বিষয়টো ন্যায়ালয়ৰ মজিয়াতহে চূড়ান্ত হ'ব।

# অৰ্পিতা মুখাৰ্জীৰ এল আই চি পলিচীৰ 'নমিনী' হিচাপে উল্লেখ আছে পাৰ্থ চেটাৰ্জীৰ নাম

## পশ্চিমবংগৰ শিক্ষক নিযুক্তি কেলেংকাৰিৰ নিতৌ নতুন তথ্য উদ্ধাৰ

**কলকাতা, ৪ আগষ্ট ঃ** পশ্চিমবংগৰ শিক্ষক নিযুক্তি কেলেংকাৰীৰ তদন্ত অব্যাহত ৰখা এনফোৰ্চমেণ্ট বিভাগৰ হাতত নিতৌ নতুন তথ্যৰ পয়োভৰ ঘটিছে। তদানীন্তন শিক্ষামন্ত্ৰী পাৰ্থ চেটাৰ্জীৰ আমোলত সংঘটিত কৰা নিযুক্তিৰ কেলেংকাৰীয়ে একাংশক ধনৰ পাহাৰ গঢ়ি তোলাত অৱিহনা যোগাইছিল। ইতিমধ্যে পাৰ্থ চেটাৰ্জীৰ বান্ধৱী অৰ্পিতা মুখাৰ্জীৰ বাসগৃহৰ পৰা নগদ ৫০ কোটি টকা আৰু অন্য কেবা কোটি



টকাৰ আ-অলংকাৰ উদ্ধাৰ কৰা হৈছে। শেহতীয়াকৈ অৰ্পিতা মুখাৰ্জীৰ ৩১টা জীৱন বীমা পলিচি উদ্ধাৰ কৰিছে তদন্তকাৰী সংস্থাই। এই পলিচিসমূহত নমিনী সদস্য তথা ভৱিষ্যতৰ উত্তৰাধিকাৰী আৰু ক্ষতিপূৰণৰ দাবীদাৰ হিচাপে উল্লেখ কৰা হৈছে পাৰ্থ চেটাৰ্জীৰ নাম। ইফালে ২০১২ চনতে পাৰ্থ চেটাৰ্জীৰ সৈতে বিশেষ চুক্তিৰ জৰিয়তে অৰ্পিতা মুখাৰ্জীয়ে ব্যৱসায়িক ক্ষেত্ৰত যুটীয়াভাৱে অৱতীৰ্ণ হৈছিল। যাৰ বাবে যুটীয়াভাৱে ফাৰ্মহাউচ ক্ৰয় কৰিছিল। ইফালে অৰ্পিতাৰ নামত কলকাতা চহৰতে বাৰটা বিলাসী ফ্লেট ক্ৰয় কৰি দিয়া বুলিও প্ৰকাশ পাইছে। যোৱা ১২ জুলাই তাৰিখে অৰ্পিতা মুখাৰ্জীৰ এটা ফ্লেটৰ পৰা ২১.৯০ কোটি টকা নগদ ধন উদ্ধাৰ কৰা হৈছে। ইয়াৰ দুদিনৰ পিছতে অন্য এটা আৱাসৰ পৰা ২৮.৯০ কোটি নগদ টকাসহ পাঁচ কেজি সোণৰ অলংকাৰো উদ্ধাৰ হৈছিল।



*সামাজিক মাধ্যমত ভাইৰেল হৈ পৰা আৰু ব্যাপক সমাদৰ লাভ কৰা এখন ছবি— এগৰাকী জ্যেষ্ঠ আৰু শাৰীৰিকভাৱে বাধাগ্ৰস্ত মহিলাক বৰষুণৰ পৰা সুৰক্ষা দিবলৈ এগৰাকী প্ৰত্যক্ষদৰ্শী যুৱকে নিজৰ চোলা খুলি প্ৰচেষ্টা চলোৱা দেখা গৈছে এনেদৰে*

# বৰনৰ্দ্দীৰ চুৰচুৰীত জলজীৱন মিছনৰ ২টা পানী যোগান আঁচনি স্থানীয় পঞ্চায়তক হস্তান্তৰ অনুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৪ আগষ্ট ঃ** পশ্চিম নলবাৰী অঞ্চলৰ ধৰ্মপুৰ সমষ্টিৰ বৰনৰ্দ্দী চুৰচুৰীত আজি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বেলশৰ সংমণ্ডল কাৰ্যালয়ৰ জৰিয়তে ৰূপায়িত জল জীৱন মিছনৰ দুটা নতুন পানী যোগান আঁচনি আনুষ্ঠানিকভাৱে স্থানীয় গাঁও পঞ্চায়তক অৰ্পণ কৰা হয়। এই উপলক্ষে কালি দিনৰ ১১ বজাত চুৰচুৰীৰ ঐতিহ্যমণ্ডিত সংঘ 'মানৰ সেৱা সদন'ত ২৮নং বৰনৰ্দ্দী গাঁও পঞ্চায়তৰ সভাপতি মনোজ হাজৰিকাৰ পৌৰোহিত্যত অনুষ্ঠিত হয় জলজীৱন মিছনৰ পানী যোগান আঁচনি হস্তান্তৰৰ এখন সভা। যুৱ সমাজকৰ্মী দ্বিপন বৰ্মনে আঁত ধৰা অনুষ্ঠানত চুৰচুৰী প্ৰথম খণ্ড আৰু চুৰচুৰী দ্বিতীয় খণ্ড পানী যোগান আঁচনি দুটা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বেলশৰ সংমণ্ডলৰ কাৰ্যবাহী অভিজন্তা নামেশ্বৰ টায়ুঙে আনুষ্ঠানিকভাৱে পঞ্চায়তখনক হস্তান্তৰ কৰে। কাৰ্যবাহী অভিজন্তা টায়ুঙে তেওঁৰ ভাষণত দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰতিটো ঘৰতে বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ কাৰণে ঘৰ ঘৰ নল শীৰ্ষক শ্ল'গান উলিয়াই ৰাষ্ট্ৰীয় জলজীৱন মিছন নামৰ এক আঁচনি দেশৰ চুকে-কোণে ৰূপায়ণ কৰি আছে। প্ৰথমে চৰকাৰে বহু কোটি টকা খৰচ কৰি এই আঁচনিৰ জৰিয়তে দেশৰ প্ৰতিটো পৰিয়ালৰ ঘৰলৈ বিশুদ্ধ খোৱা পানীৰ নল নি দিছে। মানুহে বিনা খৰচত দিনটোৰ দুটা টাইমত পৰিয়ালৰ প্ৰয়োজনীয় পানীখিনি পোৱাৰ ব্যৱস্থা কৰি দিছে চৰকাৰে। পিছত যিটো আঁচনিৰ পৰা পৰিয়ালসমূহে পানী পাই আছে সেই পৰিয়ালসমূহে প্ৰয়োজনত আঁচনিখন মেৰামতি আদি কৰাৰো দায়িত্ব ল'ব লাগে। যিটো কাৰণত আঁচনি সদায় ভালে থাকিব পাৰে। আঁচনিখনৰ অধীনত থকা পানী সমিতিখনে আঁচনিখন চোৰা-চিতা কৰিব আৰু স্থানীয় গাঁও পঞ্চায়তখনেও সহযোগিতা আগবঢ়াব বুলি কয়। সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বেলশৰ উপ-সংমণ্ডল (টেকনিকেল) বিষয়া দুল দত্ত লহকৰ, উপ-সংমণ্ডল বিষয়া মহিদুল হক, সহকাৰী অভিজন্তা ব্ৰজেন্দ্ৰ কুমাৰ তালুকদাৰ, শিক্ষক-সমাজকৰ্মী তৰুণ চন্দ্ৰ হাজৰিকাই জলজীৱন মিছনৰ ঘৰ ঘৰ নল আঁচনিৰ দ্বাৰা সকলো শ্ৰেণীৰ ৰাইজ উপকৃত হ'ব বুলি মত পোষণ কৰি ভাষণ প্ৰদান কৰে। পঞ্চায়তখনৰ সকলো সদস্য, সদস্যা, চুৰচুৰীবাসী ৰাইজ, দুয়োটা আঁচনিৰ পানী সমিতিৰ বিষয়ববীয়া, সদস্যসকল উপস্থিত থকা সভাখনত ২৮নং বৰনৰ্দ্দী গাঁও পঞ্চায়তৰ সভাপতি মনোজ হাজৰিকাই ভাষণ প্ৰদান কৰি চুৰচুৰী ১ম খণ্ডৰ আঁচনিখনৰ পৰা ২৯২টা পৰিয়ালে পানী যোগান নলৰে বিশুদ্ধ খোৱাপানী লাভ কৰিব আৰু চুৰচুৰী ২য় খণ্ডৰ আঁচনি খনৰ পৰা ২১৮ নলৰ জৰিয়তে প্ৰতিটো পৰিয়ালে নিজ ঘৰৰ চৌহদতে বিশুদ্ধ খোৱাপানী লাভ কৰিব বুলি কয় আৰু এইবাৰ সৰ্বস্তৰৰ ৰাইজক স্বাধীনতা দিৱসৰ অমৃত মহোৎসৱ উপলক্ষে ভাৰত চৰকাৰে ঘোষণা কৰা ঘৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ ৰাইজক আহ্বান জনায়।






*কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ ই এম মধুৰাম লেখথেৰ নৱ নিৰ্মিত হস্ততাঁত আৰু বস্ত্ৰ শিল্পৰ কাৰ্যালয় পৰিদৰ্শৰ ছবি, বৃহস্পতিবাৰে*

## টুকটুকী গাঁও পঞ্চায়তৰ গাঁও সভাত দুৰ্নীতি-পৰায়ণ জিপিচিক বদলিকৰণৰ প্ৰস্তাৱ গ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বেছামাৰী, ৪ আগষ্ট ঃ** নগাঁও জিলাৰ বটদ্ৰৱা উন্নয়ন খণ্ডৰ এলেকাধীন টুকটুকী গাঁও পঞ্চায়তত যোৱা ২ আগষ্টত অনুষ্ঠিত হোৱা গাঁও সভাখনত পঞ্চায়তখনৰ দুৰ্নীতিপৰায়ণ জিপিচি জিৰুৎ দাসৰ বদলিকৰণৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। কটহগুৰি টুকটুকী বানাত মাজাছাৰ প্ৰধান শিক্ষক মৌলানা ইকবাল হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা গাঁও সভাখনত পঞ্চায়তৰ সচিব হাফনাৰ ৰচিদ উপস্থিত থাকি ২০ কোটি ভাৰতীয় পৰিয়ালে সৈতে হৰ-ঘৰ ত্ৰিৰংগাৰ কাৰ্যসূচিত একেলগে অংশ ল'বলৈ আৰু দেশৰ ৭৫ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিবলৈ আহ্বান জনায়। এই গাঁও সভাত নডেল বিষয়া হিচাপে উপস্থিত থাকি বটদ্ৰৱা উন্নয়ন খণ্ডৰ হিচাপ ব্যৱস্থাপক অঞ্জনা বৰুৱাই ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈকে সকলোৱে নিজৰ বাসগৃহত, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, ব্যৱসায়িক প্ৰতিষ্ঠানত আৰু শিক্ষানুষ্ঠানত জাতীয় পতাকা উত্তোলন কৰি স্বাধীনতাৰ ৭৫সংখ্যক বৰ্ষ উদযাপন কৰিবলৈ সকলো ৰাইজক আহ্বান জনায়। এই গাঁও সভাতেই গাঁও পঞ্চায়তৰ দুৰ্নীতিপৰায়ণ সমন্বয় জিৰুৎ দাসৰ বিভিন্ন দুৰ্নীতি সম্পৰ্কে ফাইলি হোৱাত তেওঁৰ বিৰুদ্ধে বদলিকৰণৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। উক্ত গাঁওসভাত পঞ্চায়তৰ কৰ সেৱক বুৰহান উদ্দিন ব্যুঞা, টুকটুকী গাঁও প্ৰধান সভাপতি জালাল উদ্দিন আহমেদ, পঞ্চায়তৰ জীৱিকা সখী বেহেনা চুলতানা, ইন্তাজ আলীকে আদি কৰি পঞ্চায়তৰ সহস্ৰাধিক লোক উপস্থিত আছিল।

## কয়াকুছিত মহিলা আত্মসহায়ক গোটৰ মণ্ডল সংগঠনৰ উদ্যোগত স্বাধীনতা দিৱস উপলক্ষে ঘৰে ঘৰে পতাকা উত্তোলন সম্পৰ্কে সজাগতা মিছিল

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাউলী, ৪ আগষ্ট ঃ** ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযান তথা অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অন্তৰ্গত পাকাবেতবাৰী খণ্ড অভিযান পৰিচালনা গোটৰ অধীনস্থ বিভিন্ন মণ্ডল সংগঠন চমুকৈ চিএলএফৰ উদ্যোগত কালি সজাগতা মিছিল উলিয়ায় উদ্যোক্তাসকলে। পাকাবেতবাৰী খণ্ড অভিযান পৰিচালনা গোটৰ অধীনস্থ উৰ্মিমালা মডেল চিএলএফ, গংগা চিএলএফ, বসুন্ধৰা চিএলএফ আৰু কনকলতা চিএলএফৰ উদ্যোগত পাকাবেতবাৰী এলেকাধীন বিভিন্ন গ্ৰাম্য সংগঠন চমুকৈ ভিঅ'ৰ মহিলা আত্মসহায়ক গোটৰ সদস্যসকলে এই সজাগতা মিছিলত অংশগ্ৰহণ কৰে। কয়াকুছিত অৱস্থিত পাকাবেতবাৰী খণ্ড অভিযান পৰিচালনা গোটৰ কাৰ্যালয়ৰ পৰা মহিলাসকলে ই ৰিক্সা, স্কুটী আৰু হাতে হাতে পতাকা লৈ মিছিল কৰি দেশপ্ৰেমমূলক গীত গাই গাই চকিৰভিঠাস্থিত পাকাবেতবাৰী খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়লৈ গৈ সমবেত হয়। উক্ত স্থানতেই কয়াকুছিৰ সমন্বয় সাহিত্য গোষ্ঠীৰ মুখ্য সম্পাদক ছাহেদ আলী আহমেদে সজাগতা মিছিল আৰু ১৩ আগষ্টৰ পৰা ১৫ আগষ্টৰ স্বাধীনতা দিৱসৰ দিনটোলৈ ঘৰে ঘৰে পতাকা উত্তোলন কৰিবলগীয়া বিষয়বস্তুৰ উপৰত বক্তব্য প্ৰদান কৰে। পিছত মহিলাসকলে কয়াকুছি বজাৰৰ মূলপথসমূহতো মিছিল উলিয়াই দেশপ্ৰেমমূলক গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰি তোলে। উক্ত মিছিলত উৰ্মিমালা মণ্ডল সংগঠনৰ সভানেত্ৰী-সম্পাদিকা ক্ৰমে—হামিদা বেগম আৰু মিঠুৰালা মণ্ডল, গংগা মণ্ডল সংগঠনৰ সভানেত্ৰী-সম্পাদিকা ক্ৰমে ভাৰতী নাথ আৰু নাৰ্জিমা খাতন, বসুন্ধৰাৰ মণ্ডল সংগঠনৰ সভানেত্ৰী মমতাজ বেগম আৰু বিজুলী সৰকাৰ আৰু কনকলতা মণ্ডল সংগঠনৰ সভানেত্ৰী-সম্পাদিকা ক্ৰমে জেলেকা খাতুন আৰু ময়মনা খাতুনৰ উপৰিও গ্ৰাম্য জীৱিকা সখীসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।




*মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ উপস্থিতিত ৱালমাৰ্ট, ফ্লিপকাৰ্য আৰু এইচ চি এলৰ সৈতে চাৰিটা বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে অসম চৰকাৰে*

### ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত দুধনৈত ৩য় আৰু ৪ৰ্থ বৰ্গৰ পদত চাকৰিপ্ৰত্যাশীৰ বাবে বিনামূলীয়া ক'চিং

## টংকেশ্বৰ ৰাভাৰ ঘোষণা ঃ অহা বছৰৰ পৰা পৰিষদীয় এলেকাত হ'ব ১০টা ফ্ৰী ক'চিং চেণ্টাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ৪ আগষ্ট ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ বিভিন্ন বিভাগত খালী হৈ থকা তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদ সমূহ পূৰণৰ ব্যৱস্থা কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে আদৰণি জনাই ৰাভা হাছং এলেকাৰ এই পদত চাকৰি প্ৰাৰ্থীসকলৰ বাবে সুবিধা হোৱাকৈ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ তৰফৰ পৰা পৰিষদীয় এলেকাত পাঁচটাকৈ বিনামূলীয়া কোচিং চেণ্টাৰ অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰী তথা চাকৰি প্ৰাৰ্থীৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে এক সংবাদ মেলৰ জৰিয়তে এই বিষয়ে সদৰী কৰিছিল পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। যোৱা ২৮ জুলাইৰ পৰা ৩১ জুলাইলৈ বকোস্থিত জৱাহৰলাল নেহৰু কলেজৰ প্ৰেক্ষাগৃহত আবেদনকাৰীক কোচিং দিয়াৰ লগতে ২৯ জুলাইৰ পৰা ১ আগষ্টলৈ ৰংজুলিৰ প্ৰগতি সংঘত আবেদনকাৰীক কোচিং দিয়া হয়। ইপিনে, কালিৰে পৰা অহা ৫ আগষ্টলৈ দুধনৈ জনমন্দিৰ প্ৰাংগণত ৰাভা হাছং পৰিষদৰ উদ্যোগত আৰু দুধনৈ মহাবিদ্যালয়ৰ সহযোগত বিনামূলীয়া কোচিঙৰ ব্যৱস্থা কৰা হৈছে। ২আগষ্টত দিনৰ চাৰে দহ বজাত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই বন্তি প্ৰজ্বলনেৰে প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই উপলক্ষে আয়োজিত শুভাৰম্ভ অনুষ্ঠানত উপস্থিত থাকি দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ললিত চন্দ্ৰ ৰাভাই নিজৰ মন্তব্যত কয় যে এজন যোগ্য চাকৰি প্ৰাৰ্থীয়ে উপযুক্ত প্ৰশিক্ষণ নথকাৰ বাবেই অৱশেষত চাকৰি লাভৰ পৰা বঞ্চিত হয়। পৰিষদে ব্যৱস্থা লোৱা এই কোচিং চেণ্টাৰৰ জৰিয়তে চাকৰিপ্ৰাৰ্থী সকলে চাকৰি লাভৰ ক্ষেত্ৰত যথেষ্ট লাভৱান হ'ব। আনহাতে, টংকেশ্বৰ ৰাভাই চাকৰিপ্ৰত্যাশীসকলক উদ্দেশ্যি কয় যে এটা চাকৰিৰ বাবে এজন চাকৰি প্ৰাৰ্থীক কেনেদৰে উপযুক্ত কৰি তুলিব পাৰি সেই কথাক গুৰুত্ব দি এনে এটা পৰিৱেশ গঢ়ি তুলিবলৈ বিচৰা হৈছে, যাৰ দ্বাৰা এজন চাকৰি প্ৰাৰ্থীয়ে গভীৰ আত্মবিশ্বাসেৰে ইন্টাৰভিউত বহিব পাৰে। অহা বছৰৰ পৰা পৰিষদীয় এলেকাত ১০টা ফ্ৰী কোচিং চেন্টাৰ আয়োজন কৰা হ'ব আৰু বছৰত তিনিটাকৈ কোচিং চেন্টাৰৰ ব্যৱস্থা কৰিব। আনহাতে ৰাভা হাছং এলেকাৰ যিসকল অৰ্হতাসম্পন্ন আগ্ৰহী যুৱক-যুৱতীয়ে হোটেল মেনেজমেন্ট পঢ়িব বিচাৰে তেওঁলোকৰ ১০ গৰাকীক বাছনি কৰি ৰাভা হাছং পৰিষদৰ তৰফৰ পৰা সম্পূৰ্ণ বিনামূলীয়াকৈ পঢ়াৰ ব্যৱস্থা কৰা হ'ব। ইপিনে, ৩০ জুলাইৰ পৰা ২ আগষ্টলৈ বালিজানা গাঁও পঞ্চায়তৰ কাৰ্যালয়ত আবেদনকাৰীৰ বাবে কোচিঙৰ ব্যৱস্থা কৰা হৈছে। প্ৰশিক্ষণ কেন্দ্ৰসমূহত আবেদনকাৰীসকলৰ সুবিধা হোৱাকৈ সাধাৰণ গণিত, সাধাৰণ বিজ্ঞান, ইংৰাজী তথা সাধাৰণ জ্ঞান আদি পৰীক্ষাৰ লগত মুখামুখি হ'ব পৰা বিভিন্ন দিশ সাঙুৰি প্ৰশিক্ষণ দিয়াৰ বাবে জ্যেষ্ঠ আৰু অভিজ্ঞ প্ৰশিক্ষক উপস্থিত থাকে। অনুষ্ঠানত পৰিষদৰ অধ্যক্ষ চাৰু মোহন ৰাভা, পৰিষদৰ প্ৰধান সচিব প্ৰাঞ্জল চৌধুৰী, গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি বীৰঞ্জন ৰাভা, গোৱালপাৰা জিলা ষষ্ঠ অনুসূচী দাবী সমিতিৰ সভাপতি ৰত্নেশ্বৰ ৰাভা, পৰিষদৰ কাৰ্যবাহী সদস্য তাপস কুমাৰ দে' আৰু হিতেশ ৰাভা পাটগিৰি উপস্থিত থাকে। আনহাতে, সোমবাৰে গণিতৰ বিষয়ে প্ৰশিক্ষণ দিয়ে দুধনৈ মহাবিদ্যালয়ৰ গণিত বিভাগৰ প্ৰবক্তা ড° মৃদুল দত্তই। কালি ইংৰাজী বিষয়ৰ ওপৰত প্ৰশিক্ষণ দিয়া হয়।

## নামৰূপ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহৰ আয়োজন ৰাজহুৱা সভা সম্বোধন-মূল সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ৪ আগষ্ট ঃ** সোণালী জয়ন্তী বৰ্ষ গৰকা নামৰূপ মহাবিদ্যালয়ে অহা পহিলা ছেপ্টেম্বৰৰ পৰা বৰ্ষজোৰা কাৰ্যসূচীৰে সোণালী জয়ন্তী সমাৰোহ উদযাপন কৰিব। এই বৰ্ষজোৰা কাৰ্যসূচী উদযাপনৰ বাবে সামগ্ৰিক আভাস প্ৰস্তুতিৰ লগতে মূল সমিতি গঠনৰ উপলক্ষে আগত ৰাখি কালি দিনৰ প্ৰায় ১২ বজাত মহাবিদ্যালয় প্ৰেক্ষাগৃহত এখনি ৰাজহুৱা সভাৰ আয়োজন কৰা হয়। বিভিন্ন দল-সংগঠন, সমাজ সেৱক, প্ৰাক্তন ছাত্ৰ সমবেত হোৱা সভাখনৰ সভাপতিত্ব কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নৰেন চাংমাইয়ে। প্ৰথমে প্ৰাৰ্থনা আৰু এগছি মংগল দ্বীপ প্ৰজ্জলন কৰি সভাখনৰ শুভাৰম্ভ কৰা হয়। বিশিষ্ট অতিথি হিচাপে মঞ্চত উপবিষ্ট হয় মহাবিদ্যালয়খনৰ অন্যতম প্ৰতিষ্ঠাতা তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈ, প্ৰতিষ্ঠা কালৰ লগত জড়িত মণিকান্ত চেতিয়া, বিজেপি ৰাজ্যিক কাৰ্যনিৰ্বাহক ৰঞ্জিত বৰুৱা, ভাৰপ্ৰাপ্ত প্ৰাক্তন অধ্যক্ষ বিমল গগৈ, উপস্থিত থাকে। ইয়াৰ পিছতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দুৰ্গাপ্ৰসাদ গগৈয়ে আদৰণী ভাষণ প্ৰদান কৰাৰ লগতে বৰ্ষজোৰা কাৰ্যসূচী সম্পৰ্কে আৰু মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে ল'বলগীয়া পদক্ষেপ সম্পৰ্কে বৰ্ণনা কৰে। সভাত মুখ্য অতিথিসকলে বিস্তৃত কাৰ্যসূচী, বিত্তীয় পৰিকল্পনা, সম্পৰ্কীয় মতামত আগবঢ়ায়। মহাবিদ্যালয়ৰ অধ্যপক অসীমজ্যোতি বৰুৱাই পহিলা ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'বলগীয়া সোণালী জয়ন্তী আৰম্ভণি অনুষ্ঠান সম্পৰ্কে বিশ্লেষণ আগবঢ়ায়। সৰ্বসন্মতি ক্ৰমে সভাই নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰংগ গগৈক সভাপতি পৰিচালনা সমিতিৰ সভাপতি নৰেন চাংমাইক কাৰ্যকৰী সভাপতি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দুৰ্গাপ্ৰসাদ গগৈক প্ৰধান সম্পাদকৰ দ্বায়িত্ব প্ৰদান কৰে আজিৰ সভাই। গুৰুত্বপূৰ্ণ যে অহা ৩০ আগষ্ট সন্ধ্যা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিবেশিত মৎস্য অৱতাৰ চাৰি বেদ উদ্ধাৰ ভাওনা ভাগীৰে সোণালী জয়ন্তীৰ শুভাৰম্ভ কৰিব। ১ ছেপ্টেম্বৰৰ পুৱা মহাবিদ্যালয়ৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ আৰম্ভ হ'ব। ৯.৩০ বজাত বৰ্ণাঢ্য সংস্কৃতিক শোভাযাত্ৰা। সোণালী জয়ন্তী সমাৰোহ উপলক্ষে মহাবিদ্যালয় প্ৰাংগণত ৪৯খন পতাকা উত্তোলন কৰিব ৪৯গৰাকী বিশিষ্ট ব্যক্তিয়ে। এই পতাকা বছৰটো উত্তোলন কৰি ৰখা হ'ব।

## ভেৰুৱাত শেৱালি হাজৰিকা, জগন্নাথ নাথৰ স্মৃতিচাৰণ অনুষ্ঠান ঃ স্মৃতিৰ দলিল 'সুবাস' উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ৪ আগষ্ট ঃ** দৰঙৰ ভেৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ দুগৰাকী অতি নিষ্ঠাৱান শিক্ষাগুৰু ক্ৰমে—শেৱালি হাজৰিকা আৰু জগন্নাথ নাথৰ অকাল বিয়োগ হোৱাত বিদ্যালয় পৰিয়াল, শিক্ষাৰ্থী, অভিভাৱক, অঞ্চলবাসী ৰাইজ শোকত ভাগি পৰিছিল। সংশ্লিষ্ট বিদ্যালয়খনৰ সহকাৰী কৃতী শিক্ষক-শিক্ষয়িত্ৰীদ্বয়ৰ অকাল বিয়োগ বৃহত্তৰ অঞ্চলবাসীৰ বাবে আজিও অপূৰণীয় ক্ষতি হিচাপে চিহ্নিত হৈ আছে। শিক্ষকতাৰ সমান্তৰালকৈ সাহিত্য-সংস্কৃতি, ক্ৰীড়া আদি সৰ্বদিশৰ পাৰদৰ্শী, সহকাৰী শিক্ষয়িত্ৰী শেৱালি হাজৰিকা আৰু সহকাৰী শিক্ষক জগন্নাথ নাথৰ শিক্ষা-সাহিত্য, ক্ৰীড়া, সামাজিক-সাংস্কৃতিক অৱদানক স্মৰণ কৰাৰ উদ্দেশ্যে ৩০ জুলাইত অনুষ্ঠিত হয় এটি স্মৃতিচাৰণ অনুষ্ঠান। বিদ্যালয়খনৰ উদ্যাগত বিদ্যালয় পৰিচালনা সমিতি, অভিভাৱক-ৰাইজৰ সহযোগত বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত অনুষ্ঠানটোৰ বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভণি কৰে বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী দীপালী কলিতাই। ইয়াৰ পাছত বিদ্যালয়ৰ সহকাৰী শিক্ষকদ্বয় অনিল ভূএগা, বলেন কুমাৰ চহৰীয়াই ভাগৱত পাঠ কৰাৰ লগতে দৰথি ভৰদ্বাজ আৰু সংগীবৃন্দই দিহানাম পৰিৱেশন, মাৰ্জনা বেগমে কোৰানৰ স্তৱক পাঠ কৰে। উল্লেখ্য যে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মাণিক চন্দ্ৰ কলিতাৰ সঞ্চালনাত অনুষ্ঠিত আৰু বিদ্যালয়ৰ কাৰ্যালয় সহায়ক দিলীপ ডেকাই পৰিচালনা কৰা স্মৃতিচাৰণ অনুষ্ঠানত বক্তব্য প্ৰদান কৰে ক্ৰমে—ছিপাঝাৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক, শিক্ষয়িত্ৰী শেৱালি হাজৰিকাৰ জোঁৱাই ড° মণ্টু হাজৰিকা, বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰবীণ কুমাৰ কলিতা, অৱসৰপ্ৰাপ্ত শিক্ষক অনন্ত দেৱশৰ্মা, সাংবাদিক কমল কুমাৰ নাথ, শেৱালি হাজৰিকাৰ শিক্ষয়িত্ৰী জীয়ৰী পল্লৱী ডেকা হাজৰিকা, শেৱালি হাজৰিকাৰ জ্যেষ্ঠ ভগ্নী চাৰু হাজৰিকা চহৰীয়া আদিয়ে। স্মৃতিচাৰক, অৱসৰপ্ৰাপ্ত শিক্ষক অনন্ত দেৱশৰ্মাই কয়, শিক্ষয়িত্ৰী শেৱালি হাজৰিকাৰ গভীৰ জ্ঞানসমৃদ্ধ প্ৰতিভা ভালদৰে প্ৰকাশ হ'বলৈ নৌপাওঁতেই আমাৰ মাজৰ পৰা তেওঁৰ চিৰ প্ৰস্থান ঘটিল। বিদ্যালয়ৰ জ্যেষ্ঠ সহকাৰী শিক্ষক মনোৰঞ্জন শৰ্মাই সম্পাদনা কৰা 'সুবাস' শীৰ্ষক স্মৃতি পত্ৰিকাখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে জ্যেষ্ঠ সহকাৰী শিক্ষক ৰাজেন ডেকাই।

## ডিমৌত 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ উদ্দেশ্য বিজেপিৰ সভা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ৪ আগষ্ট ঃ** ভাৰতীয় জনতা পাৰ্টীৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত দেশে স্বাধীনতা লাভৰ ৭৫ বছৰ হোৱা বৰ্ষপূৰ্তি উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান কৰা 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ উদ্দেশ্য ২ আগষ্টত ডিমৌ জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰেক্ষাগৃহত থাওৰা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁইৰ উপস্থিতিত এখন প্ৰস্তুতিমূলক সভা অনুষ্ঠিত হয়। উক্ত সভাত ভাৰতীয় জনতা পাৰ্টীৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি ময়ূৰ বৰগোহাঁই, থাওৰা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা নগৰ পানী যোগান আৰু পয় প্ৰণালী নিগমৰ অধ্যক্ষ কুশল দুৱৰী, ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক উপ-সভাপতি জয়ন্ত কুমাৰ দাসকে প্ৰমুখ্যে কৰি জিলাৰ পৰা প্ৰতিনিধিত্ব কৰা ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য, সদস্যাৰ উপৰিও জিলা বিষয়ববীয়া, যুৱ মৰ্চা, মণ্ডল সমিতি, বুথ সমিতিৰ বিষয়ববীয়া আৰু কাৰ্যকৰ্তাসকলৰ উপস্থিতিত বহুকেইটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰাৰ লগতে আগন্তুক অমৃত মহোৎসৱ,হ ৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচীৰ ওপৰতো আলোচনা কৰা হয়।

# অহেতুক প্ৰতিদ্বন্দ্বিতাৰ বাবেই আমি শাৰীৰিক- মানসিকভাৱে দুৰ্বল হৈ পৰিছোঁ

### শিৱসাগৰত ফাইনচেম ৰেলনেচ ইণ্ডিয়াৰ সপোন থেৰাপী কেয়াৰৰ প্ৰথম প্ৰতিষ্ঠা দিৱসত ড° সব্যসাচী মহন্ত

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৪ আগষ্ট ঃ** অহেতুক প্ৰতিদ্বন্দ্বিতা আৰু জীৱন ধাৰণ শৈলীৰ ব্যাপক পৰিৱৰ্তনে আমাক বিভিন্ন সময়ত শাৰীৰিক-মানসিকভাৱে দুৰ্বল কৰি তুলিছে। পৰ্যাপ্ত পোৱাৰ পিছতো আমি অধিক প্ৰাপ্তিৰ বাবে যি অঘোষিত প্ৰতিযোগিতাত নামিছোঁ সেই অঘোষিত প্ৰতিযোগিতাই বৰ্তমান সময়ত আমাক ৰূগ্ন কৰি তুলিছে। এই মন্তব্য গড়গাঁও মহাবিদ্যালয়ৰ অধক্ষ্য, তথা বিশিষ্ট নিবন্ধকাৰ, লেখক, শিৱসাগৰ প্ৰেছ ক্লাবৰ সভাপতি ড° সব্যসাচী মহন্তৰ। কালি শিৱসাগৰস্থিত ফাইনচেম ৰেলনেচ ইণ্ডিয়াৰ সপোন থেৰাপী কেয়াৰৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ মুকলি সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰা ড° সব্যসাচী মহন্তই এনেদৰে কয়। বিশিষ্ট অতিথিৰ ভাষণৰ পৰা ড° মহন্তই পুনৰ কয় যে পুৱাৰ পৰা সন্ধিয়ালৈকে প্ৰাপ্তিৰ অঘোষিত দৌৰে আমাৰ প্ৰাত্যহিক জীৱনশৈলীত পেলোৱা প্ৰভাৱৰ বাবেই আমি জুৰুলা হৈ পৰিছোঁ। শাৰীৰিক-মানসিকভাৱে আমি বিধ্বস্ত হৈছোঁ। কিন্তু সম্প্ৰতি শিৱসাগৰত ফাইনচেম ৰেলনেচ ইণ্ডিয়াৰ সৌজন্যত শিৱসাগৰৰ খ্ৰীষ্টানপট্টী চাৰিআলিত প্ৰতিষ্ঠা লাভ কৰা সপোন থেৰাপী চেষ্টাৰে এই ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ৰোগ নিৰাময়ৰ পৰিৱৰ্তে শৰীৰত ৰোগ প্ৰতিৰোধী শক্তি সৃষ্টিৰ বাবে এক বিকল্প চিকিৎসা পদ্ধতি গঢ়ি তুলিছে। পাৰ্শ্বক্ৰিয়া শূন্য এই বিকল্প চিকিৎসাৰ ৰোগ প্ৰতিৰোধী শক্তি সৃষ্টি কেন্দ্ৰ শিৱসাগৰৰ সপোন থেৰাপী কেয়াৰ বৰ্তমান সময়ত সাধাৰণ ৰাইজৰ বাবে এক আশা-প্ৰত্যাশাৰ নাম হৈ পৰিছে।আনহাতে, মুকলি সভাত অন্যতম নিমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰা শিৱসাগৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত, কৰ্মশ্ৰী বিতোপন নেওগে কয় যে এখন দেশ সঁচা অৰ্থত প্ৰগতিমুখী হ'বৰ বাবে দেশৰ নাগৰিকসকল শাৰীৰিক-মানসিকভাৱে সুস্থ হ'বই লাগিব। বৰ্তমান সময়ত শাৰীৰিক-মানসিক উৎকৰ্ষ বিকাশ আৰু বিকল্প চিকিৎসা পদ্ধতিৰে শৰীৰক সুস্থ কৰি তুলিবৰ বাবে সপোন থেৰাপী কেয়াৰে গ্ৰহণ কৰা পদক্ষেপ নিতান্তই প্ৰশংসনীয় আৰু আদৰণীয় বুলি গুৰুত্বপূৰ্ণ মন্তব্য কৰে। উল্লেখ্য যে প্ৰথম প্ৰতিষ্ঠা দিৱস উপলক্ষে দিনজোৰা কাৰ্যসূচীৰ আৰম্ভণিতেই পুৱা উদ্‌যাপন সমিতিৰ সভাপতি প্ৰবীণ দত্তই পতাকা উত্তোলন, সমিতিৰ সম্পাদিকা ৰুণুমী শইকীয়াই বন্তি প্ৰজ্বলন কৰাৰ পিছতেই সপোন থেৰাপী কেয়াৰৰ শুভাকাংক্ষীসকলে এক আকৰ্ষণীয় স্বাস্থ্য সজাগতা শীৰ্ষক সাংস্কৃতিক শোভাযাত্ৰাৰে বৃহত্তৰ ফুকন নগৰ অঞ্চল পৰিভ্ৰমণ কৰে। শিৱসাগৰ পৌৰসভাৰ পৌৰনেত্ৰী মৃণালিনী কোঁৱৰ, অধ্যাপিকা মৃণালিনী মহন্তকে ধৰি বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত আয়োজিত মুকলি সভাৰ অতিথিসকলক শিল্পী নাজিম আলীৰ ৰচনা, সুৰ, গীতেৰে সপোন থেৰাপী কেয়াৰৰ মহিলাসকলে পৰিৱেশন কৰা এক সমৱেত সংগীতেৰে আদৰণি জনায়। ফাইনচেম ৰেলনেচৰ ক্ষেত্ৰ বিষয়া ধনমণি মহনে উদ্দেশ্য ব্যাখা কৰা আৰু সপোন থেৰাপী কেয়াৰৰ স্বত্বাধিকাৰী চিন্ময় মহনে শলাগৰ শৰাই আগবঢ়োৱা মুকলি সভাখনৰ আঁত ধৰে বিশিষ্ট সমাজকৰ্মী ঘন গগৈয়ে।

### ছয়গাঁৱত তীৰ-জুৱাৰ অবাধ প্ৰচলন

## মাৰাত্মক ঝাণ্ডিমুণ্ডিৰ কবলত যুৱ প্ৰজন্ম

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও, ৪ আগষ্ট ঃ** কামৰূপ জিলাৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত প্ৰায়সংখ্যক স্থানতে এতিয়া সুলভ হৈ পৰিছে অনৈতিক কাৰ্যকলাপৰ প্ৰচলন। ধৰ্মৰ নামত চলিছে মাৰাত্মক ব্যৱসায়। দক্ষিণ কামৰূপৰ সংস্কৃতিৰ ধ্বজাবাহক যাত্ৰাপাৰ্টীক অলপ টকাৰ বিনিময়ত নিমন্ত্ৰণ কৰি ওৰে নিশা চলে মাৰাত্মক ঝাণ্ডিমুণ্ডি খেল। স্থানীয় প্ৰশাসনে এয়া গম পায় নে নেপায় সেয়া সচেতন মহলৰ মাজত লাখটকীয়া প্ৰশ্ন। ছয়গাঁও অঞ্চলত ইমানবোৰ সচেতন দল-সংগঠনে গিজ্‌গিজাই থকাৰ পিছতো এনে অনৈতিক কাৰ্যকলাপৰ প্ৰচলন হৈ থকাটো লজ্জাৰ কথা। বৃহত্তৰ অঞ্চলটোৰ ভিতৰুৱা গাঁওবোৰত সাধাৰণতে এনে ঘটনা একেবাৰে সুলভ। দেখদেখকৈ দিনৰ পোহৰতে ছয়গাঁও আৰক্ষী থানা আৰু ছয়গাঁও ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সমীপত মুকলিকৈ চলাই গৈছে তীৰৰ বিক্ৰী। তীৰৰ বুকীৰ এক গোপন লবীয়ে এনেধৰণৰ কাৰ্য সাধাৰণ পাণ দোকানী আৰু সাধাৰণ লোকৰ জৰিয়তে চলাই গৈছে বুলি জানিব পৰা গৈছে। এনেধৰণে মাৰাত্মক ঝাণ্ডিমুণ্ডি খেলবিধো এটা দুষ্ট চক্ৰই চলাই গৈছে বুলি সহজে অনুমেয়। কে'বাজনো গোপন মেনেজ মাষ্টাৰে এনে অনৈতিক কাৰ্যকলাপৰ বিষবাষ্প বিয়পাই থকা বুলি এক সূত্ৰত প্ৰকাশ। সৌ সিদিনা ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত জাৰপাৰাত ড্ৰাগ্‌ছৰ মুকলি বেহা চলি থকা খবৰ স্হানীয় প্ৰশাসনে লাভ কৰা পিছতো একো ব্যৱস্থা নলোৱা বুলি স্থানীয় লোকে অভিযোগ উত্থাপন কৰিছে। সেয়ে জিলাৰ অভিভাৱক মন্ত্ৰীৰ লগতে নৱনিযুক্ত জিলা উপায়ুক্ত কীৰ্তি জল্লীৰ তাৎক্ষণিকভাৱে হস্তক্ষেপ বিচাৰিছে সচেতন মহলে।



*হেঙেৰাবাৰীৰ ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক কাৰ্যালয়ত পতাকা বিক্ৰী কেন্দ্ৰ মুকলি কৰিছে প্ৰাক্তন সাংসদ বিজয়া চক্ৰৱৰ্তীয়ে, বৃহস্পতিবাৰে*

### জটিল ৰোগত আক্ৰান্ত বড়মপুৰৰ সাংস্কৃতিক কৰ্মী প্ৰশান্ত বৰা

## আৰ্থিক সহায়ৰ আহ্বান ৰাইজলৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ৪ আগষ্ট ঃ** নগাঁও জিলাৰ বড়মপুৰ সমষ্টিৰ শিঙিয়া পোটনীৰ এজন সুদক্ষ সাংস্কৃতিক কৰ্মী তথা শিল্পী হ'ল প্ৰশান্ত বৰা। তেওঁৰ হাতৰ পৰশত এসময়ত বিভিন্ন বাদ্যযন্ত্ৰই প্ৰাণ পাই উঠাৰ লগতে অঞ্চলৰ বিভিন্নজনক সাংস্কৃতিক ক্ষেত্ৰখনত আগুৱাই লৈ গৈছিল। তদুপৰি অঞ্চলটোৰ পৰুৱাগাঁৱত থকা 'ভাৰত গ্ৰন্থাগাৰ'ত বহু ছাত্ৰ-ছাত্ৰীক সাংস্কৃতিক ক্ষেত্ৰখনত দীক্ষা প্ৰদান কৰাত আগভাগ লৈছিল। কিন্তু বৰ্তমান এইগৰাকী শিল্পী শয্যাগত। নগাঁৱৰ পৰুৱাগাঁও নিৱাসী ৪৭ বছৰ বয়সীয়া প্ৰশান্ত বৰাই দীৰ্ঘদিন ধৰি এক জটিল ৰোগত আক্ৰান্ত হৈ আছে। জানিব পৰা মতে, ইতিমধ্যে তেওঁৰ দুয়োটা বৃক্ক বিকল হৈ পৰিছে, ফলত পৰিয়ালটোলৈ ঘোৰ অমানিশা নামি আহিছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ থকা শিল্পীগৰাকীয়ে ঘৰত থাকি সপ্তাহত দুবাৰকৈ ডায়েলাইছিছ কৰিবলগীয়া হয়। চিকিৎসকৰ মতে প্ৰশান্ত বৰা সুস্থ হৈ উঠিবলৈ বৃক্ক সলনি প্ৰক্ৰিয়াৰ বাদে অন্য বিকল্প চিকিৎসা নাই আৰু এই চিকিৎসাৰ কাৰণে বহিঃৰাজ্যলৈ নিবলৈ হ'লে বুজন পৰিমাণৰ (প্ৰায় ১৫-২০ লাখ) অৰ্থৰ প্ৰয়োজন হ'ব। কিন্তু ইমান ব্যয়বহুল চিকিৎসা কৰিব নোৱাৰি পৰিয়ালটো অসহায় হৈ পৰিছে। বিগত দিনত শিল্পীগৰাকীৰ চিকিৎসাৰ কাৰণে বহু ধন ব্যয় কৰিবলগীয়া হোৱাত বৰ্তমান পৰিয়ালটোৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। সেয়েহে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা তথা বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীক প্ৰশান্ত বৰাৰ চিকিৎসাৰ কাৰণে আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ পৰিয়ালটোৰ ফালৰ পৰা কাতৰ আহ্বান জনাইছে। কোনো সদাশয় ব্যক্তিয়ে পৰিয়ালটোৰ লগত যোগাযোগ কৰিবলৈ বিচাৰিলে ৯১০১৭৭৭৪০৩ ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব আৰু আৰ্থিক সাহায্য প্ৰদান কৰিব বিচাৰিলে প্ৰশান্ত বৰা, এছ বি আই বেংক, একাউণ্ট নং ৩১৬৩৫৭১০৯৮৫, আই এফ এছ কোড- এছ বি আই এন ০০০০১৪৬ যোগে প্ৰদান কৰিবৰ বাবে অনুৰোধ জনাইছে।

## ধুবুৰীত মা দুৰ্গা আত্মসহায়ক গোটৰ উদ্যোগত গছপুলি ৰোপণ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৪ আগষ্ট ঃ** অসম চৰকাৰৰ নিৰ্দেশমৰ্মে প্ৰতিখন চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানসমূহত বৃক্ষ ৰোপণ কৰিবলৈ আহবান জনায়। সেই উপলক্ষে কালি ১৪নং ৱাৰ্ডৰ মা দুৰ্গা আত্মসহায়ক গোটৰ জৰিয়তে ইয়াৰে মন্দিৰৰ চৌহদত গছপুলি ৰোপণ কৰা হয়। গছপুলি ৰোপণ কাৰ্যসূচী সত্যজিত মণ্ডলৰ নেতৃত্বত অনুষ্ঠিত কৰা হয়। গছপুলি ৰোপণ কাৰ্যসূচীত উপস্থিত থাকে মা দুৰ্গা আত্মসহায়ক গোটৰ সভানেত্ৰী সুচিত্ৰা দত্ত, সম্পাদিকা ৰীতা দাস অৰু এই গোটৰ সদস্যাসকলৰ লগতে ১৪নং ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰ উপস্থিত থাকে।

# আদালতৰ সহায়ত কমনৱেল্‌থ গেমছ খেলি হাই জাম্পত ঐতিহাসিক পদক পালে শংকৰে



প্ৰথমে তেজস্বিন শংকৰক বাৰ্মিংহাম কমনৱেলথ গেমছৰ ভাৰতীয় দলত বাছনি কৰা নাছিল। যোগ্যতাৰ পাছতো দললৈ নিৰ্বাচন নোহোৱাত আদালতৰ কাষ চাপি ন্যায়ৰ বাবে গোচৰ দিছিল হাইজাম্পাৰ তেজস্বিন শংকৰে। পাছত আদালতে তেজস্বিনৰ পক্ষত ৰায় দিয়াত বাধ্য হৈ ভাৰতীয় এথলেটিকছ সন্থাই শংকৰক বাৰ্মিংহাম কমনৱেলথ

**বাৰ্মিংহাম, ৪ আগষ্ট ঃ** চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতক এথলেটিকছত প্ৰথমটো পদক দিলে তেজস্বিন শংকৰে। উল্লেখ্য যে যোৱানিশা অলেকজেণ্ডাৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা পৰুষৰ হাই জাম্পত শংকৰে নতুন ইতিহাস গঢ়ি ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত এয়া ভাৰতৰ এথলেটিকছত প্ৰথমটো পদক হোৱাৰ লগতে কমনৱেলথ গেমছৰ ইতিহাসত এয়া ভাৰতৰ প্ৰথমটো হাই জাম্পত পদক জয়ৰ গৌৰৱময় সফলতাও। ২.২২ মিটাৰ জঁপিয়াই ব্ৰঞ্জ লাভ কৰে শংকৰে। সোণ নিউজিলেণ্ডে আৰু ৰূপ অষ্ট্ৰেলিয়াই দখল কৰে। উল্লেখ্য যে ভাৰতীয় এথলেটিকছ সন্থাই গেমছৰ ভাৰতীয় দলত অন্তৰ্ভুক্ত কৰে। নিজৰ দক্ষতা যোৱানিশা অলেকজেণ্ডাৰ ষ্টেডিয়ামত প্ৰমান কৰি ঐতিহাসিক পদক লাভ কৰিলে শংকৰে। ইফালে, ২০ বছৰ পাছত কমনৱেলথ গেমছত মহিলাৰ ডিচকাছ থ্ৰ'ত এইবাৰ পদক নাপালে ভাৰতে। সীমা পুনিয়া আৰু ধিলন ব্যৰ্থ হয়। ইফালে, আজি হোৱাৰ মহিলাৰ হামাৰ থ্ৰ'ত ভাৰতৰ মঞ্জু মালাই ৫৯.৬৮ মিটাৰ দলিয়াই ফাইনেলত প্ৰৱেশ কৰে যদিও ব্যৰ্থ হয় সৰিতা সিং। ইফালে, মহিলাৰ ২০০ মিটাৰ দৌৰত অসমৰ ধিং এক্সপ্ৰেছ হিমা দাসে ২৩.৪২ ছেকেণ্ডত ৰেছ পূৰ্ণ কৰি ১৬ জনৰ লগতে ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

# লাভলীনাৰ বিদায়, বক্সিঙত ভাৰতৰ ছটা পদক নিশ্চিত

**বাৰ্মিংহাম, ৪ আগষ্ট ঃ** টকিঅ' অলিম্পিকৰ ব্ৰঞ্জ জয়ী লাভলীনা বৰগোহাঁই কোৱাৰ্টাৰ ফাইনেলত ২-৩ৰ ব্যৱধানত পৰাস্ত হৈ বিদায় ল'লেও চলিত বাৰ্মিংহাম কমনৱেল্‌থ গেমছৰ বক্সিঙত ভাৰতে এতিয়ালৈ ছটা পদক জয় কৰাটো নিশ্চিত হৈছে। উল্লেখ্য যে বিশ্ব বক্সিঙৰ চেম্পিয়ন ভাৰতৰ নীখাত জাৰিণ আৰু অমিত পাংগল ছেমিফাইনেলত প্ৰৱেশ কৰি নিজৰ নিজৰ পদক জয় কৰাটো নিশ্চিত কৰিছে। পুৰুষৰ ৫১ কিলোগ্ৰাম শাখাত খেলা অমিত পাংগলে আজি কোৱাৰ্টাৰ ফাইনেলত ৫-০ৰ ব্যৱধানত স্কটলেণ্ডৰ লেননক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। ইয়াৰপূৰ্বে তেওঁ হেলাৰঙে ভানুটুৰ নামৰি বেৰিক ৫-০ৰ ব্যৱধানত পৰাস্ত কৰি প্ৰত্যাশিতৰূপত চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত অভিযান আৰম্ভ কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। ইফালে, বিশ্ব চেম্পিয়নশ্বিপত সোণ লাভ কৰা নিখাত জাৰীনে মহিলাৰ ৫০ কিলোগ্ৰাম শাখাৰ কোৱাৰ্টাৰ ফাইনেলত ৱেলছৰ হেলেনা জ'নছক ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশেৰে পদক জয় নিশ্চিত কৰে। ইয়াৰপূৰ্বে প্ৰথম ৰাউণ্ডৰ মেচত নিখাতে নক আউট কৰিছিল মোঝাম্বিকৰ হেলেনা ইছমাইলক। ইফালে, মহিলাৰ ৫১ কিলোগ্ৰাম শাখাৰ আজি হোৱা কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ জেছমিনে নিউজিলেণ্ডৰ গাৰ্টনক ৪-১ ৰ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত স্থান তথা পদক নিশ্চিত কৰে। আজিয়েই পদক নিশ্চিত কৰিছে পুৰুষৰ ৯২ কিলোগ্ৰাম উৰ্দ্ধৰ শাখাত খেলা ভাৰতীয় হেভীৱেইট বক্সাৰ সাগৰেও। কোৱাৰ্টাৰ ফাইনেলত তেওঁ ৫-০ ৰ ব্যৱধানত জয়ী হৈ অন্তিম চাৰিত প্ৰৱেশ কৰি দেশৰ পদকৰ সংখ্যা বৃদ্ধি কৰিছে। ইয়াৰপূৰ্বে ভাৰতৰ মহিলা বক্সাৰ নীতু আৰু পুৰুষ বক্সাৰ মহম্মদ হুছামুদ্দিনে নিজৰ নিজৰ কোৱাৰ্টাৰ ফাইনেলত জয়লাভ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰি পদক নিশ্চিত কৰিছিল। ৪৮ কিলোগ্ৰাম শাখাত খেলা নীতুই কোৱাৰ্টাৰ ফাইনেল খেলিয়েই নিজৰ অভিযান আৰম্ভ কৰে আৰু প্ৰথম মেচতে উত্তৰ আয়াৰলেণ্ডৰ নিক'লাক নকআউট কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। ইফালে, পুৰুষৰ ৫৭ কিলোগ্ৰাম শাখা কোৱাৰ্টাৰ ফাইনেলত মহম্মদ হুছামুদ্দিনে ৪-১ ৰ ব্যৱধানত নামিবিয়াৰ এনডেভেলোক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশেৰে পদক জয়ো নিশ্চিত কৰে। প্ৰি-কোৱাৰ্টাৰ ফাইনেলত হুছামুদ্দিনে বাংলাদেশৰ মহম্মদ ছেলিম হুছেইনক ৫-০ ৰ ব্যৱধানত বিধ্বস্ত কৰিছিল। আনহাতে, ভাৰতীয় বক্সাৰজনে প্ৰথম মেচত ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰিছিল দক্ষিণ আফ্ৰিকাৰ আমজ'লেলাক।




# ১০টা পদক জয়ৰে কমনৱেল্‌থ গেমছত গৌৰৱময় যাত্ৰা সামৰিলে ভাৰতৰ ভাৰোত্তোলকে

## গুৰদীপ সিঙৰ ব্ৰঞ্জ লাভ



**বাৰ্মিংহাম, ৪ আগষ্ট ঃ** চলিত ২২তম্ বাৰ্মিংহাম কমনৱেল্‌থ গেমছত ভাৰতৰ ভাৰোত্তোলকে চমকপ্ৰদ প্ৰদৰ্শন কৰি মুঠ ১০টা পদক জয়েৰে অভিযান সমাপ্ত কৰিলে। অৱশ্যে এতিয়াও পেৰা ভাৰোত্তোলকে নিজৰ খেল খেলিবলৈ বাকী আছে আৰু ভাৰতৰ পদক জয়ৰ আশা আছে। যোৱানিশা ভাৰোত্তোলনত ভাৰতক ১০ নম্বৰ পদকটো দিয়ে পুৰুষৰ ১০৯ কিলোগ্ৰাম উৰ্দ্ধত খেলা গুৰদীপ সিঙে। হেভিৱেইট বক্সাৰজনে মুঠ ৩৯০ কিলোগ্ৰাম উত্তোলন কৰি ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। তেওঁ স্নেচত ১৬৭ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ২২৩ কিলোগ্ৰাম উত্তোলন কৰিবলৈ সক্ষম হয়। ৪০৫ কিলোগ্ৰাম উত্তোলন কৰি পাকিস্তানৰ মহম্মদ নুহ বাটে সোণ তথা ৩৯৪ কিলোগ্ৰাম উত্তোলন কৰি নিউজীলেণ্ডৰ ডেভিদ এন্দ্ৰিউ ৰূপৰ পদক লাভ কৰে। উল্লেখ্য যে বিগত ২০১৮ৰ গ'ল্ডকষ্ট কমনৱেলথ গেমছত ভাৰতীয় ভাৰোত্তোলন দলে মুঠ নটা পদক লাভ কৰিছিল। এইবাৰ ১০টা পদক জয়ৰে গৌৰৱময় সফলতা লাভ কৰিলে। উল্লেখ্য যে ভাৰোত্তোলনত ভাৰতৰ হৈ মীৰাবাঈ চানু, জেৰেমি আৰু অচিন্তই সোণ লাভ কৰাৰ লগতে বিন্দিৰাণী দেৱী, সংকেট সাগৰ আৰু বিকাশ ঠাকুৰে ৰূপৰ পদক জয় কৰিছে। ইফালে, ভাৰতৰ হৰ্জিন্দৰ সিং, গুৰুৰাজা পূজাৰী আৰু লাভপ্ৰীত সিঙে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়।

# প্ৰথম ভাৰতীয়ৰূপে কমনৱেল্‌থ গেমছৰ স্ক'ৱাছত ব্যক্তিগত পদক লাভ সৌৰভৰ

**বাৰ্মিংহাম, ৪ আগষ্ট ঃ** ভাৰতৰ সৌৰভ ঘোষালে ইতিহাস গঢ়ি চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছৰ পুৰুষৰ একক শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। ব্ৰঞ্জ পদকৰ মেচত সৌৰভে ১১-৬, ১১-১, ১১-৪ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে প্ৰাক্তন বিশ্ব ৰেংকিঙৰ শীৰ্ষস্থানৰ খেলুৱৈ ইংলণ্ডৰ জেমছ উইলষ্ট্ৰ'পক। উল্লেখ্য যে এয়া কমনৱেলথ গেমছত স্ক'ৱাছত ভাৰতৰ প্ৰথমটো ব্যক্তিগত পদক। ইয়াৰপূৰ্বে হোৱা ছেমিফাইনেলত নিউজিলেণ্ডৰ খেলুৱৈৰ বিৰুদ্ধে ৩-০ ৰ ব্যৱধানত পৰাস্ত হৈছিল সৌৰভ। উল্লেখ্য কোৱাৰ্টাৰ ফাইনেলত সৌৰভে ১১-৫, ৮-১১, ১১-৭, ১১-৩ ৰ ব্যৱধানত স্কটলেণ্ডৰ ল'বানক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। আনহাতে, সৌৰভে শ্ৰীলংকাৰ প্ৰতিদ্বন্দ্বীক ১১-৪, ১১-৪, ১১-৬ ৰ ব্যৱধানত পৰাস্ত কৰি অন্তিম আঠত স্থান নিশ্চিত কৰিছিল। উল্লেখ্য যে ভাৰতৰ জ্যোৎস্না চিন্নাপ্পা চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছৰ স্ক'ৱাছৰ মহিলাৰ একক শাখাৰ পদক প্ৰত্যাশি আছিল যদিও কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হৈ পদক জয়ৰ দৌৰৰ পৰা পূৰ্বেই আঁতৰি আহিছিল। এতিয়া ভাৰতীয় দলৰ লক্ষ্য হ'ব ডাবলছ আৰু মিক্সড ডাবলছত পদক লাভ কৰা।

# মৰিয়নি ফুটবল লীগত উদয়নৰ জয়

**গুৱাহাটী, ৪ আগষ্ট ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা ফুটবল লীগত নাগাজাংকাৰ উদয়ন সংঘই আজিৰ খেলত জয়ী হৈ লীগৰ সম্পূৰ্ণ পইন্ট অৰ্জন কৰে। দলে হোনোৱাল ফুটবল ক্লাৱক ২-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে। হোনোৱালৰ গোপী ৰাৱে গ'ল কৰাৰ পিছত উদয়নৰ বুধিন গগৈয়ে সমতা স্থাপন কৰে। পাছত উদয়নৰ অমল ডিম্বই গ'ল দি দলক বিজয়ী কৰায়। আজিৰ জয়ৰ সূত্ৰে উদয়নৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ সম্ভাৱনা সজীৱ হয়। খেলখন পৰিচালনা কৰে ৰাজীৱ কৰ্মকাৰ, দিব্যজ্যোতি শইকীয়া, দেবু গোৱালা আৰু প্ৰদীপ মাঝিয়ে।

# স্বাধীনতা দিৱসৰ অমৃত মহোৎসৱত প্ৰীতি ফুটবল

**গুৱাহাটী, ৪ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাত দেশৰ ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি প্ৰীতি ফুটবল খেল অনুষ্ঠিত কৰে ৰঙাপৰা প্ৰেছ ক্লাবে। আজি বিয়লি অনুষ্ঠিত হোৱা প্ৰথমখন প্ৰীতি ফুটবল খেল নামনিগাঁও খেলপথাৰত ৰঙাপৰা প্ৰেছ ক্লাব আৰু সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ মাজত অনুষ্ঠিত হয়। উক্ত প্ৰীতি ফুটবল খেলখন ৰঙাপৰা আৰক্ষী থানাৰ প্ৰভাৰী দেৱেন বৰাই উদ্বোধন কৰে আৰু খেলখন উপস্থিত থাকে ৰঙাপৰা প্ৰেছ ক্লাবৰ সভাপতি সুনীল ম'ৰ, উপদেষ্টা ৰাজু পাটোদিয়া, বিপুল মেচ, বিমান মণ্ডলকে ধৰি প্ৰেছ ক্লাবৰ সদস্যসকল। আনহাতে, খেলখনত আটছাৰ কেন্দ্ৰীয় সমিতিৰ সদস্য ইলিয়াছ প্ৰধান উপস্থিত থাকি খেলুৱৈসকলক উৎসাহিত কৰে। খেলখনত ছাত্ৰ সন্থাই ৪-০ গ'লত ৰঙাপৰা প্ৰেছ ক্লাবক পৰাস্ত কৰে।

# ষ্টাৰ একাদশৰ জয়লাভ

**গুৱাহাটী, ৩ আগষ্ট ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা ফুটবল লীগত আজি ষ্টাৰ একাদশে জয়ী হৈ সম্পূৰ্ণ পইন্ট অৰ্জন কৰে। দলে খ্ৰীষ্টজ্যোতি ফুটবল ক্লাৱক ২-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে। ষ্টাৰ ইলেভেনৰ ৰাজেশ চবৰ আৰু শ্ৰীকান্ত চবৰে গ'ল কৰাৰ বিপৰীতে খ্ৰীষ্টজ্যোতিৰ চলমান নায়কে এটা গ'ল দিয়ে। খেলখন পৰিচালনা কৰে প্ৰাঞ্জল পাওগাম, নিত্যৰঞ্জন ফুকন, নেইনা ভুমিজ আৰু আন্দ্ৰিয়াছ তাঁতীয়ে।

# ছেমিফাইনেলত ভাৰতৰ মহিলা ক্ৰিকেট দল

## বাৰ্বাডোজৰ বিৰুদ্ধে ১০০ ৰানত জয়লাভ




**বাৰ্মিংহাম, ৪ আগষ্ট ঃ** ভাৰতৰ মহিলা ক্ৰিকেট দলে চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেল্‌থ গেমছৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। যোৱানিশা ভাৰতে নিজৰ তৃতীয় মেচত ১০০ ৰানৰ ব্যৱধানত পৰাস্ত কৰে বাৰ্বাডোজক। এয়া ভাৰতৰ ক্ৰমাগত দ্বিতীয় বিজয়। পোনতে বেটিং কৰা ভাৰতে ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ১৬২ ৰান কৰে। ভাৰতৰ হৈ বেটিং মুকলি কৰা শ্বেফালি বাৰ্মাই ২৬ বলত ৪৩ ৰান কৰাৰ লগতে জেমিমা ৰড্ৰীগেজে অপৰাজিত ৫৬ আৰু দীপ্তি শৰ্মাই ৩৪ ৰান কৰে। প্ৰত্যুত্তৰত, বাৰ্বাডোজে আঠ উইকেটত ৬২ ৰান কৰি পৰাজয় স্বীকাৰ কৰে। ভাৰতৰ ৰেনুকা সিঙে ১০ ৰান দি চাৰিটা উইকেট পায়। উল্লেখ্য যে প্ৰথম মেচত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ পাছত ভাৰতৰ মহিলা ক্ৰিকেট দলে শক্তিশালী প্ৰত্যাৱৰ্তন কৰি নিজৰ দ্বিতীয়খন মেচত পাকিস্তানক পৰাস্ত কৰি আত্মবিশ্বাস বৃদ্ধি কৰিছিল। বৰ্ষাবিঘ্নিত মেচখনত ভাৰতৰ মহিলা ক্ৰিকেট দল আঠ উইকেটত চমকপ্ৰদ বিজয় অৰ্জন কৰে পাকিস্তানৰ বিৰুদ্ধে। বৰষুণৰ বাবে মেচৰ অভাৰ হ্ৰাস কৰি ২০ পৰিৱৰ্তে ১৮ অভাৰৰ কৰা হয়। টছত জয়ী হৈ বেটিং কৰা পাকিস্তান মহিলা দলে ১৮ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৯৯ ৰান কৰে। ভাৰতীয় মহিলা ক্ৰিকেট দলৰ হৈ স্নেহা ৰাণা আৰু ৰাধা যাদৱে দুটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত ১০০ ৰানৰ বিজয়লক্ষ্য লৈ বেটিং কৰা ভাৰতীয় মহিলা ক্ৰিকেট দলে বিস্ফোৰক আৰম্ভণি কৰি ১১.৪ অভাৰতে দুই উইকেটত ১০২ ৰান কৰি হেলাৰঙে জয় অৰ্জন কৰে। ভাৰতৰ স্মৃতি মান্ধানাই ৪২ বলত অপৰাজিত ৬৩ ৰান কৰে। মান্ধানাই আঠটা বাউণ্ডেৰী আৰু তিনিটা ছিক্সাৰ মাৰে। তেওঁৰ লগত ইনিংছ মুকলি কৰা শ্বেফালীয়ে ১৬ ৰান কৰে। উল্লেখ্য যে প্ৰথম মেচত ভাৰতৰ মহিলা ক্ৰিকেট দল (১৫৪-৮) তিনি উইকেটত পৰাস্ত হৈছিল অষ্ট্ৰেলিয়াৰ (১৫৭-৭) বিৰুদ্ধে।

# ছুপাৰ ষ্ট্ৰাইৰ্কাছ-জে বি ক্লাবৰ খেল ড্ৰ

**গুৱাহাটী, ৪ আগষ্ট ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নৱ কুমাৰ ভূএগ্ৰা সোঁৱৰণী তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজি অনুষ্ঠিত নগাঁও ছুপাৰ ষ্ট্ৰাইৰ্কাছ বনাম জে বি ক্লাবৰ মাজৰ গুৰুত্বপূৰ্ণ খেলখন ৩-৩ গ'লত ড্ৰ হয়। খেলখনত নগাঁও ছুপাৰ ষ্ট্ৰাইৰ্কাছৰ হৈ পৰাগ পাটৰ, বিদ্যুৎ বৰদলৈ আৰু অপু হাণ্ডেৰ বিপৰীতে জে বি ক্লাবৰ হৈ বিৰাজ বৰদলৈয়ে দুটা আৰু ডেভিদ বড়োৱে এটা গ'ল দিয়ে। খেলখন পৰিচালনা কৰাত ৰেফাৰী শৈলেন ভূএগ্ৰাক সহায় কৰে কৃষ্ণকান্ত দাস, ৰয়েল ইছলাম আৰু অহিদুজ জামানে।

# ছেমি ফাইনেলত পুৰুষৰ হকী দল




**বাৰ্মিংহাম, ৪ আগষ্ট ঃ** ভাৰতৰ মহিলা হকী দলৰ পাছত পুৰুষ হকী দলেও চলিত বাৰ্মিংহাম কমনৱেলথ গেমছৰ ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে। আজি খেলা নিজৰ চতুৰ্থ গ্ৰুপ মেচখনত ভাৰতৰ পুৰুষ হকী দলে ৪-১ গ'লৰ ব্যৱধানত কানাডাক পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে। উল্লেখ্য যে পুৰুষৰ হকী দলে ইতিমধ্যে খেলা চাৰিখন মেচত ২৭ টা গ'ল কৰি ছেমিফাইনেলত প্ৰৱেশৰে নিজৰ শক্তিৰ পৰিচয় দিছে। তিনিখনত জয় তথা এখন ড্ৰ খেলা পুৰুষ হকী দল এতিয়াও অপৰাজেয়। উল্লেখ্য যে ঘানাৰ বিৰুদ্ধে ১১-০ গ'লৰ ব্যৱধানত জয়লাভ কৰি অভিযান আৰম্ভ কৰা ভাৰতীয় পুৰুষ হকী দলে নিজৰ দ্বিতীয় মেচত ৩-০ গ'লৰ ব্যৱধানত আগবাঢ়ি থকাৰ পাছতো ইংলণ্ডৰ বিৰুদ্ধে ৪-৪ ত ড্ৰ খেলিবলৈ বাধ্য হৈছিল। কিন্তু তৃতীয় মেচত ভাৰতে ৮-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে কানাডাক। আজিৰ জয়ে দলক ছেমিফাইনেলৰ স্থান নিশ্চিত কৰালে।

# অসম যুৱ অলিম্পিকত ডিমৌৰ শতদ্ৰু শৰ্মাৰ জিমনাষ্টিকত ব্ৰঞ্জৰ পদক, বিভিন্নজনৰ শুভেচ্ছা




**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ডিমৌ, ৪ আগষ্ট ঃ** গুৱাহাটীত অনুষ্ঠিত হৈ যোৱা যুৱ অলিম্পিকত শিৱসাগৰ জিলাৰ ডিমৌৰে বহুকেইটা ইভেণ্টত সুন্দৰ পাৰদৰ্শিতা প্ৰদৰ্শ কৰি সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পদক জয় কৰি সমগ্ৰ জিলাৰ লগতে ডিমৌবাসীক গৌৰান্বিত কৰে। এই যুৱ অলিম্পিকত শিৱসাগৰ জিলাক প্ৰতিনিধিত্ব কৰি ডিমৌৰ চ্যুকাফা নগৰৰ নিবাসী বাবুল শৰ্মা আৰু প্ৰিয়ংকা গগৈৰ একমাত্ৰ পুত্ৰ শতদ্ৰু শৰ্মাই জিমনাষ্টিক ইভেণ্টত ভল্ট টেবুলত ব্ৰঞ্জৰ পদক আজুৰি আনিবলৈ সক্ষম হয়। শতদ্ৰু শৰ্মাই জিমনাষ্টিক প্ৰতিযোগিতা ব্ৰঞ্জৰ পদক জয় কৰি শিৱসাগৰ জিলাৰ লগতে ডিমৌবাসীক গৌৰান্বিত কৰাত ডিমৌৰ বিভিন্ন জন ব্যক্তি অনুষ্ঠানে অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে। ডিমৌ চায়েঞ্চ একাডেমীত অধ্যয়নত শতদ্ৰু শৰ্মাই শিৱসাগৰ জিলাৰ জিমনাষ্টিক হ'লত কৌস্তভ কাশ্যপ গগৈৰ উচৰত প্ৰশিক্ষণ লৈ আছে। প্ৰশিক্ষক কৌস্তভ কাশ্যপ গগৈয়ে শতদ্ৰু শৰ্মাৰ ব্ৰঞ্জৰ পদক জয় কৰাত সন্তুষ্টি প্ৰকাশ কৰি অনাগত দিনত ইয়াতকৈয়ো উন্নত প্ৰদৰ্শন কৰাৰ বাবে অনুশীলন অব্যাহত ৰাখিবলৈ আহ্বান জনায়। শতদ্ৰু শৰ্মাই ইয়াৰ পূৰ্বেও গুৱাহাটীত অনুষ্ঠিত হোৱা আন্ত:জিলা জিমনাষ্টিক প্ৰতিযোগিতাত ফ্ল'ৰ অনুশীলন, ভল্ট টেবুল আৰু পমেল হৰচ ইভেণ্টত স্বৰ্ণপদক জয় কৰিছিল। উল্লেখ্য যে, এই যুৱ অলিম্পিকত শিৱসাগৰ জিলাৰ আন তিনিজন খেলুৱৈয়ে সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পদক লাভ কৰে।

# স্প'ৰ্টছ ক্লাবৰ তৃতীয় জয়

**গুৱাহাটী, ৩ আগষ্ট ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নৱ কুমাৰ ভূএগ্ৰা সোঁৱৰণী তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত বৰ্‌মপুৰ স্প'ৰ্টছ ক্লাবে ৰেডক্ৰ'ছ ক্লাবক ৬-২ গ'লত সহজেই হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। আজিৰ বিজয়ৰে এইবাৰৰ লীগত বৰ্‌মপুৰ স্প'ৰ্টছ ক্লাবে তৃতীয়টো বিজয় সাব্যস্ত ৰাখিছে। একপক্ষীয় খেলখনত বৰ্‌মপুৰ স্প'ৰ্টছ ক্লাবৰ হৈ গমেন ৰাভাই হেট্‌ট্ৰিকসহ পাঁচটা গ'ল দিয়ে। খেলখন পৰিচালনা কৰাত ৰেফাৰী পাৰ্শ্বজ্যোতি দাসক সহায় কৰে পৱিত্ৰ বৰা, ৰিয়াজ আহমেদ আৰু অহিদুজ জামানে।

# স্বাধীনতা দিৱস ফুটবলত জিএমএছএফচি-মিচিং আৰ' এফ চিৰ অগ্ৰগতি

**দৈনন্দিন বাৰ্তাৰ বিশেষ ক্ৰীড়া প্ৰতিনিধি, ধেমাজি, ৪ আগষ্ট ঃ** ধেমাজি জিলাৰ গোগামুখ মহৰিকেম্পস্থিত ৰাজীৱ গান্ধী গ্ৰাম্য ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হৈ থকা স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাত গোগামুখ জি এম এছ এফ চি আৰু মিচিং আৰ' এফ চিয়ে দ্বিতীয় ৰাওণ্ডলৈ অগ্ৰগতি লাভ কৰিছে। আজি অনুষ্ঠিত হোৱা খেলত জি এম এছ এফ চিয়ে মাজুলী কাৰ্‌চাং এফ চিক ২-১ গলৰ ব্যৱধান পৰাস্ত কৰে। উত্তেজনপূৰ্ণ খেলখনত দুয়ো অৰ্ধতে জি এম এছ এফ চিয়ে অধিকাংশ সময় বল নিজৰ আয়ত্তত ৰাখে যদিও ৫-৬ টাকৈ গল দিয়াৰ সুযোগ অপচয় কৰে। আন এখন খেলত মিচিং আৰ' এফ চিয়ে লখিমপুৰ নকাড়ী এফ চিক ২-০ গলৰ ব্যৱধানত পৰাস্ত কৰে। নিৰস খেলখনত দুয়োটা দলৰে ফিনিচিঙৰ বাৰুকৈয়ে পৰিলক্ষিত হ'ল।

# উৰ্বশী ব্ৰহ্ম উচ্চতৰ মাধ্যমিক দল চেম্পিয়ন

**গুৱাহাটী, ৪ আগষ্ট ঃ** চিৰাং জিলা ক্ৰীড়া বিভাগৰ উদ্যোগত অনুষ্ঠিত ১৪ বছৰ অনূৰ্ধ্বৰ আন্তঃ বিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন উৰ্বশী ব্ৰহ্ম মেমোৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু বৰলাউগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মাজত অনুষ্ঠিত কৰা হয়। খেলখনত উৰ্বশীয়ে ৩-১ গ'লত জয় হৈ খিতাপ অৰ্জন কৰে। উৰ্বশীৰ হৈ ফৈলাউ বসুমতাৰীয়ে হেটট্ৰিক অৰ্জন কৰে। বৰলাউগাঁৰৰ হৈ গ'ল কৰে মিথিছাৰ ব্ৰহ্মই। মিথিছাৰ ব্ৰহ্মাই চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে। দলটোৱে এতিয়া সাত আগষ্টৰ পৰা গুৱাহাটীত অনুষ্ঠিত হ'বলগা আন্তঃ জিলা পিলিক চৌধুৰী ট্ৰফীত অংশগ্ৰহণ কৰিব। খেলখন পৰিচালোনা কৰে ৰেফাৰী সৌমখৌৰ দোইমাৰী, সৌমদন বসুমতাৰী, যোচেপ মাৰ্ডী আৰু প্ৰাণজিৎ নাৰ্জাৰীয়ে।

# বৰপেটাৰোড আৰক্ষী থানা প্ৰীতি ফুটবল খেলত বিজয়ী

**দৈনন্দিন বাৰ্তাৰ বিশেষ ক্ৰীড়া প্ৰতিনিধি, বৰপেটাৰোড, ৪ আগষ্ট ঃ** দেশৰ আজাদী কা অমৃত মহোৎসৱ উপলক্ষে বৰপেটা জিলা আৰক্ষীৰ উদ্যোগত আজি উত্তৰ বৰপেটাৰোডৰ গাই বন্ধা ষ্টেডিয়ামত এখন প্ৰীতি ফুটবল খেল অনুষ্ঠিত হয়। উক্ত প্ৰীতি ফুটবল খেলখনত বৰপেটাৰোড আৰক্ষী থানাৰ দলে তাৰাবাৰী আৰক্ষী থানাক সহজে ২-০ গ'লৰ ব্যৱধানত পৰাভূত কৰে। খেলখনৰ প্ৰথমাৰ্দ্ধত




বৰপেটাৰোড থানাৰ হৈ বিনোদ বড়োৱে প্ৰথমটো গ'ল দি দলটোক ১ গ'লৰ অগ্ৰগতি দিয়াৰ পিছত পুনৰ খেলখনৰ দ্বিতীয়াৰ্দ্ধত বৰপেটাৰোডৰ হৈ পুনৰ বিনোদে ১টা গ'ল দিয়াত বৰপেটাৰোড আৰক্ষী থানায়ে বিজয়ী হয়। ফুটবল খেলখনৰ আৰম্ভণিতে দুয়ো দলৰ খেলুৱৈৰ মাজত পৰিচয় কৰিছিল বৰপেটাৰ আৰক্ষীৰ উপ-আৰক্ষী অধীক্ষক সমীৰণ দত্ত বৰুৱাকে আদি কৰি আৰক্ষীৰ কে'বাগৰাকী বিষয়াই। আজিৰ ফুটবল খেলখন পৰিচালনা কৰে সুনীল গোস্বামী আৰু দিলীপ দাসে।

## ধেমাজি জিলা ভিত্তিত আন্তঃবিদ্যালয় ছোৱালী-ল'ৰাৰ ফুটবল প্ৰতিযোগিতা সম্পন্ন

# ছোৱালীত তেলাম-ল'ৰাত মাছখোৱা চেম্পিয়ন

**দৈনন্দিন বাৰ্তাৰ বিশেষ ক্ৰীড়া প্ৰতিনিধি, ধেমাজি, ৪ আগষ্ট ঃ** সদৌ অসম ভিত্তিত অনুষ্ঠিত হ'বলগা ১৭ বছৰ অনুৰ্ধ্ব নৃপেন্দ্ৰ নাৰায়ণ সিং ফুটবল (ছোৱালী) আৰু ১৭ বছৰ অনুৰ্ধ্ব ফুটবল (ল'ৰা) প্ৰতিযোগিতা সমূহ ধেমাজি জিলা ভিত্তিত আজি সম্পন্ন হৈ যায়। ধেমাজি জিলা ক্ৰীড়া সংস্হাৰ উদ্যোগত গোগামুখ নগৰ হাইস্কুল খেলপথাৰ কালি আৰু আজি অনুষ্ঠিত হোৱা খেলত তেলাম ট্ৰাইবেল হাইস্কুল ছোৱালী ফুটবল দলে চিমেনমুখ হাইস্কুলক ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ধেমাজি জিলা ভিত্তিত চেম্পিয়ন হোৱাৰ লগত সদৌ অসম ভিত্তিত অনুষ্ঠিত হ'ব লগা নৃপেন্দ্ৰ নাৰায়ণ সিংহ ফুটবল প্ৰতিযোগিতাত খেলাৰ যোগ্যতা অৰ্জন কৰিছে। একেদৰে ল'ৰাৰ শাখাত ধেমাজি মাছখোৱ উচ্চতৰ মাধ্যমিক বিদ্যালয় ফুটবল দলে ধেমাজি পাব্লিক স্কুলক ৪-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ধেমাজি জিলা ভিত্তিত চেম্পিয়ন হোৱাৰ লগতে সদৌ অসম ভিত্তিত অনুষ্ঠিত হ'বলগা দেউকন ট্ৰফী ফুটবল প্ৰতিযোগিতা খেলাৰ যোগ্যতা অৰ্জুন কৰিছে। বিজয়ী সকলো দললৈ ধেমাজি জিলা ক্ৰীড়া সংস্হাৰ সম্পাদক যতীন বুঢ়াগোঁহায়ে আন্তৰিক অভিনন জ্ঞাপন কৰাৰ লগতে সমাগত প্ৰতিযোগিতাৰ বাবে আগতীয়াকৈ শুভেচ্ছা জনাইছে।



# ৬ আৰু ৭ আগষ্টত মৰিগাঁও জিলা বাছনি মুকলি দবা

## তিনি দবাৰুলৈ ফিডে ৰেটিং

**দৈনন্দিন বাৰ্তাৰ বিশেষ ক্ৰীড়া প্ৰতিনিধি, ভূৰাগাঁও, ৪ আগষ্ট ঃ** অহা ৬ আৰু ৭ আগষ্টত অনুষ্ঠিত হ'ব মৰিগাঁও জিলা মুকলি দবা প্ৰতিযোগিতা। মৰিগাঁও উচ্চতৰ আৰু বহুমুখী বিদ্যালয়ত আয়োজন কৰা প্ৰতিযোগিতাখনত অংশগ্ৰহণৰ বাবে ৮৭৬১০২১৫৫৩ এই নম্বৰত যোগাযোগ কৰিব পাৰিব। উল্লেখ্য, এই প্ৰতিযোগিতাৰ পৰা ৪৫সংখ্যক সদৌ অসম দবা প্ৰতিযোগিতালৈ বাছনি কৰা হ'ব। আনহাতে, মৰিগাঁৱৰ তিনিগৰাকী দবাৰুৱে আন্তঃৰাষ্ট্ৰীয় ৰেটিং লাভ কৰি সু-খবৰ কঢ়িয়াই আনিছে জিলাখনলৈ। সদ্যঘোষিত ফিডে ৰেটিঙত স্থান লাভ কৰা দবাৰু তিনিগৰাকী হ'ল— কৌশিক বৰুৱা (১৩০২), ৰিপুন সৰকাৰ (১১৩১) আৰু ঈশানপ্ৰতিম ডেকা (১০৩০)। দবাৰু কেইগৰাকীৰ সাফল্যত মৰিগাঁও জিলা দবা সন্থাই অভিনন্দন জনাইছে।

দুধনৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষ

# ৫০খন পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ

## মুখ্য অতিথি হিচাপে উপস্থিত থাকে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু



**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ৪ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান দুধনৈ মহাবিদ্যালয়ৰ ৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজিৰ পৰা এবছৰীয়া কাৰ্যসূচীৰে সোণালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভ কৰা হ'ব। আজি পুৱা ৫০খন পতাকা উত্তোলনেৰে সোণালী জয়ন্তী বৰ্ষৰ বছৰজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। মূল পতাকা উত্তোলন কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° উপেন ৰাভা হাকাচামে। ইয়াৰ লগে লগে আন ৪৯খন পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি তথা ৰাভা হাছং পৰিষদৰ চীফ টংকেশ্বৰ ৰাভা, দুধনৈ সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰীৰ লগতে অৱসৰপ্ৰাপ্ত অধ্যাপক-অধ্যাপিকা, প্ৰাক্তন ছাত্ৰ সন্মিলনৰ বিষয়ববীয়াসকলে। ইয়াৰ পিছত স্মৃতি তৰ্পণ কৰে মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ক্ষীৰোদ খাখলাৰীয়ে। সোণালী জয়ন্তী বৰ্ষৰ সৈতে সংগতি ৰাখি মহাবিদ্যালয় চৌহদত ৫০ জোপা গছপুলি ৰোপণ কৰা হয়। ইয়াৰ লগতে মহাবিদ্যালয়ৰ স্থায়ী প্ৰতীকৰ আধাৰশিলা স্থাপন কৰে উদ্‌যাপন সমিতিৰ সভাপতি টংকেশ্বৰ ৰাভাই। মহাবিদ্যালয়খনৰ প্ৰথম স্থায়ী অধ্যক্ষ স্বৰ্গীয় কৰুণা কান্ত ৰাভাৰ সোঁৱৰণত আৱক্ষ মূৰ্তিৰ আধাৰশিলা স্থাপন কৰে দুধনৈ সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰীয়ে। ইয়াৰোপৰি ৰাভা হাছং পৰিষদৰ অনুদানেৰে নিৰ্মিত মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰো শুভ উদ্বোধন কৰা হয়। দিনৰ এঘাৰ বজাত অৱসৰপ্ৰাপ্ত অধ্যাপক-অধ্যাপিকা আৰু প্ৰাক্তন তথা বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ সমাৰোহ অনুষ্ঠিত হয়। এই উপলক্ষে অনুষ্ঠিত সভাত পৌৰোহিত্য কৰে প্ৰাক্তন ছাত্ৰ সন্মিলনৰ সভাপতি দিগন্তৰাভাই। সভাত মহাবিদ্যালয় সংগীত উন্মোচন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° বিৰিঞ্চি মেধিয়ে। ইপিনে, শুভাৰম্ভ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আজি পুৱা ৩.৩০ বজাত মাটিয়াৰ পৰা দুধনৈলৈ মাৰাথন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। ইপিনে, সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক কুমাৰ নাথে মহাবিদ্যালয়খনত উপস্থিত হৈনষ্টালজিক হৈপৰে। কাৰণ, আছুৰ সভাপতিগৰাকী এইখন মহাবিদ্যালয়ৰেই প্ৰাক্তন ছাত্ৰ। আছুৰ সভাপতিগৰাকীয়ে কয় যে গোৱালপাৰা জিলাৰ ভিতৰত এইখন দুধনৈ মহাবিদ্যালয় জাকত জিলিকা উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত এইখন মহাবিদ্যালয়ে আগবাঢ়ি যাব। এই মহাবিদ্যালয়খনক স্বতন্ত্ৰ মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে আছুৰ সভাপতি দীপাংক কুমাৰ নাথে অসম চৰকাৰক আহ্বান জনাইছে। বিয়লি উদ্‌যাপন সমিতিৰ সভাপতি টংকেশ্বৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত উপস্থিত থাকে অসমৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু। শিক্ষামন্ত্ৰীগৰাকীয়ে কয় যে দুধনৈ মহাবিদ্যালয়ে স্বায়ত্ত মহাবিদ্যালয় হিচাপে যাতে আগবাঢ়িব পাৰে তাৰ বাবে আগবাঢ়ি যাব লাগে। তেওঁ কয় যে তৃতীয় শ্ৰেণীৰ পৰা বিজ্ঞান আৰু গণিত বিষয়টোক ইংৰাজী ভাষাত শিকাব, ছাত্ৰ-ছাত্ৰীসকলে যাতে মাধ্যমিক পৰ্যায়ত গৈ কৃতকাৰ্য লাভ কৰিব পাৰে। যাক মাধ্যমিকৰ প্ৰস্তুতি বুলি ক'ব পাৰি। আনহাতে, প্ৰাক প্ৰাথমিকৰ পৰা দ্বিতীয় শ্ৰেণীলৈ ছাত্ৰ-ছাত্ৰীক বুনিয়াদী শিক্ষাৰ ভেটি গঢ় দিয়া হ'ব অংগনৱাড়ী কেন্দ্ৰসমূহত। তেওঁ কয়- বিদ্যালয়ত অসমীয়া মাধ্যমৰ লগতে ইংৰাজী ভাষা সামৰি দ্বৈত ভাষা প্ৰচলনেৰে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা দিয়াৰ বাবে অসম চৰকাৰে ইতিমধ্যে সিদ্ধান্ত লৈছে। এই সক্ৰান্তত চৰকাৰৰ শিক্ষা বিভাগে সদৌ অসম ছাত্ৰ সন্থা, অসম সাহিত্য সভা, অসমৰ বিশিষ্ট বুদ্ধিজীৱী, বিভিন্ন ছাত্ৰ সংগঠনৰ নেতৃবৃন্দৰ সৈতে আলোচনাত মিলিত হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে নিজৰ ভাষণত উল্লেখ কৰি মহাবিদ্যালয়ৰ প্ৰবক্তাসকলক নিজৰ বিষয়টোতে শিক্ষাদানৰ প্ৰক্ৰিয়াত সীমাবদ্ধ নাথাকি অইন বিষয়ৰ ওপৰতো ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা দান দিয়াৰ বাবে আহ্বান জনায়। মহাবিদ্যালয় প্ৰাংগণত ৰাভা হাছং পৰিষদৰ সহযোগত এটি অ'ডিটৰিয়াম দিয়াৰ কথাও ঘোষণা কৰে মন্ত্ৰীগৰাকীয়ে। ইপিনে সন্ধিয়া ৫০ গছি বন্তি প্ৰজ্বলনেৰে সোণালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভ কাৰ্যসূচীৰ সামৰণি পৰে।

# ধুবুৰীৰ কিচমদ হাসদাহ আদৰ্শ চিকিৎসালয়ৰ শুভ উদ্বোধন




**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৪ আগষ্ট ঃ** দীৰ্ঘ বিৰতিৰ পিছত আজি উদ্ভোদন হ'ল কিচমত হাজদাহ আদৰ্শ চিকিৎসালয়। আজি কিচমদ হাজদাহ আদৰ্শ চিকিৎসালয়ৰ শুভ উদ্বোধন কৰে ধুবুৰী সমষ্টিৰ বিধায়ক নজৰুল হকে। ধুবুৰীৰ পৌৰপতি ডাঃ দেৱময় সান্ন্যাল, অতিৰিক্ত জিলা উপযুক্ত নিত্য বিনদ ৰাৰীও উপস্থিত থাকে। উদ্বোধনী ভাষণত ডাঃ মিনহাজ চৌধুৰীয়ে কিচমদ হাসদাহ আদৰ্শ চিকিৎসালয়ত আজিৰ পৰা চিকিৎসাৰ ব্যৱস্থা লোৱা হ'ব বুলি জানিবলৈ দিয়ে। বিশেষকৈ মহিলাসকলৰ গৰ্ভধাৰণৰো ব্যৱস্থা লোৱা হ'ব। শুভ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ ইমদাদুল্যা হক, ধৰ্মশালা প্ৰাথমিক চিকিৎসা কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া ডাঃ মিনহাজ চৌধুৰী, বিচিএম আঞ্জুমানাৰা ছিদ্দিকা, বিপিএম আজিজুৰ ৰহমান, অতিৰিক্ত যুটীয়া সঞ্চালক ডাাঃ জে বি ৰয়, প্ৰাক্তন বিধায়ক জাহানুদ্দিন, পৌৰপতি ধুবুৰী দেৱময় সান্ন্যাল, গাছপাৰা, আদাবাৰী জিলা পৰিষদৰ সদস্য, কালাৰহাট, কাছাৰীহাট, ঝগৰাৰপাৰ, আদাবাৰি, বিন্যাছৰা পঞ্চায়ৰ সভাপতি-সভানেত্ৰীৰ লগতে স্থানীয় ৰাইজ। অনুষ্ঠানত বিশিষ্ট অতিথি ডাঃ দেৱময় সান্ন্যালে কয়,'ৰাইজৰ দীৰ্ঘদিনৰ এক দাবী আজি পূৰণ হ'ল। আজি এই চিকিৎসালয় মুকুলি হোৱাৰ লগে লগে অঞ্চলৰ ৰাইজৰ চিকিৎসাৰ বাবে সুযোগ লাভ কৰিব। ইয়াৰ পৰা ২৫ কিঃমিঃ দূৰত্বত থকা ধুবুৰী মেডিকেলত যাব নালাগিব। ধুবুৰীৰ বিধায়ক নজৰুল ইছলামে কয়, নিৰ্বাচনৰ সময়ত ৰাইজক আশ্বাস প্ৰদান কৰিছিলোঁ। আজি মোৰ স্বপ্ন সফল হ'ল। এতিয়া চিকিৎসালয়খন চাফ-চিকুণ ৰখা ৰাইজৰ দায়িত্ব। চিকিৎসক, নাৰ্ছৰ অভাৱ নহ'ব। সভাত অতিৰিক্ত উপায়ুক্ত, নিত্য বিনোদ ৰাৰিয়ে ভাষণ প্ৰদান কৰে। ইয়াৰ আগতে চিকিৎসালয় পৰিচালনা কমিটীৰ তৰফৰ পৰা বিশিষ্ট অতিথিসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। কিচমদ হাসদাহ আদৰ্শ চিকিৎসালয়ৰ অধ্যক্ষ ডাঃ ৰেজাউল কৰিম আহমেদৰ নেতৃত্বত আজিৰ পৰা চিকিৎসা সেৱাৰ কাম-কাজ সম্পূৰ্ণ ৰূপে আৰম্ভ কৰা হ'ব। আজিৰ সভাত ৫ শতাধিক লোক উপস্থিত থাকে।

# নলবাৰীৰ কৃতী ছাত্ৰী প্ৰতীক্ষা হাজৰিকাৰ দায়িত্ব ল'লে নলবাৰীৰ এগৰাকী জ্যেষ্ঠ সাংবাদিকে



**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ৪ আগষ্ট ঃ** নলবাৰী জিলাৰ বৰনৰ্দ্দীৰ চুৰ্চুৰি গাঁৱৰ মেধাৱী ছাত্ৰী প্ৰতীক্ষা হাজৰিকাৰ উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ শিক্ষাৰ বাবদ নলবাৰীৰ জ্যেষ্ঠ সাংবাদিক ব্ৰজেন তালুকদাৰে জিলা ছাত্ৰ সন্থাৰ নেতৃত্বত ছাত্ৰীগৰাকীক ৫০ হাজাৰ টকা প্ৰদান কৰে। অতি দৰিদ্ৰ পৰিয়ালৰ মেধাৱী ছাত্ৰী প্ৰতীক্ষা হাজৰিকাই বনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ৯৪.১৬ শতাংশ নম্বৰেৰে সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। অতি দুখীয়া ঘৰৰ ছাত্ৰীগৰাকীৰ অধ্যয়নত যাতে কোনো অসুবিধা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি জিলা ছাত্ৰ সন্থাই ব্যৱস্থা গ্ৰহণ কৰে। আজি শ্বহীদ ভৱনত আয়োজিত এক সভাত ছাত্ৰীগৰাকীক এই মাহৰ মাচুল প্ৰদান কৰে। মাচুল প্ৰদান কৰি জিলা আছুৰ সভাপতি আৰু সম্পাদক গুণজ্যোতি পাঠক আৰু অক্ষয় ডেকাই কয় যে আৰ্থিক অভাৱে যাতে ছাত্ৰীগৰাকীৰ পঢ়াৰ দিশত কোনো বাধা হ'ব নোৱাৰে তাৰ বাবে ছাত্ৰ সন্থাই কাম কৰি যাব বুলি উক্ত সভাত প্ৰকাশ কৰে। মাহিলি মাচুল প্ৰদান কৰি জ্যেষ্ঠ সাংবাদিক ব্ৰজেন তালুকদাৰে কয় যে প্ৰতীক্ষা আমাৰ সম্পদ। এই সম্পদক আমি আৰ্থিক অভাৱৰ ফলত অপচয় হ'ব দিব নোৱাৰোঁ। আমি ইয়াৰ দায়িত্ব ল'ম অনাগত দিনত। আমাৰ সম্পদ আমি আগুৱাই নিব লাগিব। আজিৰ এই কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক ৰিয়াজউদ্দিন আহমেদ, জিলা আছুৰ সহঃ সম্পাদক দিগন্ত ভৰালী, নিৰুজউদ্দিন আহমেদ, গৌতম বেজবৰুৱা আৰু নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উপ-সভাপতি বিশাল চৌধুৰী, সম্পাদক নৱ ডেকা উপস্থিত থাকে। উল্লেখ যে মেধাৱী ছাত্ৰী প্ৰতীক্ষা হাজৰিকাৰ দেউতাকৰ যোৱা ২৬ মে'ত জটিল ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। দেউতাকৰ মৃত্যুৰ পিছত মাতৃ বিনীতা হাজৰিকাই পৰিয়াল চলাই নিয়াত যথেষ্ট অসুবিধা হৈছিল আৰু ছাত্ৰীগৰাকীৰ উচ্চ শিক্ষাৰ বাবে বাধাৰ সৃষ্টি হৈছিল। কিন্তু ছাত্ৰ সন্থা আৰু সাংবাদিক ব্ৰজেন তালুকদাৰৰ সহায়ত পৰিয়ালটোৱে আশাৰ ৰেঙনি দেখা পাইছে। ছাত্ৰী প্ৰতীক্ষা হাজৰিকাই আজি আনন্দিত হৈ ছাত্ৰ সন্থা আৰু ব্ৰজেন তালুকদাৰক কৃতজ্ঞতা জ্ঞাপন কৰি সদায় সমাজৰ বাবে কাম কৰিম বুলি মত পোষণ কৰে। মাতৃ বিনীতা হাজৰিকাই চকুলো টুকি সদৌ নলবাৰী জিলা ছাত্ৰ সন্থা আৰু ব্ৰজেন তালুকদাৰে পৰিয়ালটোক নতুন জীৱন দিয়া বুলি আৱেগিক হৈ পৰে। ছাত্ৰীগৰাকীক ৫০ হাজাৰ টকাৰ লগতে কিতাপ-কাগজ আদিৰ লগতে শৈক্ষিক সঁজুলি যি প্ৰয়োজন হয় ছাত্ৰ সন্থাৰ সহযোগত সাংবাদিক ব্ৰজেন তালুকদাৰে বহন কৰিব বুলি সভাত জিলা নেতৃত্বই সদৰী কৰে।

# টিংখাঙৰ শ্ৰীশ্ৰী যুৰীয়া আই থানত ৪৫৬ যোৰা দৰা-কইনা একেলগে বহিল একেখন বিবাহ মণ্ডপত



**দৈনন্দিন বাৰ্তাৰ সেৱা, টিংখাং, ৪ আগষ্ট ঃ** হোম-যজ্ঞ, পুৰোহিতৰ মন্ত্ৰোচ্চাৰণ আৰু উৰুলিৰ ধ্বনিৰে আজি মুখৰ হ'ল ডিব্ৰুগড় জিলাৰ ৰাজগড়স্থিত ঐতিহাসিক শ্ৰীশ্ৰী যুৰীয়া আই থান। এখন বিশাল আয়োজনৰ বিবাহ। বিয়ালৈ বুলি ঢাপলি মেলিলে হাজাৰ হাজাৰ লোক। দৰা-কইনাৰ সাজেৰে শ্ৰীশ্ৰী যুৰীয়া আই থানলৈ আহিল জাক জাক দম্পতী। নতুনকৈ বিবাহ পাশত আবদ্ধ হ'ব দৰা-কইনা। আনকি কাৰোবাৰ যদি সংসাৰ কৰা ২১ বছৰ হৈছে আন কাৰোবাৰ ১৫ বছৰ অতিক্ৰম হ'ল। ল'ৰা ছোৱালীও হ'ল ডেকা-জীয়ৰী। আজি পুনৰ দৰা-কইনাৰ সাজত বহিল এনে বহু আদহীয়া দম্পতীও। দৰা-কইনাক আশীৰ্বাদ দিবলৈ বিবাহ মণ্ডপত উপস্থিত হ'ল হাজাৰ-হাজাৰ ৰাইজ। ৰাজগড়ৰ ঐতিহাসিক শ্ৰী শ্ৰী যুৰীয়া আই থানত ডিব্ৰুগড় জিলা বিবাহ সংস্কাৰ সমিতিৰ উদ্যোগত তথা দ্য হান্স ফাউণ্ডেচনৰ সামূহিক বিবাহ সংস্কাৰ অনুষ্ঠান অনুষ্ঠিত হয়। এই বিশেষ বিবাহ অনুষ্ঠানত মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী জনাৰ্দন দেৱগোস্বামীয়ে অংশগ্ৰহণ কৰি দৰা-কইনাক আশীৰ্বাদ প্ৰদান কৰে। হান্স কালচাৰেল চেন্টাৰ দিল্লীৰ প্ৰজেক্ট ক'-অৰ্ডিনেটৰ দীনেশ ৰাৱটে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। গীতা হৰপালে আঁত ধৰা অনুষ্ঠানটিত আন কে'বাগৰাকীও অতিথি উপস্থিত থাকে। অজয় বাইলুঙে শলাগৰ শৰাই আগবঢ়ায়। ইয়াৰ পিছতেই সম্পূৰ্ণ হিন্দু ধৰ্মৰ বৈদিক ৰীতি-নীতি অনুসৰি পুৰোহিতৰ মন্ত্ৰ উচ্চাৰণ আৰু হোম যজ্ঞৰে সামূহিক বিবাহ সম্পন্ন হয়। বিবাহৰ পিছত দৰা-কইনাসকলে শ্ৰীশ্ৰী যুৰীয়া আইৰ আশীৰ্বাদ গ্ৰহণ কৰিবলৈ শ্ৰীশ্ৰী যুৰীয়া আই থানত ভিৰ কৰা পৰিলক্ষিত হয়। সামূহিক বিবাহৰ উদ্যোক্তাসকলে দৰা-কইনাক উপহাৰৰ টোপোলা প্ৰদান কৰা দেখা গ'ল। ইফালে বয়সে ভটিয়ালে যদিও দৰা-কইনাৰ সাজত বিবাহ মণ্ডপত বহিবলৈ পাই যথেষ্ট আনন্দ প্ৰকাশ কৰে বৰ-বধুসকলে। এই বিশেষ বিবাহক লৈ আজি পুৱাৰে পৰা ৰাজগড়ত এক উখলমাখল পৰিৱেশৰ সৃষ্টি হয়।

Azadi Ka Amrit Mahotsav

১৬৬৯ খ্ৰীষ্টাব্দৰ ৫ আগষ্ট তাৰিখৰ অসমীয়া সৈন্যৰ বীৰত্ব আৰু চৰম আত্মত্যাগেৰে ৰঞ্জিত আলাবৈ ৰণৰ সোঁৱৰণত অসম চৰকাৰে তৃতীয় বাৰৰ বাবে খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ অন্তৰ্গত অসম প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ উদ্যোগত আয়োজন কৰিছে

"আলাবৈ ৰণ স্মৃতি দিৱস"

মুখ্য অতিথি
**শ্ৰীযুত চন্দ্ৰমোহন পাটোৱাৰী**
মাননীয় মন্ত্ৰী, পৰিৱেশ আৰু বন, এক্ট ইষ্ট পৰিক্ৰমা, সংখ্যালঘু কল্যাণ বিভাগ, অসম চৰকাৰ

সন্মানীয় অতিথি
**শ্ৰীযুতা নন্দিতা গৰ্লোচা**
মাননীয়া মন্ত্ৰী, খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি, শক্তি, সমবায়, খনি আৰু খনিজাত পদাৰ্থ বিভাগ, অসম চৰকাৰ


বিশিষ্ট অতিথি
**অধ্যাপক যোগেন্দ্ৰ নাথ ফুকন**

**স্থান ঃ**
**কুমাৰ ভাস্কৰ বৰ্মন ক্ষেত্ৰ, আমিনগাঁও**
**কামৰূপ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সমীপত**
**তাৰিখ ঃ ৫ আগষ্ট, ২০২২**
**সময় ঃ পুৱা ১০.৩০ বজা**

সত্যমেৱ জয়তে

**প্ৰত্নতত্ত্ব সঞ্চালকালয়, অসম**
**খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগ**
**আমবাৰী, গুৱাহাটী-৭৮১০০১**

১৩-১৫ আগষ্ট ঘৰে ঘৰে জাতীয় পতাকা



## "আলাবৈ ৰণ স্মৃতি দিৱস ২০২২"

অসম আৰু অসমীয়াৰ শৌৰ্য বীৰ্য আৰু বীৰত্বৰ অক্ষয় কীৰ্তি ঐতিহাসিক শৰাইঘাটৰ ৰণৰ প্ৰাক্‌কালত হোৱা আনখন ৰণ আছিল আলাবৈ ৰণ। মোগল সেনাপতি ৰামসিংহ আৰু আহোমৰ সেনাপতি মহাবীৰ লাচিত বৰফুকনৰ নেতৃত্বত ১৬৬৯ খ্ৰীষ্টাব্দত হোৱা আলাবৈ ৰণক্ষেত্ৰ আছিল গুৱাহাটীৰ দাঁতিকাষৰীয়া দলিবাৰীৰ ওচৰৰ আলাবৈ পাহাৰৰ দাঁতিৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ পৰা চেঁচা নদীৰ পাৰলৈ বিস্তৃত। আহোম স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ আদেশত মহাবীৰ লাচিত বৰফুকনৰ নেতৃত্বত আলাবৈত মোগলৰ বিৰুদ্ধে হোৱা এই ঐতিহাসিক ৰণৰ সেনাপতিসকল আছিল চাৰিঙীয়া পেলন ফুকন, দিখৌমুখীয়া ৰাজখোৱা, নামদৈয়ঙীয়া ৰাজখোৱা আৰু ওপৰ দৈয়ঙীয়া ৰাজখোৱা। এই ৰণত মোগলৰ হৈ ৰণক্ষেত্ৰত নামিছিল মদনাৱতী নামৰ এগৰাকী ৰাজপুত ৰমণী আৰু সেনাপতি মীৰ নবাব। আলাবৈ ৰণত অসমীয়া সেনাৰ হাতত মদনাৱতী নিহত হৈছিল। এই ৰণত অসমীয়া সেনাই প্ৰবল পৰাক্ৰমেৰে মোগলৰ বিৰুদ্ধে তয়া-ময়া ৰণ কৰি চাউনীলৈ অহাৰ সময়ত মোগল সেনাপতি ৰামসিংহই কুট-কৌশল ৰচনা কৰি অশ্বাৰোহী সৈন্যৰে আগুৰি ধৰি দহ হাজাৰ গৰাকী অসমীয়া সেনাক বধ কৰিছিল।

আলাবৈ ৰণত মোগলে অন্যায়ভাবে অসমীয়া বীৰ সৈন্যসকলক বধ কৰিলেও অসমীয়া সেনাৰ পৰাক্ৰম আৰু মনোবল হ্ৰাস কৰিব পৰা নাছিল, বৰঞ্চ আলাবৈ ৰণৰ পৰা লোৱা অভিজ্ঞতাৰে মহাবীৰ লাচিত বৰফুকন আৰু অসমীয়া সেনাই শৰাইঘটৰ ৰণত অসীম বীৰত্ব আৰু পৰাক্ৰমেৰে মোগলক পৰাস্ত কৰি অসমখন ৰক্ষা কৰিছিল। অসম বুৰঞ্জীত আলাবৈ ৰণ এক চিৰস্মৰণীয় অধ্যায়।

অসমীয়াৰ বীৰত্বৰ কাহিনীৰে প্ৰোজ্বল আলাবৈ ৰণত দেশ আৰু জাতিৰ বাবে প্ৰাণাহুতি দিয়া সেইসকল অসমীয়া বীৰলৈ আজি অসম চৰকাৰে গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে।



**শ্ৰীযুতা নন্দিতা গৰ্লোচা**
মাননীয়া মন্ত্ৰী, খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি, শক্তি, সমবায়, খনি আৰু খনিজাত পদাৰ্থ বিভাগ, অসম চৰকাৰ

**বিখ্যাত উক্তি**

"মোৰ পুথাও-পুলিনে লোকৰ তলপ হৈ যোৱা নাই, এতিয়া মই লোকৰ তলপ হৈ থাকিব নোৱাৰোঁ। মই স্বৰ্গমহাৰাজৰ নাতি, বন্দী বঙালক কি ৰূপে কৰভাৰ দিম"। -স্বৰ্গদেউ চক্ৰধ্বজ সিংহ

"স্বৰ্গদেউ ৰাজ্যতনো মানুহ নাই নেকি? বঙালনো কি? মানুহহে। আমাৰ ৰাজ্যত নোলাব নেকি তেনে মানুহ? স্বৰ্গদেৱে ধুলা দিবহে লাগে"। -মহাবীৰ লাচিত বৰফুকন

"আমাৰ একোটা সৈন্য একোটা হাতী, মই আজি তেনেকুৱা দহহেজাৰ সৈন্য একেদিনাখনতে হেৰুৱালো"। -মহাবীৰ লাচিত বৰফুকন

"বাৰীৰ ভিতৰৰ পুখুৰী সিচোঁতেও আঠোটা-দহটা মানুহক শিঙিয়ে বিন্ধে। এইটো ৰণহে হৈছে, এই জানি দুই-চাৰিলোক কিয় নপৰিব? এই কথা ৰজালৈ জনাবলৈ ভাল নহয়"। -মহামন্ত্ৰী আতন বুঢ়াগোঁহাই

"প্ৰতিজন অসমীয়া সৈন্য নাও চলোৱা, কাঁড়মৰা, খাৱৈ খন্দা আৰু হিলৈ কামান-মৰা এই সকলোতেই পাকৈত। এনেদৰে সকলো কামতে পাকৈত ৰণুৱা মই ভাৰতবৰ্ষৰ ক'তো দেখা নাই"। -সেনাপতি ৰামসিংহ

"বৰ নবাব লাচিত বৰফুকন সামান্য বীৰ নহয়। যন্ত্ৰাকৃতি গড়, মই একো ঠাইত ছিদ্ৰ নেপালো"। -সেনাপতি ৰামসিংহ

সদাশয় নাগৰিকসকলক জাতীয় বীৰসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিবলৈ বিনম্ৰভাৱে অনুৰোধ কৰা হ'ল।

Janasanyog /D/9812/22

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৱেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি